ভাষা বিজ্ঞান প্ৰবেশ

ড° বসন্ত কুমাৰ ভট্টাচাৰ্য

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

Bhasa-Vijnan Prabesh : A book on General Linguistics by Dr. Basanta Kr. Bhattacharya, Nalbari College, Nalbari (Assam) and Published by Rajendra Mohan Sarma on behalf of Chandra Prakash, Panbazar Guwahati-1
Price : Rs. 150.00 (Rupees One hundred fifty) only.

প্ৰকাশক ঃ ৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১
দূৰভাষ - ২৫১১৯৪৬

প্ৰথম প্ৰকাশ ঃ ১৯৯৩ চন।
দ্বিতীয় প্ৰকাশ ঃ ২০০৮ চন।

বেটুপাত ঃ উৎপল বৰা

মূল্য ঃ ১৫০.০০ টকা

ডি.টি.পি. ঃ ৰাজু কম্পিউটাৰ চিষ্টেম
পল্টনবজাৰ, গুৱাহাটী - ৭৮১০০৮

মুদ্ৰক ঃ চন্দ্ৰকান্ত অফচেট
জি.এন.বি. মাৰ্কেট, চানমাৰী
গুৱাহাটী - ৩

...RECTORATE OF...

আগকথা

মই ভাষা বিজ্ঞানী নহওঁ, ভাষাবিজ্ঞানপ্ৰেমী এজন সাধাৰণ শিক্ষকহে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ভাষাবিজ্ঞানৰ পাঠদান কৰোঁ। সেয়ে, দুই-চাৰিগৰাকী প্ৰৱীণ ভাষাবিজ্ঞানীৰ খনচেৰেক গ্ৰন্থ অধ্যয়ন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি লাভ কৰা অভিজ্ঞতা আৰু এই বিষয়ত প্ৰৱীণসকলৰ গ্ৰন্থ অধ্যয়ন কৰি আহৰণ কৰা সামান্য জ্ঞানেই হ'ল 'ভাষাবিজ্ঞান প্ৰৱেশ' গ্ৰন্থৰ সমল। ইয়াত মোৰ নিজৰ বুলিবলৈ বিশেষ একো নাই। গ্ৰন্থখনিত নিশ্চয় ভুল-ত্ৰুটি ৰৈ গৈছে। সহৃদয় পঢ়ুৱৈসকলে সিবোৰ আঙুলিয়াই দিলে পৰম কৃতাৰ্থ হ'ম। চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী মোৰ পৰম স্নেহভাজন শ্ৰীমান ৰাজেন্দ্ৰ মোহন শৰ্মাই গ্ৰন্থখনি প্ৰকাশ কৰাৰ দায়িত্ব লোৱা বাবে তেওঁক মোৰ আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জনালোঁ।

গ্ৰন্থখনি প্ৰধানকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰচনা কৰা হৈছে। ইয়াৰ পৰা তেওঁলোক উপকৃত হোৱা বুলি জানিব পাৰিলে মোৰ শ্ৰম সাৰ্থক হোৱা বুলি অনুভৱ কৰিব পাৰিম।

ইতি

বসন্ত কুমাৰ ভট্টাচাৰ্য্য

নলবাৰী মহাবিদ্যালয়
১০/১/৯৩ ইং

সূচীপত্ৰ

এক

মানুহ ঃ ভাষা, ভাষাৰ সংজ্ঞা আৰু বৈশিষ্ট্য পৃষ্ঠা ১—৭

দুই

প্ৰজাতি, ভাষা, সংস্কৃতি পৃষ্ঠা ৮—১০

তিনি

ভাষাৰ ৰূপভেদ, ব্যক্তি ভাষা, পৰিয়ালভাষা, উপভাষা, উপভাষাৰ সীমা নিৰ্ধাৰণ, মান্যভাষা, কথিত আৰু লিখিত ভাষা, মাতৃভাষা, দ্বিতীয়ভাষা, ৰাজ্যভাষা, ৰাষ্ট্ৰভাষা, আন্তঃৰাষ্ট্ৰীয় ভাষা, সংযোগীভাষা, মিশ্ৰভাষা, অপভাষা, গুপ্তভাষা, বৰ্গভাষা

পৃষ্ঠা ১১—২২

চাৰি

ভাষাৰ উৎপত্তি, দৈবীসিদ্ধান্ত, ধাতুসিদ্ধান্ত, ধ্বন্যাত্মক সিদ্ধান্ত, মনোভাবাভিব্যক্তি-বাদ, অনুকৰণাত্মক মতবাদ, অনুৰণনমূলক মতবাদ, শ্ৰম পৰিহৰণমূলক মতবাদ, ভাব সংকেতবাদ, নিৰ্ণয়সিদ্ধান্ত, বিকাশবাদ পৃষ্ঠা ২৩—২৬

পাঁচ

ভাষাৰ বৰ্গীকৰণ, বৰ্ণনামূলক বা ৰূপতত্ত্বমূলক, অসমবায়ী, সমবায়ী, সৰ্ব সমবায়ী, যৌগিক সমবায়ী, উপসৰ্গ যৌগিক, অনুসৰ্গ যৌগিক, উপসৰ্গ অনুসৰ্গ যৌগিক, আংশিক যৌগিক, সমবায়ী, অন্তমুখী সমবায়ী, বহিমুখী সমবায়ী, বংশানুগত বৰ্গীকৰণ, ইন্দো-ইউৰোপীয়ভাষা পৰিয়াল, চেমীয়-হেমীয় ভাষা পৰিয়াল, বান্টুভাষা পৰিয়াল,

ফিন্নোউগ্রীয়, আলটাই, ককেছীয়, দ্রাবিড়ভাষা গোষ্ঠী, চীন তিব্বতীয়, উত্তর পূর্ব-সীমান্তীয়, অষ্ট্রিক, এস্কিমো, আমেরিকার আদিম অধিবাসীসকলের ভাষা পরিয়াল অশ্রেণীবদ্ধ ভাষা পৃষ্ঠা ২৭—৩৬

ছয়

ইন্দো-ইউরোপীয় ভাষা পরিয়াল, ইন্দো-ইউরোপীয় ভাষার বৈশিষ্ট্য, ধ্বনি বৈশিষ্ট্য ব্যাকরণগত বৈশিষ্ট্য, ইন্দো-ইউরোপীয় ভাষার ধ্বনি পরিবর্তনের ধারা, ধ্বনি নিয়ম, কালিৎজের নিয়ম, গ্রিমের নিয়ম, গ্রাচ্‌ম্যানের নিয়ম, বার্নার নিয়ম, ইন্দো-ইউরোপীয় ভাষার বর্গীকরণ, সতম্‌শাখা, কেন্তুমশাখা। পৃষ্ঠা ৩৭—৪৪

সাত

ভারতীয় আর্যভাষা, ইরাণীয় আরু ভারতীয় আর্য ভাষার পার্থক্য, ভারতীয় আর্য-ভাষার যুগবিভাগ, প্রাচীন ভারতীয় আর্যভাষা, প্রাচীন ভারতীয় আর্য ভাষার বৈশিষ্ট্য, বৈদিক আরু লৌকিক সংস্কৃতর পার্থক্য, প্রাচীন ভারতীয় আর্যভাষা : আঞ্চলিক ভেদ, উদীচ্য, মধ্যদেশীয় প্রাচ্য, মধ্যভারতীয় আর্যভাষা, মধ্যভারতীয় আর্য বা প্রাকৃত ভাষার বৈশিষ্ট্য, মধ্যভারতীয় আর্যভাষার স্তর বিভাগ, আদি, স্তর, মধ্য স্তর, অন্ত্য স্তর, নব্যভারতীয় আর্যভাষা, অন্তরঙ্গ আরু বহিরংগ বর্গীকরণ, ঐতিহাসিক বর্গীকরণ, ভৌগোলিক বর্গীকরণ। পৃষ্ঠা ৪৫—৭২

আঠ

ভারতর অনার্য ভাষাসমূহ, অষ্ট্রিক, দ্রাবিড়, চীন তিব্বতীয়। পৃষ্ঠা ৭৩—৭৬

ভাষাবিজ্ঞান, ভাষাতত্ত্ব, ব্যাকরণ পৃষ্ঠা ৭৭—৮০

দহ

ভাষাবিজ্ঞানৰ শ্ৰেণী বিভাগ, বৰ্ণনাত্মক ভাষাবিজ্ঞান, ঐতিহাসিক ভাষাবিজ্ঞান, তুলনাত্মক ভাষাবিজ্ঞান, ভেদাত্মক ভাষাবিজ্ঞান, দাৰ্শনিক ভাষাবিজ্ঞান, ভাষাবিজ্ঞানৰ অন্যান্য শ্ৰেণী, প্ৰয়োগ ভাষাবিজ্ঞান, সমাজ ভাষাবিজ্ঞান, ভাষাগত পুৰা প্ৰাণীবিজ্ঞান, ভাষাকাল ক্ৰমবিজ্ঞান। পৃষ্ঠা ৮১—৮৮

এঘাৰ

ভাষাবিজ্ঞানৰ লগত অন্যান্য শাস্ত্ৰসমূহৰ সম্পৰ্ক, সাহিত্য আৰু ভাষাবিজ্ঞান, ইতিহাস আৰু ভাষাবিজ্ঞান, দৰ্শন আৰু ভাষাবিজ্ঞান, মনস্তত্ত্ব আৰু ভাষাবিজ্ঞান, ভূগোল আৰু ভাষাবিজ্ঞান, শৰীৰ বিজ্ঞান আৰু ভাষাবিজ্ঞান, সমাজ বিজ্ঞান আৰু ভাষাবিজ্ঞান, পদাৰ্থবিজ্ঞান আৰু ভাষাবিজ্ঞান, ৰাশিবিজ্ঞান আৰু ভাষাবিজ্ঞান। পৃষ্ঠা ৮৯—৯২

বাৰ

ভাষাবিজ্ঞানৰ আলোচ্য বিষয়, ধ্বনিতত্ত্ব, ৰূপতত্ত্ব বাক্যতত্ত্ব, শব্দাৰ্থত, লিপিবিজ্ঞান, অভিধানবিজ্ঞান, শৈলীবিজ্ঞান। পৃষ্ঠা ৯৩—৯৬

তেৰ

ধ্বনিতত্ত্ব, ধ্বনিবিজ্ঞান, ধ্বনিৰ শ্ৰেণী বিভাগ, স্বৰ আৰু ব্যঞ্জনধ্বনি, স্বৰধ্বনিৰ বিভাগ, ব্যঞ্জনধ্বনিৰ বিভাগ, উচ্চাৰণ স্থান অনুসৰি ব্যঞ্জনধ্বনিৰ বিভাগ, ওষ্ঠ্য, দন্তৌষ্ঠ, দন্ত্য, দন্তমূলীয়, মূৰ্দ্ধন্য, তালু, দন্তমূলীয়, তালব্য, পশ্চতালব্য, আল-জিহ্বীয়, গলকোষীয়, উচ্চাৰণৰ প্ৰকৃতি অনুসৰি ব্যঞ্জনধ্বনিৰ বিভাগ, নিয়ত, অনিয়ত. কম্পিত, তাড়িত, উষ্ম, নৈকট্য, পাৰ্শ্বিক, মধ্যগামী, নিয়তানিয়ত, নাসিক্য, ঘৃষ্ট, হাওঁকাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ জাত ধ্বনি, বহিঃস্ফোটক, অন্তঃস্ফোটক ক্লিক, সঘোষ আৰু অঘোষ, অল্পপ্ৰাণ আৰু মহাপ্ৰাণ, বিশিষ্টধ্বনি বা বৰ্ণবিজ্ঞান, বিশিষ্টধ্বনি বা বৰ্ণ, বিভাজ্য বৰ্ণ, উপহিত বৰ্ণ, সুৰলহৰ, স্বৰৰ দীৰ্ঘত্ব, শ্বাসাঘাত, সন্ধি, অনুনাসিকতা, অক্ষৰ আৰু আখৰ, ধ্বনি পৰিবৰ্তনৰ কাৰণ, বহিৰংগ কাৰণ, ভৌগোলিক প্ৰভাৱ, ভিন্ন ভাষাৰ প্ৰভাৱ, ঐতিহাসিক কাৰণ, সামাজিক প্ৰভাৱ, ব্যক্তিগত প্ৰভাৱ, অন্তৰংগ কাৰণ, শাৰীৰিক কাৰণ, বাকযন্ত্ৰ বা শ্ৰৱণ যন্ত্ৰৰ ত্ৰুটি, অনুকৰণৰ অক্ষমতা, উচ্চাৰণ

দ্ৰুতি, প্ৰযত্ন লাঘৱ, মানসিক কাৰণ, অজ্ঞতা, আবেগবিহ্বলতা, শ্বাসাঘাত, অন্যমনস্কতা, কুসংস্কাৰ, বিশুদ্ধি প্ৰৱণতা, লোক নিৰুক্তি, শব্দ দৈৰ্ঘ্য, সাদৃশ্য, ধ্বনিপৰিৱৰ্তনৰ ধাৰা, বিৱৰ্তন আৰু সংযোগমূলক ধাৰা, ধ্বনিবিলোপ, সমাক্ষৰ লোপ, ধ্বনি আগম, আদি স্বৰাগম, মধ্যস্বৰাগম, অন্ত্য স্বৰাগম, আদি, মধ্য আৰু অন্ত্যব্যঞ্জন আগম, অপিনিহিত, অভিশ্ৰুতি, স্বৰসংগতি, সমীভৱন, বিষমীভৱন, ঘোষীভৱন, অঘোষীভৱন, মহাপ্ৰাণীভৱন, অল্পপ্ৰাণীভৱন, উষ্মীভৱন, ৰকাৰীভৱন, নাসিক্যীভৱন, স্বতঃনাসিক্যভৱন, বিনাসিক্যীভৱন, মূৰ্দ্ধন্যীভৱন, তালব্যীভৱন, সংকোচন, বিস্ফাৰণ, ব্যঞ্জন দ্বিত্ব, পূৰকদীৰ্ঘতা, অপশ্ৰুতি, সাদৃশ্যমূলক আৰু বিভ্ৰান্তিমূলক ধাৰা, বিষমচ্ছেদ, পশ্চগঠন, শব্দ বিভ্ৰম, অন্যোন্য ধ্বনি বিপৰ্যয়, জোড়কলম শব্দ, মিশ্ৰণ শব্দ, মিশ্ৰণ, সমাৰ্থক অনুগামী শব্দ, অনুকাৰ শব্দ, ধ্বন্যাত্মক শব্দ, সমধ্বনি শব্দ, বাক্য শব্দ। পৃষ্ঠা ৯৭—১৩৮

চৈধ্য

ভাষাৰ বাহ্যিক পৰিৱৰ্তন : ভাষাঋণ, ভাষাঋণৰ চৰ্ত, ভাষাঋণৰ প্ৰকাৰ, শব্দ ঋণ, অনূদিত ঋণ, অৰ্থ পৰিবৃত্তি, উচ্চাৰণ ঋণ। পৃষ্ঠা ১৩৯—১৪২

পোন্ধৰ

ৰূপতত্ত্ব, প্ৰাকৃতি, শব্দ অক্ষৰ, প্ৰাকৃতি চিনাক্তকৰণ, উপাকৃতি, ধ্বনিসাপেক্ষ আৰু ৰূপসাপেক্ষ, শূন্য প্ৰাকৃতি, সমধ্বনিজাত প্ৰাকৃতি, সৰলীকৰণ, প্ৰাকৃতিৰ শ্ৰেণীবিভাগ, প্ৰাকৃতি আৰু সৰ্গ, সৰ্গৰ বিভাগ, প্ৰত্যয়, বিভক্তি, প্ৰত্যয় আৰু বিভক্তিৰ প্ৰভেদ বিচাৰ, শব্দৰ গঠন আৰু গঠনগত শ্ৰেণীবিভাগ, ৰূপবিচিত্ৰতা আৰু ব্যাকৰণগত সংবৰ্গ, বচন, লিংগ, কাৰক, ভাব, কাল। পৃষ্ঠা ১৪৩—১৭৫

ষোল্ল

বাক্যতত্ত্ব, বাক্যৰ গঠন আৰু গঠনগত শ্ৰেণীবিভাগ, বাক্যৰ অৰ্থগত শ্ৰেণীবিভাগ, বাক্যৰ বৈশিষ্ট্য, বাক্যত পদৰ ক্ৰম, উক্তিভেদ। পৃষ্ঠা ১৭৬—১৮১

সোতৰ

বৰ্ণনামূলক ভাষাবিজ্ঞানৰ আলোকত বাক্যতত্ত্ব বিচাৰ, বাক্য বিশ্লেষণ, বাক্যগঠনৰ প্ৰবৃত্তি, সমান অধিকাৰ সংযোগ আৰু অন্তৰ্বিন্যাস বা অধীনস্থ সংযোগ, প্ৰতিস্থাপন আৰু প্ৰতিবাণ, বাক্যতত্ত্বাত্মক সংযোজনা, সংগতি আৰু নিয়ন্ত্ৰণ।

পৃষ্ঠা ১৮২—১৯০

ওঠৰ

শব্দাৰ্থতত্ত্ব, শব্দাৰ্থ পৰিবৰ্তনৰ কাৰণ, আলংকাৰিক কাৰণ, পৰিবেশগত কাৰণ, মানসিক কাৰণ, শব্দাৰ্থ পৰিবৰ্তনৰ ধাৰা, অৰ্থৰ উন্নতি, অৰ্থৰ অৱনতি, অৰ্থৰ সংকোচ, অৰ্থৰ প্ৰসাৰ, অৰ্থ সংক্ৰম। পৃষ্ঠা ১৯১—১৯৬

গ্ৰন্থপঞ্জী

পৃষ্ঠা ১৯৭—১৯৮

এক

১.০ মানুহ ঃ ভাষা
(Man ঃ Language)

জীৱশ্ৰেষ্ঠ মানুহৰ শ্ৰেষ্ঠতম সম্পদ হৈছে ভাষা। যিবোৰ বিশিষ্টতাৰ বাবে জগতৰ প্ৰাণীসমূহৰ ভিতৰত মানুহ শ্ৰেষ্ঠ ৰূপে পৰিগণিত হৈছে সেইবোৰৰ ভিতৰত ভাষা অন্যতম। মানুহ সামাজিক প্ৰাণী। তদুপৰি মানুহ মন, বুদ্ধি আৰু বিবেকৰ অধিকাৰী। মনৰ লগত মানুহৰ চিন্তা-ভাৱনা সম্পৃক্ত। আনকথাত ক'বলৈ হ'লে মন আছে বাবেহে মানুহে চিন্তা-ভাৱনা কৰিব পাৰে। এই চিন্তা-ভাৱনাক যেতিয়া কোনো এজন মানুহে আন এজনৰ আগত প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰে, তেতিয়াই তেওঁৰ আৱশ্যক হয় এটা মাধ্যমৰ। ভাষা হ'ল মানুহৰ চিন্তা-ভাৱনা প্ৰকাশক ধ্বনিময় সংকেত। আচাৰ্য প্লেটোৱে তেওঁৰ বিখ্যাত গ্ৰন্থ 'Dialogues'ত লিখিছে, "ভাষা আৰু চিন্তা মূলতে একেই। পাৰ্থক্য মাথোন এয়েই যে চিন্তা হৈছে আত্মাৰ লগত নিজৰ কথোপকথন আৰু চিন্তাৰ পৰা নিৰ্গত প্ৰবাহ ধ্বনিৰ সহায়ত ওঁঠৰ মাজেদি বাহিৰলৈ ওলাই আহে, তেতিয়া সি ভাষা নাম পায়।"[1]

সমাজবদ্ধ মানুহৰ মাজত পাৰস্পৰিক চিন্তা-ভাৱনা বিনিময়ৰ মাধ্যম হিচাপে ভাষাৰ ভূমিকা গুৰুত্বপূৰ্ণ। সেয়ে ভাষা সৃষ্টিৰ অন্তৰালত সমাজগত চাহিদা এটাও যে আছে, সেই কথা নক'লেও চলে। সাম্প্ৰতিক কালত ভাষাৰ সামাজিক দিশটোৰ বিচাৰ-বিশ্লেষণে তাৎপৰ্যপূৰ্ণ স্থান লাভ কৰিছে। বিশিষ্ট ভাষা-বিজ্ঞানী ডব্লিউ. ডি. হুইট্‌নী (W.D.Whitney) য়ে লিখিছে, "ভাষা এটা সামাজিক অনুষ্ঠান।" (Language is a social institution)। ভাষাৰ লগত সমাজৰ সম্পৰ্ক কিমান গভীৰ, হুইট্‌নীৰ উক্ত মতবাই সেই কথাকে আমাক জানিবলৈ দিয়ে।

ওপৰত উল্লেখ কৰি অহা হৈছে যে ভাষা মানুহৰ চিন্তা-ভাৱনা প্ৰকাশক ধ্বনিময় সংকেত। বাস্তৱক্ষেত্ৰত এই সংকেত বিভিন্ন ধৰণৰ। উদাহৰণ স্বৰূপে, মটৰগাড়ীৰ হৰ্ণ, স্কুল-কলেজৰ ঘণ্টা ধ্বনি, বাহিৰৰ পৰা ঘৰ দুৱাৰত পৰা কাৰোবাৰ আঙুলিৰ টোকৰ প্ৰভৃতিৰ কথা উল্লেখ কৰিব পাৰোঁ। এইবোৰো একোটাইত ধ্বনিময়

১ Plato : Dialogues (Sophist)

সংকেত। এইবোৰেও একো একোটা ভাব বহন কৰে। পিছে, ভাষা-বিজ্ঞানত এইবোৰ সংকেতক ভাষাৰ অন্তৰ্ভুক্ত কৰা নহয়।

মানুহৰ বাহিৰেও জগতৰ অন্যান্য প্ৰাণীয়েও বিবিধ ধ্বনি প্ৰতীকৰ সহায়ত ভাব বিনিময় কৰে। যথা ঃ ভেকুলীৰ টোৰটোৰণি, গৰুৰ হেম্বেলনি, কাউৰীৰ কা কা ইত্যাদি। পিছে এইবোৰৰ কোনো বিচিত্ৰতা নাই, নাই কোনো তাৎপৰ্য। স্থান আৰু কালগত ব্যৱধানে এইবোৰৰ কোনো ৰূপান্তৰ নঘটায়। এইবোৰৰ পৰিসৰো অতি সীমিত। সেয়ে, এইবোৰ ভাষাৰ ভিতৰুৱা নহয়।

১.১ ভাষাৰ সংজ্ঞা আৰু বৈশিষ্ট্য
(Language : its definition and characteristics)

মানুহে জীৱন জীৱিকা নিৰ্বাহৰ প্ৰয়োজনত পৰস্পৰৰ লগত মনৰ ভাব-অনুভূতিৰ বিনিময় কৰিবলৈ বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰণ কৰা সুবিন্যস্ত, অৰ্থবহ ধ্বনি প্ৰতীকৰ সমষ্টিয়েই ভাষা।

প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাষাবিজ্ঞানীসকলে ভাষাৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি যুগে যুগে তাৰ নানান সংজ্ঞা আগবঢ়াই আহিছে। সেইবোৰৰ ভিতৰত জনপ্ৰিয় হোৱা কেইটামান সংজ্ঞা তলত উল্লেখ কৰা হ'ল ঃ

(১) "ব্যক্তা বাচি বৰ্ণা যেষাং ত ইমে ব্যক্তবাচঃ।" — মহাভাষ্য।

(২) "ব্যক্তবাচা সমুচ্চাৰণ।" — পাণিনি।

(৩) মনৰ ভাব প্ৰকাশৰ বাবে, বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনিৰদ্বাৰা নিষ্পন্ন, কোনো বিশেষ জন সমাজত ব্যৱহৃত স্বতন্ত্ৰ ভাবে অৱস্থিত তথা বাক্যত প্ৰযুক্ত শব্দ সমষ্টিকে ভাষা বোলে।— ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়।

(৪) (মানুহৰ বাগিন্দ্ৰিয়ৰ ভাষা) "উচ্চাৰিত ধ্বনি প্ৰতীকৰ সহায়েৰে ভাৱৰ পূৰ্ণ অভিব্যক্তিৰ নাম ভাষা।"—ড° উপেন্দ্ৰনাথ গোস্বামী।

(৫) "ভাষা মানুহৰ মনৰ ভাব আদান-প্ৰদানৰ উদ্দেশ্যে বাগিন্দ্ৰিয়েৰে উচ্চাৰণ কৰা সুসংগঠিত, সুপৰিকল্পিত ধ্বন্যাত্মক সংকেত বিশেষ। মানুহৰ মনৰ ভাব আৰু চিন্তাৰ ধ্বনময় প্ৰতীকেই ভাষা।" —ড° গোলোক চন্দ্ৰ গোস্বামী।

(৬) "Language is a primarily human and non instinctive method of communicating ideas, emotions and desires by means of a system of voluntarily produced symbols. – E. Spair."

(৭) "A language is a system of arbitrary vocal symbols, by

which, members of a social group co-operate and interact." — Sturtevant.

(৮) "Language may be defined as the expression of thought by means of speech sounds." – Henry Sweet.

(৯) "Language is one of the most important and characteristic forms of human behavior. – H. A. Gleason, Jr.

(১০) "Language is the innate capacity of native speaker's to understand and form grammatical sentences"– Noam Chomsky.

ওপৰৰ সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে ভাষাৰ যি কেইটা বৈশিষ্ট্য স্পষ্ট হৈ উঠে, সেইকেইটা হ'ল :

(ক) ভাষা মানুহৰ বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনিৰ সমষ্টি। জীৱ-জন্তুৰ মাত বা আন কোনো ধৰণৰ ধ্বনি ভাষা নহয়।

(খ) বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত যিবোৰ ধ্বনি বা ধ্বনি সমষ্টি কোনো এটা ভাব বা বস্তুৰ প্ৰতীক, সেইবোৰেই ভাষা।

যিবোৰ ধ্বনি বা ধ্বনি সমষ্টি কোনো ভাব বা বস্তুৰ প্ৰতীক নহয়, সেইবোৰে ভাষা নাম পাব নোৱাৰে। উদাহৰণ স্বৰূপে, বলিয়াৰ প্ৰলাপকে আমি ল'ব পাৰোঁ। বলিয়াৰ প্ৰলাপ যদিও বাক্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনি সমষ্টি, তথাপি তাক ভাষা বুলিব নোৱাৰি। কাৰণ সেইবোৰে কোনো ভাব বা বস্তুৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে।

(গ) ভাষাৰ ধ্বনি প্ৰতীকবোৰ যাদৃচ্ছিক (arbitrary)। অৰ্থাৎ কোনটো ধ্বনি কোনটো ভাব বা বস্তুৰ প্ৰতীক হ'ব, তাৰ কোনো নিৰ্দিষ্ট নিয়ম নাই। কোনো ধ্বনি বা ধ্বনি সমষ্টি আৰু সি বহন কৰা অৰ্থৰ সম্পৰ্ক সাজি লোৱাহে। যেনে, অসমীয়া ভাষাত 'ঘৰ' বুলিলে মানুহৰ যি বাসস্থান বুজোঁ, তাৰ লগত 'ঘৰ' শব্দটোৰ সম্পৰ্ক কাৰ্যকাৰণগত নহয়, সাজিলোৱা সম্পৰ্কহে। সেয়ে, ভাষাভেদে সেই একেটা বস্তু বুজাবলৈ বিভিন্ন ধ্বনি সমষ্টি প্ৰয়োগ কৰা হয়। যেনে,

অসমীয়া — ঘৰ
সংস্কৃত — গৃহ
ইংৰাজী — house (হাউচ)

অসমীয়াত 'ঘৰ' বুজাবলৈ কিয় ঘ, অ আৰু ৰ-এই ধ্বনি তিনিটাৰ প্ৰয়োগ হ'ল, সংস্কৃতত কিয় সেই একেটা বস্তু বুজাবলৈ গ-ঋ-হ আৰু অ-প্ৰয়োগ হ'ল আৰু ইংৰাজীত কিয় h-o-u-s-e- এই পাঁচটা ধ্বনি প্ৰয়োগ হ'ল, তাৰ উত্তৰ পাবলৈ নাই।

এতেকে আমি বুজিলোঁ যে ভাষাৰ ধ্বনি বা ধ্বনি সমষ্টি আৰু তাৰ অৰ্থৰ মাজৰ সম্পৰ্ক যাদৃচ্ছিক।

(ঘ) ভাষাৰ ধ্বনি প্ৰতীকবোৰৰ বিন্যাস প্ৰণালীবদ্ধ (systematic)। যেনে, অসমীয়া ভাষাত ঘ্, অ আৰু ৰ্ এই তিনিটা ধ্বনি এটা নিৰ্দিষ্ট ক্ৰমত উচ্চাৰণ কৰিলে 'ঘৰ' শব্দটো পাওঁ। ই অৰ্থজ্ঞাপক। ধ্বনি তিনিটাৰ সংযোগৰ উক্ত ক্ৰম অসমীয়া ভাষাত মানি লোৱা হৈছে। আনহাতে ৰ্ অ ঘ্ = 'ৰঘ', অসমীয়া ভাষাৰ এটা শব্দ নহয়। ধ্বনি তিনিটা সংযোগৰ উক্ত ক্ৰম অসমীয়াত গ্ৰহণ কৰা নহয়। সেয়ে, ভাষাত প্ৰণালী অপৰিহাৰ্য।

(ঙ) ধ্বনি সংযোগ প্ৰণালীৰ উপৰিও ভাষাৰ আৰু তিনিটা প্ৰণালী বা বিধি আছে। সেই তিনিটা হ'ল ৰূপ সংযোগ প্ৰণালী, বাক্য গঠন প্ৰণালী আৰু অৰ্থ প্ৰণালী।

অসমীয়া ভাষাত মানুহ, ঘৰ, নদী, বাঁহ আদি মুক্তৰূপ। এইবোৰ একোটাইত শব্দও। আনহাতে জন, টো, ডাল, খন আদি বদ্ধৰূপ। ইবোৰ মুক্তৰূপৰে সৈতে যুক্ত হৈ বিবিধ অৰ্থজ্ঞাপক শব্দ গঠন কৰে। পিছে কোনটো মুক্তৰূপৰ লগত কোনটো বদ্ধৰূপ লগ লাগিব পাৰে, তাৰ নিৰ্দিষ্ট প্ৰণালী আছে। যেনে, 'মানুহ'ৰ লগত 'টো' বা 'জন' যুক্ত হ'ব পাৰে, কিন্তু 'খন' নোৱাৰে। 'নদী'ৰ লগত 'খন' যুক্ত হ'ব পাৰে, কিন্তু 'জন' নোৱাৰে। সেইদৰে 'বাঁহ'ৰ লগত 'ডাল' বা 'ঘৰ'ৰ লগত 'টো' যুক্ত হ'ব পাৰে, কিন্তু উভয়তে 'জন' যুক্ত হ'ব নোৱাৰে। এয়েই ৰূপ সংযোগ প্ৰণালী।

ৰূপ সংযোগৰ দৰে বাক্য গঠনতো প্ৰতিটো ভাষাৰে নিজস্ব প্ৰণালী আছে। কোনো এটা ভাষাত কোনো এটা ৰূপ বা ৰূপ সমষ্টি এটা নিৰ্দিষ্ট ক্ৰমত আবদ্ধ হ'লেহে পূৰ্ণ অৰ্থ জ্ঞাপক এটা বাক্য গঠন হ'ব পাৰে। অসমীয়া ভাষাত 'ৰামে ভাত খায়' এটা বাক্য, কিন্তু 'ৰামে স্কুললৈ যায়' বাক্য নহয়। সেইদৰে 'মানুহে গৰু পোহে' এটা বাক্য, কিন্তু 'গৰুৱে মানুহ পোহে' বাক্য নহয়। এনেদৰে ব্যৱহাৰ কৰিলে বাক্যটোৰ অৰ্থান্তৰ ঘটিব। এয়েই বাক্য গঠন প্ৰণালী। প্ৰণালী অনুসৰি ৰূপ সংযোগ নহ'লে বাক্য, বাক্য হ'ব নোৱাৰে।

ভাষাৰ অৰ্থ প্ৰণালীও গুৰুত্বপূৰ্ণ। ভাষাত এনে কেতবোৰ শব্দ থাকে যিবোৰৰ অৰ্থ একাধিক। এনেবোৰ শব্দৰ স্থান, কাল আৰু পাত্ৰ ভেদে ভিন ভিন অৰ্থ ওলায়। আকৌ কোনো এটা শব্দই পৰিবেশ বা পৰিস্থিতি অনুসৰিও ভিন্ন অৰ্থ প্ৰকাশ কৰে। ভাষাভেদে শব্দ আৰু তাৰ অৰ্থৰ মাজৰ সম্পৰ্ক নিৰূপণৰ বিধি ভিন ভিন। অসমীয়া ভাষাৰ 'কলম' শব্দটোৱে চাহ বাগিচাত যি অৰ্থ প্ৰকাশ কৰিব, পঢ়াশালিত সেইটো

নকৰে। সেইদৰে 'চকু উঠা', 'চকু লগা', 'চকু' পৰা আদিত যথাক্ৰমে 'উঠা', 'লগা' আৰু 'পৰা'ৰ সংযোগত 'চকু' শব্দৰ অৰ্থৰ সলনি ঘটিছে। গতিকে বুজা গ'ল যে অৰ্থ প্ৰণালীও ভাষাৰ অপৰিহাৰ্য বিষয়।

(চ) ভাষা সমাজ সাপেক্ষ। সমাজ ভেদে ভাষা ভিন ভিন। কোনো এটা ভাষাই কোনো এখন সমাজৰহে কাৰ্য সাধন কৰে। সমাজ নিৰপেক্ষ ভাষা নাই আৰু থাকিবও নোৱাৰে। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাই কেৱল অসমীয়া সমাজৰহে প্ৰয়োজন পূৰাব পাৰে। যিখন সমাজত অসমীয়া ভাষা অচল, তাত সি মানুহৰ ভাব বিনিময়ৰ বাহন হ'ব নোৱাৰে। সেইদৰে অসমীয়া সমাজত ইংৰাজী বা তেনে ধৰণৰ আন কোনো ভাষাই প্ৰয়োজন সিদ্ধ কৰিব নোৱাৰে। সমাজৰ লগত ভাষাৰ সম্পৰ্ক অচ্ছেদ্য। আন কথাত ক'বলৈ গ'লে সমাজেই ভাষাৰ পৰোক্ষ স্ৰষ্টা। একক মানুহৰ বাবে ভাষাৰ কোনো প্ৰয়োজনেই নহয়।

১.২ ভাষাৰ আন কেইটামান গুৰুত্বপূৰ্ণ কথা
(Some important points of Language)

(১) ভাষা মানুহৰ স্বোপাৰ্জিত সম্পত্তি।

ইয়াক মানুহে নিজেই উপাৰ্জন কৰে। কোনো এজন মানুহে শৈশৱ কালত যি ভাষাৰ সংস্পৰ্শ লাভ কৰে, সেই ভাষাটো তেওঁ অতি সহজে শিকিব পাৰে। প্ৰকৃততে ভাষাগত পৰিবেশেহে এটি শিশুক ভাষা ক'বলৈ শিকায়।

(২) ভাষা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিব নোৱাৰি

ভাষা পৈত্ৰিক সম্পত্তি নহয় যে তাক উত্তৰাধিকাৰী সূত্ৰে পাব পাৰি। জন্মসূত্ৰে কোনোৱে ভাষাৰ অধিকাৰী হ'ব নোৱাৰে। এটা শিশুক মানুহৰ সমাজৰ পৰা আঁতৰত ৰাখিলে সি কোনো ভাষাই ক'বলৈ নিশিকিব। আনহাতে অসমীয়াভাষী মাক-দেউতাকৰ সন্তান এটিক কেঁচুৱাতে পৰা ইংৰাজীভাষী পৰিয়াল এটাত ৰাখিলে সি অসমীয়া নকৈ ইংৰাজী ভাষা ক'বলৈহে শিকিব। ভাষা উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পত্তি হোৱাহেঁতেন, সেই সন্তানটিয়ে ইংৰাজীভাষী পৰিয়ালত থাকিও অসমীয়া ভাষাই ক'ব পাৰিলেহেঁতেন।

(৩) অনুকৰণৰদ্বাৰা ভাষা আয়ত্ত কৰা হয় আৰু ই পৰম্পৰাগত

ভাষা আয়ত্ত কৰা হয় অনুকৰণ প্ৰক্ৰিয়াৰে। ডাঙৰৰ মুখৰ পৰা শুনি শিশুৱে ভাষা ক'বলৈ শিকে। ডাঙৰে শিকে আকৌ পূৰ্বপুৰুষৰ পৰা। এনেদৰে পুৰুষানুক্ৰমে ডাঙৰে যিবোৰ শব্দ, যিবোৰ অৰ্থত ব্যৱহাৰ কৰে নতুন প্ৰজন্মইও সেইবোৰক তেনেদৰে গ্ৰহণ কৰে। ফলস্বৰূপে ভাষা আয়ত্ত কৰাৰ ক্ষেত্ৰত পৰম্পৰাৰ সৃষ্টি হয়। পৰম্পৰাৰ বশৱৰ্তী হৈ ভাষা শিকা হেতুকে কোনো এটা ভাষা কোৱা কোনো এজন লোকে সেই ভাষাটোৰ প্ৰতিনিধি হ'বৰ যোগ্যতা লাভ কৰে।

(৪) ভাষা সৃজনশীল

অনুকৰণৰদ্বাৰা ভাষা আয়ত্ত কৰিলেও কোনো এটা শিশুৱে ডাঙৰৰ পৰা শিকা কথাখিনিকে অবিকল ব্যৱহাৰ কৰি নাথাকে। প্ৰয়োজন অনুসৰি সি ভাষাৰ সীমিত সংখ্যক ধ্বনি প্ৰতীকৰ সহায়ত পূৰ্বে নুশুনা নানান নতুন বাক্য সৃষ্টি কৰি লয়। এনে সৃষ্টি তাৰ একান্ত নিজা। ভাষা সৃজনশীল হোৱা হেতুকে আৰু শিশুৱে নিজৰ বোধশক্তিৰদ্বাৰা তাৰ গঠন প্ৰণালী আয়ত্ত কৰি লোৱা হেতুকে এনেদৰে নতুন নতুন বাক্য সৃষ্টি কৰিব পাৰে। জগতৰ সকলো ভাষাৰে এই বৈশিষ্ট্য আছে।

(৫) জগতৰ সকলোবোৰ ভাষাৰ মাজত মৌলিক সাদৃশ্য আছে

সূক্ষ্ম বিচাৰত ভাষাৰ মাজত বৈসাদৃশ্য দেখা পোৱা গ'লেও সকলো ভাষাৰে মৌলিক উপাদানসমূহ একেই। সকলো ভাষাতে বাক্য গঠন কৰিবলৈ কৰ্তা, কৰ্ম আৰু ক্ৰিয়া পদৰ প্ৰয়োজন। সকলো ভাষাতে কেতবোৰ বিশেষ্য, কেতবোৰ ক্ৰিয়া, কেতবোৰ বিশেষণ, কেতবোৰ সৰ্বনাম আদি পদ থাকে। সকলো ভাষাতেই ৰূপান্তৰ প্ৰক্ৰিয়াৰ সহায়ত বাক্যৰ পৰিবৰ্তন সাধন কৰিব পাৰি। সকলো ভাষাৰে মূল ধ্বনি সমূহৰ মাজতো সাদৃশ্য দেখা যায়। ভাষাৰ এনেবোৰ সাৰ্বজনীন বৈশিষ্ট্যলৈ লক্ষ্য কৰি ভাষাবিজ্ঞানীসকলে কৈছে যে, "All languages are similar."

(৬) ভাষা চিৰ পৰিৱৰ্তনশীল

পৰিৱৰ্তনশীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। সেই কাৰণে ইয়াক নদীৰ সোঁতৰ লগত তুলনা কৰা হয়। মানুহৰ মুখ বাগৰি চলি অহা হেতুকেই ভাষাত পৰিৱৰ্তন ঘটে। কোনো ভাষাৰ এই পৰিৱৰ্তন, কাল আৰু স্থানৰ ব্যৱধানে স্পষ্ট কৰি তোলে। উদাহৰণ হিচাপে পৃথিৱীৰ বৃহত্তম ভাষা গোষ্ঠী "ইণ্ডো ইউৰোপীয়" ভাষালৈ আঙুলিয়াব পাৰোঁ। স্থান আৰু কালৰ ব্যৱধানে এই বৃহত্তৰ ভাষা-গোষ্ঠীটোৰ পৰা অসংখ্য ভাষা, উপভাষাৰ জন্ম দিছে।

(৭) ভাষাৰ অন্যতম বৈশিষ্ট্য হ'ল ক্ৰম সৰলী ভৱন

ভাষা সদায় সৰলতাৰ পিনে গতি কৰে। মানুহে সাধাৰণতে সহজ-সৰলকৈ কথা ক'ব বিচাৰে। কঠিনতা মানুহে মুঠেই ভাল নাপায়। এই কাৰণেই কোনো এটা ভাষাত, আদি স্তৰত কঠিনতা থাকিলেও সময়ত সি নাইকিয়া হয়।

(৮) জীৱন্ত ভাষাই কেতিয়াও অন্তিমৰূপ লাভ নকৰে

জীৱন্ত ভাষা বিকাশশীল। সেয়ে ই অন্তিম ৰূপ পাব নোৱাৰে। যি ভাষাই অন্তিমৰূপ পাইছে, সি মৃত ভাষা। বিবৰ্তনৰ মাজেদি আগুৱাই থকাটোৱেই হৈছে জীৱন্ত ভাষাৰ বৈশিষ্ট্য। সেই কাৰণে ভাষাই সমাজৰ পৰা সমাজলৈ, পুৰুষৰ পৰা পুৰুষলৈ, শতিকাৰ পৰা শতিকালৈ, সাহিত্য-সংস্কৃতিৰ সম্ভাৰ কঢ়িয়াই লৈ যাব পাৰে।

দুই

২.০ প্ৰজাতি : ভাষা : সংস্কৃতি
(Race : Language : Culture)

জীৱবিজ্ঞানীসকলে জগতৰ জীৱসমূহক, প্ৰকৃতি তথা গঢ়-গতি অনুসৰি বিভিন্ন গোষ্ঠীত বিভক্ত কৰিছে। তেওঁলোকৰ মতে মানুহ হ'ল হ'ম'চেমিয়েন্স্ নামৰ এটা জৈৱিক গোষ্ঠীৰ অন্তৰ্ভুক্ত জীৱ। পিছে একেটা গোষ্ঠীৰ অন্তৰ্ভুক্ত হ'লেও জগতৰ সমুদায় মানুহৰেই দেহৰ ৰং, নাক, মুখৰ গঢ়, উচ্চতা, চকুৰ ৰং, চুলি, লাও খোলা আদি একে নহয়। কিছুমানৰ মাজত এইবোৰৰ সাদৃশ্য আছে আৰু কিছুমানৰ মাজত আছে বৈসাদৃশ্য। মানুহৰ শাৰীৰিক গঠন বা গঢ়-গতিৰ এনেবোৰ সাদৃশ্য আৰু বৈসাদৃশ্যলৈ লক্ষ্য কৰি নৃতত্ত্ববিদ পণ্ডিতসকলে তেওঁলোকক একো একোটা গোটৰ উৎসৰ পৰা ওপজা বুলি অনুমান কৰা লোকসকলকো একেটা প্ৰজাতিৰ অন্তৰ্ভুক্ত কৰা হয়।

পৃথিৱীৰ ভালেমান দেশ একেটা প্ৰজাতিৰ লোকৰেই বাসস্থান। ইউৰোপ মহাদেশৰ অন্তৰ্গত সৰহভাগ দেশৰ বাসিন্দাসকল ককেচীয় প্ৰজাতিৰ লোক। আদিতে প্ৰতিটো প্ৰজাতিৰ লোকে তেজ-মঙহৰ বিশুদ্ধতা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল যদিও সময় আগবঢ়াৰ লগে লগে ইটো প্ৰজাতিৰ লোকৰ সংমিশ্ৰণ ঘটাত কোনোটো প্ৰজাতিয়েই বিশুদ্ধ বুলি দাবী কৰিব নোৱৰা হ'ল।[1] সি যি কি নহওক, প্ৰতিটো প্ৰজাতিৰ লোকেই নিজ নিজ প্ৰজাতিক লৈ গৌৰৱ অনুভৱ নকৰাকৈ নাথাকে। নিজ নিজ জাতিক লৈ গৌৰৱ কৰাৰ দৰে মানুহে নিজ নিজ ভাষাক লৈয়ো গৌৰৱ কৰে। তদুপৰি ভাষাৰ ভিত্তিত জাতিৰ পৰিচয় প্ৰতিষ্ঠিত কৰাৰ প্ৰৱণতাও লাহে লাহে বাঢ়ি আহিছে। পিছে, যথাৰ্থত প্ৰজাতিৰ লগত ভাষাৰ নিবিড় কোনো সম্পৰ্ক নাই। একে প্ৰজাতিৰ নহ'লেও কোনো এক ভৌগোলিক পৰিবেষ্টনৰ কোনো এক জনসমষ্টিয়ে একেটা ভাষাকেই কয়। আনহাতে একাধিক ভাষা কোৱা কোনো এক

---

১ ড° উপেন্দ্ৰনাথ গোস্বামী : ভাষাবিজ্ঞান, ১১২৮

জনসমষ্টিও একেটা প্ৰজাতিৰেই লোক হ'ব পাৰে। অনুকৰণৰদ্বাৰা ভাষা আয়ত্ত কৰা হয়। পৰিবেশে মানুহক কোনো এটা ভাষা ক'বলৈ শিকায়। উদাহৰণ স্বৰূপে, এটা অসমীয়া শিশুক ইংৰাজীভাষী লোকৰ মাজত ৰাখিলে সময়ত সি ইংৰাজী ভাষা ক'বলৈ শিকিব। অসমীয়া ভাষা কোৱা সমুদায় লোক একেটা প্ৰজাতিৰ লোক নহয়। সেইদৰে ইংৰাজী ভাষাটো কোনো এটা জাতি বা ভৌগোলিক পৰিবেষ্টনৰ মাজতেই আবদ্ধ হৈ থকা নাই।

ভাষাৰ লগত প্ৰজাতিৰ পোনপটীয়া সম্পৰ্ক নাই যদিও কোনো এজন লোকে যি ভাষাৰ সহায়ত মনৰ ভাবৰ আদান-প্ৰদান কৰে সেই ভাষাটোৰ প্ৰতি তেওঁৰ গভীৰ আনুগত্য ওপজে। নিজে কোনো ভাষাটোৰ প্ৰতি ওজপা এনে আনুগত্যই তেওঁক সেই ভাষাটোলৈ গৌৰৱ কৰিবলৈ শিকায়। এনে ক্ষেত্ৰত তেওঁৰ মানত প্ৰজাতীয় গৌৰৱ হৈ পৰে দুৰ্বলিৰ বিং।

ভাষাৰ লগত প্ৰজাতিৰ যেনেদৰে সম্পৰ্ক নাই, তেনেদৰে সংস্কৃতিৰ লগতো ভাষাৰ পোনপটীয়া সম্পৰ্ক নাই। বিশেষ কৰ্মকাণ্ডৰ সহায়ত কোনো এটা জাতিৰ বিশিষ্টতা উদ্ভাসিত হয়, সেইবোৰেই সেই জাতিটোৰ সংস্কৃতি। নৃত্য, গীত, সাজ-পোছাক, চিত্ৰশিল্প, ভাস্কৰ্য, স্থাপত্য প্ৰভৃতিৰ দৰে ভাষাও এটা জাতিৰ সাংস্কৃতিক সম্পদ। সংস্কৃতি বিবৰ্তনশীল। সমন্বয় আৰু সংশ্লেষণৰ যোগেদি ই বিকাশৰ পথত আগুৱাই যায়। ভাষা যিহেতুকে সাংস্কৃতিক সম্পদ, সেই হেতুকে তাৰ বিকাশৰ ক্ষেত্ৰতো সমন্বয় প্ৰক্ৰিয়াই প্ৰভাৱ পেলায়। কিন্তু কোনো এক ভৌগোলিক পৰিবেশত বিভিন্ন সংস্কৃতিসম্পন্ন প্ৰজাতিৰ সমন্বয় ঘটিলেও, সেই পৰিবেশত পূৰ্বৰ পৰা চলি অহা ভাষাৰ সি আমূল পৰিবৰ্তন সাধন কৰিব নোৱাৰে। একাধিক সংস্কৃতিসম্পন্ন প্ৰজাতিৰ লোকৰ ভাষা একেটাই হ'ব পাৰে আৰু একে সংস্কৃতিসম্পন্ন প্ৰজাতিৰ লোকৰ ভাষাও একাধিক হ'ব পাৰে। অসমীয়া ভাষা কোৱা সকলো লোকেই একে সংস্কৃতি সম্পন্ন লোক নহয়। ইয়াৰ পৰা বুজা গ'ল যে সংস্কৃতিৰ লগত ভাষাৰ তেনে কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই। অৱশ্যে এটা কথা ঠিক যে ভাষাৰ যোগেদি সংস্কৃতি মূৰ্ত হৈ উঠে। কোনো এখন ঠাইত বাস কৰা ভিন্ন সংস্কৃতিসম্পন্ন লোকে যদি একেটা ভাষাকেই কয়, তেতিয়া সেই ভাষাটোৱেই তেওঁলোকৰ নিজ নিজ সংস্কৃতি প্ৰকাশৰ মাধ্যম হৈ পৰে। সেয়ে কোনো এক জনগোষ্ঠীৰ সংস্কৃতি সম্পৰ্কে সম্যক আভাস ল'বলৈ হ'লে সেই জনগোষ্ঠীটোৰ ভাষাৰ অধ্যয়ন প্ৰয়োজনীয় হৈ পৰে। এই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে ভাষা সংস্কৃতিৰ ধাৰক আৰু বাহক।

কোনো এটা ভাষাত ৰচিত সাহিত্যই সেই ভাষা-ভাষী লোকৰ সাংস্কৃতিক চেতনাক প্ৰতিফলিত কৰে। গতিকে কোনো এটা ভাষাত ৰচিত সাহিত্যত প্ৰয়োগ হোৱা শব্দ-ৰাজিৰ সহায়ত সেই ভাষাভাষী জাতিটোৰ সংস্কৃতিৰ অনুসন্ধান কৰিব পাৰি। সেয়ে প্ৰজাতি, ভাষা আৰু সংস্কৃতিৰ পোনপটীয়া সম্পৰ্ক নাথাকিলেও এই তিনিওটাৰ মৌলিক উদাপানসমূহ গভীৰভাৱে সংশ্লিষ্ট। ড° উপেন্দ্ৰনাথ গোস্বামীৰ ভাষাত, “মূলতঃ ভাষা আৰু সংস্কৃতিৰ ইটোৱে সৈতে সিটোৰ সম্পৰ্ক নাই যদিও কাৰ্যতঃ দুয়োৰে মাজৰ সম্পৰ্ক ঘনিষ্ঠ।” (ভাষাবিজ্ঞানঃ ৪ৰ্থ সংস্কৰণ, ১৯৮২, পৃষ্ঠা ৫৮)।

তিনি

৩.০ ভাষাৰ ৰূপভেদ
(Varieties of Language)

ভাষাৰ ৰূপ বৈচিত্ৰ্যপূৰ্ণ। স্থান, কাল আৰু পাত্ৰভেদে ভাষাৰ ৰূপ ভিন ভিন। পৃথিৱীত চাৰি হাজাৰতকৈও অধিক ভাষাৰ প্ৰচলন আছে। এইবোৰৰ প্ৰতিটোৱেই স্বকীয় বিশিষ্টতাৰে প্ৰোজ্জ্বল। ইতিমধ্যে আমি কৈ আহিছোঁ যে পৰিৱৰ্তনশীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। এই কাৰণেই, অকল ভিন ভিন ভাষাৰ মাজতেই নহয়, একেটা ভাষাৰ মাজতো ভিন্নতাই দেখা দিয়ে। এতিয়া আমি ভাষাৰ ভিন ভিন ৰূপৰ বিষয়ে আলোচনা কৰোঁহক :

৩.১ ব্যক্তিভাষা (Idiolect)

ভাষা মানুহৰ সম্পদ। পৃথিৱীত অসংখ্য মানুহ আছে। প্ৰতিজন সুস্থ মানুহেই ভাষা কয়। কোনো এজন মানুহে কোৱা স্বকীয় বিশিষ্টতাযুক্ত ভাষাক ব্যক্তি ভাষা বোলে। হকেটৰ ভাষাত, "... the totally of Speech habits of a single person at a given time constitutes an idiolect" ব্যক্তিভাষাই হ'ল ভাষাৰ সংকীৰ্ণতম ৰূপ। অনুকৰণৰদ্বাৰা ভাষা আয়ত্ত কৰা হয় যদিও ডাঙৰে কোৱা কথাকে অবিকল অনুকৰণ কৰি সৰুৱে ভাষা নিশিকে। আচলতে সৰুৱে ডাঙৰৰ পৰা ভাষা কোৱা প্ৰণালীটোহে শিকে। সেয়ে, সময়ত সৰুৱে ডাঙৰে কৰা শব্দৰ ব্যৱহাৰ পৰিহাৰ কৰি নতুন নতুন শব্দ ব্যৱহাৰ কৰিবলৈ লয়।

শিক্ষা, সংস্কৃতি, ব্যৱসায়-বাণিজ্য, আৰ্থিক অৱস্থা, ধৰ্ম প্ৰভৃতিৰ ওপৰত ব্যক্তিভাষাৰ স্বতন্ত্ৰতা নিৰ্ভৰশীল। একেটা ভাষা সম্প্ৰদায়ৰে এজন শিক্ষিত আৰু এজন অশিক্ষিত লোকৰ ভাষা একে নহয়। এজন শিক্ষক আৰু এজন খেতিয়কৰ ভাষাৰ মাজতো ভেদ থাকিব। সেইদৰে এজন হিন্দু আৰু এজন মুছলমানৰ ভাষাৰ মাজতো পাৰ্থক্য দেখা যাব। পুৰুষ আৰু তিৰোতাৰ ভাষাৰ ভেদ সততে বিৰাজমান।

ব্যক্তিভাষাই আকৌ পৰিৱেশ বা পৰিস্থিতি ভেদে ভিন্ন ৰূপ লয়। এজন

শিক্ষিত লোকে ঘৰুৱা পৰিবেশত যেনেদৰে কথা ক'ব, ৰাজহুৱা অনুষ্ঠানত তেনেদৰে নকয়। এজন শিক্ষকে ঘৰুৱা পৰিবেশত নিজৰ পুত্ৰ-পৰিবাৰৰ লগত কথা পাতোতে যি ভাষা ব্যৱহাৰ কৰিব, স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগত সেই ভাষা ব্যৱহাৰ নকৰে। সেয়ে ব্যক্তিভাষাৰ মাজতো ভেদ ওপজে।

ব্যক্তিভাষা বুলিলে কোনো এজন ব্যক্তিয়ে কোৱা তেওঁৰ মাতৃভাষাকেই নুবুজায়, তেওঁ ক'ব পৰা একাধিক ভাষাও তেওঁৰ ব্যক্তি ভাষাৰ অন্তৰ্ভুক্ত হ'ব। উদাহৰণস্বৰূপে, এজন অসমীয়া লোক দীৰ্ঘকাল যদি তামিলনাডুত থাকে, তেতিয়া হ'লে তেওঁ অসমীয়াৰ লগতে তামিল ভাষাও ক'ব পৰা হ'ব। তেনে-ক্ষেত্ৰত, তামিল ভাষা কওঁতেও তাত তেওঁৰ ব্যক্তিগত ভাষাগত বিশিষ্টতা প্ৰকাশ পাব। এতেকে তেওঁৰ ক্ষেত্ৰত অসমীয়া আৰু তামিল দুয়োটা ভাষাই ব্যক্তিভাষাত পৰিগণিত হ'ব।

৩.২ পৰিয়ালভাষা (Family Language)

ব্যক্তি ভেদে ভাষাৰ ভেদ থাকিলেও কোনো এটা ভাষা সম্প্ৰদায়ৰ কোনো এটা পৰিয়ালৰ অন্তৰ্ভুক্ত লোকসকলৰ মাজৰ সম্বন্ধৰ ঘনিষ্ঠতা হেতু সি সকলে কোৱা ভাষাৰ ভেদ নিষ্প্ৰভ হৈ পৰে আৰু সিবোৰৰ মাজত সাদৃশ্যই দেখা দিয়ে।

কোনো এটা পৰিয়ালৰ লোকৰ মাজত ব্যৱহৃত এনে সাদৃশ্যযুক্ত ভাষাকে পৰিয়ালভাষা বোলে। ব্যক্তিভাষাতকৈ পৰিয়ালভাষা কিঞ্চিৎ বিস্তৃত।

সামাজিক স্তৰ ভেদে পৰিয়ালভাষাবো ভেদ দেখা যায়। কোনো এটা ভাষা সম্প্ৰদায়ৰ কোনো এটা অভিজাত পৰিয়ালৰ ভাষা দৰিদ্ৰ পৰিয়াল এটাৰ ভাষাতকৈ ভিন্ন। শিক্ষিত আৰু অশিক্ষিত পৰিয়ালৰ মাজতো ভাষাগত ভেদ স্পষ্ট। গাঁও অঞ্চলত বাসকৰা পৰিয়ালৰ ভাষাৰ লগত চহৰীয়া পৰিয়ালৰ ভাষা নিমিলে। এই অমিল ঘাইকৈ শব্দগত।

৩.৩ উপভাষা (Dialect)

সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, ভৌগোলিক আৰু অৰ্থনৈতিক কাৰণত কোনো এটা ভাষা সম্প্ৰদায়ৰ যি সকল লোকৰ মাজত সম্পৰ্ক গভীৰ, সেইসকলৰ ব্যক্তিভাষাসমূহৰ মাজত এটা সাদৃশ্য পৰিলক্ষিত হয় আৰু সি সমূহ পৰস্পৰৰ মাজত সহজবোধ্য হৈ পৰে। সদৃশ যেন লগা আৰু পৰস্পৰৰ মাজত সহজবোধ্য ব্যক্তিভাষাৰ সমষ্টিক উপভাষা বোলে।

উপভাষাৰ আন এটা সংজ্ঞা এনে ধৰণৰ :

কোনো এটা ভাষা সম্প্ৰদায়ৰ জনসংখ্যা প্ৰচুৰ পৰিমাণে বাঢ়ি গৈ বিস্তৃত অঞ্চলত বিয়পি পৰিলে তাৰ সৰু সৰু ক্ষেত্ৰ বা অঞ্চল বিশেষে একো একোটা আঞ্চলিক ভাষাৰূপ গঢ় লৈ উঠে। এনেদৰে গঢ়ি উঠা আঞ্চলিক বা ক্ষেত্ৰীয় ভাষা ৰূপক উপভাষা বোলে।

উপভাষা অকল যে ভৌগোলিক অঞ্চল ভেদেই গঢ়ি উঠে তেনে নহয়; সামাজিক স্তৰভেদেও গঢ়ি উঠিব পাৰে। ভৌগোলিক অঞ্চলভেদে গঢ়ি উঠা উপভাষাক আঞ্চলিক উপভাষা (Regional Dialect) আৰু সামাজিক স্তৰভেদে গঢ়ি উঠা উপভাষাক সামাজিক উপভাষা (Social Dialect) বোলে। একেটা অঞ্চলতে বসবাস কৰা শিক্ষিত আৰু অৰ্ধ শিক্ষিত বা অশিক্ষিত লোকৰ মাজত ভাষা ভেদ থাকিব পাৰে। সেইদৰে বৰ্ণ বা ধৰ্মভেদেও একেটা অঞ্চলৰ লোকৰ মাজত ভাষাৰ পাৰ্থক্যই দেখা দিয়ে। সাধাৰণতে বহিৰ্জগতৰ লগত সম্বন্ধ নথকা ভিতৰুৱা অঞ্চলত বৰ্ণ বা ধৰ্ম বৈষম্য অধিকতৰ হোৱা হেতুকে সেইবোৰ অঞ্চলত বৰ্ণ বা ধৰ্মভিত্তিক উপভাষা সৰহ।

মানুহৰ মাজত যোগাযোগ অথবা লেনদেনৰ অভাৱেই হ'ল উপভাষা সৃষ্টিৰ প্ৰধান কাৰণ। প্ৰাকৃতিক, সামাজিক, ৰাজনৈতিক, বাণিজ্যিক আদি কাৰণত একোটা ভাষা সম্প্ৰদায়ৰ মানুহৰ মাজত যোগাযোগ বা লেনদেনৰ অভাৱ ঘটে। উদাহৰণ স্বৰূপে, দুটা অঞ্চলৰ মাজত যদি ডাঙৰ পৰ্বত, ডাঙৰ নদী বা ডাঙৰ বননি আদি থাকে তেতিয়াহ'লে ইটো অঞ্চলৰ মানুহৰ লগত সিটো অঞ্চলৰ মানুহৰ সহজ যোগাযোগ বাধাপ্ৰাপ্ত হয়। ফলস্বৰূপে দুয়োটা অঞ্চলত ভাষাৰূপৰ ভিন্নতাই দেখা দিব পাৰে। তদুপৰি একেটা ভাষা সম্প্ৰদায়ৰে ভিন্ন অঞ্চলত বাস কৰা মানুহ যদি ভিন্ন ৰজাৰ শাসনাধীন হয়, তেতিয়াও এটা অঞ্চলৰ মানুহৰ লগত আনটো অঞ্চলৰ মানুহৰ মিলন বা যোগাযোগ বাধাগ্ৰস্ত হয়। এনে ক্ষেত্ৰতো উভয় অঞ্চলতে ভাষাই সুকীয়া গঢ় ল'ব পাৰে। জনসংখ্যা বৃদ্ধিৰ হেতু একেটা ভাষা সম্প্ৰদায়ৰ মানুহ বিস্তৃত অঞ্চলত বিয়পি পৰাৰ ফলত তাৰ কোনো দুটা দিশৰ মাজত যদি দূৰত্ব বেছি হয় তেতিয়াহ'লেও দিশ দুটাৰ মানুহৰ মাজত পাৰস্পৰিক সম্বন্ধ শিথিল হৈ পৰে। এনে ক্ষেত্ৰতো আঞ্চলিক উপভাষা গঢ়ি উঠিব পাৰে। বিয়া-বাৰু, উৎসৱ-পাৰ্বণ, ব্যৱসায়-বাণিজ্য আদি বিষয়তো যদি দুটা অঞ্চলৰ মানুহৰ মাজত সম্পৰ্ক গঢ়ি নুঠে, তেতিয়াও অঞ্চল দুটাত ভাষাৰূপৰ ভিন্নতাই দেখা দিয়ে।

ভাষাৰ আঞ্চলিক ৰূপ সৃষ্টিৰ যেনেদৰে কেতবোৰ কাৰণ আছে তেনেদৰে তাৰ সমৰূপ সৃষ্টিৰো কাৰণ আছে। সমৰূপ সৃষ্টিৰ কাৰণবোৰ আঞ্চলিক ৰূপ সৃষ্টিৰ কাৰণৰ সম্পূৰ্ণ বিপৰীতধৰ্মী। বিভিন্ন অঞ্চলৰ মানুহৰ মাজত সঘন মিলা মিচা বা

ঘনিষ্ঠ সম্পৰ্কই ভাষাৰ সমৰূপ সৃষ্টিত অৰিহণা যোগায়। সাধাৰণতে যাতায়াতৰ সুব্যৱস্থাই বিভিন্ন অঞ্চলৰ মানুহৰ মাজত মিলা মিচা বঢ়ায়। ফল স্বৰূপে, ভাষাই সমৰূপতা লাভ কৰিব পাৰে। কোনো এটা বিস্তৃত অঞ্চলৰ কেন্দ্ৰস্থলত শিক্ষা, ধৰ্মীয় অথবা সাংস্কৃতিক অনুষ্ঠান গঢ়ি উঠিলে সেইবোৰত বিভিন্ন অঞ্চলৰ মানুহৰ সমাবেশ ঘটে। এনে সমাবেশেও ভাষাৰ সমৰূপতা সৃষ্টিত অৰিহণা যোগায়। বিয়া-বাৰুৰ যোগেদি দুটা ভিন্ন অঞ্চলৰ পৰিয়ালৰ মাজত সম্পৰ্ক গঢ়ি উঠিলেও ভাষাই সমৰূপতা লাভ কৰিব পাৰে। ডাঙৰ ঔদ্যোগিক চহৰ, বাতৰিকাকতৰ প্ৰচলন, শিক্ষাৰ সম্প্ৰসাৰণ, ভ্ৰাম্যমাণ সাংস্কৃতিক অনুষ্ঠান প্ৰভৃতিয়েও ভাষাৰ সমৰূপতা সৃষ্টিত যথেষ্ট পৰিমাণে সহায়তা কৰে।

৩.৪ উপভাষাৰ সীমা নিৰ্দ্ধাৰণ ঃ

উপভাষাৰ সীমা নিৰ্দ্ধাৰণ কৰি তাৰ মানচিত্ৰ ৰচনা কৰিবলৈ ক্ষেত্ৰ সমীক্ষা কৰা হয়। কোনো ধ্বনি উচ্চাৰণ ৰীতি বা ৰূপ অথবা শব্দ প্ৰয়োগ বিধিৰ সাদৃশ্যৰ ভিত্তিত একাধিক ঠাইক একত্ৰিত কৰি এককেটা অঞ্চল হিচাপে চিহ্নিত কৰাটোৱে হ'ল ক্ষেত্ৰ সমীক্ষাৰ উদ্দেশ্য। ইয়াৰ বাবে ক্ষেত্ৰ সমীক্ষকে কোনো ধ্বনিৰ উচ্চাৰণ ৰীতি বা কোনো নামবাচক শব্দ বা কোনো শব্দৰূপে কোন ঠাইত কেনেৰূপ লয় তাৰ সমীক্ষা চলায়। ভাষাৰ যি উপাদানক লৈ ক্ষেত্ৰ সমীক্ষা কৰা হয়, তাক কোৱা হয় বিষয় (item) আৰু যিবোৰ ঠাইত সমীক্ষা চলোৱা হয় সেইবোৰক ক্ষেত্ৰবিন্দু (Point) বোলা হয়।

সাধাৰণতে যিবোৰ ঠাইৰ মানুহৰ ওপৰত বাহিৰৰ প্ৰভাৱ কম, যিবোৰ ঠাইৰ মানুহৰ জীৱন স্থিতিশীল, সেইবোৰ ঠাইকে ক্ষেত্ৰ বিন্দু হিচাপে লৈ সেইবোৰত বাস কৰা অশিক্ষিত বা অৰ্দ্ধশিক্ষিত লোকৰ পৰা ক্ষেত্ৰ সমীক্ষকে তথ্য আহৰণ কৰে। যিসকল লোকৰ পৰা তথ্য আহৰণ কৰা হয় সেইসকলক তথ্য সৰবৰাহকাৰী (Informant) বোলে।

উপভাষাৰ সীমা নিৰ্দ্ধাৰণৰ বাবে ক্ষেত্ৰ সমীক্ষকে প্ৰস্তুত কৰা প্ৰশ্নাৱলী (estionaire)ত এনে কেতবোৰ বস্তুৰ নাম বুজোৱা শব্দৰ উল্লেখ থাকে যিবোৰ সকলো ঠাইতে ব্যৱহৃত হয়। বস্তুবোৰৰ নাম মান্য ভাষাত তালিকাবদ্ধ কৰা হয়। ক্ষেত্ৰ সমীক্ষকে নিৰ্দিষ্ট ঠাইবোৰলৈ গৈ তথ্য সৰবৰাহকাৰীক, সেই বস্তুবোৰৰ মান্যভাষাত ব্যৱহৃত নামবোৰ কৈ অথবা আকাৰে-ইংগিতে বস্তুবোৰ দেখুৱাই, সিবোৰৰ স্থানীয় নাম কি সুধিব আৰু তথ্য সৰবৰাহকাৰীয়ে কোৱা মতে তেওঁ সেইবোৰ

লিপিবদ্ধ কৰিব। এনেদৰে যিবোৰ ঠাইত সদৃশ শব্দ ব্যৱহৃত হোৱা শুনিব, সেইবোৰ ঠাই, একোটা বিন্দুৰ মানচিত্ৰত চিহ্নিত কৰিব। সদৃশ শব্দ ব্যৱহৃত বিন্দু সমূহ যোগ কৰি যি এটা ৰেখা পোৱা যায়, তাকেই বোলা হয় সমশব্দ গণ্ডি ৰেখা (Isogloss)। ধৰি লোৱা হ'ল ক, খ, গ, ঘ আৰু ঙ অসমৰ পাঁচখন ওচৰা উচৰিকৈ থকা গাঁৱৰ নাম। ক্ষেত্ৰ সমীক্ষকে উক্ত গাঁও পাঁচখনৰ ভাষাৰ ক্ষেত্ৰ সমীক্ষা কৰি জানিব পাৰিলে যে উক্ত প্ৰতিখন গাঁৱতে 'অমিতা'ৰ প্ৰতিশব্দ হিচাপে 'মইতৃফুল' ব্যৱহৃত হয়। মানচিত্ৰত এই পাঁচখন গাঁৱক পাঁচটা বিন্দুৰে চিহ্নিত কৰি সিবোৰক এটা ৰেখাৰে লগ লগাই দিয়া হ'ল। এই ৰেখাটোৱেই সমশব্দ গণ্ডিৰেখা (চিত্ৰ নং ১)।



চিত্ৰ নং ১

সেইদৰে ধ্বনিৰ সদৃশ উচ্চাৰণ প্ৰচলিত ঠাইসমূহক মানচিত্ৰত বিন্দু একোটাৰে চিহ্নিত কৰি সিবোৰক লগ লগাই দিলে যিটো ৰেখা পোৱা যাব, সেইটোৱেই সম ধ্বনি গণ্ডিৰেখা (Isophone)। সেইদৰে সদৃশ ৰূপ প্ৰচলিত ঠাইসমূহত চিহ্নিত বিন্দুসমূহৰ মাজত সংযোগকাৰী ৰেখাটোৱেই সমৰূপ গণ্ডিৰেখা (Isomorph)।

কোনো কোনো ক্ষেত্ৰত দেখা যায় যে একাধিক সমশব্দ গণ্ডি ৰেখা নিচেই ওচৰা উচৰিকৈ পৰিছে। ওচৰা উচৰিকৈ পৰা সমশব্দ গণ্ডিৰেখাসমূহক সমশব্দ গণ্ডিৰেখা গুচ্ছ (Bundle of isoglosses) বোলে। যিবোৰ ঠাইৰ ওপৰেদি সমশব্দ গণ্ডিৰেখা গুচ্ছ পাৰ হৈ যায়, সেইবোৰ ঠাই একেটা উপভাষাৰ অন্তৰ্গত আৰু সেইবোৰ ঠায়েই সেই উপভাষাটোৰো সীমা। সমশব্দ গণ্ডিৰেখা গুচ্ছযে আবৰা কোনো এটা অঞ্চল একেটা উপভাষাৰ এলেকা হিচাপে পৰিগণিত হয়।

৩.৫ মান্যভাষা
(Standard Language)

কোনো এটা ভাষা সম্প্ৰদায়ৰ কোনো এটা অঞ্চলৰ উপভাষা এটাই যদি সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক অথবা অৰ্থনৈতিক কাৰণত গুৰুত্ব অৰ্জন কৰি বিশিষ্টতা লাভ কৰে, তেতিয়া সেই উপভাষাটোক মান্যভাষা বোলা হয়। মান্যভাষাৰে চৰকাৰী কাম-কাজ চলোৱা হয়, পুঁথি-পাজি লিখা হয়, শিক্ষাদান কৰা হয় আৰু সামাজিক অনুষ্ঠানসমূহত ভাব বিনিময় কৰা হয়।

কোনো এটা ভাষা সম্প্ৰদায়ৰ কোনো এটা উপভাষাই মান্যভাষাৰ মৰ্যাদা লাভ কৰিলে সেই ভাষাটোৱে আন আন উপভাষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ইয়াৰ ফলত কোনো এটা উপভাষাৰ অস্তিত্ব বিলোপ হ'ব পাৰে।

সাধাৰণতে মানুহৰ ধাৰণায়ে মান্যভাষা উচ্চ আৰু উপভাষা হীন। পিছে এই ধাৰণা শুদ্ধ নহয়। ভাষাতাত্ত্বিক বিচাৰ অনুসৰি কোনো ভাষাই উচ্চ বা কোনো ভাষাই হীন নহয়। সকলো ভাষাৰ সমান মৰ্যাদা সমান মান্যভাষা হিচাপে মৰ্যাদা পোৱাৰ পিছত কোনো এটা উপভাষা আঞ্চলিক ভাষা হৈ নাথাকে, সি উমৈহতীয়া ভাষা হৈ পৰে আৰু তাৰ বিস্তৃতিও ঘটে।

কোনো এটা ভৌগোলিক পৰিবেষ্টনৰ মাজৰ কোনো এটা উপভাষাই কোনো এটা সময়ত মান্যভাষা আৰু কোনো এটা সময়ৰ মান্যভাষাই আন এটা সময়ত উপভাষা হ'ব পাৰে। সাংস্কৃতিক, শৈক্ষিক, বাণিজ্যিক অথবা ৰাজনৈতিক কাৰণত কোনো এখন ঠাইৰ যেতিয়া গুৰুত্ব বাঢ়ে, তেতিয়া সেই ঠাইৰ উপভাষাটোৱে মান্যভাষাৰ মৰ্যাদা লাভ কৰে আৰু ঠাইখনৰ গুৰুত্ব হ্ৰাস পালে মান্যভাষাটোৰো মৰ্যাদা কমি আহে। বৃটিছসকলৰ আগমনৰ পিছত, বিশেষকৈ বেপ্তিষ্ট মিছনেৰি সকলে 'অৰুনোদই' আলোচনী প্ৰকাশ কৰাৰ লগে লগে উজনিৰ উপভাষাটোৰ মৰ্যাদা বাঢ়ে আৰু সি মান্যভাষা হিচাপে স্বীকৃতি লাভ কৰে। মধ্যযুগত নামনি অসম শিক্ষা, সংস্কৃতি আৰু সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল আছিল। সেয়ে, সেই সময়ত নামনি অসমৰ উপভাষাটোৱে প্ৰাধান্য লাভ কৰিছিল।

৩.৬ কথিত আৰু লিখিত ভাষা
(Spoken & Written Language)

ভাষা মৌখিক। সেয়ে, ভাষা বুলিলে আমি যাইকে কথিত ভাষাকেই বুজোঁ।

পিছে, ভাষাৰ লিখিত ৰূপ এটাও থাকে। পৃথিৱীত অসংখ্য ভাষা আছে, কিন্তু সেই আটাইবোৰৰে লিখিত ৰূপ নাই, কিছুমানৰহে লিখিত ৰূপ আছে।

কথিত ভাষা প্ৰাচীন। লিখিত ভাষা অৰ্বাচীন। লিখন পদ্ধতি আৱিষ্কাৰ হোৱাৰ পিছৰ পৰাহে ভাষাই লিখিত ৰূপ লাভ কৰিবলৈ ধৰে।

কথিত ভাষা পৰিবৰ্তনশীল, কিন্তু লিখিত ভাষাৰ পৰিবৰ্তন নঘটে। ই স্থায়ী। স্থান আৰু কালৰ সীমা অতিক্ৰম কৰি ই একে ধৰণে থাকিব পাৰে। কথিত ভাষাই কিন্তু যুগে যুগে ৰূপ সলায়। পূৰ্বপুৰুষে ব্যৱহাৰ কৰা সকলোবোৰ ধ্বনি বা ৰূপ বা শব্দ নতুন পুৰুষে নকৰিবও পাৰে। তদুপৰি পূৰ্বপুৰুষৰ ব্যৱহাৰ নকৰা নতুন নতুন ধ্বনি বা শব্দ পিছৰ পুৰুষে নতুনকৈ ভাষাত সংযোজন কৰিব পাৰে। এই কাৰণে কথিত ভাষাৰ পৰিবৰ্তন, পৰিবৰ্দ্ধন ঘটে।

কোনো এটা ভাষাৰ কথিত আৰু লিখিত ৰূপৰ মাজত ভেদ থাকে। এই ভেদ সকলো ভাষাতে সমান নহয়। অসমীয়া ভাষাৰ মান্য কথিত আৰু লিখিত ৰূপৰ মাজত ভেদ কম। বঙালীত লিখিত আৰু কথিত ৰূপৰ ভেদ বেছি।

লিখিত ভাষা ব্যাকৰণৰ নীতি-নিয়মেৰে শৃংখলিত। কথিত ভাষাই ব্যাকৰণৰ কঠোৰ নিয়ম মানি নচলে।

৩.৭ মাতৃভাষা
(Mother Language)

মাকৰ কোলাত থাকোতেই শিশুৱে যিটো ভাষা ক'বলৈ শিকে, যিটো ভাষাৰ যোগেদি শিশুৱে মাতৃৰ লগত কথা পাতে আৰু যিটো ভাষাৰ যোগেদি শিশুৱে পোনতে নিজৰ ভাব-অনুভূতি প্ৰকাশ কৰে সেই ভাষাটোকেই মাতৃভাষা বোলে। মাতৃভাষা মাক, দেউতাক অথবা শিশুৰ পৰিচাৰিকাৰ ভাষাও হ'ব পাৰে। মাতৃ-ভাষা সকলো মানুহৰ বাবেই আদৰণীয়।

৩.৮ দ্বিতীয় ভাষা
(Second Language) ঃ

বহিৰ্জগতৰ লগত সম্পৰ্ক গঢ়ি তুলিবৰ বাবে অথবা জীৱন জীৱিকা নিৰ্বাহৰ প্ৰয়োজনত মানুহে মাতৃভাষাৰ লগতে আন যি ভাষা শিকিবলগীয়া হয়, সেই ভাষাক

দ্বিতীয় ভাষা বোলে। এজন মানুহৰ বাবে মাতৃভাষাৰ দৰে দ্বিতীয় ভাষাও আদৰণীয় আৰু গুৰুত্বপূৰ্ণ। এজন মানুহৰ, একাধিক দ্বিতীয় ভাষা শিকিব লগীয়াও হ'ব পাৰে।

৩.৯ ৰাজ্যভাষা

(State Language)

কোনো এখন ৰাজ্যত একাধিক ভাষা প্ৰচলিত হৈ থাকিলে সেইবোৰৰ কোনো এটা ভাষাক সামুহিক কাম-কাজ চলাবলৈ বাছি লোৱা হয়। ৰাজ্যৰ শিক্ষাদান কাৰ্যও সেই ভাষাটোৰ মাধ্যমত চলোৱা হয়। এনেদৰে শিক্ষা-দীক্ষাৰ মাধ্যম স্বৰূপে পৰিগণিত হৈ ৰাজ্যৰ প্ৰশাসনীয় আৰু অন্যান্য কাম-কাজ চলাবৰ নিমিত্তে যোগ্যতা লাভ কৰা ভাষাটোক ৰাজ্যভাষা বোলে। ৰাজ্যভাষা হিচাপে বাছি লোৱা ভাষাটো সাধাৰণতে ঐতিহ্যপূৰ্ণ আৰু চহকী হোৱাটো বাঞ্ছনীয়। অসম ৰাজ্যৰ ৰাজ্যিক ভাষা অসমীয়া। এই ভাষাটো ঐতিহ্যপূৰ্ণ আৰু চহকী।

৩.১০ ৰাষ্ট্ৰভাষা

(National Language)

ৰাষ্ট্ৰ এখনৰ সামুহিক কাৰ্য চলাবৰ নিমিত্তে যি ভাষা বাছি লোৱা হয়, সেয়েই ৰাষ্ট্ৰ ভাষা। বিভিন্ন ৰাজ্যেৰে ৰাষ্ট্ৰ এখন গঠিত হয়। প্ৰতিখন ৰাজ্যৰ একোটা ৰাজ্যভাষা থাকে। গতিকে এখন ৰাজ্যত একাধিক ৰাজ্যভাষা চলি থাকিব পাৰে। এনে ক্ষেত্ৰত কোনো এটা ভাষাক ৰাষ্ট্ৰভাষা হিচাপে বাছি লোৱাটো এটা সমস্যা হৈ পৰে। ৰাষ্ট্ৰভাষা, এটা স্বাভাৱিক নাইবা এটা কৃত্ৰিম ভাষা হ'ব পাৰে। কোনো এটা ৰাজ্যভাষাক ৰাষ্ট্ৰভাষা হিচাপে স্বীকৃতি দিলে সি হ'ব স্বাভাৱিক ভাষা। আনহাতে ৰাষ্ট্ৰীয় কাম-কাজ চলাবৰ নিমিত্তে মানুহে সজাই লোৱা ভাষাটো হ'ব কৃত্ৰিম ভাষা।

কোনো এখন ৰাষ্ট্ৰত একাধিক ৰাষ্ট্ৰভাষাৰ প্ৰচলন থাকিব পাৰে। চুইজাৰলেণ্ডত চুইচ, ফ্ৰেন্স আৰু জাৰ্মান এই তিনিটা ভাষাই ৰাষ্ট্ৰভাষাৰ মৰ্যাদা লাভ কৰিছে। ৰাষ্ট্ৰভাষা সামুহিক কাম-কাজ চলাবৰ নিমিত্তে বাছি লোৱা ভাষাই অকল নহয়, ই উচ্চ শিক্ষাৰ মাধ্যম হ'বৰ বাবেও উপযুক্ত হ'ব লাগে। ৰাষ্ট্ৰভাষা হিচাপে স্বীকৃত ভাষা এটা পৰস্পৰ বোধগম্য হ'ব লাগিব বুলি কোনো কথা নাই। চীনদেশৰ ৰাষ্ট্ৰভাষা চীনাভাষা সকলোৱে বোধগম্য নহয়।

ভাৰতত এসময়ত হিন্দুস্তানী কৃত্ৰিম ভাষা বোলা কৃত্ৰিম ভাষা এটাক ৰাষ্ট্ৰভাষা হিচাপে মৰ্যাদা দিয়াৰ কথা মহাত্মা গান্ধীয়ে চিন্তা কৰিছিল। সেইদৰে হিন্দী আৰু ইংৰাজী ভাষাৰ কথাও চৰ্চা হৈছিল।

সাম্প্ৰতিক ভাৰতৰ ৰাষ্ট্ৰভাষা হিন্দী। ইংৰাজী ভাষা ইয়াৰ সহযোগকাৰী চৰকাৰী ভাষা। ইংৰাজী ভাষাক ভাৰতৰ পৰা সম্পূৰ্ণ আঁতৰাই পঠিয়ালে নানান অসুবিধাৰ সৃষ্টি হ'ব বুলি ভাবিয়েই হিন্দীৰ লগতে ইংৰাজী ভাষা ব্যৱহাৰ সপক্ষে মাত মাতিছে। সম্প্ৰতি ভাৰতত হিন্দীৰ লগতে ইংৰাজী ভাষা চলাই ৰখাৰ প্ৰধান কাৰণ এই যে ইয়াৰ সকলো অঞ্চলৰ মানুহে হিন্দীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়োৱা নাই।

৩.১১ আন্তঃৰাষ্ট্ৰীয় ভাষা
(International Language)

জগতৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক গঢ়িবৰ বাবে যি ভাষা ব্যৱহাৰ কৰা হয়, তাকেই আন্তঃৰাষ্ট্ৰীয় ভাষা বোলে। সাধাৰণতে আন্তঃৰাষ্ট্ৰীয় ভাষা হিচাপে মৰ্যাদা পাবলৈ হ'লে কোনো এটা ভাষা হ'ব লাগে শক্তিশালী, সুবিস্তৃত আৰু সবল। বৰ্তমান ইংৰাজী ভাষাটোৰ এইবোৰ গুণ আছে। সেয়ে, এই ভাষাটোৱে আন্তঃৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা লাভ কৰিছে।[1]

আন্তঃৰাষ্ট্ৰীয় ভাষা, স্বাভাৱিক ভাষা নহৈ কৃত্ৰিমো হ'ব পাৰে। ৱাৰ্চৰ ড° জমেনহফ (Dr. L. Zamenhof) নামৰ ভাষাবিজ্ঞানীজনাই জগতৰ মানৱ জাতিৰ ব্যৱহাৰৰ উপযোগীকৈ এস্পিৰেণ্টো (Esperanto) বোলা এটা কৃত্ৰিম ভাষাৰ উদ্ভাৱন কৰিছিল। ড° জমেনহফে ইউৰোপত প্ৰচলিত সমুদায় ভাষাকেই জানিছিল আৰু সিবোৰ বিশ্লেষণ কৰি ১৮৮৭ খ্ৰীঃত তেওঁ ষোলটা মূল সূত্ৰ উলিয়াই এস্পিৰেণ্টো ভাষা সৃষ্টি কৰিছিল। তেওঁ ইয়াৰ বাবে প্ৰধানকৈ লেটিন আৰু জাৰ্মান ভাষাৰ পৰা শব্দ আৰু ধাতুমূল গ্ৰহণ কৰিছিল। 'এস্পিৰেণ্টো' ভাষা সৰল আৰু সহজবোধ্য যদিও ই আছিল স্থিতিশীল ভাষা। ড° জমেনহফে ইয়াক গতিশীলতা দান কৰি যুগোপযোগী কৰি তুলিবৰ বাবে এটি আন্তৰ্জাতিক কেন্দ্ৰীয় সমিতি (International Central Committee) ও গঠন কৰি দিছিল। এই ভাষাত কেবাখনো গ্ৰন্থ ৰচিত আৰু অনূদিত হৈছিল। বাতৰিকাকতো প্ৰকাশ পাইছিল। ভাষাটোত ২৪টা ব্যঞ্জন আৰু ৫ টা স্বৰ ধ্বনি আছিল। শব্দৰ সংখ্যা আছিল ৬০০০ তকৈও বেছি।

---

১ ড° উপেন্দ্ৰনাথ গোস্বামী : ভাষাবিজ্ঞান, ১৯৮২ চন।

এস্পিৰেন্টো ভাষা উদ্ভাৱনৰ পিছত দেশ ভেদে নানান প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কোনোবা দেশত ইয়াক নিষিদ্ধ কৰা হৈছিল আৰু কোনোবা দেশত আৱশ্যিক পাঠ্য তালিকাৰ অন্তৰ্ভুক্ত কৰা হৈছিল। সেয়ে, ভাষাটো পিছলৈ প্ৰভাৱশালী হৈ নাথাকিল।

এস্পিৰেন্টোৰ দৰে আন কেইটামান কৃত্ৰিম বিশ্বভাষা সৃষ্টিৰ চেষ্টাও চলিছিল। তেনে ভাষাসমূহৰ ভিতৰত লুই দ ব্ৰোফৰ "ইদো" (Ido), ৰে-দ্য-চউচুৰৰ "এস্পেৰাণ্টিদো" (Esperantido) পাদ্ৰীশ্লেয়েৰৰ ভোলাপুক (Volapuk) উল্লেখযোগ্য।

৩.১২ সংযোগী ভাষা
(Lingua Franca)

জীৱন জীৱিকা নিৰ্বাহৰ প্ৰয়োজনত অথবা ব্যৱসায়; বাণিজ্য, শিক্ষা আদি সংক্ৰান্তত দুটা ভিন্ন ভাষা সম্প্ৰদায়ৰ লোকে পাৰস্পৰিক ভাব বিনিময় কৰিবলগীয়া হয়। ভাব প্ৰকাশৰ মুখ্য বাহন হৈছে ভাষা। দুটা ভিন্ন ভাষা সম্প্ৰদায়ৰ লোকে পৰস্পৰে পৰস্পৰৰ ভাষা বুজিব নোৱাৰা বাবে উভয়ে আংশিক বা সম্পূৰ্ণভাবে বুজা তৃতীয় এটা ভাষা ব্যৱহাৰ কৰিবলগীয়া হয়। এনেদৰে একাধিক ভাষা সম্প্ৰদায়ৰ লোকৰ ভাব বিনিময়ৰ মাধ্যম স্বৰূপে গঢ় লোৱা তৃতীয় ভাষাটোকে সংযোগী ভাষা বোলে। অৰুণাচল প্ৰদেশত একাধিক ভাষা সম্প্ৰদায়ৰ লোকে বাস কৰে। তেওঁলোকে পৰস্পৰে পৰস্পৰৰ ভাষা নাজানে, অথচ অলপ-অচৰপ অসমীয়া ভাষাটো জানে। সেয়ে তেওঁলোকে সংযোগীভাষা স্বৰূপে অসমীয়া ভাষা ব্যৱহাৰ কৰে। নগালেণ্ডতো একাধিক ভাষা সম্প্ৰদায়ৰ লোক আছে। তেওঁলোকৰ সংযোগী ভাষাটোৰ নাম নাগামীজ। অসমৰ চাহ বাগিচা মালিক আৰু বনুৱাৰ মাজৰ সংযোগী ভাষাটো হ'ল এক বিশেষ ধৰণৰ অসমীয়া ভাষা।

সংযোগীভাষাৰ পৰিবৰ্তন হ'ব পাৰে আৰু প্ৰয়োজন নহ'লে লোপ পাবও পাৰে।

৩.১৩ মিশ্ৰভাষা
(Mixed Language)

জীৱন জীৱিকা নিৰ্বাহৰ প্ৰয়োজনত দুটা ভিন্ন ভাষা সম্প্ৰদায়ৰ লোকে ওচৰা-উচৰিকৈ বসবাস কৰা হেতু উভয় ভাষাৰ উপাদানৰ সমন্বয়ত কি এটা নিয়মান বিশিষ্ট ভাষাৰ সৃষ্টি হয়, তাকেই মিশ্ৰভাষা বোলে। জগতত বিবোধ মিশ্ৰভাষাৰ

প্ৰচলন আছে, সেইবোৰৰ ভিতৰত পিজিন বা পিজিন ইংলিছ (Pidgn English), মৰিচাছ ক্ৰেওল (Mauritious Creole) বীচ্-লা-মাৰ (Beche-La-Mar) আৰু চিনুক (Chinook) ভাষা বিশেষভাৱে উল্লেখযোগ্য।

পিজিন ইংলিছ প্ৰধানকৈ চীনদেশত প্ৰচলিত। জাপানতো ইয়াৰ কিছু পৰিমাণে প্ৰচলন আছে। ইংৰাজী আৰু চীনা ভাষাৰ মিশ্ৰণত পিজিন ইংলিছ ভাষাৰ সৃষ্টি আছে।

ইংৰাজী, পৰ্তুগীজ আৰু স্পেনীয় ভাষাৰ মিশ্ৰণত সৃষ্টি হৈছে বীচ্-লা-মাৰ ভাষা। শব্দৰ কাৰক বিভক্তি অনুসৰি এই ভাষাৰ শব্দৰূপৰ পৰিবৰ্তন নহয়। ক্ৰিয়াবো কাল, পুৰুষ আৰু বচন অনুসৰি কোনো ভেদ নহয়। পশ্চিম প্ৰশান্ত মহাসাগৰীয় অঞ্চলত এই ভাষাৰ প্ৰচলন আছে।

ফৰাচীভাষাৰ উপাদানৰ লগত নিগ্ৰোসকলৰ ভাষাৰ উপাদানৰ মিশ্ৰণত সৃষ্টি হৈছে মৰিচাছ ক্ৰেওল ভাষা। এই ভাষা মৰিচাছ দ্বীপত প্ৰচলিত। এই ভাষাতো শব্দ আৰু ক্ৰিয়াৰ ৰূপভেদ নাই। ইংৰাজীৰ লগত আমেৰিকাৰ আদিম অধিবাসী সকলৰ ভাষাৰ মিশ্ৰণৰ ফলত সৃষ্টি হৈছে চিনুক ভাষা। উত্তৰ মহাসাগৰীয় অঞ্চলত এই ভাষা প্ৰচলিত। এই ভাষাৰ ব্যাকৰণত কোনো জটিলতা নাই।

৩.১৪ অপভাষা ঃ

মাতৃভাষাৰ দৰে অন্য ভাষা যথাযথ ৰূপত ব্যৱহাৰ কৰিবলৈ দক্ষতাৰ প্ৰয়োজন। দক্ষতা অৰ্জন নকৰাকৈ কোনো লোকে অন্য ভাষা ব্যৱহাৰ কৰিলে, শব্দ প্ৰয়োগ বা উচ্চাৰণৰীতিত বিকৃতি ঘটা তেনেই স্বাভাৱিক। এনেদৰে বিকৃত ৰূপত ব্যৱহৃত ভাষাকেই অপভাষা বোলে।

৩.১৫ সংকেত বা গুপ্ত ভাষা
(Code or Secret Language)

চোৰ-ডকাইতৰ দল, চোৰাং ব্যৱসায়ী আদিয়ে আন কোনো লোকে বুজিব নোৱাৰাকৈ নিজৰ ভিতৰতে ব্যৱহাৰ কৰিবৰ বাবে সজাই লোৱা কৃত্ৰিম ভাষাক গুপ্ত ভাষা বোলে। সৈন্য বাহিনী, চোৰাংচোৱা, বিদ্ৰোহী বাহিনী আদিৰ মাজতো গুপ্ত ভাষাৰ প্ৰচলন আছে। গুপ্ত ভাষা সজোৱাৰ পদ্ধতি আছে। যেনে, (১) কোনো এটা শব্দৰ ধ্বনি বা অক্ষৰৰ স্থান সলনি কৰি, উদাহৰণ ঃ তুমি > মিতু, ঘৰ > ৰঘ, মানুহ > হনুমা ইত্যাদি। (২) কোনো শব্দক প্ৰচলিত অৰ্থৰ সলনি অন্য অৰ্থত ব্যৱহাৰ

কৰি, উদাহৰণ ঃ গোসাঁই ঘৰ (আমৰাী চৰী)। (গ) কোনো শব্দত নতুন ধ্বনি বা অক্ষৰ সংযোগ কৰি, উদাহৰণ ঃ তুমিচ্ কিচ্ কৈছচ্? (তুমি কি কৈছা?) (ঘ) আখৰৰ সলনি সংখ্যা আৰু সংখ্যাৰ সলনি দিন বা মাহৰ নাম উল্লেখ কৰি, উদাহৰণঃ A-1, B-2, C-3, d-4; 1 জানুৱাৰী, 2 ফেব্ৰুৱাৰী, 3-মাৰ্চ ইত্যাদি।

৩.১৫ বৰ্গভাষা ঃ

কোনো এটা দল বা সংগঠনে নিজৰ ভিতৰতে ব্যৱহাৰ কৰিবলৈ বুদ্ধি খটুৱাই সৃষ্টি কৰি লোৱা ভাষাক বৰ্গভাষা বোলে। বৰ্গভাষাও অন্য লোকৰ বাবে দুৰ্বোধ্য। ইও এক প্ৰকাৰ কৃত্ৰিম ভাষা সাধাৰণতে ল'ৰা ছোৱালীবিলাকে এনে ভাষা সৃষ্টিৰ যোগেদি নিজৰ বুদ্ধিৰ পৰিচয় দিয়ে। বৰ্গভাষা খেলাৰ চলেৰে সৃষ্টি কৰা গোপন ভাষা। ই অস্থায়ী। ব্যংগ আৰু হাস্য ৰস সৃষ্টিৰ প্ৰৱণতাই বৰ্গভাষা সৃষ্টিত বিশেষভাৱে সহায় কৰে। ইয়াৰ বাবে অন্যভাষাৰ শব্দ বিশেষ অৰ্থত ব্যৱহাৰ কৰা হয়। যেনে, তোৰ মুখৰ জিওগ্ৰাফি সলনি কৰি দিম। তাৰ নট (nut)টো গৈছে। ল'ৰাটো একনম্বৰ ফোৰটুৱেন্টি।

বৰ্গভাষা অকল ল'ৰা-ছোৱালীসকলৰ মাজতেই যে উদ্ভৱ হয় তেনে নহয়, সৈন্যদল অথবা সমাজবিৰোধী কোনো সংগঠনৰ মাজতো উদ্ভৱ হ'ব পাৰে।

চাৰি

৪.১ ভাষাৰ উৎপত্তি
(Origin of Language)

ভাষা মানুহৰ অন্যতম শ্ৰেষ্ঠ সম্পদ। এই ভাষাৰ উৎপত্তি সম্পৰ্কীয় চিন্তা ফলস্বৰূপে এই বিষয়ক নানান মতবাদৰ সৃষ্টি হৈছে।

ভাষাৰ উৎপত্তি সম্পৰ্কীয় বিবোৰ মতবাদে বিশেষ প্ৰতিষ্ঠা লাভ কৰিছে, সেইবোৰ হ'ল (১) দৈৱী মতবাদ। (২) ধাতুসিদ্ধান্ত (৩) ধ্বন্যাত্মক মতবাদ (৪) ভাব সংকেতবাদ (৫) নিৰ্ণয় সিদ্ধান্ত আৰু (৬) বিকাশবাদ।

৪.২ দৈৱী সিদ্ধান্ত ঃ

এই সিদ্ধান্ত অনুসৰি ভাষা ভগবানৰ অবদান। এই সিদ্ধান্ত ধৰ্মভিত্তিক। ধৰ্মৰ প্ৰতি আস্থাশীল লোকসকলে বিশ্বাস কৰে যে ধৰ্মীয় গ্ৰন্থসমূহ বিবোৰ ভাষাত ৰচিত সেইবোৰ ভগবানৰ সৃষ্টি। হিন্দুৰ ধৰ্মীয় গ্ৰন্থ সংস্কৃত ভাষাত ৰচিত। হিন্দুসকলৰ মনত সংস্কৃত দেব ভাষা। বৌদ্ধধৰ্মী লোকসকলে বিশ্বাস কৰে যে পালি ভাষাই মূল ভাষা আৰু স্বয়ং বৌদ্ধধৰ্মৰ মুখৰ ভাষা। সেইদৰে খ্ৰীষ্টানসকলে ভাবে যে তেওঁলোকৰ ধৰ্মীয় গ্ৰন্থ 'বাইবেল' ৰচিত হোৱা হিব্ৰু ভাষাটোৱেই পৃথিবীৰ আদি ভাষা। ইচলাম ধৰ্মৰ মূল গ্ৰন্থ কোৰান। আৰবী ভাষাত এই গ্ৰন্থ ৰচিত। ইচলামধৰ্মী লোকসকলে বিশ্বাস কৰে যে আৰবী ভাষাই জগতৰ মূল ভাষা।

ভাষাৰ উৎপত্তি সম্পৰ্কীয় এই সিদ্ধান্তটো সম্পূৰ্ণৰূপে কল্পনাপ্ৰসূত। ইয়াৰ কোনো বাস্তৱ ভিত্তি নাই।

৪.৩ ধাতু সিদ্ধান্ত ঃ

ধাতু সিদ্ধান্ত অনুসৰি মানুহে পোনতে এক ঐশ্বৰিক শক্তিৰ সহায়ত কেতবোৰ ধাতুমূল সৃষ্টি কৰি, পৰৱৰ্তী কালত সিবোৰৰ বিকাশ ঘটাই ভাষা সৃষ্টি কৰিছে।

মেক্সমূলাৰেও এই সিদ্ধান্তটোৰ পোষকতা কৰিছিল। পিছে, এই সিদ্ধান্তটোও ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত গ্ৰহণযোগ্য নহয়। কোনো এটা ভাব বা বাস্তৱ নামকৰণ কৰাৰ পূৰ্বে মানুহে ধাতুমূলৰ চিন্তা কৰা কথাটো অবাস্তৱ।

৪.৪ ধ্বন্যাত্মক সিদ্ধান্ত ঃ

এই সিদ্ধান্তটো ধ্বনি আৰু ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সিদ্ধান্তটো আগবঢ়াইছিল মেক্সমূলাৰে। ইয়াৰ ধাৰণা চাৰিটা ঃ (ক) মনোভাবাভিব্যক্তিবাদ (খ) অনুকৰণাত্মক মতবাদ (গ) অনুৰণনমূলক মতবাদ আৰু (ঘ) শ্ৰম পৰিহৰণমূলকতাবাদ

(ক) মনোভাবাভিব্যক্তিবাদ ঃ

এই মতবাদ অনুসৰি মানুহে ইন্দ্ৰিয়ৰ সহায়ত উপলব্ধি কৰা শোক, দুখ, ভয়, আনন্দ বিস্ময় আদি মনৰ বিচিত্ৰ অনুভূতিক ধ্বনিৰ যোগেদি ব্যক্ত কৰিলে ভাষাৰ সৃষ্টি হয়। মানুহে উচ্চাৰণ কৰা বাঃ, ছিঃ, উঃ আদি শব্দ ইয়াৰ উৎকৃষ্ট উদাহৰণ। এইবোৰ শব্দই মানুহৰ বিভিন্ন অনুভূতিকে প্ৰকাশ কৰে।

(খ) অনুকৰণাত্মক মতবাদ ঃ

জীৱ-জন্তু, চৰাই-চিৰিকটি আদিৰ মাত বা ধ্বনিৰ অনুকৰণত সেইবোৰৰ নামকৰণ কৰাৰ ফলত অনেক শব্দৰ সৃষ্টি হয়। এনেদৰে সৃষ্টি কৰা শব্দৰ লগত এই মতবাদটো জড়িত। অসমীয়া ভাষাত মেকুৰীক বুজাবলৈ ব্যৱহাৰ কৰা 'মেউ' শব্দটো তাৰ মাত অনুসৰি সৃষ্টি কৰা শব্দ। ইংৰাজী ভাষাত কুলিক বুজাবলৈ Cuckoo শব্দ ব্যৱহাৰ কৰা হয়। এই শব্দটোও ধ্বনিৰ অনুকৰণত সৃষ্টি।

(গ) অনুৰণনমূলক মতবাদ ঃ

দৃশ্যাত্মক আৰু ধ্বন্যাত্মক নানান শব্দ সৃষ্টিৰ লগত এই মতবাদটো জড়িত। অসমীয়া ভাষাৰ কল-কল, হিৰ-হিৰ, কেৰ-কেৰ, মৰ্ মৰ গিৰ-গিৰ আদি শব্দ অনুৰণনৰ ফলত সৃষ্টি হৈছে। ইংৰাজী ভাষাৰ 'zigzag' শব্দটোও অনুৰণনমূলক।

(ঘ) শ্ৰম পৰিহৰণমূলক মতবাদ ঃ

এই মতবাদ অনুসৰি শাৰীৰিক শ্ৰম লাঘৱৰ উদ্দেশ্যে মানুহে একত্ৰিত হৈ সৃষ্টি কৰা অৰ্থহীন ধ্বনিৰ পৰা ভাষাৰ সৃষ্টি হৈছে। নাৱিকৰ 'ye-he-ho', ঠেলাৱালাৰ 'হেই-চো', হেঁই, হে হোঁ আদি শব্দৰ উৎপত্তিৰ লগত এই মতাবাদটো জড়িত।

ধ্বন্যাত্মক সিদ্ধান্তৰ অন্তৰ্গত উপৰি উক্ত মতবাদকেইটাৰ সহায়ত কোনো এটা ভাষাৰ সমুদায় শব্দৰ উৎপত্তিৰ ব্যাখ্যা দাঙি ধৰিব নাৱাৰি। তদুপৰি ভাষাভেদে অনুভূতি প্ৰকাশক ধ্বনিসমূহৰ মাজত ভিন্নতা আছে। সেয়ে ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত এই সিদ্ধান্তটোৱে বিশেষ গুৰুত্ব লাভ কৰিব নোৱাৰিলে।

৪.৫ ভাৱ সংকেতবাদ ঃ

মানুহৰ মনৰ একোটা অনুভূতিয়ে একো একোটা বিশেষ দৈহিক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। দৈহিক প্ৰতিক্ৰিয়াই হ'ল ভাৱৰ সংকেত। এই ভাব সংকেতৰ পৰা ভাষাৰ সৃষ্টি হোৱা বুলি গঢ়ি উঠা মতবাদটোৱেই হ'ল ভাব সংকেতবাদ। "আলেক-জাণ্ডাৰ জনচনে আইছ্ল্যাণ্ডিক ভাষাৰ এক বিৰাট কোষ প্ৰস্তুত শব্দৰ ব্যুৎপত্তি নিৰ্দেশ কৰিবলৈ গৈ দেখুৱাইছে যে অধিকাংশ ধাতুৰ ক্ষেত্ৰত ধ্বনি বা ক্ৰিয়াৰ লগত অৰ্থৰ সামঞ্জস্য আছে। যথা, যিবোৰ শব্দৰ আৰম্ভ দন্ত্যবৰ্ণৰে সেইবোৰৰ লগত স্পৰ্শ, গ্ৰহণ, নাশ, পৰিত্যাগ আদিৰ সম্পৰ্ক বিদ্যমান। গুৰুবৰ্ণৰ দ্বাৰা আৰম্ভ শব্দৰ লগত কথা কোৱা, গ্ৰহণ কৰা আদি ধাতুৰ যোগ বৰ্তমান।"[১] পিছে এই মতবাদটোও ত্ৰুটিমুক্ত নহয়। কোনো এটা ভাষাত প্ৰয়োগ হোৱা সকলো শব্দৰ উৎপত্তিৰ বিশ্লেষণ এই মতবাদটোৰ সহায়ত দাঙি ধৰিব নোৱাৰি। সেয়ে, এই মতবাদটোও সৰ্বজন-গ্ৰাহ্য নহ'ল।

৪.৬ নিৰ্ণয় সিদ্ধান্ত ঃ

এই মতবাদ অনুসৰি আদিম কালত মানুহে একত্ৰিত হৈ কোনো ভাৱবস্তুৰ নামৰ আদি স্থিৰ কৰি ভাষাৰ জন্ম দিছিল। এই মতবাদটোৰো কোনো বাস্তৱ বা বৈজ্ঞানিক ভিত্তি নাই। আলাপ-আলোচনাৰ যোগেদি ভাষাৰ জন্ম দিবলৈ যোৱা বুলি অনুমান কৰা কথাটো নিতান্তই অযুক্তিকৰ। আগেয়ে ভাষাৰ জন্ম, পিছতহে ভাব বা বস্তুৰ নামকৰণ।

৪.৭ বিকাশবাদ ঃ

এই মতবাদ অনুসৰি মানুহে আদিম অৱস্থাত অন্যান্য জীৱ-জন্তুৰ দৰে উচ্চাৰণ কৰা অৰ্থহীন কেতবোৰ ধ্বনিয়েই বিৱৰ্তনৰ যোগেদি অৰ্থযুক্ত ভাষালৈ উন্নীত হৈছে। পিছে, পোনতে কোনে কি ভাবে উচ্চাৰণ কৰা ধ্বনি কিদৰে অৰ্থযুক্ত হ'ল আৰু দহজনে কি উপায়েৰে তাক স্বীকৃতি দিলে সেই সম্পৰ্কে এই মতবাদ নিমাত। এই মতবাদটোও ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয়।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ভাষাৰ উৎপত্তি সম্পৰ্কে প্ৰতিষ্ঠিত কোনোটো মতবাদেই তাৰ স্পষ্ট আৰু সম্পূৰ্ণ ধাৰণা দিব পৰা নাই। তদুপৰি কোনে কেতিয়া, কি পৰিবেশত প্ৰথমতে ভাষা ক'বলৈ আৰম্ভ কৰিছিল সেই বিষয়ে কোনো প্ৰত্যক্ষ প্ৰমাণো দাঙি ধৰিবৰ উপায় নাই। পণ্ডিতসকলে ধাৰণা কৰে যে মানুহে যিদিনাই নিজৰ মনৰ অনুভূতিক আনৰ আগত প্ৰকাশ কৰিবৰ বাবে প্ৰয়োজন বোধ কৰিলে আৰু তাৰ মাধ্যম হিচাপে বাগযন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ আশ্ৰয় ল'লে, সিদিনাই ভাষাৰ জন্ম হৈছে। ভাষাৰ উৎপত্তিৰ লগত মানুহৰ জ্ঞান বুদ্ধি আৰু সামাজিক চাহিদা গভীৰভাৱে যুক্ত।

পাঁচ

৫.১ ভাষাৰ বৰ্গীকৰণ
(Classification of Language)

পৃথিৱীত প্ৰচলিত প্ৰায় চাৰি হাজাৰ ভাষাৰ বৰ্গীকৰণ বা শ্ৰেণীবিভাজনৰ ক্ষেত্ৰত প্ৰধানকৈ পাঁচ প্ৰকাৰৰ ৰীতি অনুসৰণ কৰা হৈছে। এই ৰীতি পাঁচ প্ৰকাৰ হ'ল—

(ক) বৰ্ণনামূলক বা ৰূপতত্ত্বমূলক বা প্ৰকাশগত বা বাক্য ৰীতিগত

(খ) গোত্ৰ বা বংশানুগত বা ঐতিহাসিক

(গ) মহাদেশীয় যেনে, এচীয়, ইউৰোপীয়, আদি

(ঘ) দেশভিত্তিক — যেনে, ভাৰতীয়, চীনীয়, জাপানী আদি।

(ঙ) ধৰ্মভিত্তিক— যেনে, হিন্দুভাষা, ইছলামীয় ভাষা আদি।

উক্ত পাঁচ প্ৰকাৰৰ ভিতৰত মহাদেশীয়, দেশভিত্তিক আৰু ধৰ্মভিত্তিক ৰীতি অনুসৰি কৰা ভাষাৰ বৰ্গীকৰণ গ্ৰহণযোগ্য নহয় বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। ভাষাৰ বৰ্গীকৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব লাভ কৰা ৰীতি দুটা হ'ল- বৰ্ণনামূলক আৰু ঐতিহাসিক।

(ক) বৰ্ণনামূলক বা ৰূপতত্ত্বমূলক বৰ্গীকৰণ

ভাষাৰ বাক্য গঠন ৰীতি আৰু পদৰ বিশ্লেষণ অৰ্থাৎ শব্দৰূপ, ধাতুৰূপ আদি গঠনৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি কৰা শ্ৰেণীবিভাগ বা বৰ্গীকৰণকে বৰ্ণনামূলক বা ৰূপতত্ত্বমূলক বৰ্গীকৰণ বোলে। জগতত প্ৰচলিত বিবোৰ ভাষাৰ মাজত বাক্য গঠন ৰীতি আৰু শব্দৰূপ, ধাতুৰূপ আদি গঠনৰ সাদৃশ্য আছে, সেইবোৰক একেটা শ্ৰেণীৰ ভাষা হিচাপে গণ্য কৰা হয়।

এই ৰীতি অনুসৰি জগতৰ ভাষাসমূহক পোনতে দুটা প্ৰধান ভাগত ভগোৱা হয় : (১) অসমবায়ী / অযোগাত্মক / আবস্থানিক আৰু (২) সমবায়ী/ যোগাত্মক।

(১) অসমবায়ী ঃ

সাধাৰণতে বাক্যত বিবিধ পদ ব্যৱহৃত হয়। এই পদসমূহ পাৰস্পৰিক সম্পৰ্কযুক্ত। অসমবায়ী ভাষাত বাক্যত ব্যবহৃত পদসমূহৰ মাজত পাৰস্পৰিক কোনো সম্পৰ্ক নাথাকে। এই শ্ৰেণীৰ ভাষাৰ বাক্যৰ অন্তৰ্গত পদসমূহত কোনো উপসৰ্গ, প্ৰত্যয়, বিভক্তি আদি যুক্ত নহয়। এনে ভাষাত বিভক্তি প্ৰয়োগেৰে পদ সমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক গঢ়ি তোলাৰ প্ৰশ্নই নুঠে। এনে ভাষাৰ বাক্যত পদৰ অৱস্থান অনুসৰি কৰ্তা, কৰ্ম আদিৰ চিনাক্ত কৰিব পাৰি।

এই শ্ৰেণীৰ ভাষাৰ উৎকৃষ্ট নিদৰ্শন হ'ল চীনা ভাষা

যেনে, ঙোঁ ত নি — মই মাৰোঁ তোমাক

নি ত ঙোঁ — তুমি মাৰা মোক

এই বাক্য দুটাত পদৰ অৱস্থানৰ সলনি ঘটোৱাত অৰ্থৰো পৰিবৰ্ত্তন ঘটিছে।

শ্যাম দেশীয় ভাষা, দক্ষিণ-পূব এচিয়াৰ মালয়ী, আনামী, বৰ্মী আৰু আফ্ৰিকাৰ সুদানী ভাষা এই শ্ৰেণীৰ অন্তৰ্ভুক্ত।

(২) সমবায়ী ঃ

এই শ্ৰেণীৰ ভাষাত বাক্যত ব্যৱহৃত শব্দসমূহৰ আভ্যন্তৰীণ পৰিবৰ্তন ঘটাই বা শব্দত বিভক্তি যুক্ত কৰি সি সমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক গঢ়ি তোলা হয়। ইয়াৰ বাক্যত ব্যবহৃত পদসমূহৰ কোনটো কৰ্তা বা কোনটো কৰ্মপদ তাক বিভক্তিৰ সহায়ত নিৰূপণ কৰিব পাৰি। সংস্কৃত, আৰবী, তুৰ্কী আদি ভাষা এই শ্ৰেণী ভাষাৰ নিদৰ্শন।

সংস্কৃত ভাষাৰ উদাহৰণ

অহম্ অন্নং খাদামি — মই ভাত খাও।

এই বাক্যটোৰ অহম্ কৰ্তা আৰু অন্নম্ কৰ্ম পদ। ইয়াৰ স্থান সলনি কৰিলেও কৰ্তা, কৰ্ম একেধৰণে থাকিব আৰু অৰ্থৰো সলনি নঘটে। যেনে —

অন্নম্ অহম্ খাদামি — ভাত মই খাওঁ।

জগতৰ সৰহভাগ ভাষাই এই শ্ৰেণীৰ অন্তৰ্গত। সমবায়ী ভাষাৰ আকৌ তিনিটা বিভাগ ঃ

ক) সৰ্বসমবায়ী/ প্ৰশ্লিষ্ট যোগাত্মক
খ) যৌগিক সমবায়ী/ অশ্লিষ্ট যোগাত্মক আৰু
গ) সমন্বয়ী/ শ্লিষ্ট যোগাত্মক।

সৰ্বসমবায়ী :

এই শ্ৰেণীৰ ভাষাত, বাক্যত ব্যৱহৃত পদসমূহৰ গৌণ অংশ বাদদি মুখ্য অংশসমূহক একেলগে যুক্ত কৰি একোটি মাথোন পদ ৰচনা কৰা হয়। সেয়ে এই শ্ৰেণী ভাষাৰ বাক্য প্ৰায়েই একপদী হয়। গ্ৰীণলেণ্ডৰ ভাষা এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। এই ভাষাৰ এটি উৎকৃষ্ট উদাহৰণ হৈছে — Aulisariartorasuarpok ইয়াৰ অৰ্থ সি মাছ ধৰিবলৈ লৰি যায়। এই বাক্যটো aulisar (মাছধৰা) Peartor (কোনো কামত নিযুক্ত হোৱা) আৰু pinnesuarpok (সি লৰি যায়) এই কেইটা পদৰ সমষ্টি। লক্ষ্যণীয় যে বাক্যটোত উক্ত পদকেইটাৰ একোটা খণ্ডহে ব্যৱহৃত হৈছে।

সৰ্বসমবায়ী ভাষা আকৌ দুভাগত বিভক্ত : সম্পূৰ্ণ সৰ্ব সমবায়ী আৰু আংশিক সৰ্বসমবায়ী ভাষা।

যি সৰ্বসমবায়ী ভাষাত বাক্যত ব্যৱহৃত সকলো পদ যুক্ত হৈ এটা মাথোন পদত পৰিণত হয় তাক সম্পূৰ্ণ সৰ্বসমবায়ী ভাষা বোলে। যেনে, গ্ৰীণলেণ্ডীয় ভাষা। আনহাতে যি সৰ্বসমবায়ী ভাষাত বাক্যত ব্যৱহৃত কোনো কোনো পদ লগ লাগি এটা দীঘলীয়া পদত পৰিণত হয়, তাক আংশিক সৰ্বসমবায়ী ভাষা বোলে যেনে, বাস্ক্ (Basque) ভাষা।

যৌগিক সমবায়ী :

এই শ্ৰেণীৰ ভাষাত, বাক্যত ব্যৱহৃত শব্দ বা ৰূপমূলসমূহৰ কোনো অংশক বাদ নিদিয়াকৈ যুক্ত কৰা হয় আৰু সি সমূহৰ প্ৰতিটো অংশৰে অৰ্থ অক্ষুণ্ণ থাকে। তদুপৰি এই শ্ৰেণীৰ ভাষাত বাক্যত প্ৰয়োগ হোৱা প্ৰতিটো শব্দক বিচ্ছিন্ন কৰিলেও তাৰ স্বতন্ত্ৰতা সহজে অনুধাৱন কৰিব পাৰি। যেনে, তুৰ্কী ভাষা।

যৌগিক সমবায়ী ভাষা আকৌ চাৰি প্ৰকাৰৰ :

অ) উপসৰ্গ যৌগিক আ) অনুসৰ্গ যৌগিক
ই) উপসৰ্গ অনুসৰ্গ যৌগিক আৰু ঈ) আংশিক যৌগিক।

অ) উপসৰ্গ যৌগিক :

উপসৰ্গ-যৌগিক সমবায়ী ভাষাত শব্দৰ আদিত উপসৰ্গ যুক্ত কৰি তাৰ দ্বাৰাই প্ৰত্যয়, বিভক্তি আদিৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে, আফ্ৰিকাৰ বাণ্টু ভাষা পৰিয়াল।

আ) অনুসৰ্গ যৌগিক :

অনুসৰ্গ যৌগিক সমবায়ী ভাষাত শব্দৰ শেষত প্ৰত্যয়, বিভক্তি আদি যুক্ত কৰা হয়। যেনে, দ্ৰাবিড়, উৰল, আলটাই ভাষা পৰিয়াল।

কানাড়া ভাষাৰ উদাহৰণ :

সেবক - ৰু (সেবক সকল) — কৰ্তাকাৰকৰ বহুবচন

সেবক - ৰমু (সেবক সকলক) — কৰ্মকাৰকৰ বহুবচন

ই) উপসৰ্গ-অনুসৰ্গ-যৌগিক :

এই শ্ৰেণীৰ ভাষাত শব্দৰ আদি, মধ্য অন্তত নানা ধৰণৰ প্ৰত্যয়, বিভক্তি উপসৰ্গ আদি যুক্ত হয়। যেনে, মালয়ী ভাষা। প্ৰশান্ত আৰু ভাৰত মহাসাগৰীয় অঞ্চলৰ বিবিধ ভাষাও ইয়াৰ অন্তৰ্গত।

ঈ) আংশিক যৌগিক :

এই শ্ৰেণীৰ ভাষা মূলতঃ যৌগিক, কিন্তু অন্য ভাষাৰ প্ৰভাৱত সিবোৰে স্বকীয় বিশিষ্টতা হেৰুৱাই আংশিক যৌগিক ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰে। যেনে, নিউজিলেণ্ডৰ ভাষা।

(৩) সমন্বয়ী :

সমন্বয়ী ভাষাৰ বিশিষ্টতা এই যে ইয়াৰ বাক্যত ব্যৱহৃত শব্দসমূহৰ মাজত পৰিক সম্পৰ্ক গঢ়ি তুলিবৰ বাবে বিবোৰ প্ৰত্যয়, বিভক্তি যোগ কৰা হয়

সেইবোৰ মূল শব্দৰ লগত সম্পূৰ্ণৰূপে মিলি যায় আৰু সেইবোৰৰ সুকীয়া কোনো ব্যৱহাৰো নহয়। সমন্বয়ী ভাষাত প্ৰত্যয়, বিভক্তি আদিৰ স্বতন্ত্ৰতা স্পষ্টৰূপে ধৰিবই নোৱাৰি। যেনে, সংস্কৃত, অসমীয়া, ইংৰাজী, বঙালী, লেটিন ইত্যাদি।

সমন্বয়ী ভাষা দুটা ভাগত বিভক্ত : (ক) অন্তৰ্মুখী আৰু খ) বহিৰ্মুখী। এই দুটা ভাগৰ আকৌ দুটাকৈ উপবিভাগ আছে : অ) সংশ্লেষণাত্মক আৰু আ) বিশ্লেষণাত্মক।

ক) অন্তৰ্মুখী সমন্বয়ী :

এই শ্ৰেণীৰ ভাষাত ব্যৱহৃত বাক্যৰ অন্তৰ্গত শব্দবোৰৰ মাজত প্ৰত্যয় আদি যুক্ত হয়। চেমিটিক ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত আৰবী আদি ভাষা আৰু হেমিটিক ভাষা অন্তৰ্মুখী সমন্বয়ী ভাষাৰ উৎকৃষ্ট উদাহৰণ।

যেনে- ক্‌ত্‌ল্ - আৰবী ভাষাৰ এটা ধাতু। ইয়াৰ লগত বিভিন্ন স্বৰবৰ্ণ যুক্ত কৰি নানান অৰ্থযুক্ত বাক্য গঠন কৰা হয়।

যেনে : কতল - সি মাৰিলে
যকতুল - সি মাৰে
কিৎল - শত্ৰু
কাতিল - হত্যা ইত্যাদি

আৰবী ভাষা অন্তৰ্মুখী সমন্বয়ী বিভাগৰ অন্তৰ্গত সংশ্লেষণাত্মক উপবিভাগৰ অন্তৰ্ভুক্ত। সংশ্লেষণাত্মক ভাষাত মূল শব্দৰ পিছত সম্বন্ধজ্ঞাপক কোনো প্ৰত্যয় বিভক্তি আদি যুক্ত নহয়। আনহাতে বিশ্লেষণাত্মক ভাষাত মূল শব্দৰ পিছত প্ৰত্যয়, বিভক্তি আদি যুক্ত হয়। যেনে, হিব্ৰু ভাষা।

খ) বহিৰ্মুখী সমন্বয়ী :

বহিৰ্মুখী সমন্বয়ী ভাষাত ব্যৱহৃত বাক্যত প্ৰয়োগ হোৱা শব্দসমূহৰ পিছত প্ৰত্যয়, বিভক্তি আদি যুক্ত হয়। এই ভাষাৰ শব্দসমূহৰ আভ্যন্তৰীণ পৰিবৰ্তন নঘটে। ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত সমূদায় ভাষা বহিৰ্মুখী সমন্বয়ী বিভাগৰো অন্তৰ্ভুক্ত। ইয়াৰ সংস্কৃত, গ্ৰীক, লেটিন আদি ভাষা সংশ্লেষণাত্মক। সংশ্লেষণাত্মক ভাষাত প্ৰত্যয় বিভক্তি আদি শব্দটোৰে সৈতে লগ লাগি থাকে। আনহাতে বহিৰ্মুখী সমন্বয়ী বিশ্লেষণাত্মক ভাষা সমূহত প মূল শব্দৰ পিছত পৰসৰ্গ আদি যুক্ত হৈহে

পাৰস্পৰিক সম্পৰ্ক গঢ়ি তোলে। অসমীয়া, বঙলা, ইংৰাজী আদি বহিৰ্মুখী সমন্বয়ী বিশ্লেষণাত্মক ভাষাৰ বিশ্লেষণাত্মক ভাষাৰ বাক্য গঠনত পদ প্ৰয়োগৰ নিৰ্দিষ্ট নিয়ম মানি চলিবলগীয়া হয়।

তলত ৰেখা চিত্ৰৰ সহায়ত ভাষাৰ বৰ্ণনামূলক বা ৰূপতত্ত্বমূলক বৰ্গীকৰণ দেখুওৱা হ'ল ঃ



খ) বংশানুগত বা ঐতিহাসিক বৰ্গীকৰণ ঃ

পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ শব্দাৱলী, ধ্বনি, শব্দৰূপ, ধাতুৰূপ আদিৰ সাদৃশ্যৰ ভিত্তিত সি সমূহৰ আদি উৎস নিৰ্ণয় কৰি কৰা বৰ্গীকৰণক বংশানুগত বা ঐতিহাসিক বৰ্গীকৰণ বোলে। এই পদ্ধতি অনুসৰি পৃথিৱীৰ প্ৰায় চাৰি হাজাৰ ভাষাক তলত উল্লেখ কৰা বিভাগসমূহত ভগোৱা হৈছে ঃ

(১) ইন্দোইউৰোপীয়

(২) চেমীয়-হেমীয়

(৩) বাণ্টু

(৪) ফিন্নো-উগ্ৰীয় বা উৰালীয়

(৫) তুৰ্ক-মোংগল-মঞ্চুবা আলটাই

(৬) ককেছীয়
(৭) দ্ৰাবিড়
(৮) ভোট-চীনীয় বা চীন তিব্বতীয়
(৯) উত্তৰ-পূৰ সীমান্তীয়
(১০) অষ্ট্ৰিক
(১১) এস্কিমো আৰু
(১২) আমেৰিকাৰ আদিম ভাষাসমূহ আৰু
(১৩) অশ্ৰেণীবদ্ধ ভাষা।

এইবোৰৰ উপৰি ভাষাৰ আন কেইটামান পৰিয়ালৰ কথা কোনো কোনো ভাষাবিজ্ঞানীয়ে উল্লেখ কৰিছে। যেনে, (ক) কোৰীয়-জাপানী (খ) আইবেৰীয়-বাস্ক (গ) পাপুৱান (ঘ) আন্দামানী (ঙ) তাচমানীয় (চ) চুদানী-গিনীয় (ছ) বুছম্যান হটেন্ট্ (জ) বুৰুছাস্কী ঝ) অষ্ট্ৰেলীয় আৰু ঞ) না-ডি।

(১) ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল ঃ

এই ভাষা পৰিয়ালটো সকলোবোৰ ভাষা পৰিয়ালৰ ভিতৰত গুৰুত্ব আৰু ঐশ্বৰ্যপূৰ্ণ। পৃথিবীত প্ৰচলিত সৰ্বাধিক ভাষাই এই পৰিয়ালৰ অন্তৰ্ভুক্ত। তদুপৰি এই পৰিয়ালৰ অন্তৰ্গত সংস্কৃত, গ্ৰীক, ইংৰাজী, জাৰ্মান, ফৰাচী আদি ভাষাত ৰচিত সাহিত্যও সুসমৃদ্ধ।

(২) চেমীয়-হেমীয় ভাষা পৰিয়াল ঃ

এই ভাষা পৰিয়ালটোৰ আন এটা নাম আফ্ৰো-এচীয়। ইয়াৰ শাখা দুটা ঃ চেমীয় আৰু হেমীয়। হেমীয় শাখাৰ আকৌ চাৰিটা উপশাখা ঃ মিচৰীয়, বেৰ্বেৰ, কুছীয় আৰু ছাদ। এইবোৰ ভাষা সম্বন্ধে বিস্তৰ জনা নাযায়। আৰবী হিব্ৰু, ইথিওপীয়, আক্কাদীয়, আৰামীয়, কনানীয় আদি ভাষা চেমীয় পৰিয়ালৰ অন্তৰ্ভুক্ত। বাইবেলৰ ওল্ড্‌টেষ্টামেন্ট্ হিব্ৰু ভাষাত ৰচিত হৈছিল। আৰবী ভাষাত ৰচিত গ্ৰন্থ ইচলামী ধৰ্মৰ বাহক স্বৰূপে প্ৰতিষ্ঠিত।

(৩) বান্টু ভাষা পৰিয়াল ঃ

এই পৰিয়ালৰ ভাষাসমূহ মধ্য আৰু পশ্চিম আফ্ৰিকাত প্ৰচলিত। ছহিলী,

কাফিৰ, কংগো, লুবা, নিয়াঞ্জা, জুলু আদি ভাষা এই পৰিয়ালৰ অন্তৰ্ভুক্ত। বান্টু ভাষা অশ্লিষ্ট যোগাত্মক।

(৪) ফিন্নো-উগ্রীয় বা উৰালীয় ঃ

এই পৰিয়ালৰ ভাষাসমূহৰ ভিতৰত হাংগেৰীৰ ভাষা মাগ্যৰ (Magyar) স্কাণ্ডিনেভিয়াৰ যাযাবৰসকলৰ ভাষা লাপ্পীয়, ফিন্‌লেণ্ডৰ ভাষা ফিন্নীয়, আৰু এস্থোনীয়াৰ ভাষা উল্লেখযোগ্য।

(৫) তুৰ্ক-মোংগল-মাঞ্চু বা আলটাই ঃ

এই ভাষা পৰিয়ালটোৰ শাখা তিনিটা ঃ তুৰ্ক-তাতাৰ, মোংগল আৰু মাঞ্চু তুৰ্ক শাখাৰ অন্তৰ্গত তুৰস্কৰ তুৰ্কী, উজবেগ, কিৰ্‌গিজ আৰু মোংগল-মাঞ্চু শাখাৰ তুংগুচ ভাষা বিশেষভাৱে উল্লেখযোগ্য।

(৬) ককেছীয় পৰিয়াল ঃ

এই পৰিয়ালৰ ভাষাসমূহ কৃষ্ণ আৰু কাস্পিয়ান সাগৰৰ মধ্যবৰ্তী অঞ্চলত প্ৰচলিত। ইয়াৰ দুটা শাখা ঃ উত্তৰ ককেছীয় আৰু দক্ষিণ ককেছীয়। দক্ষিণ ককেছীয় শাখাৰ উল্লেখযোগ্য ভাষা জাৰ্জিয়াৰ জৰ্জীয়।

(৭) দ্ৰাবিড় ভাষা গোষ্ঠী ঃ

বিশেষকৈ দক্ষিণ ভাৰত আৰু সিংহলৰ উত্তৰাঞ্চলত প্ৰচলিত ভাষাসমূহ দ্ৰাবিড় ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত। তামিলনাডুৰ ভাষা তামিল, অন্ধ্ৰ প্ৰদেশৰ তেলুগু, কেৰালাৰ মালয়ালম আৰু কৰ্ণাটকৰ কানাড়া ভাষা এই ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত। টুডু, কোটা, কোডাগু, টোডা আদি এই গোষ্ঠীৰ অন্তৰ্গত আন আন ভাষা।

(৮) ভোট-চীনীয় বা চীন-তিব্বতীয় পৰিয়াল :

এই ভাষা পৰিয়ালৰ প্ৰধান শাখা তিনিটা : চীনীয়, থাই আৰু ভোটবৰ্মী। চীনৰ চীনা ভাষা চীনীয় শাখাৰ অন্তৰ্গত। শ্যাম দেশৰ ভাষা শ্যামী থাই শাখাৰ ভিতৰত পৰে। ভোট বৰ্মী শাখাৰ অন্তৰ্ভুক্ত ভাষাবোৰ হ'ল তিব্বতৰ ভাষা তিব্বতী, ব্ৰহ্মদেশৰ বৰ্মী আৰু ভাৰতত প্ৰচলিত বড়ো, গাৰো, কুকী, মৈথেই আদি।

৭৫৫৩৭৮/P

(৯) উত্তৰ-পূব সীমান্তীয় ভাষা পৰিয়াল :

এই পৰিয়ালৰ ভাষাসমূহ এচিয়াৰ উত্তৰ-পূব সীমান্ত অঞ্চলত প্ৰচলিত। এই পৰিয়ালৰ এটা উল্লেখযোগ্য ভাষা হ'ল চুকচী।

(১০) অষ্ট্ৰিক ভাষা পৰিয়াল :

এই ভাষা পৰিয়ালটোৰ শাখা দুটা : অষ্ট্ৰো-এচিয়াটিক আৰু অষ্ট্ৰোনেচীয়। শবৰ, চাওতালী, খাচী, নিকোবৰী, মুণ্ডাৰী আদি ভাষা অষ্ট্ৰো-এচিয়াটিক শাখাৰ অন্তৰ্গত। অসম, পশ্চিমবংগ, ছোটানাগপুৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, আন্দামান নিকোবৰ দ্বীপপুঞ্জ আদিত এইবোৰ ভাষা প্ৰচলিত। অষ্ট্ৰোনেচীয় শাখাৰ উপশাখা চাৰিটা : ইণ্ডোনেচীয়, মালয়নেচীয়, মাইক্ৰোনেচীয় আৰু পলিনেচীয়।

(১১) এস্কিমো ভাষা পৰিয়াল :

এই পৰিয়ালৰ ভাষা উত্তৰ মেৰু অঞ্চলত প্ৰচলিত।

(১২) আমেৰিকাৰ আদিম অধিবাসীসকলৰ ভাষা পৰিয়াল :

উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ বিস্তৃত অঞ্চলত এসময়ত যিসকল আদিম অধিবাসী আছিল সেই সকলৰ ভাষাৰ সংখ্যা আৰু সিবোৰৰ শ্ৰেণী নিৰ্ণয়ৰ ক্ষেত্ৰত ভাষাবিজ্ঞানীসকলৰ মাজত মতভেদ আছে। এই পৰিয়ালৰ প্ৰধান ভাষাসমূহক তলত উল্লেখ কৰা বিভাগকেইটাত ভগোৱা হৈছে :

ক) উত্তৰ আমেৰিকা ঃ হোকা, আলগংকিন, ইৰোকুইচ, আথাবাস্কান, হাইডা আৰু চিউক্স।

খ) মেক্সিকো আৰু মধ্য আমেৰিকা ঃ হোছোন, আজটেক, মায়া

গ) দক্ষিণ আমেৰিকঃ আৰোৱাক, ছিবোছা, গুৱাইকুৰু, কুইছুৱা, পাটাগোনীয় আৰু ফুৱেজীয়। এই ভাষাসমূহ সমৃদ্ধ নহয়।

(১৩) অশ্ৰেণীবদ্ধ ভাষা ঃ

যিবোৰ ভাষাক সাদৃশ্যৰ ভিত্তিত শ্ৰেণীবদ্ধ কৰিব পৰা নাযায় সেইবোৰক অশ্ৰেণীবদ্ধ ভাষা বোলে। জাপানী, কোৰীয়, বাস্ক, হটেন্‌টট আদি ভাষাক ভাষা বিজ্ঞানীসকলে অশ্ৰেণীবদ্ধ ভাষা হিচাপে চিহ্নিত কৰিছে। সাম্প্ৰতিক কালত এইবোৰৰ কোনো কোনো ভাষাক স্বতন্ত্ৰতা প্ৰদান কৰা হৈছে।

ছয়

৬.১ ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল
(Indo-European Language Family)

ইতিমধ্যে আমি কৈ আহিছোঁ যে পৃথিৱীৰ ভাষা পৰিয়ালসমূহৰ ভিতৰত ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালটো গুৰুত্ব আৰু ঐশ্বৰ্যপূৰ্ণ। ইউৰোপ আৰু ভাৰত-ইৰাণত প্ৰচলিত প্ৰায় সকলোবোৰ ভাষাৰেই উৎস ইন্দো-ইউৰোপীয় ভাষা। 'ইন্দো-ইউৰোপীয়' নামটোৱে এই ভাষা পৰিয়ালটোৰ বিস্তৃতি যথাৰ্থভাৱে তুলি নধৰা হেতুকে এসময়ত জাৰ্মান ভাষাবিজ্ঞানীসকলে ইয়াৰ নাম দিছিল ইন্দো-জাৰ্মানিক ভাষা পৰিয়াল। পিছে এই নামটো স্থায়ী নহ'ল। আচলতে এই ভাষা পৰিয়ালটোক 'আৰ্য ভাষা' নাম দিলেই অধিক সমীচীন হয়; কিন্তু ইয়াৰ এটা শাখা আৰু সেই শাখাৰ অন্তৰ্গত বিভিন্ন ভাষা-ভাষী জাতিক বুজাবৰ নিমিত্তে 'আৰ্য' নামটো প্ৰয়োগ হোৱাত ইয়াৰদ্বাৰা মূল ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালটোক বুজাবলৈ গ'লে বিভ্ৰান্তিৰ সৃষ্টি হোৱাৰ সম্ভাৱনাই বেছি। এতেকে ব্যৱহাৰিক সুবিধাৰ প্ৰতি লক্ষ্য কৰি এই ভাষা পৰিয়ালটোক ইণ্ডো-ইউৰোপীয় বোলাই শ্ৰেয়।

ইন্দো-ইউৰোপীয় ভাষা-জনগোষ্ঠীটোৱে আদিতে ক'ত বাস কৰিছিল, সেই বিষয়ে সঠিকভাৱে জনাৰ উপায় নাই। এসময়ত পণ্ডিতসকলে অনুমান কৰিছিল যে ভাৰতবৰ্ষই এই ভাষা-ভাষী জনগোষ্ঠীটোৰ আদি বাসস্থান। ইউৰোপীয় পণ্ডিতসকলৰ মতে মধ্য আৰু পূব ইউৰোপেই আছিল এই জনগোষ্ঠীটোৰ আদি পীঠস্থান। আন এদল পণ্ডিতে আকৌ অনুমান কৰে যে ৰাছিয়াৰ উৰাল পৰ্বতৰ দক্ষিণ পশ্চিম অঞ্চলত পোনতে ইণ্ডো-ইউৰোপীয় জাতি আৰু ভাষাৰ উদ্ভৱ হয়। আন এটা অভিমত এই যে উক্ত জনগোষ্ঠীটোৱে আদিতে টাইগ্ৰিছ আৰু ইউফ্ৰেটিছ্ নদীৰ মাজৰ 'দোৱাব' অঞ্চলত বসবাস কৰিছিল। সি যি কি নহওক আনুমানিক খ্ৰীঃ পূঃ ২৫০০ শতিকাৰ পৰা মূল ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ আদি বাসস্থানৰ পৰা পৃথিৱীৰ নানান ঠাইলৈকে বিস্তৃতি লাভ কৰিবলৈ আৰম্ভ কৰে।

ইন্দো-ইউৰোপীয় ভাষাৰ প্ৰসংগত হিট্টাইট বা হিত্তী ভাষা সম্পৰ্কেও আলোচনা কৰিবলগীয়া হয়। বিংশ শতিকাত আৱিষ্কৃত এটা ভাষা হ'ল হিট্টাইট ভাষা। এই ভাষাত লিখা কেতবোৰ প্ৰত্নলেখ এচিয়া মাইনৰ কাপাদোকিয়া প্ৰদেশত

পোৱা গৈছে। এইবোৰ বাণমুখ লিপিত ৰচিত। পণ্ডিতসকলে ঠাবৰ কৰিছে যে এই প্ৰত্ন লেখবোৰ খ্ৰীঃ পূঃ বিংশ শতাব্দীৰ পৰা খ্ৰীঃ পূঃ নবম শতাব্দীৰ ভিতৰত লিখা হৈছিল। ইণ্ডো-ইউৰোপীয় ভাষাৰ গঠনৰীতিৰ লগত হিট্টাইট ভাষাৰ গঠনৰীতিৰ সাদৃশ্য থকা দেখি কোনো কোনো ভাষাবিজ্ঞানীয়ে এই ভাষাটোক ইন্দো-ইউৰোপীয় ভাষাৰ পৰা ওপজা এটা ভাষা হিচাপে গণ্য কৰে। আনহাতে উভয় ভাষাৰ মাজত থকা কেতবোৰ বৈসাদৃশ্যলৈ আঙুলিয়াই আন এদলে কয় যে হিট্টাইট, ইন্দো-ইউৰোপীয় ভাষাৰ পৰা ওপজা এটা ভাষা নহয়, ই ইন্দো-ইউৰোপীয়ৰ ভগ্নী ভাষাহে। এইদল ভাষাবিজ্ঞানীৰ মতে ইন্দো-ইউৰোপীয় আৰু হিট্টাইট এই দুয়োটা ভাষা আদিতে একেটা ভাষাই আছিল আৰু তাৰ নাম আছিল ইন্দো-হিট্টাইট। পৰৱৰ্তীকালত ই দুটা শাখাত বিভক্ত হ'ল : ইন্দো-ইউৰোপীয় আৰু হিট্টাইট।

তলত ৰেখাচিত্ৰৰ সহায়ত ইন্দো-হিট্টাইট ভাষাৰ বৰ্গীকৰণ দেখুওৱা হ'ল :



প্ৰাচীন ইন্দো-ইউৰোপীয় ভাষাৰ কোনো লিখিত নিদৰ্শন পোৱা নাযায়। ইয়াৰ পৰা ওপজা বৈদিক সংস্কৃত, গ্ৰীক, লেটিন আদিৰ ভাষাৰ তুলনাত্মক অধ্যয়নৰ সহায়ত এই ভাষাটোৰ আদি ৰূপটো পুনৰ গঠিত কৰি লোৱা হৈছে। সেয়ে ইন্দো-ইউৰোপীয় ভাষাৰ বৈশিষ্ট্যৰ আলোচনা বুলিলে ইয়াৰ গঠিত ৰূপৰ আলোচনাকেই বুজায়।

৬.২ ইন্দো-ইউৰোপীয় ভাষাৰ বৈশিষ্ট্য :

(ক) ধ্বনিগত বৈশিষ্ট্য :

ইন্দো-ইউৰোপীয় ভাষাত তলত উল্লেখ কৰা ধ্বনিসমূহ ব্যৱহৃত হৈছিল।

(১) স্বৰ ধ্বনি :

অতি হ্ৰস্ব : অ (১) হ্ৰস্ব : অ (a), ই (i), উ (u), এ (e), ও (o)

দীৰ্ঘ : আ (ā), ঈ (ī), ঊ (ū), এ (ē), ও (ō)

(২) ব্যঞ্জন ধ্বনি :

পুৰঃ কণ্ঠ্য : ক, গ, গ, ঘ, ঙ
পশ্চাৎকণ্ঠ্য : ক্, খ্, গ্, ঘ্, ঙ্,
কণ্ঠৌষ্ঠ্য : কৱ, খ্ৱ, গ্ৱ, ঘৱ, ঙৱ,
দন্ত্য : ত্, থ্, দ্, ধ্, ন্
ওষ্ঠ : প্, ফ্ ব্, ভ্, ম্
কম্পিত : ৰ্
পাৰ্শ্বিক : ল্,
উষ্ম : চ্

(৩) অৰ্দ্ধস্বৰ : য় (y), ৱ (w),
(৪) অৰ্দ্ধব্যঞ্জন : হ্ৰস্ব ঋ (r), হ্ৰস্ব ৯ (l), দীৰ্ঘ ঋ, দীৰ্ঘ ৯, হ্ৰস্ব আৰু দীৰ্ঘ ন্ (n), ম্ (m)

ব্যাকৰণগত বৈশিষ্ট্য :

(১) ইন্দো-ইউৰোপীয় ভাষাত একাধিক ব্যঞ্জন যুক্ত হৈ শব্দ গঠিত হয়, কিন্তু একাধিক স্বৰ যুক্ত নহয়।

(২) প্ৰত্যয়, বিভক্তিৰ প্ৰয়োগ হয়।

(৩) মধ্য প্ৰত্যয়ৰ প্ৰয়োগ নাই।

(৪) এই ভাষাৰ মূল পদ তিনিটা : বিশেষ্য, অব্যয় আৰু ক্ৰিয়া। বিশেষণ আৰু সৰ্বনাম পদ বিশেষ্যৰ অন্তৰ্গত।

(৫) ইয়াৰ বচন আৰু লিংগ তিনি প্ৰকাৰ।

(৬) কাল চাৰি প্ৰকাৰ।

(৭) পৰস্মৈপদ আৰু আত্মনেপদ উভয়েই বৰ্তমান।

(৮) সুৰ এই ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য।

৬.৩ ইন্দো-ইউৰোপীয় ভাষাৰ ধ্বনি পৰিবৰ্তনৰ ধাৰা :

সময়ৰ অগ্ৰগতিৰ লগে লগে মূল ইন্দো-ইউৰোপীয় ভাষাৰ পৰা ওপজা বিভিন্ন ভাষাত মূলৰ ধ্বনিসমূহৰ কেনেদৰে পৰিবৰ্তন ঘটিছে, সেই বিষয়ে তলত আলোচনা কৰা হ'ল :

(১) মূল ইন্দো-ইউৰোপীয় ভাষাৰ অতি হ্ৰস্ব অ (১) ধ্বনি কোনো কোনো ভাষাত 'অ' আৰু কোনো কোনো ভাষাত 'ই' লৈ পৰিবৰ্তিত হৈছে।

(২) হ্ৰস্ব আৰু দীৰ্ঘ স্বৰ 'ই' আৰু 'উ' প্ৰায় সকলোবোৰ ভাষাতেই অভাৱিতগত ৰক্ষিত হৈছে।

(৩) মূলৰ হ্ৰস্ব 'অ', 'এ' আৰু 'ও' ধ্বনি ইন্দো-ঈৰাণীয় ভাষাত 'অ' হৈছে

সেইদৰে 'আ', দীৰ্ঘ 'এ' আৰু 'ও' ধ্বনি হৈছে 'আ', আন আন ভাষাত কিন্তু এই ধ্বনিবোৰ প্ৰায় অপৰিৱৰ্তিত ভাবেই আছে।

(৪) মূলৰ দীৰ্ঘ ঋ, ৯ ধ্বনি ভাৰতীয় আৰ্য শাখাত '৯' আৰু 'ঋ' হৈছে। আন আন ভাষাত কিন্তু হ্ৰস্ব 'আ'ত পৰিণত হৈছে।

(৫) হ্ৰস্ব আৰু দীৰ্ঘ অৰ্দ্ধব্যঞ্জন ন্, ম্, ভাৰতীয় আৰ্য আৰু গ্ৰীক ভাষাত ক্ৰমে 'আ' আৰু 'অ'ত পৰিণত হৈছে। যেনে, দেক্ম্ (dekm) > সংস্কৃত দশ, গ্ৰীক দেক; ন্তিস্ (ntis) > সংস্কৃত আতিম্।

(৬) মূলৰ পশ্চাৎকণ্ঠ্য ধ্বনিৰ সকলো ভাষাতেই প্ৰয়োগ আছে।

(৭) দন্ত্য ধ্বনিও প্ৰায়েই ৰক্ষিত হৈছে।

(৮) ঔষ্ঠ্য ধ্বনিবো কোনো পৰিৱৰ্তন ঘটা নাই।

(৯) ৰ্ আৰু ল্ ধ্বনিও সকলো ভাষাতেই আছে। ভাৰতীয় আৰ্য শাখাত অৱশ্যে ল্, ৰ্ ত পৰিণত ও হৈছে।

(১০) উষ্ম ধ্বনি 'স' সকলোবোৰ ভাষাত আছে।

(১১) মূলৰ পুৰঃ কণ্ঠ স্পৃষ্ট ব্যঞ্জন কোনো কোনো ভাষাত পশ্চাৎকণ্ঠ্য আৰু কোনো কোনো ভাষাত শিস্ ধ্বনি (শ্, ষ, স)ত পৰিণত হৈছে। এনে পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি ইন্দো-ইউৰোপীয় ভাষাক দুটা শাখাত বিভক্ত কৰা হৈছে : কেন্তুম্ (centum) আৰু সতম্ (Satam) শাখা। যিবোৰ ভাষাত মূলৰ পুৰঃ কণ্ঠ্য স্পৃষ্ট ব্যঞ্জন ধ্বনি শিস্ ধ্বনিত পৰিণত হৈছে সেইবোৰক সতম্ (Satam) আৰু যিবোৰ ভাষাত পশ্চাৎতালব্য ধ্বনিত পৰিণত হৈছে সেইবোৰক কেন্তুম্ (Centum) শাখাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

৬.৪ ধ্বনি-নিয়ম (Phonetic Law) :

কোনো এটা ভাষাই বিকাশ লাভ কৰোতে তাৰ মূল ধ্বনিৰ পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য কৰি ভাষাবিজ্ঞানীসকলে কেতবোৰ নিয়ম ধ্বনিৰ উদ্ভাৱন কৰিছে। এই নিয়মসমূহ কোনো এটা বিশেষ ভাষাৰ, বিশেষ সময়ৰ ক্ষেত্ৰত প্ৰযোজ্য। প্ৰাকৃতিক নিয়মৰ দৰে এইবোৰৰ কোনো সাৰ্বজনীনতা নাই।

ইন্দো-ইউৰোপীয় ভাষাৰ কেইটামান ধ্বনি নিয়ম আলোচনা কৰা হ'ল :

৬.৪.১ কালিৎজৰ নিয়ম (Collitz's Law) :

মূল ইন্দো ইউৰোপীয় ভাষাৰ কোনো কণ্ঠ্য বা কণ্ঠৌষ্ঠ্য ধ্বনিৰ পিছত যদি ই, ঈ আৰু এ স্বৰ ধ্বনি থাকে, তেতিয়াহ'লে ইন্দো-ইৰাণীয় ভাষাত পূৰ্ববৰ্তী কণ্ঠ্য

বা কণ্ঠৌষ্ঠ্য ধ্বনি স্পৃষ্ট ধ্বনিলৈ পৰিবৰ্তিত হয়। ধ্বনি পৰিবৰ্তনৰ এই নিয়মটোকেই কোলিৎজৰ নিয়ম বোলে। যেনে, ই-উ ঃ গৱীবোচ্ (gwiwos) > সং- জীবচ্।

৬.৪.২ গ্ৰিমৰ নিয়ম (Grimm's Law) ঃ

জাৰ্মান ভাষাত মূল ইন্দো-ইউৰোপীয় ভাষাৰ বৰ্গৰ অন্তৰ্গত চতুৰ্থ ধ্বনি তৃতীয়, তৃতীয় ধ্বনি প্ৰথম আৰু প্ৰথম ধ্বনি দ্বিতীয় ধ্বনিলৈ পৰিবৰ্তিত হয়। এই নিয়মটো পোনতে উদ্ভাৱন কৰিছিল ৰাস্ক্ নামৰ ভাষাবিজ্ঞানীজনাই। পিছত গ্ৰিমে ইয়াক প্ৰতিষ্ঠিত কৰে। সেইবাবে নিয়মটো গ্ৰিমৰ নিয়ম হিচাপেই পৰিচিত। নিয়মটো এনে ধৰণে দেখুৱাব পাৰি ঃ

বৰ্গৰ চতুৰ্থ ধ্বনি ঘ, ধ, ভ ⟶ তৃতীয় ধ্বনি গ, দ, ব

তৃতীয় ধ্বনি গ, দ, ব ⟶ প্ৰথম ধ্বনি ক, ত, প

প্ৰথম ধ্বনি ক, ত, প ⟶ দ্বিতীয় ধ্বনি খ, থ, ফ

যেনে, dekm > গ. তেখুন, ইং ten.

peter > ইং, Father.

৬.৪.৩ গ্ৰাচ্ম্যানৰ নিয়ম (Grassmanns Law) ঃ

গ্ৰিমৰ ধ্বনি নিয়মৰ ভালেমান ব্যতিক্ৰমো আছিল। গ্ৰাচ্ম্যান উদ্ভাৱিত ধ্বনি নিয়মে সেই ব্যতিক্ৰমসমূহৰো ব্যাখ্যা দাঙি ধৰে। গ্ৰাচ্ম্যানৰ নিয়ম এই যে মূল ইন্দো-ইউৰোপীয় ভাষাত ওচৰা-উচৰিকৈ থকা দুটা মহাপ্ৰাণ ধ্বনিৰ প্ৰথমটো গ্ৰীক আৰু ইন্দো-ইৰাণীয় ভাষাত অল্পপ্ৰাণ হয়। যেনে, ই, উ Bhendh> সং বন্ধ, গ্ৰীকপেন্থ।

৬.৪.৪ বাৰ্ণাৰ নিয়ম (Verners Law) ঃ

মূল ইন্দো-ইউৰোপীয় ভাষাৰ একাধিক অক্ষৰযুক্ত কোনো শব্দত যদি বৰ্গৰ প্ৰথম ব্যঞ্জন ধ্বনি থাকে আৰু তাৰ পূৰ্ববৰ্তী অক্ষৰত যদি শ্বাসাঘাত নাথাকে, তেতিয়া হলে জাৰ্মান ভাষাত প্ৰথম ধ্বনি তৃতীয় ধ্বনিলৈ পৰিবৰ্তিত হয়। যেনে, ক, ত, প > গ, দ, ব।

৬.৫ ইন্দো-ইউৰোপীয় ভাষাৰ বৰ্গীকৰণ (Classification of Indo- European Languages) ঃ

ইতিমধ্যে আমি ইন্দো-ইউৰোপীয় ভাষাৰ কেন্তুম আৰু সতম্ শাখাৰ কথা

উল্লেখ কৰি আহিছোঁ। ইণ্ডো-ইউৰোপীয় ভাষাৰ শত বাচক শব্দ 'Kmtom' ইন্দো ইৰাণীয় শাখাৰ অন্তৰ্গত আবেস্তীয় ভাষাত 'সতম্' (Satam) আৰু ইটালীয় শাখাৰ অন্তৰ্গত লেটিন ভাষাত 'কেন্তুম' (Centum) হয়। এই শব্দ দুটাৰ ওপৰত ভিত্তি কৰিয়েই ইন্দো-ইউৰোপীয় ভাষাৰ শাখা দুটাৰ নামকৰণ কৰা হৈছে সতম্ (Satam) আৰু কেন্তুম্ (Centum) শাখা।

কেন্তুম্ শাখাৰ অন্তৰ্গত ভাষা পাঁচটা : গ্ৰীক, ইটালীয়, কেল্টীয়, জাৰ্মানীয় বা টিউটনীয় আৰু তোখাৰীয়। সতম্ শাখাৰ অন্তৰ্গত ভাষা চাৰিটা : ইন্দো-ইৰাণীয়, বাল্তো শ্লাবিক, আল্‌বানীয় আৰু আৰ্মেনীয়।

উক্ত ভাষাসমূহৰ চমু পৰিচয় তলত দিয়া হ'ল :

৬.৬ কেন্তুম্ শাখা গ্ৰীক :

কেন্তুম্ শাখাৰ অন্তৰ্গত ভাষাসমূহৰ ভিতৰত গ্ৰীকভাষা সৰ্বাধিক সমৃদ্ধিশালী। গ্ৰীছদেশ, এচিয়া মাইনৰ, চাইপ্ৰাছ আৰু ইজিয়ান দ্বীপপুঞ্জত প্ৰাচীন গ্ৰীক ভাষা প্ৰচলিত আছিল। খ্ৰীঃ পূঃ ১৪শ শতিকাত ৰচিত বুলি অনুমান কৰা গ্ৰীক ভাষাৰ এটি প্ৰত্নলেখ ক্ৰীট দ্বীপত আৱিষ্কাৰ কৰা হৈছে। পণ্ডিতসকলে এই প্ৰত্ন লেখৰ ভাষাকেই গ্ৰীক ভাষাৰ প্ৰাচীনতম নিদৰ্শন হিচাপে ঠাৱৰ কৰিছে। গ্ৰীক ভাষাৰ উপভাষাসমূহৰ ভিতৰত আত্তিক আয়োনিক (Attic-Ionic) দোৰিক (Doric) আৰ্কাদিয়ান-চাইপ্ৰিয়ান (Arcadian Cyprian), উত্তৰ-পশ্চিমা গ্ৰীক (North Western Greek), আৰু আয়োলিক (Aeolic) উল্লেখযোগ্য।

ইটালীয় :

ইটালীয় শাখাৰ অন্তৰ্গত লেটিন ভাষাই এসময়ত প্ৰাধান্য বিস্তাৰ কৰি ৰোমৰ ভাষাত পৰিণত হৈছিল। লেটিন ভাষা পোনতে গঢ় লৈ উঠিছিল ইটালীৰ লাটিউম প্ৰদেশত। লাটিউমৰ প্ৰধান চহৰ ৰোমৰ ভাষা হিচাপে স্বীকৃতি লভিলেও লেটিন ভাষা অকল ৰোমৰ ভিতৰতে আবদ্ধ হৈ থকা নাছিল, ই ৰোমৰ বাহিৰৰ বিস্তৃত অঞ্চলকো সামৰি লৈছিল। মধ্যযুগীয় ইউৰোপীয় পণ্ডিতসকলৰ চিন্তা-চৰ্চাৰ একমাত্ৰ মাধ্যম হৈ পৰিছিল লেটিন ভাষা। খ্ৰীঃ পূঃ ৬ষ্ঠ শতিকাত ৰচিত প্ৰত্নলেখত এই ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা যায়। ইটালীয় ভাষাৰ পৰা ওপজা আধুনিক ভাষাসমূহৰ ভিতৰত আধুনিক ইটালীয়, ফৰাচী, স্পেনীয়, পৰ্তুগীজ আদি উল্লেখযোগ্য।

অধ্যাপক, শ্ৰীপৰেশ চন্দ্ৰ ভট্টাচাৰ্য : ভাষাবিদ্যা পৰিচয়, পৃঃ ৪৫

কেল্টীয় ঃ

এসময়ত ইউৰোপত কেল্টীয় ভাষাৰ প্ৰভাৱ আছিল বৰ ব্যাপক; কিন্তু সময়ত ইটালীয় আৰু জাৰ্মানীয় ভাষাৰ প্ৰভাৱ বাঢ়ি অহাত কেল্টীয় ভা়া ম্লান হৈ পৰিল। আয়াৰলেণ্ডত প্ৰচলিত আইৰিছ ভাষা কেল্টীয় ভাষাৰ পৰা ওপজা উল্লেখযোগ্য ভাষা।

জাৰ্মানীয় ঃ

ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত শাখাসমূহৰ ভিতৰত জাৰ্মানীয় ভাষাৰ গুৰুত্বও কম নহয়। নৰোৱে আৰু ডেনমাৰ্কৰ ৰুনীক লিপিত লিখা অনুশাসনত এই ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা গৈছে। জাৰ্মানীয় ভাষা মূলতে সংশ্লেষাত্মক আছিল যদিও পৰৱৰ্তী কালত বিবৰ্তনৰ ফলত ই বিশ্লেষাত্মক ৰূপ পৰিগ্ৰহণ কৰে।

জাৰ্মানীয় ভাষাৰ প্ৰধান শাখা তিনিটা ঃ উত্তৰ জাৰ্মানীয়, পূব জাৰ্মানীয় আৰু পশ্চিম জাৰ্মানীয়। চুইডেনৰ চুইডিছ আৰু আইছলেণ্ডৰ আইছলেণ্ডিক ভাষা উত্তৰ জাৰ্মানীয় ভাষাৰ পৰা ওপজা আধুনিক ভাষা। গথিক ভাষা পূব জাৰ্মানীয় ভাষাৰ এটা শাখা। এই ভাষা এতিয়া লুপ্ত। উল্লেখযোগ্য যে পূব জাৰ্মানীয় ভাষাৰ পৰা সৃষ্টি হোৱা কোনো আধুনিক ভাষা নাই।

ইংৰাজী, জাৰ্মান আৰু ওলন্দাজ ভাষাৰ পৰা জন্ম হৈছে পশ্চিম জাৰ্মানীয় শাখাৰ পৰা।

তোখাৰীয় ঃ

এই শতিকাৰ আদিভাগত চীনদেশৰ অন্তৰ্গত তুৰ্কীস্থানৰ পৰা কেতবোৰ প্ৰাচীন গ্ৰন্থ প্ৰত্নলেখ ক্ষৰা হৈছে। এইবোৰ বৌদ্ধধৰ্ম সম্বন্ধীয় ৰচনা আৰু এইবোৰৰ লিপি ব্ৰাহ্মী আৰু খৰোষ্ঠী। খ্ৰীঃ ৭ম শতিকাৰ পৰা ১০ম শতিকাৰ ভিতৰত এইবোৰ ৰচিত বুলি ভাষাতত্ত্ববিদসকলে ঠাৱৰ কৰিছে। প্ৰাচীন তোখৰাই জাতিৰ নাম অনুসৰি এই ভাষাটোৰ নামকৰণ কৰা হৈছে তোখাৰীয়।

৬.৭ সতম্ শাখা

ইন্দো-ইৰানীয় ঃ

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ যিটো শাখা ভাৰত আৰু ইৰাণত বিয়পি পৰিছিল সেইটোকে ইন্দো-ইৰাণীয় শাখা বোলা হয়। এই শাখাৰ ভাষা-ভাষীসকলে নিজকে আৰ্য বুলি গৌৰৱ বোধ কৰিছিল। ইন্দো-ইৰাণীয় শাখাটো মূলতঃ দুটা প্ৰধান উপশাখাৰ সমষ্টি ঃ ভাৰতীয় আৰু ইৰাণীয়। ইন্দো-ইৰাণীয়ৰ যিটো উপশাখা ইৰাণত

প্ৰচলিত সেইটো ইৰাণীয় উপশাখা আৰু ভাৰতত-প্ৰচলিত উপ শাখাটো ভাৰতীয়। উপশাখাটোকেই ভাৰতীয় আৰ্য ভাষা বোলে।

ইৰাণীয় উপশাখাটোৰ পৰা জন্ম লভা দুটা প্ৰাচীন ভাষা হ'ল আবেস্তীয় (Avestia) আৰু প্ৰাচীন পাচ (old Persian) ভাষা। জৰথুস্ত্ৰ পন্থী পাচীসকলৰ ধৰ্মগ্ৰন্থ 'অবেস্তা'ৰ ভাষা হ'ল আবেস্তীয়। প্ৰাচীন পাচী ভাষাৰ পৰা মধ্যযুগীয় 'পহলবী' আৰু আধুনিক ইৰাণীৰ ভাষাৰপৰা ফৰাচীৰ উদ্ভৱ হৈছে।

ভাৰতীয় আৰ্য ভাষাত ৰচিত প্ৰাচীনতম গ্ৰন্থ বেদসমূহ। বেদৰ ভাষাই হ'ল বৈদিক ভাষা। ইয়াৰ পৰাই ক্ৰমে সংস্কৃত, পালি, প্ৰাকৃত, অপভ্ৰংশ আৰু আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ হৈছে।

বাল্‌তো-শ্লাবিক্ :

বাল্‌তো শ্লাবিক্ শাখাৰ প্ৰধান উপশাখা দুটা হ'ল বাল্‌তিক আৰু শ্লাবিক। লিথুয়ানীয়াৰ লিথুৱানীয়, বাল্‌তিক উপশাখাৰ এটা উল্লেখযোগ্য ভাষা। এই ভাষাটো ৰক্ষণশীল। সেয়ে ইন্দো-ইউৰোপীয় মূল ভাষাৰ ধ্বনি ৰীতি ইয়াত ব্যাহৃত হোৱা নাই। লেট্‌লাটভিয়াত প্ৰচলিত ভাষাও বাল্‌তো উপশাখাৰ পৰা ওপজা ভাষা।

শ্লাবিক উপশাখাৰ ভাষাই সমগ্ৰ পূব ইউৰোপ দখল কৰি আছে। ইয়াৰ এটা প্ৰধান ভাষা হ'ল বুলগেৰীয়া। খ্ৰীঃ নৱম শতিকাত এই ভাষাত বাইবেল গ্ৰন্থৰ অনুবাদ কৰা হ'ল। বাল্‌তো শ্লাবিক ভাষাৰ প্ৰাচীনতম নিদৰ্শন হ'ল বাইবেলৰ অনুবাদত ব্যৱহাৰ কৰা বুলগেৰীয় ভাষা। শ্লাবিক শাখাৰ এটা সুসমৃদ্ধ ভাষা হ'ল চোভিয়েট ৰুছিয়াত প্ৰচলিত ৰুছ ভাষা।

আলবানীয় :

এই শাখাটোৰ প্ৰাচীনতম ৰূপৰ নিদৰ্শন পোৱা নাযায়। আধুনিক আল্‌বানীয় আড্ৰিয়াটিক্ সাগৰৰ পূব উপকূল অঞ্চলত এই শাখাৰ ভাষাৰ প্ৰচলন আছে। আলবানীয় ভাষাৰ ওপৰত শ্লাবিক, গ্ৰীক আদি ভাষাৰ প্ৰভাৱ পৰা হেতুকে ইয়াৰ আদিৰূপৰ ভালেখিনি বিকৃতি ঘটা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে।

আৰ্মানীয় :

এচিয়া মাইনৰৰ আমেনিয়া অঞ্চলত আনুমানিক খ্ৰীঃপূঃ ৭ম-৮ম শতিকাত আৰ্মানীয় ভাষাৰ প্ৰাচীনতম ৰূপটো পোৱা যায়। আৰ্মানীয় ভাষাত ৰচিত ৰচনাৰ বিষয়বস্তু খ্ৰীষ্টান ধৰ্মবিষয়ক। এচিয়াত ব্যৱহৃত 'আৰাৰাত' আৰু ইউৰোপত ব্যৱহৃত ষ্টাম্বুলভাষা আৰ্মানীয় ভাষাৰ পৰা সৃষ্টি হোৱা দুটা আধুনিক ভাষা।

সাত

৭.১ ভাৰতীয় আৰ্য ভাষা
(Indo Aryan Language)

আনুমানিক খ্ৰীঃ পূঃ পোন্ধৰ শতিকামানত ইৰাণ পাৰস্যৰ পৰা যি সকল লোকে একো একোটা দলত ভাগ হৈ উত্তৰ পশ্চিম চুকেদি আহি ভাৰতত প্ৰবেশ কৰিছিল, সেইসকলকেই 'ভাৰতীয় আৰ্য' আৰু সেইসকলৰ ভাষাটোক 'ভাৰতীয় আৰ্য ভাষা' বোলা হয়। ভাৰতীয় আৰ্যভাষা 'ইন্দো-ইৰাণীয়' ভাষাৰ এটা প্ৰধান শাখা। পণ্ডিতসকলে অনুমান কৰে যে আৰ্যসকল ভাৰতত প্ৰবেশ কৰাৰ পূৰ্বেই (খ্ৰীঃপূঃ ১৮ শতিকা) ভাৰতীয় আৰ্য ভাষাই ইৰাণীয় ভাষাৰ পৰা বিচ্ছিন্ন হৈ এটা সুকীয়া ভাষা ৰূপে গঢ় ল'বলৈ আৰম্ভ কৰিছিল। এই প্ৰসংগত ভাৰতীয় আৰ্য আৰু ইৰাণীয় ভাষাৰ ভাষাগত পাৰ্থক্যসমূহ উল্লেখ কৰাটো উচিত হ'ব।

ইৰাণীয় আৰু ভাৰতীয় আৰ্য ভাষাৰ পাৰ্থক্য

ইন্দো-ইৰাণীয় ভাষাৰ প্ৰধান উপশাখা তিনিটা : ১। ইৰাণীয় ২। ভাৰতীয় আৰ্য আৰু ৩। দৰ্দীয়। কোনো কোনো পণ্ডিতে দৰ্দীয় উপশাখাক মৰ্যাদা দিব নোখোজে। এই সকলৰ মতে 'ইৰাণীয়' আৰু 'ভাৰতীয় আৰ্য'ই হ'ল 'ইন্দো ইৰাণীয়'ৰ প্ৰধান উপশাখা। স্থান আৰু কালগত ব্যৱধানে, ইৰাণীয় আৰু 'ভাৰতীয় আৰ্য' ভাষাৰ মাজত যিবোৰ ভাষাগত পাৰ্থক্যৰ সৃষ্টি কৰিলে, সেইবোৰ তলত আলোচনা কৰা হ'ল :

(১) ভাৰতীয় আৰ্য ভাষাত মূৰ্দ্ধন্য ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। ইৰাণীয় ভাষাত এই ধ্বনিৰ ব্যৱহাৰ নাই।

(২) ইৰাণীয় ভাষাত স্পৃষ্ট মহাপ্ৰাণ ব্যঞ্জন (খ, ছ, থ, ফ, ঘ, ঝ, ধ, ভ)ৰ প্ৰয়োগ নাই; ভাৰতীয় আৰ্য ভাষাত এইবোৰৰ প্ৰয়োগ যথেষ্ট।

(৩) ভাৰতীয় আৰ্য ভাষাত ব্যৱহৃত বৰ্গৰ চতুৰ্থ বৰ্ণ ইৰাণীয়ত তৃতীয় হয়। যেনে, সং-ধাৰয়ৎ > আ. দাৰয়ৎ।

(৪) ভাৰতীয় আৰ্য ভাষাত ব্যৱহৃত 'স' ধ্বনি ইৰাণীয়ত 'হ' হয়। যেনে,

সং-সিন্ধু > আ. হিন্দু।

(৫) ভাৰতীয় আৰ্য ভাষাৰ 'হ' ইৰানীয় 'জ' হয়। যেনে, সং-দহাতি > আ. দজইতি।

(৬) ইৰানীয় ভাষাৰ কেতবোৰ স্বৰ ধ্বনি. ভাৰতীয় আৰ্য ভাষাত 'অ' বা 'আ' হয়।

(৭) ভাৰতীয় আৰ্য ভাষাৰ 'এ' ধ্বনিৰ ঠাইত ইৰানীয়ত 'অএ' বা 'ওই' হয়। যেনে, সং-গবে > আ. গবোই।

(৮) ইৰানীয় ভাষাত 'ল'ৰ ব্যৱহাৰ নাই, ভাৰতীয় আৰ্যত 'ল'ৰ প্ৰয়োগ আছে। ইৰানীয়ত 'ল'ৰ ঠাইত 'ৰ' হয়।

(৯) 'অপিনিহিতি'ৰ ব্যাপক ব্যৱহাৰ ইৰানীয় ভাষাৰ উল্লেখনীয় বৈশিষ্ট্য। ভাৰতীয় আৰ্যত ইয়াৰ ব্যৱহাৰ থাকিলেও ইৰানীয়ৰ দৰে ব্যাপক নহয়।

৭.২ ভাৰতীয় আৰ্য ভাষাৰ যুগ বিভাগ ঃ

খ্ৰীঃ পূঃ পোন্ধৰ শতিকাৰ পৰা সাম্প্ৰতিক কাললৈকে এই দীৰ্ঘকালৰ ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসক তাৰ বিৱৰ্তনৰ ৰীতি প্ৰকৃতি অনুসৰি তিনিটা প্ৰধান যুগত বিভক্ত কৰা হৈছে ঃ

(১) প্ৰাচীন ভাৰতীয় আৰ্য (Old Indo Aryan–O.I.A.)

(২) মধ্য ভাৰতীয় আৰ্য (Middle Indo Aryan–M.I.A.)

(৩) নব্য ভাৰতীয় আৰ্য (New Indo Aryan–N.I.A.)

৭.২.১ প্ৰাচীন ভাৰতীয় আৰ্য ভাষা

আনুমানিক খ্ৰীঃপূঃ পোন্ধৰশ শতিকাৰ পৰা খ্ৰীঃপূঃ ছশ শতিকালৈকে বিস্তৃত কালছোৱাই হ'ল প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ কাল। হিন্দুসকলৰ পবিত্ৰ ধৰ্ম গ্ৰন্থ 'বেদ' সমূহত এই যুগৰ ভাষাৰ নিদৰ্শন পোৱা যায়। বেদ চাৰিখন ঃ ঋক্, সাম, যজুঃ আৰু অথৰ্ব। প্ৰতিখন বেদৰে আকৌ সংহিতা, ব্ৰাহ্মণ, উপনিষদ আৰু আৰণ্যক এই চাৰিটাকৈ অংশ আছে। এইবোৰৰ ভিতৰত ঋক্ সংহিতাই প্ৰাচীনতম। ইয়াৰ ভাষাই প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অবিকৃত নিদৰ্শন। ঋক্ সংহিতাৰ পিছত ৰচিত আন আন সংহিতা, ব্ৰাহ্মণ, উপনিষদ আৰু আৰণ্যক আদিৰ ভাষাত ভাষা বিৱৰ্তনৰ আভাস সুস্পষ্ট। পৰিৱৰ্তনশীলতা জীৱন্ত ভাষাৰ স্বাভাৱিক ধৰ্ম। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাও মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহাত ইয়াৰ ভাষাগত পৰিৱৰ্তন ঘটিল। এনে পৰিৱৰ্তনক ব্ৰাহ্মণ্য সংস্কৃতিৰ প্ৰবক্তা সকলে ভাষাৰ বিকৃতি বুলি ধাৰণা

কৰি তাক বোধ কৰাৰ উদ্দেশ্যে ব্যাকৰণ ৰচনা কৰিবলৈ আৰম্ভ কৰিলে। এই ব্যাকৰণৰ নিয়মেৰে শৃংখলিত ভাষাটোকে সংস্কৃত বা লৌকিক সংস্কৃত (Classical Sanskrit) বোলা হয়। মহামুনি পাণিনি ৰচিত 'অষ্টাধ্যায়ী' বোলা বিখ্যাত ব্যাকৰণখনেই এই ভাষাৰ ভিত্তি স্বৰূপ। নানান পুৰাণ, কাব্য, নাটক আদিৰ ভাষাই সংস্কৃত ভাষৰ নিদৰ্শন দাঙি ধৰে। কোৱা নিষ্প্ৰয়োজন যে এই ভাষাটোৱে সমাজৰ অভিজাত শ্ৰেণীৰ ভাব বিনিময়ৰ মাধ্যম আৰু সাহিত্যৰ ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। বৈদিক ভাষা আছিল জনসাধাৰণৰ কথিত ভাষাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা ভাষা। সেয়ে, বৈদিক ভাষাৰ লগত তদানীন্তন জনসাধাৰণৰ কথিত ভাষাৰ সম্পৰ্ক আছিল নিবিড়। আনহাতে 'লৌকিক সংস্কৃত ভাষা' গঢ় লৈ উঠিছিল পাণিনিৰ 'অষ্টাধ্যায়ী'ৰ সূত্ৰৰ আধাৰত। খ্ৰীঃ পূঃ ৫ম শতিকাৰ পৰা খ্ৰীঃ ১০ম শতিকাৰ ভিতৰত এই ভাষাটোৱে সমৃদ্ধি লাভ কৰে। এই কালছোৱা আছিল প্ৰকৃততে মধ্য ভাৰতীয় আৰ্য ভাষা (পালি প্ৰাকৃত)ৰ বিস্তৃতিৰ কাল। সেই সময়ত জনসাধাৰণৰ কথিত ভাষা আছিল 'প্ৰাকৃত'। সেয়ে, লৌকিক সংস্কৃত ভাষা জনসাধাৰণৰ পৰা বিচ্ছিন্ন হৈ কেৱল সাহিত্যৰ ভাষা হিচাপেহে প্ৰচলিত হৈ আছিল।

মধ্যভাৰতীয় আৰ্য ভাষা (পালি, প্ৰাকৃত)ৰ প্ৰচলনৰ কালত গঢ়ি উঠিলেও গঠন ৰীতিৰ ফালৰ পৰা লৌকিক সংস্কৃত ভাষা মধ্যভাৰতীয় আৰ্য ভাষাতকৈ বৈদিক ভাষাৰহে বেছি ওচৰ চপা। সেই কাৰণে, লৌকিক সংস্কৃতক প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্ভুক্ত কৰা হৈছে আৰু বহল অৰ্থত প্ৰাচীন ভাৰতীয় আৰ্য ভাষা বুলিলে আমি 'বৈদিক' আৰু 'লৌকিক সংস্কৃত' - উভয় ভাষাকে বুজোঁ।

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ বৈশিষ্ট্য

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ বৈশিষ্ট্য কেতবোৰ তলত উল্লেখ কৰা হ'ল :

(১) মূল ইন্দো-ইউৰোপীয় ভাষাৰ অতি হ্ৰস্ব স্বৰ 'অ' (১) আৰু হ্ৰস্ব 'এ' (e), 'ও' (o) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত লুপ্ত পাইছে। মূলৰ '৯' ধ্বনিৰ ব্যৱহাৰো কমি আহিছে।

(২) মূল ইন্দো-ইউৰোপীয় ভাষাৰ 'অই' আৰু অউ', প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত যথাক্ৰমে 'এ' আৰু 'ও'লৈ পৰিৱৰ্তিত হৈছে।

(৩) মূল ইন্দো-ইউৰোপীয় ভাষাত নথকা মূৰ্দ্ধন্য ধ্বনিৰ ব্যৱহাৰ প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ বিশেষ বৈশিষ্ট্য।

(৪) সকলো স্থলত সন্ধি, প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত অপৰিহাৰ্য আছিল।

বৈদিক ভাষাত স্বৰৰ প্ৰয়োগ বাধ্যতামূলক আছিল। এই স্বৰ তিনিপ্ৰকাৰৰ উদাত্ত, আনুদাত্ত আৰু স্বৰিত।

(৫) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত প্ৰতিটো ব্যঞ্জন বৰ্গৰে একোটা নাসিকা ধ্বনি (ঙ, ঞ, ণ, ন, ম) বৰ্তমান।

(৬) শ, স য-এই তিনি শিস ধ্বনি আৰু 'হ' ধ্বনিৰ বহুল ব্যৱহাৰ প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অন্যতম বৈশিষ্ট্য।

(৭) যুক্ত ব্যঞ্জনৰ ব্যৱহাৰ, প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত যথেষ্ট।

(৮) স্বৰ ধ্বনিৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণ, এই ভাষাৰ অন্য এটা বিশেষ গুণ।

(৯) মূল ইন্দো-ইউৰোপীয় ভাষাৰ তিনিটা বচন (এক বচন, দ্বি বচন, বহু বচন), তিনি লিংগ (পুলিংগ, স্ত্ৰী লিংগ, ক্লীব লিংগ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাতো ব্যৱহৃত হৈছিল। এই ভাষাত লিংগভেদ আছিল ব্যাকৰণত বিষয়।

(১০) মূল ইন্দো ইউৰোপীয় ভাষাৰ দৰে প্ৰাচীন ভাৰতীয় আৰ্য ভাষাতো কাৰক আছিল আঠ প্ৰকাৰৰ। যেনে, কৰ্তা কাৰক, কৰ্ম কাৰক, কৰণ কাৰক, সম্প্ৰদান কাৰক, অপাদান কাৰক, সম্বন্ধপদ, অধিকৰণ কাৰক আৰু সম্বোধন পদ।

(১১) বিভিন্ন কাৰকৰ বাবে শব্দত বিভিন্ন বিভক্তি যুক্ত হৈছিল। সেইবাবে এই ভাষাত শব্দৰূপ আছিল বৈচিত্ৰ্যপূৰ্ণ।

(১২) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ক্ৰিয়াৰূপো আছিল বৈচিত্ৰ্যপূৰ্ণ। এই ভাষাত পুৰুষ আছিল তিনিটা (উত্তম, মধ্যম, নাম), পদ দুটা (আত্মনেপদ আৰু পৰস্মৈপদ), আৰু বাচ্য দুটা (কৰ্তৃ, কৰ্ম-ভাব বাচ্য)। পুৰুষ অনুসৰি ক্ৰিয়াৰূপবো সলনি হৈছিল।

(১৩) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ক্ৰিয়াৰ কাল আছিল পাঁচ প্ৰকাৰৰ। যেনে, লট্ (Present), লঙ্ (Imperfect), লৃট্ (Future) লিট্ (Perfect) আৰু লুঙ (Aorist)। এইবোৰৰ ভিতৰত লঙ্, লুঙ্ আৰু লিট্ - অতীত কালৰেই প্ৰকাৰ ভেদ মাথোন। আৰু সামান্য অতীত কালৰহে ভাব অনুসৰি ভিন ভিন ৰূপ হয়।

(১৪) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ক্ৰিয়াৰ ভাব (Mood) আছিল পাঁচটা। সেইকেইটা হ'ল-অভিপ্ৰায় (লেট), নিৰ্বন্ধ, নিৰ্দেশক, সম্ভাৱক (বিধিলিঙ্), অনুজ্ঞা (লোট);

(১৫) এই ভাষাত ধাতুৰ লগত কৃৎ আৰু শব্দৰ লগত তদ্ধিত প্ৰত্যয় যোগ কৰি নানান শব্দ গঠন কৰা হৈছিল।

(১৬) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত বাক্যৰ পদ বিন্যাসৰ কোনো নিৰ্দিষ্ট নিয়মৰ আৱশ্যক হোৱা নাছিল।

(১৭) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ ছন্দ আছিল অক্ষৰমূলক।

বৈদিক আৰু লৌকিক সংস্কৃতৰ বৈশিষ্ট্য

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাই বৈদিক আৰু লৌকিক সংস্কৃতক সামৰি ল'লেও এই দুয়োবিধ ভাষাৰ মাজত গঠনগত পাৰ্থক্য আছে। তলত এই পাৰ্থক্যসমূহ আলোচনা কৰা হ'ল :

(১) প্ৰাচীন বৈদিক ভাষাত '৯'-স্বৰ ধ্বনিৰ প্ৰয়োগ হৈছিল, কিন্তু লৌকিক সংস্কৃতত এই ধ্বনিৰ প্ৰয়োগ (কৢপ্ ধাতুত বাহিৰে) নাই।

(২) বৈদিকত মূৰ্দ্ধন্য ধ্বনিৰ ব্যৱহাৰ অতি কম। লৌকিক সংস্কৃতত এই ধ্বনিৰ প্ৰয়োগ যথেষ্ট।

(৩) স্বৰাঘাত বৈদিক ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। বৈদিকত স্বৰাঘাতৰ স্থান পৰিবৰ্তন হ'লে শব্দৰ অৰ্থৰো পৰিৱৰ্তন ঘটে; কিন্তু লৌকিক সংস্কৃতত স্বৰাঘাতৰ তেনে উল্লেখযোগ্য ভূমিকা নাই।

(৪) বৈদিক ভাষাত সন্ধি অপৰিহাৰ্য নাছিল, কিন্তু লৌকিক সংস্কৃতত বাধ্যতামূলক।

(৫) বৈদিক ভাষাত শব্দৰূপৰ ক্ষেত্ৰত নানান বিকল্প ৰূপৰ প্ৰয়োগ আছিল, কিন্তু লৌকিক সংস্কৃতত বিকল্প ৰূপৰ প্ৰয়োগ কম।

(৬) লৌকিক সংস্কৃতত ভাব দুটা - অনুজ্ঞা (লোট্) আৰু সম্ভাৱক (বিধি-লিঙ্)। বৈদিক ভাষাত অভিপ্ৰায় (লেট্) আৰু নিৰ্বন্ধ - এই দুটা অতিৰিক্ত ভাৱৰো ব্যৱহাৰ আছিল।

(৭) বৈদিক ভাষাত ক্ৰিয়াৰূপৰ বৈচিত্ৰ্য লৌকিক সংস্কৃততকৈ বেছি। বৈদিকত বৰ্তমান, সামান্য অতীত, সম্পন্ন অতীত আৰু ভৱিষ্যৎ- এই চাৰিটা কালৰ ভাব অনুসৰি ভিন ভিন ৰূপ হৈছিল, কিন্তু লৌকিক সংস্কৃতত কেৱল বৰ্তমান।

(৮) বৈদিক ভাষাত শতৃ, শানচ, কসু-কানচ্ প্ৰভৃতি প্ৰত্যয় যোগে নানান ক্ৰিয়া বিশেষণ পদ গঠন কৰা হৈছিল। লৌকিক সংস্কৃতত এইবোৰৰ প্ৰয়োগ কমি আহিছে।

(৯) বৈদিকত 'ত্বা' 'ত্বায়' আদি প্ৰত্যয় যোগে নানান অসমাপিকা ক্ৰিয়া গঠন কৰা হৈছিল। লৌকিক সংস্কৃতত এনে প্ৰয়োগো কম।

(১০) বৈদিকত প্ৰ, পৰা আদি উপসৰ্গবোৰৰ স্বাধীনভাৱেও প্ৰয়োগ হৈছিল। লৌকিক সংস্কৃতত এইবোৰৰ স্বাধীন প্ৰয়োগ অতি সীমিত।

(১১) লৌকিক সংস্কৃতত বহুপদী সমাসৰ ব্যৱহাৰ আছে। বৈদিকত এনে সমাস নাই।

(১২) লৌকিক সংস্কৃতত অতীত কালৰ সমাপিকা ক্ৰিয়া গঠন কৰিবলৈ 'ক্তবতু' প্ৰত্যয় প্ৰয়োগ কৰা হয়। বৈদিকত 'ক্তবতু' প্ৰত্যয়ৰ ব্যৱহাৰ নাছিল।

(১৩) ভাৰতীয় অনাৰ্য ভাষাৰ নানান শব্দ লৌকিক সংস্কৃতত সোমাই পৰিছে। বৈদিকত তেনে শব্দৰ ব্যৱহাৰ নাছিল।

প্ৰাচীন ভাৰতীয় আৰ্য ভাষা ঃ আঞ্চলিক ভেদ

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ বিস্তৃতিৰ কাল হ'ল খ্ৰীঃ পূঃ পোন্ধৰ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা পৰ্যন্ত। এই কালছোৱাৰ ভিতৰতে ভাৰতীয় আৰ্য ভাষা ভাষী লোকসকলে ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ পৰা পূব ফাললৈ বসতি বিস্তাৰ কৰে। স্থান আৰু কালৰ ব্যৱধানে ভাষাৰূপৰ পৰিবৰ্তন ঘটায়। ফল স্বৰূপে একেটা ভাষাৰে একাধিক আঞ্চলিক ৰূপৰ সৃষ্টি হয়। ভাষাৰ পৰিবৰ্তনৰ স্বাভাৱিক নিয়ম অনুসৰি, সময়ৰ লগে লগে, প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰো প্ৰধানকৈ তিনিটা আঞ্চলিক ৰূপৰ উদ্ভৱ হয়। এই ৰূপ তিনিটা হ'ল— (১) উদীচ্যা (২) মধ্যদেশীয় (৩) প্ৰাচ্যা।

উদীচ্যা ঃ

ভাৰতৰ উত্তৰাঞ্চলত গঢ়ি উঠা প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ আঞ্চলিক ৰূপটোক উদীচ্যা বোলা হয়। বেদ আৰু ব্ৰাহ্মণ গ্ৰন্থত এই ভাষাৰ নিদৰ্শন পোৱা যায়। উদীচ্যাৰ পৰিবৰ্তিত ৰূপটো ৰক্ষিত হৈছে উপনিষদত। 'কৌষীতকী ব্ৰাহ্মণ'ত 'উদীচ্যা'ক প্ৰজ্ঞাতত্ব বোলা হৈছে। মহামুনি পাণিনিৰ মাতৃভাষা আছিল উদীচ্যা। তেওঁ মধ্যদেশীয় ভাষাৰূপৰ লগত নিজৰ মাতৃভাষা উদীচ্যাৰ মিশ্ৰণ ঘটাই সেই মিশ্ৰিত ভাষাৰূপটোকে ব্যাকৰণৰ সূত্ৰেৰে আবদ্ধ কৰি লৌকিক সংস্কৃত ভাষাৰূপে প্ৰতিষ্ঠিত কৰিছিল।

মধ্যদেশীয় ঃ

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ আঞ্চলিক ৰূপ তিনিটাৰ ভিতৰত মধ্যদেশীয় ভাষা ৰূপটো বিশেষভাৱে উল্লেখযোগ্য। মধ্যভাৰত, বিশেষকৈ গংগা নদীৰ দুইকূল আৰ্য সভ্যতা আৰু সংস্কৃতি চৰ্চাৰ কেন্দ্ৰস্থল ৰূপে পৰিগণিত হোৱাত ইয়াৰ ভাষাটোৱেও বিশেষ মৰ্যাদা লাভ কৰিছিল আৰু সম্ভৱতঃ সেই কাৰণেই পাণিনিয়ে 'সংস্কৃত' ভাষাক ৰূপ দিয়াৰ ক্ষেত্ৰত মধ্যদেশীয় ভাষাক আধাৰ স্বৰূপে গ্ৰহণ

কৰিছিল। মধ্য প্ৰদেশ উপনিষদ চৰ্চাৰো কেন্দ্ৰস্থল আছিল। সেই কাৰণেই সম্ভৱতঃ উপনিষদৰ ভাষাৰ লগত সংস্কৃত ভাষাৰ সম্পৰ্কও গভীৰ হৈ পৰিছিল।

প্ৰাচ্য :

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ যিটো আঞ্চলিক ৰূপ ভাৰতৰ পূৰ্বাঞ্চলত গঢ় লৈ উঠিছিল সেইটোকে প্ৰাচ্য বোলা হয়। ভাৰতৰ পূৰ্বাঞ্চল আছিল অনাৰ্য অধুসিত। সেয়ে, ইয়াৰ কথিত ভাষাটোৰে এক মিশ্ৰিত ৰূপ লৈছিল আৰু তাক অন্য অঞ্চলৰ লোকে অশুদ্ধ বুলি বিবেচনা কৰিছিল। তথাচ সাহিত্যৰ ভাষাত ইয়াৰ প্ৰভাৱ নপৰাকৈ থকা নাছিল। তদুপৰি, বৈদিক বা সংস্কৃতত অব্যৱহৃত মূল আৰ্য ভাষাৰ অনেক শব্দ প্ৰাচ্য ভাষাত প্ৰয়োগ হোৱা দেখা যায়। পৰৱৰ্তী কালৰ পালি আৰু প্ৰাকৃত ভাষাত ব্যৱহৃত অনেক শব্দৰ মূল নিৰ্ণয়ৰ ক্ষেত্ৰত প্ৰাচ্য ভাষাই যথেষ্ট সহায়তা কৰে।

৭.২.২ মধ্য ভাৰতীয় আৰ্য ভাষা :

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কথিত ৰূপটোৱে ভাষাৰ স্বাভাৱিক ধৰ্ম অনুসৰি, আনুমানিক খ্ৰীঃ পূঃ ষষ্ঠ শতিকাত, ধ্বনিগত আৰু ৰূপগত পৰিবৰ্তনৰ মাজেদি যি এক নতুন ভাষাৰ জন্ম দিলে তাকেই মধ্য ভাৰতীয় আৰ্য ভাষা বোলে। মধ্য ভাৰতীয় আৰ্য ভাষাৰ বিস্তৃতিৰ সময় আনুমানিক খ্ৰীঃ পূঃ ৬ষ্ঠ শতিকাৰ পৰা খ্ৰীঃ ১০ম-১১শ শতিকা পৰ্যন্ত। ইয়াৰ কালগত নাম 'প্ৰাকৃত' ভাষা। সাধাৰণতে 'প্ৰাকৃত' নামটোৰ তাৎপৰ্য দুই ধৰণে ব্যাখ্যা কৰা হয়। প্ৰথম ব্যাখ্যা অনুসৰি প্ৰকৃতি মানে হ'ল সংস্কৃত আৰু তাৰ পৰা যি ভাষাৰ জন্ম হৈছে সিয়েই প্ৰাকৃত। প্ৰাকৃত বৈয়াকৰণ হেমচন্দ্ৰৰ মতে "প্ৰকৃতিঃ সংস্কৃতম্ তত্ৰ ভবং তত্ৰ আগতং বা প্ৰাকৃতম" দ্বিতীয় ব্যাখ্যা অনুসৰি জনসাধাৰণে মনৰ ভাৱৰ আদান-প্ৰদানৰ বাবে কথিত ৰূপত ব্যৱহাৰ কৰা ভাষাই হ'ল প্ৰাকৃত। 'প্ৰাকৃত জনানাং ভাষা প্ৰাকৃতম।" ড° সুকুমাৰ সেনে লিখিছে, "প্ৰাকৃত-ভাষা কথাটোৰ আচল তাৎপৰ্য হৈছে 'প্ৰকৃতি'ৰ অৰ্থাৎ জনসাধাৰণৰ ভাষা। শিষ্ট ব্ৰহ্মণ্য সমাজৰ 'শুদ্ধ' ভাষা সংস্কৃত- এই নামটিৰ প্ৰতিৰূপ হিচাপে 'প্ৰাকৃত' নামটি কল্পিত।"[১] নক'লেও চলে যে "জনসাধাৰণৰ ব্যৱহৃত ভাষা হ'লেও পৰৱৰ্তী কালত ইয়াৰ যিটো ৰূপ সাহিত্যত প্ৰয়োগ হৈছিল, সি কিন্তু জনসাধাৰণৰ ভাষা হৈ নাথাকি মোটামুটিভাৱে ক্লাছিকেল সংস্কৃতৰ দৰে কৃত্ৰিম ভাষা হৈ পৰিছিল। সেইবাবে এই ভাষাটোক 'সাহিত্যিক প্ৰাকৃত' বোলা হৈছে।

---

১. ড° সুকুমাৰ সেন : ভাষাৰ ইতিবৃত্ত, ১৯৭৫, পৃঃ ১১১

মধ্য ভাৰতীয় আৰ্য বা প্ৰাকৃত ভাষাৰ বৈশিষ্ট্য

মধ্য ভাৰতীয় আৰ্য বা প্ৰাকৃত ভাষাৰ সাধাৰণ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ সংক্ষেপে তলত আলোচনা কৰা হ'ল ঃ

(ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

(১) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ঌ' আৰু 'ঋ' ধ্বনি মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰত সম্পূৰ্ণ লুপ্ত পাইছে। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ঋ' ধ্বনি মধ্য ভাৰতীয় আৰ্য ভাষাত তলত উল্লেখ কৰা ধ্বনিসমূহলৈ পৰিবৰ্তিত হৈছে। যথাঃ

ঋ > অ — মৃগ > মগ, কৃত < কত

ঋ > ই — তৃণ > তিণ

ঋ > উ — ঋতু > উতু, বৃদ্ধ < বুড্‌ঢ

ঋ > এ — গৃহ > গেহ

ঋ > ৰ — বৃক্ষ > ব্ৰচ্ছ

ঋ > ৰি — ঋষি > ৰিসি

ঋ > ৰু — বৃক্ষ > ৰুক্‌খ।

(২) 'ঐ' আৰু 'ঔ' — এই দুটা যৌগিক স্বৰ প্ৰাকৃতত যথাক্ৰমে 'এ' আৰু 'ও' লৈ পৰিবৰ্তিত হ'ল।

যেনে, শৈল > সেল, ভৈৰব > ভেৰব

যৌবন > জোব্বন, ঔষধানি > ওসধানি

(৩) 'অয়' আৰু 'অৱ' যথাক্ৰমে 'এ' আৰু 'ও' হ'ল।

যেনে, পূজয়ন্তি < পূজেন্তি/পূজেদি/পূজেই

ভৱদি > জেদি, হোদি/হোই।

(৪) যুক্ত ব্যঞ্জন আৰু পদান্তস্থিত অনুস্বাৰৰ পূৰ্ববৰ্তী দীৰ্ঘস্বৰ প্ৰাকৃতত হ্ৰস্বস্বৰত পৰিণত হ'ল। যেনে, কান্তাম্‌ > কন্তং দীৰ্ঘ > দিগ্‌ঘ।

(৫) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পদান্তস্থিত বিসৰ্গ হয় লোপ পালে নহয় তাৰ সলনি 'এ' বা 'ও' ব্যৱহৃত হ'ল।

যেনে, জনঃ > জন, জনে, জনো।

পুত্ৰাঃ > পুত্তা।

(৬) পদৰ অন্তত থকা অনুস্বাৰ (ং), সাধাৰণতে অপৰিবৰ্তিত হৈয়েই ৰ'ল। যেনে, নবম্ > নবং। ইয়াত বাহিৰে পদান্তস্থিত আন সকলো ব্যঞ্জন লুপ্ত পালে। যেনে, নবাং > নবা।

(৭) 'স', 'শ' আৰু 'ষ'- এই তিনিটা শিস্ ধ্বনিৰ ভিতৰত মাগধীত 'শ' আৰু আন আন প্ৰাকৃতত 'স' ৰক্ষিত হ'ল যেনে, দ্বাদশ > দুবাদস, সুস্তনুকা > শুস্তনুকা।

(৮) প্ৰাকৃতত ৰেফৰ ব্যৱহাৰ লুপ্ত পালে আৰু ৰেফ থকা বৰ্ণটো দ্বিত্ব হ'ল। যেনে, ধৰ্ম > ধম্ম।

(৯) দন্ত্যবৰ্ণ স্বতঃস্ফূৰ্তভাবে বা 'ঋ', 'ৰ', 'শ', আৰু 'ষ'ৰ প্ৰভাৱত মূৰ্দ্ধন্য বৰ্ণত পৰিণত হ'ল। যেনে, বিকৃত > বিকট দ্বাদশ > দুবাডস।

(১০) পদৰ আদিত থকা যুক্ত ব্যঞ্জন প্ৰাকৃতত বিশিষ্ট অথবা একক ব্যঞ্জনত পৰিণত হ'বলৈ ধৰিলে। যেনে, প্ৰিয় > পিয় স্নেহ > নেহ। শব্দৰ মাজত থকা যুক্ত ব্যঞ্জন সমীভূত হৈ অথবা স্বৰভক্তিৰ দ্বাৰা সৰল হৈ ব্যৱহৃত হ'ল। যেনে, সপ্ত > সত্ত, হৰ্ষ > হৰিস, ম্লান > মিলান

(১১) পদ মধ্যস্থিত অল্পপ্ৰাণ একক ব্যঞ্জন লুপ্ত হ'ল আৰু মহাপ্ৰাণ একক 'হ'ত পৰিণত হ'ল। যেনে, লোক > লোঅ, লঘু > লহু।

ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

১) পদান্তস্থিত ব্যঞ্জন লুপ্ত হোৱাৰ ফলস্বৰূপে প্ৰাকৃতত প্ৰায় আটাইবোৰ শব্দ স্বৰান্ত হ'ল আৰু সিবোৰৰ সৰহভাগবে 'অ'-কাৰান্ত শব্দৰ দৰে ৰূপ হ'ল। পুংলিংগ আৰু ক্লীবলিংগৰ ভেদ লুপ্ত হ'ল।

২) প্ৰাকৃতত দ্বিবচন সম্পূৰ্ণ লুপ্ত পালে আৰু তাৰ ঠাইত বহুবচন ব্যৱহৃত হ'বলৈ ধৰিলে।

৩) পদান্ত ব্যঞ্জন লোপ হোৱা বাবে প্ৰথমা আৰু দ্বিতীয়া বিভক্তিৰ বহুবচনত পুংলিংগ আৰু ক্লীবলিংগৰ মাজত প্ৰভেদ নাইকিয়া হ'ল। যেনে, ফলানি > ফলা, নবান্ > নবা।

৪) প্ৰাকৃতত চতুৰ্থী আৰু পঞ্চমীৰ একবচন প্ৰায় নোহোৱা হ'ল। প্ৰাকৃতত চতুৰ্থীৰ অৰ্থ বুজাবলৈ দ্বিতীয়া আৰু ষষ্ঠী বিভক্তি প্ৰয়োগ কৰা হ'ল। সেইদৰে পঞ্চমীৰ অৰ্থ তৃতীয়া আৰু সপ্তমী বিভক্তিৰে বুজোৱা হ'ল।

৫) প্ৰাচীন ভাৰতীয় আৰ্য্যভাষাৰ ধাতুৰূপৰ বৈচিত্ৰ্য প্ৰাকৃতত লোপ পালে। আত্মনেপদ প্ৰায় লুপ্ত হ'ল আৰু তাৰ সলনি পৰস্মৈপদ ব্যৱহৃত হ'ল। সংস্কৃতৰ দহটা গণৰ ভিতৰত প্ৰাকৃতত কেৱল ভাদিগণ ৰক্ষিত হ'ল। অতীত কালৰ ক্ৰিয়াৰূপত 'লিট্'ৰ ব্যৱহাৰ লুপ্ত পালে। লঙ্ আৰু লুঙ্ৰ পাৰ্থক্য নোহোৱা হ'ল। একেটা ধাতুৰ পৰা একাধিক নতুন ধাতুৰ সৃষ্টি হ'ল। অসমাপিকা ক্ৰিয়া ৰূপৰ বৈচিত্ৰ্য নোহোৱা হ'ল।

শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ

১) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত প্ৰয়োগ নোহোৱা ভালেমান নতুন শব্দ প্ৰাকৃত স্তৰত ব্যৱহাৰ হ'বলৈ ধৰিলে। এনেবোৰ শব্দকে প্ৰাকৃত বৈয়াকৰণসকলে দেশী শব্দ বুলি অভিহিত কৰিছে। এনে দেশী শব্দ কেতবোৰ হ'ল-চংগ, মডহ, ঢক্ক, খুও খল্ল, টংক ইত্যাদি। তদুপৰি প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ অশ্ব, বৃষ, ৰোহিত উদন, আদি শব্দৰ সলনি প্ৰাকৃতত যথাক্ৰমে ঘোটক, ষণ্ড, জল আদি ব্যৱহাৰ হ'বলৈ ধৰিলে।

মধ্য ভাৰতীয় আৰ্য বা প্ৰাকৃত ভাষাৰ স্তৰবিভাগ

মধ্য ভাৰতীয় আৰ্য বা প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশৰ সুদীৰ্ঘ ইতিহাসক প্ৰধানকৈ তিনিটা স্তৰত ভাগ কৰা হয় ঃ

ক) আদি স্তৰ
খ) মধ্য স্তৰ
গ) অন্ত্য স্তৰ

ক) আদি স্তৰ

মধ্য ভাৰতীয় আৰ্য বা প্ৰাকৃত ভাষাৰ আদি স্তৰৰ সময়সীমা খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ প্ৰথম শতিকা পৰ্যন্ত। অশোকৰ শিলালিপি (Inscriptional Prakrit), খ্ৰীষ্টপূৰ্ব শতিকাৰ আন আন প্ৰস্তলিপি (খাৰবেল অনুশাসন গুড়নুকা প্ৰস্তলেখ আদি); বৌদ্ধসংস্কৃত আৰু বৌদ্ধ সাহিত্যৰ ভাষা 'পালিত' এই স্তৰৰ ভাষাটোৰ নিদৰ্শন পোৱা যায়।-খ্ৰীঃপূঃ তৃতীয় শতিকাত অশোকে কথিত ভাষাত যিবোৰ প্ৰস্তলেখ খোদিত কৰাইছিল, সেইবোৰৰ মাজত অঞ্চল ভেদে ভাষাগত ভিন ভিন ৰূপ বিৰিঙি উঠিছিল। ইয়াৰ পৰা প্ৰমাণ কৰা হৈছে যে মধ্যভাৰতীয় আৰ্য

ভাষাৰ আদি স্তৰতেই ভাষাটোৱে পৰা কেতবোৰ আঞ্চলিক ৰূপ গঢ়ি লবলৈ আৰম্ভ কৰিছিল। অশোকৰ শিলালিপিৰ ভাষাই এনে ধৰণৰ চাৰিটা আঞ্চলিক ভাষাৰ নিদৰ্শন দাঙি ধৰে ঃ ১) উত্তৰ পশ্চিমা (North-Western) ২) দক্ষিণ-পশ্চিমা (South-Western) ৩) প্ৰাচ্য-মধ্যা (East-Central) আৰু প্ৰাচ্য (Eastern)।

১) উত্তৰ-পশ্চিমা ঃ

ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল (পশ্চিম পাকিস্তান)ত পোৱা অশোকৰ ছাহ্বাজ গঢ়ী আৰু মান ছেহ্ৰা অনুশাসনে এই প্ৰাকৃতৰ নিদৰ্শন দাঙি ধৰে। উত্তৰ-পশ্চিমা প্ৰাকৃতৰ বিশেষত্ব হ'ল ঃ

ক) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ৰ' আৰু 'স' যুক্ত ব্যঞ্জনৰ যুক্ত উচ্চাৰণ এই প্ৰাকৃতত ৰক্ষিত হৈছে। যেনে, প্ৰিয়, অস্তি।

খ) 'ষ' যুক্ত ব্যঞ্জন সমভূত হোৱাৰ পিছত দুই ব্যঞ্জনৰ এটা লুপ্ত পালে। যেনে, কল্যাণং > কল্লাণং > কলাণং।

গ) 'স্ম' আৰু 'স্ব'ৰ ঠাইত 'স্প' ব্যৱহাৰ হ'ল। যেনে, স্বৰ্গম্ > স্পগ্ৰম্

ঘ) ক্ষ > ছ। যেনে, মোক্ষ > মোছ।

ঙ) দন্ত্য ধ্বনি মূৰ্দ্ধন্য ধ্বনিত পৰিণত হ'ল। যেনে,

চ) 'শ' ধ্বনিৰ ব্যৱহাৰ কমি আহিল।

ছ) 'ত্বা'ৰ ঠাইত 'ত্তী' প্ৰত্যয়ৰ ব্যৱহাৰ হ'ল। যেনে, দৃষ্ট্বা > দ্ৰশেত্তি।

২) দক্ষিণ পশ্চিমা ঃ

গুজৰাটৰ জুনাগড়ত পোৱা অশোকৰ গীৰ্ণাৰ অনুশাসনত দক্ষিণ-পশ্চিমা প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়। এই ভাষাটো প্ৰাচীনগন্ধী। ইয়াৰ বৈশিষ্ট্যবোৰ হ'ল ঃ

ক) এই প্ৰাকৃতত 'ঋ' ধ্বনি কেতিয়াবা 'অ' আৰু তেতিয়াবা 'উ' ধ্বনিত পৰিণত হৈছে। যেনে, মৃগ < মগ, বৃত্ত > বুত।

খ) 'শ' আৰু 'ষ' ধ্বনি একক অৱস্থাত 'স' লৈ পৰিৱৰ্তিত হ'ল। যেনে, এতাদৃশ > এতাদিস।

গ) পদান্ত 'ঃ' 'ও' লৈ পৰিৱৰ্তিত হ'ল। যেনে, জনঃ > জনো।

ঘ) 'ৰ' ধ্বনি ভিন্ন অন্য ব্যঞ্জনৰ লগত যুক্ত 'য' সমীভূত হ'ল আৰু সমীভূত ব্যঞ্জন দুটাৰ এটা লুপ্ত হ'ল। যেনে, কল্যাণ > কলান।

ঙ) 'ত্ব' আৰু ত্ম > ৎপ। যেনে, চত্বাৰঃ > চৎপাৰো, আত্ম > আৎপ।

চ) সপ্তমী বিভক্তিৰ চিন 'স্মিন্' > ম্হি। যেনে, তস্মিন > তম্হি।

৩) প্ৰাচ্য মধ্যা ঃ

কালছীত প্ৰাপ্ত অশোকৰ এখন অনুশাসন আৰু দিল্লীৰ ওচৰৰ টোপ্ৰা স্তম্ভলিপিৰ ভাষাই এই প্ৰাকৃতৰ নিদৰ্শন দাঙি ধৰে। প্ৰাচ্য-মধ্যা প্ৰাকৃতৰ নিদৰ্শন দাঙি ধৰে। প্ৰাচ্য-মধ্যা প্ৰাকৃতৰ বৈশিষ্ট্য হ'ল ঃ

ক) পদান্তস্থিত 'অ'-কাৰ 'আ'-কাৰত পৰিণত হ'ল।

খ) পদৰ শেষত বিসৰ্গ (ঃ) থাকিলে তাৰ পূৰ্ববৰ্তী 'আ'-কাৰ 'এ'-কাৰত পৰিণত হ'ল। যেনে, জনঃ > জনে।

গ) 'ৰ' প্ৰায়েই 'ল' হ'ল। যেনে, কৰোতি > কলেতি।

ঘ) 'শ' আৰু 'ষ' ধ্বনি কেতিয়াবা কেতিয়াবা ৰক্ষিত হৈছে আৰু কেতিয়াবা 'স' লৈ পৰিবৰ্ত্তিত হৈছে।

ঙ) 'ৰ' আৰু 'স' বা 'য' যুক্ত যুক্ত ব্যঞ্জন সমীভূত হ'ল। যেনে, সৰ্বত্ৰ > সৱত্ত, অস্তি > অথি।

চ) ষ্ম আৰু স্ম > প্ফ।

যেনে, তস্মাৎ > তপ্ফা, যুষ্মে > তুপ্ফে।

ছ) ক্ষ > ক্‌খ। যেনে, মোক্ষ > মোক্‌খ > মোখ।

জ) ভূ ধাতু > হু। যেনে, ভৱতি > হোতি।

ঝ) আত্মনেপদত 'শানচ্' প্ৰত্যয়ৰ ব্যৱহাৰ এই প্ৰাকৃতৰ অন্যতম বৈশিষ্ট্য।

ঞ) ত্ব > ত্ত। যেনে, চত্বাৰি > চত্তালি।

৪) প্ৰাচ্যা ঃ

ধৌলি আৰু জৌগড়ত প্ৰাপ্ত অনুশাসনৰ ভাষাত প্ৰাচ্যা প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়। প্ৰাচ্য-মধ্যা আৰু প্ৰাচ্যা প্ৰাকৃতৰ মাজত ভাষাগত সাদৃশ্য অধিক। সেয়ে প্ৰাচ্য-মধ্যাৰ সৰহভাগ বৈশিষ্ট্য প্ৰাচ্যাতো দেখিবলৈ পোৱা যায়। এই ভাষাৰ সুকীয়া বৈশিষ্ট্যসমূহ হ'ল ঃ

ক) ৰ > ল। যেনে, কৰোতি > কলেতি।

খ) পদৰ মাজত থকা 'ও' আৰু শেষত থকা 'অ' যুক্ত বিসৰ্গ (ঃ) 'এ' ত পৰিণত হ'ল। যেনে, কৰোতি > কলেতি, মৃগঃ > মিগে।

গ) শ, ষ > স।

ঘ) অহং > হকং।

কোনো পণ্ডিতে প্ৰাচ্যা প্ৰাকৃতৰ দুটা ৰূপ থকা বুলি অনুমান কৰে ঃ পশ্চিমা প্ৰাচ্যা আৰু পূৰ্বী প্ৰাচ্যা। পূৰ্বী প্ৰাচ্যা মগধ অঞ্চলত প্ৰচলিত। সেয়ে ইয়াৰ আন এটা নাম মাগধী।

খাৰবেল অনুশাসন

খ্ৰীঃপূঃ প্ৰথম শতিকাত কলিংগৰাজ খাৰবেলে জৈন ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে উৰিষ্যাৰ-উদয়গিৰি পাহাৰৰ এক গুহাত খোদিত কৰোৱা শিলালিপিৰ ভাষাই সমসাময়িক কথিত ভাষাৰ এক পৰিমাৰ্জিত ৰূপত নিদৰ্শন দাঙি ধৰে। এই অনুশাসনৰ ভাষাৰ লগত প্ৰাচ্যা প্ৰাকৃততকৈ দক্ষিণ পশ্চিমাৰ সাদৃশ্য বেছি। পালিৰ ভাষাৰ লগতো ইয়াৰ সাদৃশ্য আছে। অশোকৰ পিছতেই খাৰাবেলৰ অনুশাসন বিশেষভাৱে উল্লেখযোগ্য।

শুতনুকা প্ৰত্নলিপি

উত্তৰ প্ৰদেশৰ ৰামগড় পাহাৰৰ যোগীমাৰা নামৰ গুহাত খোদিত প্ৰত্নলিপি এটিত তিনিটা পংক্তি পোৱা গৈছে। এই পংক্তি তিনিটা হ'ল ঃ

শুতনুক নাম দেবদশিক্যি
তং কময়িথ বলন শেয়ে
দেবদিনে নম লুপদখে

প্ৰথম পংক্তিৰ প্ৰথম শব্দ অনুসৰি ইয়াৰ নামকৰণ কৰা হৈছে শুতনুকা প্ৰত্নলিপি। পৰৱৰ্তী কালত গঢ় লৈ উঠা মাগধী প্ৰাকৃতৰ লগত ইয়াৰ ভাষাগত সাদৃশ্য আছে। যেনে, ষ স ৰ সলনি 'শ', 'ৰ' ৰ সলনি 'ল' আৰু প্ৰথমাৰ একবচনত 'এ' বিভক্তিৰ ব্যৱহাৰ। শুতনুকা প্ৰত্নলিপিৰ ভাষাইও মধ্যভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ নিদৰ্শন দাঙি ধৰে।

বৌদ্ধ সংস্কৃত

উত্তৰ ভাৰতৰ মহাযান পন্থী বৌদ্ধসকলে কথিত সংস্কৃতৰ লগত প্ৰাকৃত ভাষাৰ মিশ্ৰণ ঘটাই এই ভাষাৰ সৃষ্টি কৰিছিল। ইয়াক মিশ্ৰ সংস্কৃত ভাষাও বোলা হয়। মহাযান পন্থী বৌদ্ধসকলে হীনযান পন্থীসকলৰ পালি ভাষাক গ্ৰহণ নকৰি বৌদ্ধ সংস্কৃতৰ সময়সীমা খ্ৰীঃ পূঃ দ্বিতীয় শতিকাৰ পৰা খৃঃ তৃতীয় শতিকা পৰ্যন্ত। 'মহাবস্তু অবদা', 'ললিত বিস্তৰ', 'দিব্যবদান' আৰু 'অবদান শতক'ত এই ভাষাৰ নিদৰ্শন পোৱা যায়।

পালি ভাষা

মধ্য ভাৰতীয় আৰ্য ভাষাৰ আদি স্তৰৰ নিদৰ্শন বিস্তৃতভাৱে পোৱা যায় পালি

ভাষাত। বুদ্ধদেৱৰ নিৰ্দেশ ক্ৰমে হীনযানী বৌদ্ধসকলে যি ভাষাত বৌদ্ধ ধৰ্মীয় গ্ৰন্থ প্ৰণয়ন কৰিছিল, সেই ভাষাটোকে পালিভাষা বোলা হয়। পালি মূলতঃ এটা ধৰ্মীয় ভাষা। ই কোনো এটা বিশেষ অঞ্চলৰ কথিত ভাষা নহয়।

'পালি' শব্দটোৰ উৎস কি আৰু কেনেদৰে সি এটা ভাষাৰ নাম বুজোৱাত ব্যৱহৃত হ'ল, সেই সম্পৰ্কে পণ্ডিতসকলৰ মাজত নানান মত প্ৰচলিত হৈ আছে। কোনো কোনো পণ্ডিতৰ মতে পাল্ ধাতুৰ পৰা পালি শব্দটোৰ উদ্ভৱ হৈছে। পাল্ ধাতুৰ অৰ্থ পালন কৰা। ভগৱান বুদ্ধৰ বাণীসমূহ এই ভাষাই পালন কৰা বাবে তাৰ নাম হৈছে পালি। কোনো কোনো পণ্ডিতৰ মতে 'পালি' শব্দটোৰ মূল 'পংক্তি' শব্দ। পংক্তি মানে 'পবিত্ৰ শাস্ত্ৰ'। বুদ্ধ ধৰ্মৰ পবিত্ৰ শাস্ত্ৰ হ'ল 'ত্ৰিপিটক'। পোনতে পালি শব্দই ত্ৰিপিটকক বুজাইছিল যদিও পৰৱৰ্তী কালত ত্ৰিপিটকৰ লগত সম্বন্ধ থকা অন্যান্য গ্ৰন্থক বুজাবলৈও 'পালি' শব্দটো ব্যৱহাৰ হ'বলৈ ধৰিলে। ড° সুকুমাৰ সেনৰ মতে 'পৰিভাষা'ৰ পৰা 'পালিভাষা' শব্দৰ উৎপত্তি হৈছে। গেইগাৰ চাহাবে লিখিছে, The word pali however signifies only 'text', 'sacred text'. ইয়াত প্ৰয়োগ কৰা text বা Sacred text শব্দই নিশ্চয় বৌদ্ধ ধৰ্মৰ মূল মতসমূহকে বুজাইছে।

'পালি' নামটোৰ উৎপত্তি সম্বন্ধে যিদৰে পণ্ডিতসকলৰ মাজত মতভেদ আছে, সেইদৰে পালি ভাষাৰ উৎপত্তি স্থান আৰু মূল সম্পৰ্কেও ভিন ভিন মত প্ৰচলিত হৈ আছে। কোনো কোনো পণ্ডিতৰ মতে মাগধী প্ৰাকৃত ভাষাক ভিত্তি কৰি পালি ভাষা গঢ় লৈ উঠিছে। এই মতৰ পোষকতা কৰা পণ্ডিতসকল হ'ল চাইল্ডাৰ্চ, গেইগাৰ, গ্ৰীয়াৰছন আদি। কোনো কোনোৱে অৰ্দ্ধমাগধী প্ৰাকৃতক পালি ভাষাৰ মূল বুলি প্ৰকাশ কৰে আৰু ইয়াৰ উৎপত্তি স্থান কোশল অঞ্চল বুলি ভাবে। ওল্ডেনবাৰ্গ আৰু ম্যাক্সমূলাৰৰ মতে কলিংগ (উৰিষ্যা) অঞ্চলৰ ভাষাই পালিৰ মূল আৰু ইয়াৰ উদ্ভৱস্থান কলিংগ। ওৱেষ্টাৰগাৰ্ড, কুহন্ আদি পণ্ডিতৰ মতে উজ্জয়িনী অঞ্চলৰ ভাষাৰ ভিত্তিত পালি ভাষাৰ উদ্ভৱ হৈছে। ড° সুকুমাৰ সেনৰ মতে, 'In Pali, we find a complete, through artificial synthesis of the Central and the Eastern, the Central dialect predominating. উইন্টাৰ্নিজৰ মতেও পালিভাষা হ'ল 'an admixture of several dialects.' পালিভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সমূহ আলোচনা কৰিলে দেখা যায় যে ইয়াত ভিন ভিন প্ৰাকৃতৰ উপাদানসমূহৰ সংমিশ্ৰণ ঘটিছে। সেয়ে, পালিভাষাক সমন্বয়ী ভাষা (Compromising speech) বোলা হয়। বৌদ্ধ ধৰ্মীয় সাহিত্যৰ ভাষা হিচাপে দীৰ্ঘকাল ধৰি ব্যৱহৃত হৈ এই ভাষাটোৱে এটা ঐতিহ্যৰ সৃষ্টি কৰিছিল। পালিভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ঋ, ৠ, ঌ, ঐ, ঔ এই স্বৰ ধ্বনিকেইটাৰ প্ৰয়োগ পালি ভাষাত নাই। পালিত ঋ, ৠ ধ্বনিৰ সলনি অ, ই, উ, এ, ও, ৰ, ৰি আৰু ৰু ৰ প্ৰয়োগ হয়।

ঋ > অ — পৃথিবীং > পথবিং

ঋ > ই — মৃগ > মিগ

ঋ > উ — ঋতু > উতু

ঋ > এ — গৃহ > গেহ

ঋ > ও — সম্মৃষ > সম্মোস

ঋ > ৰ — বৃক্ষ > ব্ৰহ্ম

ঋ > ৰু — বৃক্ষ > ৰুক্‌খ

ঋ > ৰি — ঋষি > ৰিসি

ঌ ধ্বনিৰ ব্যৱহাৰ প্ৰাচীন ভাৰতীয় আৰ্যভাষাতেই বৰ কম। পালিত ঌ ধ্বনিৰ সলনি 'উ' ব্যৱহাৰ হয়।

যেনে, ক্‌ ঌ প্ত > কুত্ত।

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ ঐ পালিত এ হয়।

যেনে, তৈল > তেল্ল।

সেইদৰে ঔ > ও

যেনে, ঔষধানি > ওসধানি।

(খ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'অয়' আৰু 'অৱ' পালিত যথাক্ৰমে 'এ' আৰু 'ও' হয়।

যেনে, জয়তি > জেতি (অয় > এ)

ভৱতি > হোতি (অৱ > ও)

(গ) পালিত 'শ' আৰু 'ষ' ৰ ব্যৱহাৰ প্ৰায়েই লোপ পাইছে। 'স'ৰ প্ৰয়োগ পালিত সৰহ। যেনে, শ্ৰমণ > সমণ।

(ঘ) পালিত বিসৰ্গ (ঃ) যুক্ত অ-কাৰ এ-কাৰত পৰিণত হৈছে। যেনে, জনঃ > জনে।

(ঙ) পালিত 'ৰ' ৰ সলনি 'ল' ৰ ব্যৱহাৰ বেছি।

যেনে, > পালি।

(চ) পালিত 'ন' আৰু 'ণ' দুয়োটাই প্ৰয়োগ হয়।

যেনে, শ্ৰমণ > সমন, জনঃ > জনে

(ছ) পালিত, দ > ড যেনে, দহতি > ডহতি।

(জ) পালিত পদান্তস্থিত একক ব্যঞ্জন আৰু বিসৰ্গ (ঃ) লোপ পাইছে।
যেনে, ধেনুঃ > ধেনু
গুণবান্ > গুণবা।

(ঝ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সঘোষ ব্যঞ্জন পালিত কেতিয়াবা অঘোষ হৈছে। যেনে, পৰিঘ > পলিখ।

(ঞ) পালিত স্বৰমধ্যস্থ মহাপ্ৰাণ ধ্বনিৰ ব্যৱহাৰ আছে যেনে, সুখং।

(ট) অল্পপ্ৰাণ ধ্বনি পালিত কেতিয়াবা কেতিয়াবা মহাপ্ৰাণ হয়। যেনে, সুকুমাৰ > সুখুমাল।

(ঠ) 'ক্ষ'ৰ সলনি সাধাৰণতে পালিত ক্খ হয়।
যেনে, মোক্ষ > মোক্খ্য
কোনো কোনো ঠাইত 'চ্ছ্'ও হৈছে।
যেনে, কক্ষ > কচ্ছ।

(ড) পালিত সমীভবন, স্বৰ ভক্তিৰ দ্বাৰা যুক্তব্যঞ্জনৰ উচ্চাৰণ সহজ কৰা হয়। যেনে, ধৰ্ম > ধম্ম, (সমীভবন)
আৰ্য্যানাম্ > অৰিয়ানং (স্বৰভক্তি)

(ণ) প্ৰাচীন ভাৰতৰ আৰ্যভাষাৰ এটা স্বৰ ধ্বনিৰ ঠাইত অন্য এটা স্বৰধ্বনিৰ ব্যৱহাৰ পালিভাষাৰ বৈশিষ্ট্য।
যেনে, চন্দ্ৰমা ঃ > চন্দিমা (অ > ই)
শিশু > সুসু (ই > উ)
বেদনা > বিজণা (এ > ই)

২) ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দ্বিবচন পালিত লোপ পাইছে। একবচন আৰু বহুবচনহে ৰক্ষিত হৈছে।

(খ) পালিত শব্দৰূপৰ বহুবচনত তৃতীয়া আৰু পঞ্চমী বিভক্তিৰ ৰূপ একে। সেইদৰে চতুৰ্থী আৰু ষষ্ঠীৰ ৰূপো অভিন্ন।

(গ) পালিত, মধ্যভাৰতীয় আন আন আৰ্যভাষাৰ দৰে পৰস্মৈপদৰ প্ৰয়োগ বেছি।

(ঘ) পালিৰ ধাতুবোৰ সাতটা গণত বিভক্ত।

(ঙ) পালিত নিমিত্তাৰ্থক ক্ৰিয়াপদ গঠন কৰিবলৈ সংস্কৃত 'তুম' প্ৰত্যয়ৰ

লগতে বৈদিক 'তবে', 'তুয়ে' আৰু 'তায়ে' প্ৰত্যয়ো যোগ কৰা হয়।

(চ) পালিত ক্ৰিয়াবাচক বিশেষ্য পদ গঠনৰ বাবে সংস্কৃত 'ক্ত্বাচ' আৰু 'ল্যপ' প্ৰত্যয়ৰ উপৰিও 'ত্বাণ' আৰু 'তূণ' প্ৰত্যয়ো ব্যৱহাৰ কৰা হয়।

(খ) মধ্যস্তৰ ঃ

খ্ৰীঃ প্ৰথম শতিকাৰ পৰা খ্ৰীঃ ষষ্ঠ শতিকালৈকে বিস্তৃত কালছোৱাই হ'ল মধ্যভাৰতীয় আৰ্য বা প্ৰাকৃত ভাষাৰ দ্বিতীয় বা মধ্যস্তৰ। এই স্তৰটোৰ জনপ্ৰিয় নাম 'সাহিত্যিক প্ৰাকৃত'। এনে প্ৰাকৃত পাঁচবিধ ঃ মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্দ্ধমাগধী আৰু পৈশাচী, আদিস্তৰৰ উত্তৰ-পশ্চিমা, দক্ষিণ-পশ্চিমা, মধ্য প্ৰাচ্যা আৰু প্ৰাচ্যা এইকেইটা আঞ্চলিক কথিত ৰূপৰ ওপৰত ভিত্তি কৰিয়েই মধ্য স্তৰৰ সাহিত্যিক প্ৰাকৃত পাঁচটা গঢ়ি উঠা বুলি ক'ব পাৰি যদিও এইবোৰ অঞ্চল বিশেষৰ মাজত আবদ্ধ জনসাধাৰণৰ কথিত ভাষা নহয়। সাহিত্যত ব্যৱহৃত মাৰ্জিত ভাষাহে। সংস্কৃত নাট্যকাৰসকলে শিক্ষিতা নাৰী, অশিক্ষিত যুৱক আৰু বিদুষকৰ মুখত শৌৰসেনী আৰু অশিক্ষিত, সাধাৰণ শ্ৰেণীৰ চৰিত্ৰৰ মুখত মাগধী প্ৰাকৃত ব্যৱহাৰ কৰিছিল। সাহিত্যিক প্ৰাকৃত পাঁচটাৰ ভিতৰত মহাৰাষ্ট্ৰীকেই শ্ৰেষ্ঠ প্ৰাকৃত হিচাপে গণ্য কৰা হয়। সংস্কৃত নাটকৰ নাৰী কণ্ঠৰ গীতত মহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহৃত হৈছে। তদুপৰি ৬ষ্ঠ, ৭ম শতিকাত ৰচিত প্ৰৱৰসেনৰ 'ৰাৱণবহো', ৮ম শতিকাৰ বপ্পইৰাজৰ 'গৌড়বহো' প্ৰভৃতি বিশিষ্ট কাব্যতো মহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহৃত হৈছে। সেয়ে মহাৰাষ্ট্ৰীক আদৰ্শ সাহিত্যিক ভাষাৰ মৰ্যাদা দিয়া হৈছিল। অৰ্দ্ধমাগধী প্ৰাকৃতত ৰচিত হৈছিল জৈন সকলৰ ধৰ্মীয় সাহিত্য। লোক সাহিত্যৰ বাহন স্বৰূপে জনপ্ৰিয়তা লাভ কৰা পৈশাচী প্ৰাকৃতৰ কোনো সাহিত্যিক নিদৰ্শন পোৱা নাযায় যদিও গুণাঢ্যৰ 'বড্ডকহা' (বৃহৎকথা) এই প্ৰাকৃততে ৰচনা কৰা এখন গ্ৰন্থ বুলি জনা যায়। কিন্তু গ্ৰন্থখন অবলুপ্ত।

ওপৰত উল্লেখ কৰা পাঁচবিধ সাহিত্যিক প্ৰাকৃতৰ উপৰিও বৈয়াকৰণসকলে আৰু কেইবিধমান সাহিত্যিক প্ৰাকৃতৰ নাম উল্লেখ কৰিছে। সেইবোৰ হ'ল শাবৰী, চাণ্ডালী, শাকাৰী, আৱন্তী ইত্যাদি। এইবোৰ পিছে প্ৰথম পাঁচবিধৰ দৰে গুৰুত্বপূৰ্ণ নহয়।

তলত প্ৰথম পাঁচবিধ সাহিত্যিক প্ৰাকৃতৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল ঃ

১) মহাৰাষ্ট্ৰী প্ৰাকৃত ঃ

ক) মহাৰাষ্ট্ৰী প্ৰাকৃতত কোনো শব্দৰ স্বৰমধ্যৱৰ্তী অল্পপ্ৰাণ একক ব্যঞ্জন লোপ পাইছে আৰু মহাপ্ৰাণ ব্যঞ্জন 'হ'লৈ পৰিৱৰ্তিত হৈছে।

যেনে, সকল > সঅল

মধুৰঃ > মহুৰো

খ) শ, ষ > স; যেনে, সৰোৰং সৰোসং কেতিয়াবা 'স'ৰ পৰিবৰ্তে 'হ' হয়। যেনে, পাষাণ > পাহাণ

গ) ক্ষ > চ্ছ যেনে, অক্ষি > অচ্ছি।

ঘ) আত্মন > অপ্প

ঙ) সপ্তমীৰ একবচনৰ সৰ্বনামৰ বিভক্তি 'স্মিন্' মহাৰাষ্ট্ৰীত 'ম্মি' হয়।

চ) কৰ্মবাচ্যৰ য > ইজ্জ। যেনে, গম্যতে > গমিজ্জই।

ছ) অসমাপিকাৰ বৈদিক প্ৰত্যয় ত্বাচ্ > উণ।

যেনে, প্ৰচ্ছ > ত্বাচ্ > পৃষ্টা > পুচ্ছিউণ

২) শৌৰসেনী প্ৰাকৃত ঃ

স্বৰমধ্যৱতী 'দ' আৰু 'ধ', শৌৰসেনীত ৰক্ষিত হৈছে।

যেনে, গচ্ছতি > গচ্ছদি

(খ) ক্ষ > ক্খ। যেনে, ইক্ষু > ইক্খু

(গ) সপ্তমীৰ একবচনৰ বিভক্তি স্মিন্ > ম্হি।

যেনে, সৰ্বস্মিন্ > সব্বম্হি।

(ঘ) কৰ্মবাচ্যৰ 'য়' > 'ঈঅ'। যেনে, গম্যতে > গমী আদি

(ঙ) 'ত্ম' শৌৰ সেনীত সমীভূত হৈছে।

যেনে, আত্মন > অত্তা।

৩) মাগধী প্ৰাকৃত ঃ

(ক) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ষ' আৰু 'স' মাগধীত 'শ' ত পৰিণত হৈছে।

যেনে, দিৱসঃ > দিঅশে

পুৰুষঃ > পুলিশে

(খ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ৰ' > মাগধী 'ল'

যেনে, নৰঃ > নলে

(গ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ বিসৰ্গযুক্ত অ-কাৰ (একবচনৰ প্ৰথম বিভক্তি) মগধীত 'এ'-কাৰত পৰিণত হৈছে। যেনে, নৰঃ > নলে।

(ঘ) ণ্য, জ্ঞ ঞ্জ > ঞ্ঞ ঞ্ঞ।

যেনে পুণ্য > পুঞ্ঞে, ৰাজ্ঞ > লঞ্ঞে,

অঞ্জলি > অঞ্ঞলি।

(ঙ) জ > য। যেনে, জানাতি > যানাদি

(চ) ত, থ > দ, ধ।

যেনে, জীবিতম্ > যীবিদে

কথয় > কধেহি।

(ছ) সম্বোধনৰ 'অ' > 'আ'।

যেনে, পুৰুষ > পুলিশা।

(জ) ষষ্ঠীৰ একবচনৰ 'স্য' > আহ্ বা শ্শ।

যেনে, পুৰুষস্য > পুলিশাহ' পুলিশশ্শ।

(ঝ) 'অস্মদ্' শব্দৰ প্ৰথমাৰ একবচনত 'হক্কে,' 'হগে' আৰু 'অহকে' হয়।

৪) অৰ্দ্ধমাগধী প্ৰাকৃত :

(ক) পদান্তস্থিত বিসৰ্গ (ঃ) যুক্ত অ-কাৰ কেতিয়াবা এ-কাৰ আৰু তেতিয়াবা ও-কাৰত পৰিণত হৈছে। যেনে, জনঃ > জনে, পূৰ্বঃ > পুৰবো।

(খ) 'ৰ' আৰু 'ল' দুয়োটা ধ্বনিৰেই প্ৰয়োগ হয়।

যেনে, দাৰুণ, দাৰুণ > দালুণ।

(গ) শ, ষ > স। যেনে, ঔষধ > ওসধ, কেশী > কেসী।

(ঘ) স্বৰমধ্যৱৰ্তী একক ব্যঞ্জন লোপ হৈ তাৰ ঠাইত 'য়' শ্ৰুতিধ্বনিৰ ব্যৱহাৰ হয়। যেনে, শত > সয়।

(ঙ) দন্ত্য ধ্বনি মূৰ্দ্ধন্য ধ্বনিত পৰিণত হৈছে। যেনে, উদায়নঃ > উদায়ণে। ইয়াৰ ব্যতিক্ৰমো হয়। যেনে, নাম।

(চ) সপ্তমীৰ একবচনৰ স্মিন্ > ংসি।

যেনে, লোকস্মিন্ > লোগংসি।

(ছ) কৃ ধাতু > কু। যেনে, কৃণোতি > কুণই।

(জ) স্বৰমধ্যৱৰ্তী 'চ' আৰু 'প' > যথাক্ৰমে 'ত' আৰু 'ৱ'।

যেনে, নাৰাচ > নাৰাত, পাপক > পাৱক

(ঝ) ত্বাচ্ > ইত্তা, ইচ্চা ইত্যাদি।

৫) পৈশাচী প্ৰাকৃত :

(ক) স্বৰমধ্যৱৰ্তী একক স্পৃষ্ট আৰু ঘৃষ্ট ঘোষ ব্যঞ্জন পৈশাচী প্ৰাকৃতত অঘোষলৈ পৰিবৰ্তিত হয়। যেনে, গগন > গকন, কেশবঃ > কেসপো।

(খ) ণ > ন। যেনে, তৰুণী > তলুনী।

(গ) শ, ষ > স। যেনে শীল > সীল।

(ঘ) স্বৰমধ্যবৰ্তী একক অল্পপ্ৰাণ ব্যঞ্জন বক্ষিত হৈছে।
যেনে, নগৰ > নকৰ।

(ঙ) মহাপ্ৰাণ স্পৃষ্ট ব্যঞ্জন 'হ'লৈ পৰিৱৰ্তীত নহয়।
যেনে, মেঘ > মেখ।

(চ) স্বৰভক্তিৰ প্ৰাধান্য পৈশাচী প্ৰাকৃতৰ অন্যতম বৈশিষ্ট্য। যেনে, ভাৰ্যা ভাৰিয়া।

(ছ) জ্ঞ, ন্য, ণ্য > ঞ্ঞ ঞ্ঞ। যেনে, ৰাজ্ঞঃ > ৰঞ্ঞঞো, পুণ্য > পুঞ্ঞঞং, কন্যকা > কঞ্ঞঞকা।

(জ) ত্বা > তূন। যেনে, গত্বা > গন্তূন্।

(গ) অন্ত্যস্তৰ ঃ

খ্ৰীঃ ষষ্ঠ শতিকামানৰ পৰা খ্ৰীঃ দশম শতিকামানলৈকে বিস্তৃত কালছোৱাই হ'ল মধ্যভাৰতীয় আৰ্য ভাষাৰ অন্ত্যস্তৰৰ বিস্তৃতিৰ কাল। এই স্তৰৰ ভাষাটোক অপভ্ৰংশ বোলা হয়। খ্ৰীঃ পূঃ প্ৰথম শতিকাৰ বৈয়াকৰণ পতঞ্জলিয়ে তেওঁৰ 'মহাভাষ্য'ত পোনতে অপভ্ৰংশ শব্দটোৰ উল্লেখ কৰে। ইয়াৰ জৰিয়তে তেওঁ বিশুদ্ধ সংস্কৃতৰ আদৰ্শৰ পৰা ভ্ৰষ্ট, জনসাধাৰণৰ মাজত প্ৰচলিত কথিত ভাষাটোক বুজাইছিল। একাদশ শতিকাৰ বিশিষ্ট বৈয়াকৰণ হেমচন্দ্ৰ, দ্বাদশ শতিকাৰ বৈয়াকৰণ পুৰুষোত্তম, সপ্তদশ শতিকাৰ বৈয়াকৰণ মাৰ্কণ্ডেয় আদিয়ে অপভ্ৰংশক শৌৰসেনী, মহাৰাষ্ট্ৰী, মাগধী আদি প্ৰাকৃতৰ দৰে এটি সুকীয়া ভাষা হিচাপেহে বিশ্লেষণ কৰিছিল। আধুনিক ভাষাতত্ত্ববিদ গ্ৰীয়াৰছন চাহাব, ডঃ সুনীতি কুমাৰ চেটাৰ্জী আদিয়ে কিন্তু মধ্যভাৰতীয় আৰ্য ভাষাৰ শেষ স্তৰটোক 'অপভ্ৰংশ' নামেৰে নামকৰণ কৰিছে। এই সকল ভাষাতত্ত্ববিদৰ মতে প্ৰাকৃত ভাষাই স্বাভাৱিক পৰিবৰ্তনৰ মাজেদি কালক্ৰমত যি এক সৰলতৰ ৰূপ লাভ কৰিছিল সিয়েই অপভ্ৰংশ। পণ্ডিতসকলে অনুমান কৰে যে মধ্যস্তৰৰ প্ৰতি শ্ৰেণীৰ সাহিত্যিক "প্ৰাকৃতবেই ভিত্তিৰূপে (Infra-Structure) সেই সেই শ্ৰেণীৰ একোটি মৌখিক প্ৰাকৃত আছিল আৰু তাৰেই স্বাভাৱিক পৰিণতি হয় সেই শ্ৰেণীৰ অপভ্ৰংশত।"[১] যেনে, মহাৰাষ্ট্ৰী প্ৰাকৃত > মহাৰাষ্ট্ৰী অপভ্ৰংশ, মাগধী প্ৰাকৃত > মাগধী অপভ্ৰংশ, শৌৰসেনী প্ৰাকৃত > শৌৰসেনী অপভ্ৰংশ ইত্যাদি। এনেদৰে উদ্ভৱ হোৱা অপভ্ৰংশৰ পৰাই কালক্ৰমত নব্যভাৰতীয় আৰ্যভাষা সমূহৰ জন্ম হৈছে। কোৱা নিষ্প্ৰয়োজন যে প্ৰত্যেক শ্ৰেণী প্ৰাকৃতবেই অপভ্ৰংশৰ

---

১ ডঃ ৰামেশ্বৰ শ'ঃ সাধাৰণ ভাষা বিজ্ঞান ও বাংলা ভাষা, ১৯৮৮

ত্তৰ একোটি দেখুওৱা হয় যদিও সিবোৰৰ ভিতৰত শৌৰসেনী অপভ্ৰংশৰহে লিখিত নিদৰ্শন পোৱা গৈছে।

কালিদাসৰ 'বিক্ৰমোৰ্ৱশী' নাটকৰ কেইটিমান গীত অপভ্ৰংশ ভাষাত ৰচিত। সম্ভৱতঃ এই গীত কেইটিৰ ভাষাই অপভ্ৰংশৰ প্ৰাচীনতম নিদৰ্শন। কোনো কোনো পণ্ডিতে অনুমান কৰি যে এই গীত কেইটি কালিদাসৰ ৰচনা নহয়। অপভ্ৰংই দৰাচলতে সাহিত্যিক ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰে অষ্টম-নৱম শতিকামানতহে। ধনপালৰ 'ভবিসত্তকহা' আব্দুৰ ৰহমানৰ 'সন্দেশৰাচক', পিংগলাচাৰ্যৰ 'প্ৰাকৃত পৈংগল', বিদ্যাপতিৰ 'কীৰ্ত্তিলতা' আদি অপভ্ৰংশ ভাষাত ৰচিত উল্লেখযোগ্য গ্ৰন্থ।

'অপভ্ৰংশ'ৰ ভাষাগত বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ইয়াক দুটা ভাগত ভগোৱা হৈছেঃ (ক) প্ৰাচীন অপভ্ৰংশ আৰু (খ) অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ প্ৰাচীন অপভ্ৰংশৰ বিস্তৃতি কাল খ্ৰীঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীঃ অষ্টম শতিকা পৰ্যন্ত আৰু অৰ্বাচীন অপভ্ৰংশৰ বিস্তৃতি কাল হ'ল খৃঃ অষ্টম শতিকাৰ পৰা খ্ৰীঃ একাদশ-দ্বাদশ শতিকা পৰ্যন্ত। ড° সুকুমাৰ সেনে লিখিছে, "মধ্যভাৰতীয় আৰ্যৰ যি সাৰ্বজনীন ৰূপটি অশিষ্ট লোক সাহিত্যৰ বাহক হৈ উঠিছিল, সিয়েই প্ৰাচীন অপভ্ৰংশ আৰু প্ৰাচীন অপভ্ৰংশৰ যি অৰ্বাচীন ৰূপটি আধুনিক ভাৰতীয় আৰ্যৰ অব্যৱহিত পূৰ্ব অৱস্থা সিয়েই অৰ্বাচীন অপভ্ৰংশ বা লৌকিক বা অৱহট্‌ঠ"। বিশিষ্ট বৈয়াকৰণ পুৰুষোত্তমদেৱে অপভ্ৰংশৰ তিনিটা আঞ্চলিক ৰূপৰ উল্লেখ কৰিছে : (ক) নাগৰক (খ) ব্ৰাচড়ক আৰু (গ) উপনাগৰক। এই তিনিটাৰ ভিতৰত নাগৰক অপভ্ৰংশই শ্ৰেষ্ঠ। এই অপভ্ৰংশতে সাহিত্য ৰচিত হয়।

নাগৰক অপভ্ৰংশৰ বৈশিষ্ট্য

(১) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

(ক) স্বৰধ্বনিৰ যথেচ্ছা প্ৰয়োগ।

যেনে, জনঃ > জনো, জন, জণু।

(খ) স্বৰমধ্যৱৰ্তী 'ম' লোপ আৰু তাৰ পূৰ্বৱৰ্তী স্বৰৰ নাসিক্যীভৱন

যেনে, গ্ৰাম > গাঁও।

(গ) দীৰ্ঘস্বৰ > হ্ৰস্বস্বৰ।

যেনে, কাৰণ > কৰণ

(ঘ) পদান্তস্থিত ই-কাৰ আৰু উ-কাৰৰ স্বতঃ অনুনাসিকতা।

(২) ৰূপতাত্ত্বিক বৈশিষ্ট্য

(ক) 'ঈ' প্ৰত্যয় যোগে স্ত্ৰীলিঙ্গ গঠন।

যেনে, পুট্‌ঠ > পুট্‌ঠী।

(খ) পুংলিগ আৰু ক্লীবলিংগৰ কৰণকাৰকৰ একবচনত এণ, -এণং, ইণ-ইণং আদি বিভক্তিৰ প্ৰয়োগ।

যেনে, তেণ, তেণং, তিণ, তিণং।

(গ) অপদান কাৰকৰ একবচন আৰু বহুবচনত - 'হে' আৰু 'হুং' দুয়োটা বিভক্তিৰেই প্ৰায়োগ। যেনে, কচ্ছহে, কচ্ছহুং।

(ঘ) সম্বন্ধৰ একবচনত 'হ', 'হে', 'হো', 'সু' আদি বিভক্তিৰ ব্যৱহাৰ। যেনে, বৃক্ষস্য > কচ্ছহ, কচ্ছহে, কচ্ছহো, কচ্ছসু।

(ঙ) সম্বোধনৰ বহুবচনৰ বিভক্তি - 'হো'। যেনে, মহিলাহো।

(চ) তিনিওটা কালতে 'শতৃ' প্ৰত্যয়ান্ত পদৰ প্ৰয়োগ।

(ছ) ক্ৰিয়াৰ সকলো কালতে পৰস্মৈপদৰ বিভক্তিৰ ব্যৱহাৰ।

(জ) অধিকৰণ কাৰকৰ বিভক্তি 'হি', 'হিং'ৰ প্ৰয়োগ। যেনে, বৃক্ষস্মিন্-কচ্ছহিং।

আবহট্‌ঠৰ বৈশিষ্ট্য

অৰ্বাচীন অপভ্ৰংশ বা 'অবহট্‌ঠ'তেই মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰ শেষ হয়। ওপৰত উল্লেখ কৰি অহা হৈছে যে ইয়াৰ বিস্তৃতি কাল খ্ৰীঃ অষ্টম শতিকাৰ পৰা খ্ৰীঃ একাদশ-দ্বাদশ শতিকা পৰ্যন্ত। ইয়াৰ বিভিন্ন শ্ৰেণীৰ পৰা পৰৱৰ্তী কালত অসমীয়া, বঙালী, হিন্দী, মাৰাঠী, পঞ্জাবী প্ৰভৃতি নব্যভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ হয়। কোৱা নিষ্প্ৰয়োজন যে নব্যভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱৰ পিছতো আনুমানিক খ্ৰীঃ পঞ্চদশ শতিকামানলৈকে অবহট্‌ঠ ভাষাত সাহিত্য ৰচনাৰ ধাৰা অব্যাহত থাকে। ড° সুকুমাৰ সেনে তেওঁৰ 'A Comparative Grammar of Middle Indo-Aryan' গ্ৰন্থত অবহট্‌ঠত বা অৰ্বাচীন অপভ্ৰংশৰ কেতবোৰ সুকীয়া বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰিছে। তেখেতে উল্লেখ কৰি থৈ যোৱা বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি আমিও তলত কেইটামান দাঙি ধৰিলোঁ :

(ক) পদৰ আদি আৰু মধ্যস্থিত - 'এ' > 'ই'।

যেনে, ঐক্য > একক > ইকক।

(খ) পদৰ অন্তস্থিত 'এ' আৰু 'ও' > যথাক্ৰমে > 'ই' আৰু 'উ'।

যেনে, ক্ষণে > খণে > খনি

চৰিতঃ > চৰিও > চৰিউ

(গ) স্বৰৰ সংকোচন।

যেনে, অন্ধকাৰ > অন্ধআৰ > আঁধাৰ।

(ঘ) পদৰ অন্তস্থিত অ-কাৰৰ পিছত থকা অনুস্বাৰ প্ৰায়েই লোপ পাইছে। আৰু কেতিয়াবা কেতিয়াবা 'অ'-কাৰ 'উ'-কাৰত পৰিণত হৈছে। যেনে, নবং > নব/নবু।

(ঙ) পদৰ অন্তস্থিত 'ম্' লুপ্ত হৈছে আৰু পূৰ্ববৰ্তী স্বৰধ্বনি অনুনাসিক হৈছে। যেনে, তহিম > তহিঁ।

(চ) দুটা স্বৰৰ মাজত থকা 'ম' লোপ পাইছে আৰু পূৰ্ববৰ্তী স্বৰ অনুনাসিক হৈছে। যেনে, সম > সঁব।

(ছ) স্ত্ৰীলিংগাত্মক প্ৰত্যয় 'ঈ' বা 'ই'ৰ ব্যৱহাৰৰ প্ৰাচুৰ্য।

(জ) নতুন নতুন সৰ্বনাম শব্দৰ প্ৰচলন। যেনে, যেহ, কেহ, এহ, আৰু ইত্যাদি।

(ঝ) শব্দৰূপত পুংলিংগ আৰু স্ত্ৰীলিংগৰ মাজত ৰূপগত পাৰ্থক্য কমি আহিছে।

(ঞ) বিশেষণৰ কাৰক-বিভক্তিৰ ৰূপ নহয়।

(ট) একাধিক কাৰকৰ বিভক্তিৰ চিন একে হৈ পৰিছে।

(ঠ) বিভক্তিৰ সলনি অনুসৰ্গৰ প্ৰয়োগৰ প্ৰচলন। যেনে, লই

(ড) বাক্যত বিভক্তিহীন পদৰ ব্যৱহাৰ হ'বলৈ ধৰিলে।

(ঢ) ক্ৰিয়াৰূপত নতুন বিভক্তিৰ প্ৰয়োগ। যেনে ঃ সামান্য বৰ্তমান কালৰ নিৰ্দেশক আৰু অনুজ্ঞাভাৱৰ প্ৰথম পুৰুষৰ একবচনত 'হং', 'মি' আৰু বহুবচনত 'মা'। মধ্যম পুৰুষত একবচনত 'হ', 'উ', 'হি', বহুবচনত 'হ'; প্ৰথম পুৰুষৰ একবচনত 'অই', 'ই', 'অ', বহুবচনত 'ন্তি', 'হিঁ'।

৭.২.৩ নব্য ভাৰতীয় আৰ্যভাষা ঃ

আনুমানিক খ্ৰীঃ দশম-একাদশ শতিকামানত, মধ্যভাৰতীয় আৰ্যভাষাৰ শেষৰ স্তৰ (অপভ্ৰংশ)ৰ পৰা যিবোৰ নতুন ভাষাৰ জন্ম হ'ল, সেই সকলোবোৰকে নব্য ভাৰতীয় আৰ্যভাষা বোলা হয়। নব্য ভাৰতীয় আৰ্য ভাষাই হ'ল ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ অন্তিম স্তৰ। এই স্তৰৰ ভাষাসমূহ হ'ল— অসমীয়া, বঙালী, উৰিয়া, মৈথেলী অৱধী, পাঞ্জাবী, বিহাৰী, হিন্দী, ৰাজস্থানী প্ৰভৃতি।

নব্যভাৰতীয় আৰ্য ভাষাৰ মূল উৎস প্ৰাচীন ভাৰতীয় আৰ্য ভাষা হ'লেও

সিবোৰৰ অব্যবহিত জন্ম উৎস হৈছে বিবিধ অপভ্ৰংশহে। ঐতিহাসিক বিবৰ্তনৰ ফল স্বৰূপে বিবিধ অপভ্ৰংশৰ মাজত যেনেদৰে আঞ্চলিক ৰূপভেদৰ সৃষ্টি হৈছে, তেনেদৰে বিবিধ অপভ্ৰংশৰ পৰা ওপজা নব্য ভাৰতীয় আৰ্য ভাষাসমূহেও পৃথক পৃথক ৰূপ লাভ কৰিছে। এইদৰে পৃথক পৃথক ৰূপ লাভ কৰি বিকশিত হোৱা নব্য ভাৰতীয় আৰ্য ভাষাসমূহক ভাষাতত্ত্ববিদ পণ্ডিতসকলে প্ৰধানকৈ তিনি ধৰণে বৰ্গীকৰণ কৰিছে :

ক) অন্তৰংগ-বহিৰংগ বৰ্গীকৰণ (Inner-Outer Classification)
খ) ঐতিহাসিক বৰ্গীকৰণ (Historical Classification)
গ) ভৌগোলিক বৰ্গীকৰণ (Geographical Classification)

ক) অন্তৰংগ-বহিৰংগ বৰ্গীকৰণ :

জাৰ্মান মনীষী হৰ্ণলীৰ মতে আৰ্যসকল দুটা পৃথক দলত বিভক্ত হৈ দুবাৰ ভাৰতত প্ৰবেশ কৰিছিল। প্ৰথম দলটোৱে পোনতে উত্তৰ ভাৰতৰ পশ্চিম অঞ্চলত বসতি স্থাপন কৰিছিল। এই দলটোক আল্‌পাইন আৰ্য (Alpine Aryan) বুলি অনুমান কৰা হৈছে। ইয়াৰ পিছত দ্বিতীয় দলটোৱে প্ৰবেশ কৰি প্ৰথম দলটোক স্থানচ্যুত কৰি তেওঁলোকৰ বসতি অঞ্চল অধিকাৰ কৰিছিল। এই দ্বিতীয় দলটোক নৰ্দিক আৰ্য (Nordic Aryan) বুলি অনুমান কৰা হৈছে। হৰ্ণলীৰ অনুমানৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তীকালত গ্ৰীয়াৰ্ছন চাহাবে ভাষাতত্ত্বৰ সূত্ৰৰ সহায়ত সিদ্ধান্ত কৰিলে যে দ্বিতীয় দলৰ হেঁচাত প্ৰথম দলটোৱে নিজৰ বাসস্থান এৰি চৌদিশে বিয়পি পৰাত তেওঁলোকৰ ভাষাটো হৈ পৰিল বহিৰংগ ভাষা (Outer Language) আৰু কেন্দ্ৰভূমিত বাস কৰিবলৈ লোৱা দ্বিতীয় দলটোৰ ভাষা হ'ল অন্তৰংগ ভাষা (Inner Language)।

পৰৱৰ্তীকালত বহিৰংগ আৰ্য ভাষাৰ পৰা যিবোৰ নব্য ভাৰতীয় আৰ্য ভাষাৰ জন্ম হ'ল সেইবোৰেই বহিৰংগীয় নব্য ভাৰতীয় আৰ্য ভাষা। সেইদৰে অন্তৰংগ বিভাগৰ পৰা যিবোৰ নব্য ভাৰতীয় আৰ্য ভাষাৰ জন্ম হ'ল সেইবোৰেই অন্তৰংগীয় নব্য ভাৰতীয় আৰ্য ভাষা। গ্ৰীয়াৰ্ছন চাহাবৰ এই বৰ্গীকৰণকে নব্য ভাৰতীয় আৰ্য ভাষাৰ অন্তৰংগ আৰু বহিৰংগ বৰ্গীকৰণ (Inner-Outer classification of New Indo Aryan Language) বোলা হয়। পশ্চিমা হিন্দী, পাঞ্জাবী, গুজৰাটী, ৰাজস্থানী আদি নব্য ভাৰতীয় আৰ্য ভাষাসমূহ অন্তৰ্বৰ্গীয় আৰু অসমীয়া, বঙালী, উৰিয়া, বিহাৰী, সিন্ধী, মাৰাঠী, কাশ্মীৰী আদি বহিৰ্বৰ্গীয় ভাষাৰ ভিতৰত পৰে। গ্ৰীয়াৰ্ছন চাহাবে বহিৰ্বৰ্গীয় ভাষাসমূহৰ কেইবাটাও বৈশিষ্ট্যৰ কথাও উল্লেখ কৰিছে। সেইবোৰ হ'ল —

ক) পদান্তত ই-কাৰ, উ-কাৰ আৰু এ-কাৰৰ স্থিতি।
খ) অপনিহিতিৰ প্ৰচুৰ ব্যৱহাৰ।
গ) 'উ' ধ্বনিৰ 'ই' লৈ পৰিবৰ্ত্তন।
ঘ) ঐ > অই আৰু ঔ > অউ
ঙ) ই > এ, উ > ও
চ) 'ঙ' আৰু 'ঞ' ধ্বনিৰ উচ্চাৰণৰ স্থিতি।
ছ) মহাপ্ৰাণ ধ্বনি > অল্পপ্ৰাণ ধ্বনি।
জ) যুক্ত ব্যঞ্জনৰ একক ব্যঞ্জনলৈ পৰিবৰ্ত্তন।
ঝ) স্ত্ৰীলিংগাত্মক 'ঈ' প্ৰত্যয়ৰ ব্যৱহাৰ।
ঞ) অনুসৰ্গৰ যোগে বহুবচনাত্মক শব্দ গঠন।
ট) 'আছ' ধাতুৰ প্ৰয়োগ।
ঠ) স্বৰ মধ্যৱৰ্তী 'ৰ' ধ্বনিৰ লোপ।
ড) স্বৰ মধ্যস্থিত স > হ, স, ষ > শ।

ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে গ্ৰীয়াৰ্ছন চাহাবৰ আৰ্য ভাষাৰ অন্তৰংগ আৰু বহিৰংগ বৰ্গীকৰণ মানি লোৱা নাই। তেখেতে দেখুৱাইছে যে গ্ৰীয়াৰ্ছন চাহাবে বহিৰংগ ভাষাসমূহৰ যিবোৰ লক্ষণৰ কথা উল্লেখ কৰিছে, সেইবোৰ সকলো বহিৰংগ ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। আনহাতে বহিৰংগ ভাষাৰ ক্ষেত্ৰত উল্লেখ কৰা কেতবোৰ লক্ষণ অন্তৰংগ ভাষাতো দেখা যায়। উদাহৰণ স্বৰূপে অপনিহিতিৰ কথাই লোৱা যাওক। গ্ৰীয়াৰ্ছন চাহাবৰ মতে অপনিহিতি বহিৰংগ ভাষাৰ এটা বৈশিষ্ট্য ঃ কিন্তু বহিৰংগ ভাষাৰ অন্তৰ্ভুক্ত মাৰাঠী আৰু সিন্ধী ভাষাত অপনিহিতি অনুপস্থিত। আনহাতে বহিৰংগ ভাষাৰ অন্যতম বৈশিষ্ট্য হিচাপে দেখুওৱা স্ত্ৰীলিংগাত্মক প্ৰত্যয় 'ঈ'ৰ ব্যৱহাৰ অন্তৰংগ ভাষাৰ অন্তৰ্ভুক্ত পশ্চিমা হিন্দীতো আছে। যেনে, লড়কা-লড়কী। সেইদৰে স্বৰ মধ্যৱৰ্তী 'ৰ' ধ্বনি অকল বহিৰংগ ভাষাতেই নহয়, অন্তৰংগ ভাষাৰ পশ্চিমা হিন্দীতো লোপ পাইছে। মহাপ্ৰাণ ধ্বনিৰ অল্পপ্ৰাণতাও বহিৰংগ ভাষাৰ দৰে পশ্চিমা হিন্দীৰো বৈশিষ্ট্য।

সাম্প্ৰতিক কালৰ ভাষাবিজ্ঞানীসকলে "অন্তৰংগ-বহিৰংগ বৰ্গীকৰণ' অযুক্তিকৰ বুলি জ্ঞান কৰি তাৰ পোষকতা নকৰে। সেয়ে, এনে বৰ্গীকৰণৰ গুৰুত্ব কমি আহিছে।

খ) ঐতিহাসিক বৰ্গীকৰণ ঃ

ঐতিহাসিক দিশৰ পৰাও নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ বৰ্গীকৰণ কৰা

হৈছে। নব্য ভাৰতীয় আৰ্য ভাষাৰ যুগটোৰ অব্যবহিত পূৰ্ব্ব যুগটোৱেই হ'ল মধ্য ভাৰতীয় আৰ্য ভাষাৰ যুগ। ওপৰত উল্লেখ কৰি অহা হৈছে যে এই যুগটোৰ প্ৰথম স্তৰত ১) উত্তৰ পশ্চিমা ২) পশ্চিমা বা দক্ষিণ পশ্চিমা ৩) প্ৰাচ্য মধ্যা আৰু ৪) প্ৰাচ্যা এই চাৰিটা আঞ্চলিক ৰূপৰ উদ্ভৱ হৈছে। দ্বিতীয় স্তৰত আকৌ উক্ত চাৰিটা ৰূপৰ পৰাই ১) মহাৰাষ্ট্ৰী, ২) শৌৰসেনী, ৩) মাগধী ৪) অৰ্দ্ধ মাগধী আৰু ৫) পৈশাচী-এই পাঁচটা সাহিত্যিক প্ৰাকৃতৰ জন্ম হৈছে। এই সাহিত্যিক প্ৰাকৃত পাঁচটা যিবোৰ কথিত ৰূপৰ ভিত্তিত গঢ় লৈ উঠিছিল সেইবোৰৰ পৰাই তৃতীয় স্তৰত জন্ম হ'ল অপভ্ৰংশৰ আৰু এই অপভ্ৰংশৰ পৰাই নব্য ভাৰতীয় বিভিন্ন আৰ্য ভাষাৰ জন্ম। এনেদৰে প্ৰতিটো প্ৰাকৃত-অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা নব্য ভাৰতীয় আৰ্য ভাষা সমূহৰ জন্ম উৎসৰ ভিত্তিত যি শ্ৰেণী বিভাগ বা বৰ্গীকৰণ কৰা হৈছে তাকেই ঐতিহাসিক বৰ্গীকৰণ বোলে। এই বৰ্গীকৰণৰ ভিত্তিত নব্য ভাৰতীয় আৰ্য ভাষা সমূহৰ তলত আলোচনা কৰা হ'ল ঃ

১) মহাৰাষ্ট্ৰী বৰ্গ ঃ

মহাৰাষ্ট্ৰী প্ৰাকৃত অপভ্ৰংশৰ পৰা জন্ম লাভ কৰা নব্য ভাৰতীয় আৰ্যভাষা দুটা মাৰাঠী আৰু কোংকণী। দক্ষিণ ভাৰতত প্ৰচলিত নব্য আৰ্য ভাষা হ'ল এই দুটাই। মাৰাঠী ভাষা মহাৰাষ্ট্ৰ আৰু কোংকণী গোৱাত প্ৰচলিত। জ্ঞানদেৱৰ 'জ্ঞানেশ্বৰী' (১২৯১ খ্ৰীঃ) মাৰাঠী ভাষাত ৰচিত প্ৰাচীনতম গ্ৰন্থ। মাৰাঠীৰ এটি উপভাষা হ'ল হলবী।

২) শৌৰসেনীবৰ্গ ঃ

শৌৰসেনী বৰ্গৰ ভাষাসমূহ তিনিটা প্ৰধান ভাগত বিভক্ত ঃ পাহাৰী, মধ্য দেশীয় আৰু পশ্চিমা। নেপালী, কুমায়ুনী আৰু গাড়োৱালী এই তিনিটা ভাষা পাহাৰী শাখাৰ অন্তৰ্গত। বৰ্তমান নেপালী ভাষা নেপাল আৰু পশ্চিমবংগৰ দাৰ্জিলিং অঞ্চলত প্ৰচলিত।

ভানুভক্তৰ 'ৰামায়ণ' (১৮৭০ খ্ৰীঃ) নেপালী ভাষাত ৰচিত উল্লেখযোগ্য গ্ৰন্থ। মধ্যদেশীয় শাখাৰ পৰা জন্মলাভ কৰা নব্যভাৰতীয় আৰ্যভাষা পাঁচটা ঃ কথিত হিন্দুস্থানী, ব্ৰজভাষা, বুন্দেলী, বংগাৰু আৰু কনৌজী। এই পাঁচটাক একেলগে পশ্চিমা হিন্দী বোলে। দিল্লী অঞ্চলত হিন্দুস্থানী কথিত ভাষা হিচাপে প্ৰচলিত। কথিত হিন্দুস্থানী ভাষাৰ পৰিশীলিত ৰূপ হ'ল হিন্দী ভাষা। ব্ৰজভাষা (ব্ৰজাবলী নহয়) মথুৰা, আলিগড়, আগ্ৰা আদি অঞ্চলত প্ৰচলিত। মীৰা ভজন এই ভাষাত

ৰচিত। পুৰণি কান্যকুব্জ অঞ্চলত প্ৰচলিত ভাষা হ'ল কনৌজী। বুন্দেল খণ্ডৰ কথিত ভাষা বুন্দেলী। বংগাৰু বা হাৰিয়ানী আধুনিক হাৰিয়ানাৰ কথিত ভাষা। শৌৰসেনী প্ৰাকৃত বৰ্গৰ পশ্চিমা শাখাটোৰ পৰা উদ্ভৱ হোৱা ভাষা দুটা হ'ল-গুজৰাটী আৰু ৰাজস্থানী। মাৰোৱাৰী ভাষা ৰাজস্থানীৰ এটা উপভাষা। গুজৰাটী ভাষা গুজৰাটত আৰু ৰাজস্থানী ভাষা ৰাজস্থানত চলে।

মাগধীবৰ্গ ঃ

মাগধী বৰ্গৰ প্ৰধান শাখা দুটা ঃ পূৰ্বী মাগধী আৰু পশ্চিমা মাগধী। পূৰ্বী মাগধীৰ পৰা অসমীয়া, বঙালী আৰু উৰিয়া - এই তিনিটা নব্যভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱ হৈছে। অসমীয়া অসমৰ সমতল ভূমিৰ কথিত ভাষা। উৰিয়া ভাষা উৰিষ্যাৰ উপৰিও ছোটনাগপুৰ, মধ্যপ্ৰদেশ আৰু মাদ্ৰাজৰো কোনো কোনো অঞ্চলত চলে। পশ্চিমবংগ, বাংলাদেশ আৰু অসম আৰু বিহাৰৰ অঞ্চল বিশেষত বঙালী ভাষা প্ৰচলিত। মাগধীবৰ্গৰ পশ্চিমা শাখাৰ পৰা উদ্ভৱ হোৱা ভাষা তিনিটা ঃ মৈথেলী, মগহী আৰু ভোজপুৰী। মৈথেলী ভাষা - উত্তৰ বিহাৰ, মগহী মধ্যবিহাৰ আৰু ভোজপুৰী পশ্চিম বিহাৰত প্ৰচলিত।

অৰ্দ্ধমাগধীবৰ্গ ঃ

অৰ্দ্ধমাগধীৰ পৰা উদ্ভৱ হোৱা নব্য ভাৰতীয় আৰ্য ভাষা তিনিটা ঃ অবধী, বাঘেলী আৰু ছত্তিছগড়ী। এই তিনিওটাকে পূৰ্বীহিন্দীও বোলা হয়। অবধী ভাষা প্ৰাচীন অযোধ্যা অঞ্চলত প্ৰচলিত। তুলসীদাসী ৰামায়ণ এই ভাষাত ৰচিত।

পৈশাচীবৰ্গ ঃ

নব্যভাৰতীয় আৰ্য ভাষা সিন্ধী আৰু পঞ্জাবী পৈশাচীবৰ্গৰ অন্তৰ্গত। সিন্ধী ভাষা সিন্ধু প্ৰদেশ আৰু কচ্ছউপকূল অঞ্চলত চলে। পঞ্জাবীৰ আকৌ দুটা শাখা ঃ পূৰ্বী পঞ্জাবী আৰু পশ্চিমা পঞ্জাবী। পূৰ্বী পঞ্জাবী পূব পাঞ্জাব আৰু সিমলাত প্ৰচলিত। পশ্চিম পঞ্জাব আৰু উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত পশ্চিমা পঞ্জাবী ভাষা চলে।

নব্যভাৰতীয় আৰ্যভাষাৰ বৰ্গীকৰণ প্ৰসঙ্গত (ক) কাশ্মীৰী (খ) সিংহলী আৰু (গ) ৰোমানী ভাষাৰ কথাও আলোচনা কৰিবলগীয়া হয়।

(ক) কাশ্মীৰী ঃ

---

১ ড° ৰামেশ্বৰ শ ঃ সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা, ২য় খণ্ড ১৯৮৮ চন

কোনো কোনো ভাষাবিজ্ঞানীয়ে কাশ্মীৰী ভাষাক দৰদীয় ভাষাগোষ্ঠীৰ ভিতৰুৱা বুলি ক'ব খোজে। আকৌ কোনো কোনোৱে ইয়াক ইৰাণীয় প্ৰভাৱিত ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্ভুক্তও কৰিব খোজে। এই ভাষাত ৰচিত সাহিত্য সুসমৃদ্ধ। ভাষাটো ফৰাচী লিপিত লিখা হয়। কাশ্মীৰী ভাষাৰ অন্তৰ্গত আন উল্লেখযোগ্য ভাষা তিনিটা ঃ কোহিস্তানী, চীনা আৰু চিত্ৰালি।

(খ) সিংহলী ঃ

সিংহলী ভাষা ভাৰতৰ বাহিৰত প্ৰচলিত হ'লেও ই ভাৰতীয় আৰ্য ভাষাৰেই অন্তৰ্ভুক্ত। কোনো কোনো পণ্ডিতৰ মতে সিংহলী ভাষা প্ৰাচ্যা প্ৰাকৃত আৰু কোনো কোনোৰ মতে পালি ভাষাৰ পৰা উদ্ভৱ হৈছে।

(গ) ৰোমানী ঃ

ইউৰোপ আৰু এচিয়াৰ বিভিন্ন অঞ্চলত প্ৰচলিত ৰোমানী ভাষাৰ মূল ভাৰতীয় আৰ্য ভাষা বুলি ভাষাবিজ্ঞানীসকলে ঠাৱৰ কৰিছে। এই ভাষা আনুমানিক ডেৰ হাজাৰ বছৰ ধৰি জিপচী বোলা যাযাবৰ জাতি এটাই কথিত ভাষা হিচাপে ব্যৱহাৰ কৰিছে। সেই কাৰণে ইয়াৰ আন এটা নাম জিপচী ভাষা। এই ভাষাটো উত্তৰ-পশ্চিম অঞ্চলৰ মধ্যভাৰতীয় আৰ্যৰ বংশধৰ বুলি অনুমান কৰা হৈছে।

গ) ভৌগোলিক বৰ্গীকৰণ ঃ

নব্যভাৰতীয় আৰ্যভাষাসমূহক অৱস্থান অনুসৰিও বৰ্গীকৰণ কৰা হৈছে। এনেদৰে কৰা বৰ্গীকৰণেই ভৌগোলিক বৰ্গীকৰণ। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে তেওঁৰ "Languages and Literatures of Modern India" (১৯৬৩) বোলা গ্ৰন্থত দেখুওৱা ধৰণে নব্যভাৰতীয় আৰ্যভাষাসমূহৰ ভৌগোলিক বৰ্গীকৰণ এনেধৰণৰ ঃ

(১) প্ৰাচ্য ঃ যেনে, অসমীয়া, বঙালী, উৰিয়া, মৈথেলী, মগহী আৰু ভোজপুৰী ভাষা।

(২) প্ৰাচ্য-মধ্য ঃ যেনে, অৱধী, বাঘেলী আৰু ছত্তিছগড়ী ভাষা।

(৩) মধ্যদেশীয় ঃ যেনে, হিন্দুস্থানী, ব্ৰজভাষা, বুন্দেলী, বংগাৰু আৰু কনৌজী ভাষা।

(৪) দাক্ষিণাত্য ঃ যেনে, মাৰাঠী আৰু কোংকণী ভাষা।

(৫) উত্তৰ বা হিমালয়ী ঃ যেনে, নেপালী, কুমায়ুনী আৰু গাড়োৱালী ভাষা।

আঠ

৮.১ ভাৰতৰ অনাৰ্য ভাষাসমূহ
(Non-Aryan Languages of India)

আৰ্য ভাষা ভিন্ন আন বিবোৰ ভাষা ভাৰতত চলে সেইবোৰকে অনাৰ্য ভাষা বোলে। ভাৰতত প্ৰধানকৈ তিনিটা অনাৰ্য গোষ্ঠীৰ ভাষাৰ প্ৰচলন আছে। এই গোষ্ঠী তিনিটা হ'ল ক) অষ্ট্ৰিক (Austric) খ) দ্ৰাবিড় (Dravidian) আৰু (গ) চীন-তিব্বতীয় (Sino-Tibetian)। চেমিটিক আৰু নিগ্ৰো জাতিৰ লোকসকলেও প্ৰাচীন ভাৰতত বসবাস কৰিছিল বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে; কিন্তু এওঁলোকৰ কোনো ভাষাৰ নিদৰ্শন ইয়াত পোৱা নাযায়।

তলত অনাৰ্য ভাষা গোষ্ঠী তিনিটাৰ সংক্ষেপে আলোচনা কৰা হ'ল :

ক) অষ্ট্ৰিক (Austric)

ভাৰতত প্ৰচলিত ভাষাসমূহৰ ভিতৰত অষ্ট্ৰিক গোষ্ঠীৰ ভাষাই প্ৰাচীনতম। অষ্ট্ৰিকসকলে ঠিক কেতিয়াৰ পৰা ভাৰতত বসবাস কৰিছিল, সেই বিষয়ে স্পষ্ট-ভাৱে একো জনা নাযায়। তদুপৰি এই জাতিৰ আদি বাসস্থান সম্পৰ্কেও পণ্ডিত-সকলৰ মাজত মতভেদ আছে। কোনো কোনো পণ্ডিতৰ মতে ইন্দো-চীনেই হ'ল অষ্ট্ৰিকসকলৰ আদি বাসস্থান আৰু তাৰ পৰাই, আদি প্ৰস্তৰ যুগত তেওঁলোকে চৌদিশে বিয়পি পৰে। আকৌ কোনো কোনো পণ্ডিতৰ মতে পশ্চিম এচিয়াৰ পৰা ভাৰতলৈ অহা প্ৰত্ন অষ্ট্ৰলয়দ (Proto-Austroloid) জাতিৰ লোক এদলৰ লগত পূৰ্ববৰ্তী নিগ্ৰোজাতিৰ লোকৰ সংমিশ্ৰণৰ ফলত অষ্ট্ৰিক জাতিৰ সৃষ্টি হয়[1] ভাৰতত প্ৰচলিত অষ্ট্ৰিক ভাষা গোষ্ঠীৰ প্ৰধান শাখা তিনিটা : ক) কোল/মুণ্ডা খ) খাচী নিকোবৰী আৰু গ) মোন-খমেৰ।

কোল/মুণ্ডাৰ আকৌ দুটা উপশাখা : পশ্চিমা আৰু পূবী। শবৰ, কৰ্কু, খৰিয়া আৰু জুৱাং- এই চাৰিটা ভাষা পশ্চিমা উপশাখাৰ অন্তৰ্গত। পূবী উপশাখাৰ

১ ড° ৰামেশ্বৰ শঃ সাধাৰণ ভাষা বিজ্ঞান ও বাংলা ভাষা

ভাষাকেইটা হ'ল - চাওতালী মুণ্ডাৰী, হো আৰু ভূমিজ। খাচী-নিকোবৰী শাখাৰ উপশাখা দুটা : খাচী আৰু নিকোবৰী। মোন আৰু খ্‌মেৰ, মোন-খমেৰ শাখাৰ উপশাখা।

অষ্ট্ৰিক ভাষাসমূহৰ ভিতৰত কোল/মুণ্ডা শাখাৰ ভাষাই ভাৰতৰ সৰহভাগ ঠাইত প্ৰচলিত। সেইবোৰৰ ভিতৰত বিশেষভাবে উল্লেখযোগ্য চাওতালী ভাষা। এই ভাষাটো বিহাৰৰ ছোটনাগপুৰ আৰু চাওতাল পৰগণা আৰু বাহিৰত কোৱা হয়। উৰিষ্যা, বংগদেশ আৰু অসমতো ইয়াৰ প্ৰচলন আছে। বিহাৰৰ সিংভূম জিলাত 'হো', বিহাৰৰ দক্ষিণ অঞ্চলত 'খৰিয়া' আৰু 'ভূমিজ' কথিত ভাষা হিচাপে প্ৰচলিত। খাচী ভাষা খাচীয়া জয়ন্তীয়া পাহাৰৰ কথিত ভাষা।

খ) দ্ৰাবিড় (Dravidian)

অষ্ট্ৰিক জাতিৰ পিছতেই দ্ৰাবিড় জাতিৰ লোকসকলে ভাৰতত বসতি বিস্তাৰ কৰিছিল। পণ্ডিতসকলে অনুমান কৰে যে, দ্ৰাবিড়সকলৰ আদি বাসস্থান ভূমধ্য সাগৰীয় অঞ্চল আৰু তাৰ পৰাই আনুমানিক খ্ৰীঃ পূঃ ৩৫০০ ত তেওঁলোকৰ এটা দলে ভাৰতত প্ৰবেশ কৰি পোনতে উত্তৰ ভাৰতত বাস কৰিছিল যদিও পিছত আৰ্য সকলৰ দ্বাৰা বিতাৰিত হৈ দক্ষিণ ভাৰতলৈ গতি কৰিছিল। সেয়ে দক্ষিণ ভাৰতত দ্ৰাবিড় ভাষাৰ প্ৰাধান্য বেছি।

দ্ৰাবিড় গোষ্ঠীৰ পৰা জন্ম লাভ কৰা ভাষাবোৰ হ'ল ব্ৰাহুই, তামিল মালয়ালম, কন্নড়, তেলুগু, মালতো, গোণ্ডী, কোড, টোডা, কোটা, প্ৰভৃতি। উত্তৰ-পশ্চিম ভাৰতৰ বেলুচিস্তান অঞ্চলত ব্ৰাহুই ভাষাৰ প্ৰচলন আছে। তামিল ভাষা তামিলনাড়ু আৰু সিংহলত প্ৰচলিত। তামিলৰ দুটা শাখা : শেন আৰু কোণ্ডন। মালয়ালম ভাষা কেৰালাত চলে। মহীশূৰত কন্নড় আৰু অন্ধ্ৰপ্ৰদেশত তেলুগু ভাষা প্ৰচলিত। মালতো ভাষা বংগদেশৰ ৰাজমহল পাহাৰ অঞ্চলৰ কথিত ভাষা। নীলগিৰি পৰ্বতৰ এচাম আদিবাসীৰ মাজত টোডা আৰু কোটা ভাষাৰ প্ৰচলন আছে।

দ্ৰাবিড় গোষ্ঠীৰ ভাষাসমূহৰ ভিতৰত মালয়ালম আৰু তামিল ভাষা সুসমৃদ্ধ। দ্ৰাবিড় ভাষা অশ্লিষ্ট, অন্ত্যযোগাত্মক। এই ভাষাত প্ৰত্যয়, বিভক্তি আদি প্ৰকৃতিৰ লগত অংগাংগীভাৱে যুক্ত হৈ নাথাকে। স্বৰ সংগতি আৰু 'ট'- বৰ্গৰ প্ৰাধান্য এই ভাষাৰ বিশেষ বৈশিষ্ট্য। দ্ৰাবিড় ভাষাত বচন দুবিধ : একবচন আৰু বহুবচন। একবচনাত্মক শব্দৰ শেষত প্ৰত্যয় যোগ কৰি বহুবচন কৰা হয়। লিংগ তিনিবিধ : পুংলিংগ, স্ত্ৰীলিংগ আৰু ক্লীবলিংগ। প্ৰাণীত্ব আৰু অপ্ৰাণীত্বৰ ভিত্তিত লিংগ নিৰ্ণয় কৰা হয়। অপ্ৰাণীবাচক ক্লীবলিংগৰ কেৱল একবচনহে ব্যৱহৃত হয়হে।

গ) চীন-তিব্বতীয় (Sino-Tibetan) :

চীন-তিব্বতীয় ভাষা গোষ্ঠীৰ প্ৰধান শাখা তিনিটা : শ্যামীচীনা, তিব্বতবৰ্মী আৰু য়েনেচি। এই তিনিটাৰ ভিতৰত তিব্বত-বৰ্মী শাখাৰ পৰা ওপজা ভাষাসমূহেই ভাৰতত সৰ্বাধিক প্ৰচলিত।

শ্যামী-চীনা শাখাৰ এটা উপশাখা হ'ল 'টাই' ভাষা। 'টাই'ৰ অন্তৰ্গত ভাষা-সমূহ হ'ল - শ্যামী, লাও, ছান, খামটি, নোৰা, ফাকিয়াল প্ৰভৃতি। খামটি ভাষা অসমৰ পূব আৰু উত্তৰ-পূব সীমান্ত অঞ্চলত কথিত ভাষা হিচাপে প্ৰচলিত। ছান ভাষাৰ এটা শাখা হ'ল - আহোম ভাষা। এই ভাষাটো এসময়ত অসমৰ কথিত ভাষা আছিল। সম্প্ৰতি ই লুপ্ত। অৱশ্যে অসমীয়া ভাষাৰ ওপৰত আহোমৰ প্ৰভাৱ বৰ্তমান।

তিব্বতবৰ্মী শাখাৰ প্ৰধান উপশাখা দুটা : অসম উপশাখা আৰু তিব্বত পাহাৰী বা তিব্বত-হিমালয়ী উপশাখা। অসম উপশাখাৰ বিভাগ দুটা : উত্তৰ অসম উপশাখা আৰু অসম-বৰ্মা উপশাখা। উত্তৰ অসম উপশাখাৰ অন্তৰ্গত ভাষাবোৰ হ'ল— অকা, ডফলা, আদিমিৰি, মিচিমি, মিচিং, চিংফৌ, আপাটনি, গালং ইত্যাদি। অৰুণাচল অঞ্চলত কথিত ভাষা হিচাপে এইবোৰৰ প্ৰচলন আছে। অসম বৰ্মা উপশাখাৰ অন্তৰ্গত ভাষাসমূহৰ বড়ো, নগা, কুকি-চীন, বৰ্মী আদি উল্লেখযোগ্য। গাৰো, ৰাভা, ত্ৰিপুৰী, লালুং, মিকিৰ, ডিমাছা, দেউৰী-চুতীয়া, কছাৰী আদি ভাষা বড়ো ভাষাৰ অন্তৰ্গত। নগা ভাষাৰ অন্তৰ্গত বহুতো ভাষা আছে। যেনে, আংগামী, চেমা, ৰেংমা, আও, মাও, টাংচো, ৰাঙ্খু, নক্তে ইত্যাদি। কুকি-চীনৰ অন্তৰ্গত ভাষা সমূহ হ'ল— মেইথেই, লুছাই, বিষ্ণুপুৰীয়া। অসমৰ কাছাৰ জিলাত বিষ্ণুপুৰীয়া ভাষা চলে।

বড়োৰ অন্তৰ্গত ভাষাসমূহ অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত। নগালেণ্ডত নগাভাষাসমূহ কথিত ভাষা হিচাপে চলে।

তিব্বত-পাহাৰী বা তিব্বত-হিমালয়ীৰ দুটা উপশাখা : ভোটীয় আৰু হিমালয়ী।

ভোটীয় উপশাখাৰ ভিতৰত তিব্বতী, লাডাখী, বুৰী, চিকিকম, ভোটীয়

আদি ভাষাসমূহ পৰে। তিব্বতী ভাষা অৰুণাচল অঞ্চলত বাস কৰা ভগনীয়া সকলে কয়।

হিমালয়ী শাখাৰ অন্তৰ্গত ভাষাবোৰ হ'ল — লেপচা, পাহাৰী, লিম্বু, নেৱাৰী কনৌৰী প্ৰভৃতি। উত্তৰ প্ৰদেশ আৰু হিমাচল প্ৰদেশৰ অঞ্চল বিশেষে এইবোৰৰ দুই-চাৰিটা কথিত ভাষা হিচাপে ব্যৱহৃত হয়। *

---

* এই বিষয়ে বিস্তৃতভাৱে জানিবলৈ হ'লে ড° উপেন্দ্ৰনাথ গোস্বামীৰ 'ভাষা বিজ্ঞান' গ্ৰন্থ চাওক।

ন

৯.১ ভাষাবিজ্ঞান : ভাষাতত্ত্ব : ব্যাকৰণ
(Linguistics : Philology : Grammar)

ভাষাৰ বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণক ভাষাবিজ্ঞান বোলে। ইংৰাজীত ইয়াক Linguistics বা Science of Language বোলা হয়। বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণ বুলিলে তথ্যনিৰ্ভৰ, শৃংখলাবদ্ধ সূক্ষ্ম আলোচনাকে বুজোৱা যায়। ইয়াত কল্পনা আৰু আবেগৰ স্থান লেখমানো নাথাকে। বিজ্ঞানৰ আলোচনাৰ বিষয় সুনিৰ্দিষ্ট। সুনিৰ্দিষ্ট বিষয় ভিত্তিক হোৱা বাবে বিজ্ঞানৰ শাখাও ভিন ভিন। পদাৰ্থবিজ্ঞান, ৰসায়ন, প্ৰাণীবিজ্ঞান, ভূ-বিজ্ঞান, নৃতত্ব প্ৰভৃতি বিজ্ঞানৰ বিভিন্ন শাখাৰ আলোচনা একোটাইত বিষয়ৰ ওপৰত প্ৰতিষ্ঠিত। সেইদৰে ভাষাবিজ্ঞানৰো আলোচনাৰ বিষয় সুনিৰ্দিষ্ট। মানুহে মনৰ ভাব-অনুভূতি প্ৰকাশ কৰিবৰ বাবে বাক্‌যন্ত্ৰৰ সহায়ত বিবোধ ধ্বনি প্ৰতীক উচ্চাৰণ কৰে, সেইবোৰৰ অৰ্থবহ, সুসংগঠিত ভাষাৰ সৃষ্টি হয়। ই জাতি বা গোষ্ঠী সাপেক্ষ। ভাষাবিজ্ঞানত মানুহৰ দ্বাৰা সৃষ্ট পৰম সম্পদ এই ভাষাৰেই আলোচনা কৰা হয়। কোনো এটা ভাষাৰ গঠন প্ৰক্ৰিয়াৰ সূক্ষ্ম চিন্তা-চৰ্চাৰ যোগেদি ভাষাবিজ্ঞানৰ আলোচনা আৰম্ভ হয় আৰু তাৰ পৰাই ভাষাবিজ্ঞানীয়ে ভাষা গঠন প্ৰক্ৰিয়াৰ এনে এটা সংজ্ঞা ৰচনা কৰে যি সকলো ভাষা গঠন প্ৰক্ৰিয়াৰ বিচাৰ-বিশ্লেষণত সহায়তা কৰে। সেয়ে অন্যান্য বিজ্ঞানৰ দৰে ভাষাবিজ্ঞানৰো আলোচনাই বিশেষৰ পৰা সাধাৰণলৈ বিস্তৃতি লাভ কৰে। ভাষাবিজ্ঞানে সকলো ভাষাকে সামৰি লোৱা হেতুকে ইয়াক সাধাৰণ ভাষাবিজ্ঞানো (general linguistics) বোলা হয়।

অন্যান্য বিজ্ঞানৰ দৰে ভাষাবিজ্ঞানো গতিশীল। নতুন নতুন তথ্যৰ আৱিষ্কাৰে যেনেদৰে অন্যান্য বিজ্ঞানৰ সূত্ৰৰ পৰিবৰ্তন, পৰিবৰ্দ্ধন ঘটায়, ভাষাবিজ্ঞানৰ ক্ষেত্ৰতো সেই একে ধৰণেৰে পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনে ভাষাবিজ্ঞানকো অন্যান্য বিজ্ঞানৰ দৰে দান কৰিছে গতি আৰু প্ৰগতি।

ভাষা জিজ্ঞাসাৰ লগত সততে জড়িত আন এটা শব্দ হৈছে ভাষাতত্ত্ব (Philology)। ভাষাতত্ত্বইও ভাষা বিষয়ক বিচাৰ-বিশ্লেষণকে সামৰি লয়। গোনতে-ভাষাবিজ্ঞান (Linguistics) আৰু ভাষাতত্ত্ব (Philology) এই শব্দ দুটাক একাৰ্থবাচক শব্দৰূপে গ্ৰহণ কৰা হৈছিল যদিও পিছত ভাষা বিষয়ক আলোচনাৰ

দুটা ধাৰাক সূচিত কৰিবলৈ শব্দ দুটাৰ প্ৰয়োগ হ'বলৈ ধৰিলে।

ভাষাবিজ্ঞানৰ সূত্ৰ খটুৱাই কোনো এটা ভাষাৰ গঠন ৰীতিৰ বিচাৰ-বিশ্লেষণ কৰাকেই ভাষাতত্ত্ব (Philology) বোলে। ভাষাতত্ত্বৰ আলোচনা কোনো এটা নিৰ্দিষ্ট ভাষাৰ মাজতেই সীমিত হৈ থাকে। ইয়াৰ গতি বিশেষৰ পৰা বিশেষলৈ যেনে, অসমীয়া ভাষাতত্ত্ব, ইংৰাজী ভাষাতত্ত্ব, বঙালী ভাষাতত্ত্ব ইত্যাদি। ইয়াৰ বিপৰীতে ভাষা বিজ্ঞানৰ আলোচনা বিশেষৰ পৰা সাধাৰণলৈ গতি কৰে। ভাষাতাত্ত্বিকে প্ৰাচীন সাহিত্যৰ ভাষাৰ গঠন ৰীতিৰ বিচাৰ বিশ্লেষণ কৰি তাৰ যোগেদি সংশ্লিষ্ট জাতিৰ সাংস্কৃতিক, ধৰ্মীয় আৰু সামাজিক ইতিহাস অধ্যয়ন কৰে।[১] ভাষাবিজ্ঞানীয়ে জীৱন্ত ভাষাৰ বিচাৰ-বিশ্লেষণত নিজৰ দৃষ্টি কেন্দ্ৰীভূত কৰি ৰাখে।

সাম্প্ৰতিক কালত ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চা আশাতীত ৰূপে বৃদ্ধি পাইছে। ফলস্বৰূপে, তাত্ত্বিক দিশত ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ মাজত পাৰ্থক্য থাকিলেও বাস্তৱক্ষেত্ৰত উভয়ৰ মাজত মিশ্ৰণ ঘটিছে। সাম্প্ৰতিক কালৰ ভাষাবিজ্ঞানীয়েও ভাষা তাত্ত্বিকৰ দৃষ্টিভংগীৰে ভাষা বিশ্লেষণত অগ্ৰসৰ হৈ ভাষা বিশেষৰ গঠনৰীতিৰ ব্যাখ্যা কৰে আৰু ভাষাতাত্ত্বিকেও ভাষা বিশেষৰ আলোচনাত প্ৰবৃত্ত হৈ ভাষাৰ সাধাৰণ সূত্ৰ আৱিষ্কাৰ কৰে।

সাম্প্ৰতিক কালত ঐতিহাসিক ভাষাবিজ্ঞান, নৃতাত্ত্বিক ভাষাবিজ্ঞান, সমাজ ভাষাবিজ্ঞান, অৰ্থবিজ্ঞান, শৈলীবিজ্ঞান প্ৰভৃতি ভাষাবিজ্ঞানৰ নানান শাখা-প্ৰশাখা গঢ়ি উঠিছে। এইবোৰ শাখাৰ আলোচনাত ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ অপূৰ্ব মিশ্ৰণ ঘটিছে।

কোনো এটা ভাষাৰ গঠন প্ৰক্ৰিয়াৰ বিশ্লেষণাত্মক আলোচনাৰ আন এটা শিৰোনাম হ'ল ব্যাকৰণ (Grammar)। ভাষাৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত প্ৰয়োগ হোৱা ভাষাতত্ত্ব (Philology), ভাষাবিজ্ঞান (Linguistics) আদি শব্দ অৰ্বাচীন। প্ৰাচীন কালত ভাৰতবৰ্ষত ভাষাৰ বিচাৰ বিশ্লেষণ বুজাবলৈ ব্যাকৰণ শব্দৰ প্ৰয়োগ কৰা হৈছিল। ইয়াক 'শব্দবিদ্যা'ও বোলা হৈছিল। ইংৰাজীত ইয়াক বোলা হয় Grammar. অৱশ্যে ব্যাকৰণ আৰু Grammar শব্দ দুটাৰ ব্যুৎপত্তিগত অৰ্থৰ পাৰ্থক্য আছে।

Grammar শব্দটোৰ অৰ্থ হৈছে art of writing and speaking a language correctly. আনহাতে ভাৰতবৰ্ষত প্ৰয়োগ হোৱা ব্যাকৰণ শব্দটোৰ অৰ্থ হৈছে বিশ্লিষ্ট বা ব্যাকৃত কৰা (বি + আ + কৃ + অনট্)। "ব্যক্তিয়ন্তে ব্যুৎপাদ্যন্তে শব্দ অনেন ব্যাকৰণম্"। যজুৰ্বেদত গোপন ব্ৰাহ্মণতে এই শব্দটো প্ৰয়োগ হৈছিল।

---

১ সাধাৰণ ভাষা বিজ্ঞান ও বাংলাভাষা : ড° ৰামেশ্বৰ শ', ১৯৮৫ চন, পৃষ্ঠাঃ ১৮

উক্ত বেদত উল্লেখ কৰা হৈছে যে ইন্দ্ৰই প্ৰথমতে ভাষাৰ উপাদানসমূহক বিশ্লেষণ কৰি সেইবোৰৰ ব্যাখ্যা দাঙি ধৰিছিল। তেতিয়াৰে পৰা ভাষাৰ বিশ্লেষণ বুজাবলৈ ব্যাকৰণ শব্দৰ প্ৰয়োগ হৈ আহিছে।

মধ্যযুগত ব্যাকৰণ বা Grammar শব্দই ভাষাৰ বিশ্লেষণক নুবুজাই ভাষা বিশেষৰ গঠন আৰু প্ৰয়োগৰ ক্ষেত্ৰত আৰোপিত কেতবোৰ নির্দেশ তথা বিধি নিষেধক বুজাবলৈ ধৰিলে। ভাষা এটাৰ শুদ্ধাশুদ্ধ বিচাৰ কৰি শুদ্ধ ৰূপটো প্ৰতিষ্ঠিত কৰাই হ'ল মধ্যযুগীয় ব্যাকৰণৰ মূল উদ্দেশ্য। সেয়ে মধ্যযুগীয় ব্যাকৰণ হ'ল নির্দেশমূলক (Normative)।

মধ্যপ্ৰচলিত কালতো ব্যাকৰণৰ সূত্ৰসমূহে ভাষাৰ শুদ্ধাশুদ্ধ বিচাৰৰ ওপৰতে গুৰুত্ব আৰোপ কৰিছে। উদাহৰণ স্বৰূপে তলত সাম্প্ৰতিক কালৰ দুজনাকী বৈয়াকৰণৰ দুটা সূত্ৰ দাঙি ধৰা হ'ল :

১) যি পুথি পঢ়িলে অসমীয়া ভাষা শুদ্ধকৈ ক'ব আৰু লিখিব পৰা যায় আৰু তাৰ্‌য়া সম্বন্ধে ব্যুৎপত্তি জন্মে তাৰ নাম অসমীয়া ব্যাকৰণ (Assamese Grammar) [হেমচন্দ্ৰ বৰুৱা]

২) যে বিদ্যাৰ দ্বাৰা কোনও ভাষাকে বিশ্লেষ কৰিয়া তাহাৰ স্বৰূপটী আলোচিত হয়, এবং সেই ভাষাৰ পঠনে ও লিখনে এবং তাহাতে কথোপকথনে শুদ্ধ ৰূপে তাহাৰ প্ৰয়োগ কৰা যায়, সেই বিদ্যাকে সেই ভাষাৰ ব্যাকৰণ (Grammar) বলে।

[ড° সুনীতি কুমাৰ চট্টোপাধ্যায়]

ব্যাকৰণৰ এই সূত্ৰ দুটায়ো মধ্যযুগীয় ব্যাকৰণৰ দৰে নির্দেশমূলক ৰীতিকে স্পষ্ট কৰি তুলিছে।

কোৱা নিষ্প্ৰয়োজন যে প্ৰাচীন ভাৰতবৰ্ষত ভাষাৰ বিশ্লেষণ আৰু ব্যাখ্যাৰ যোগেদি ব্যাকৰণ ৰচনাৰ ধাৰা আৰম্ভ হৈছিল যদিও, পিছলৈ তাৰ মাজত নির্দেশমূলক (Normative) ধাৰণাটিও স্পষ্ট হৈ উঠিছিল। সংস্কৃত ব্যাকৰণ ৰচনা কৰাৰ মূলতে আছিল দেৱভাষা হিচাপে সমাদৃত সংস্কৃত ভাষাক অবিকৃতভাৱে ৰখাৰ প্ৰচেষ্টা। সেয়েহে, মহামুনি পাণিনিয়ে তেওঁৰ ব্যাকৰণত সেইকালৰ আদর্শ সংস্কৃত ভাষাটোৰ বিচাৰ-বিশ্লেষণত বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰিলেও তাৰ মাজেদি বিবিধ উঠিছিল ভাষাটোৰ শুদ্ধাশুদ্ধৰ নীতি নির্দেশাত্মক আদর্শ। গ্ৰীক, লেটিন আদি ভাষাৰ Grammar ৰচনাৰ ক্ষেত্ৰতো পোনতে বিশ্লেষণাত্মক দৃষ্টিভংগীৰ পৰিচয় পোৱা গ'লেও পিছলৈ সেইবোৰৰ মাজতো নির্দেশমূলক মনো ভাৱটিয়ে প্ৰাধান্য বিস্তাৰ কৰিছিল।

উনবিংশ শতিকাত ভাষাৰ তুলনামূলক অধ্যয়ন আৰম্ভ হয়। এনে অধ্যয়ন ভাষাৰ বাস্তৱ ৰূপৰ ওপৰত কেন্দ্ৰীভূত হ'ল আৰু মধ্যযুগত বিস্তাৰ লাভ কৰা নির্দেশমূলক ব্যাকৰণৰ ধাৰাটোক নিষ্প্ৰভ কৰি এই শতিকাত বিশ্লেষণাত্মক ব্যাকৰণ

ৰচনাৰ প্ৰতি বৈয়াকৰণসকলে মনোনিবেশ কৰিলে।

বৰ্তমান কালত ভাষাৰ গঠনৰ বিচাৰ-বিশ্লেষণেই হৈছে ব্যাকৰণৰ উদ্দেশ্য। পাশ্চাত্যত বৰ্ণনামূলক ভাষাবিজ্ঞান আৰু বৰ্ণনামূলক ব্যাকৰণৰ মাজত কোনো ধৰণৰ পাৰ্থক্য ৰখাৰ চেষ্টা দেখা নাযায়। পাশ্চাত্যত বৰ্ণনামূলক ভাষাবিজ্ঞান (Descriptive Linguistics)ক বৰ্ণনামূলক ব্যাকৰণো (Descriptive Grammar) বোলা হয়। নোয়ম্ চমস্কিয়ে তেওঁৰ ভাষাতত্ত্বৰ গ্ৰন্থখনৰ নাম দিছে "Transformational Generative Grammar"। অৱশ্যে তত্ত্বমূলক দিশৰ পৰা চালে উভয়ৰ মাজত পাৰ্থক্য নথকা নহয়। ড° ৰামেশ্বৰ শ'ই তেওঁৰ "সাধাৰণ ভাষা বিজ্ঞান ও বাংলা ভাষা" "গ্ৰন্থত বৰ্ণনামূলক ভাষ বিজ্ঞান আৰু বৰ্ণনামূলক ব্যাকৰণৰ পাৰ্থক্য দেখুৱাই লিখিছে ঃ "বৰ্ণনামূলক ভাষা বিজ্ঞানত সাধাৰণতত্ত্ব আৰু বৈজ্ঞানিক দিশটোৱেই মুখ্য আৰু বৰ্ণনামূলক ব্যাকৰণত ভাষা বিশেষৰ বাস্তৱ বৰ্ণনা আৰু বিশ্লেষণেই প্ৰধান।"

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে প্ৰাচীন কালৰ পৰা বৰ্তমানলৈকে ভাষাৰ চিন্তা-চৰ্চা আৰু আলোচনাৰ ক্ষেত্ৰত তিনিটা ধাৰা গঢ়ি উঠিছে। সেই ধাৰা তিনিটা হৈছে ঃ ১) নিৰ্দেশমূলক ব্যাকৰণ (Normative Grammar)

২) ভাষাতত্ত্ব (Philology) আৰু

৩) ভাষাবিজ্ঞান বা সাধাৰণ ভাষাবিজ্ঞান (Linguistics or General Linguistics)

দহ

১০.১ ভাষাবিজ্ঞানৰ শ্ৰেণী বিভাগ
(Sections of Linguistics)

মানুহৰ জ্ঞান তৃষ্ণা অনন্ত। ইয়েই মানুহক অজানক ৰহস্যৰ সন্ধানত ব্ৰতী কৰায়। ভাষা সম্পৰ্কেও মানুহৰ কৌতূহলৰ সীমা নাই। এনে কৌতূহলে মানুহক ভাষাৰ চিন্তা-চৰ্চাত গভীৰভাৱে মনোনিবেশ কৰিবলৈ বাধ্য কৰাইছে। ফল স্বৰূপে ভাষাবিজ্ঞানে সাম্প্ৰতিক কালত লাভ কৰিছে অভূতপূৰ্ব সমৃদ্ধি আৰু বিচিত্ৰতা।

কোৱা নিষ্প্ৰয়োজন যে ভাষা বিষয়ক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত ভাষাবিজ্ঞানী সকলে ভিন ভিন দৃষ্টিভংগী গ্ৰহণ কৰে আৰু কৰিবও পাৰে। এই দৃষ্টিভংগী অনুসৰি ভাষাবিজ্ঞান প্ৰধানকৈ পাঁচটা শ্ৰেণীত ভগাব পাৰি ঃ

(ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)

(খ) ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics)

(গ) তুলনাত্মক ভাষাবিজ্ঞান (Comparative Linguistics)

(ঘ) ভেদাত্মক ভাষাবিজ্ঞান (Contrastive Linguistics)

(ঙ) দাৰ্শনিক বা মনস্তাত্বিক ভাষাবিজ্ঞান (Philosophical or Psychological Linguistics)

(ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান

কোনো এটা নিৰ্দিষ্ট সময়ৰ ভাষাৰ উপাদান (ধ্বনি, ৰূপ, বাক্য আদি) সমূহৰ বিচাৰ-বিশ্লেষণ আৰু বৰ্ণনাক বৰ্ণনাত্মক ভাষাবিজ্ঞান বোলে। ভাষাৰ প্ৰধান চাৰিটা উপাদানৰ ভিত্তিত বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ আলোচনাৰ ভাগ চাৰিটা ঃ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু শব্দাৰ্থতত্ত্ব। বৰ্ণনাত্মক ভাষাবিজ্ঞানত ভাষাৰ উপাদান আৰু সি সমূহৰ প্ৰয়োগ ৰীতি আদিৰ আলোচনা এটা নিৰ্দিষ্ট সময়ৰ মাজত আবদ্ধ, তাত ভাষাৰ বিবৰ্তনৰ ব্যাখ্যা সমূলি কৰা নহয়। সাধাৰণতে বৰ্ণনামূলক ভাষাবিজ্ঞানক একালিক (Synchronic) ভাষাবিজ্ঞানো বোলা হয়। প্ৰখ্যাত ভাষাবিজ্ঞানী হকেট (Hockett) অৱশ্যে একালিক আৰু বৰ্ণনাত্মক ভাষা বিজ্ঞানৰ মাজত সূক্ষ্ম পাৰ্থক্য

দেখুৱাই তেখেতৰ "A course in Modern Linguistics" গ্ৰন্থত লিখিছে, "Descriptive Linguistics deals with the design of the language of some community at a given time, igonoring interpersonal and intergroup differences. Such differences are always to be found in any languages spoken by more than one person, Since no two people have exactly the same set of speech habits. Synchronic Linguistics includes descriptive linguistics, and also certain further types of investigation, particularly synchronic dialectology, which is the systematic study of interpersonal and intergroup differences of speech habit.

বৰ্ণনাত্মক ভাষাবিজ্ঞানত কোনো এটা নিৰ্দিষ্ট সময়ত কোনো এটা ভাষা সম্প্ৰদায়ৰ মাজত ব্যৱহৃত সাধাৰণ ভাষাটোৰ গঠনৰ বিচাৰ-বিশ্লেষণ কৰা হয়, কিন্তু একেটা ভাষা সম্প্ৰদায়ৰ অঞ্চল বা ব্যক্তি ভেদে ভাষাৰ পাৰ্থক্য থাকে। বৰ্ণনাত্মক ভাষাবিজ্ঞানত এনেবোৰ সূক্ষ্ম পাৰ্থক্যৰ বিশ্লেষণ কৰা নহয়। এককালিক ভাষা বিজ্ঞানত কোনো এটা ভাষাৰ সাধাৰণ ৰূপৰ গঠন প্ৰণালীৰ বিশ্লেষণ কৰাৰ উপৰিও অঞ্চল বা ব্যক্তিভেদে থকা পাৰ্থক্যসমূহ দাঙি ধৰাৰ লগতে সেইবোৰৰ ব্যাখ্যাও আগবঢ়োৱা হয়। এনে ব্যাখ্যা বা বিশ্লেষণৰ ফলস্বৰূপে উপভাষা বিজ্ঞান (Dialectology) নামেৰে এককালিক ভাষাবিজ্ঞানৰ এটা সুকীয়া শাখাত গঢ় লৈ উঠিছে। থোৰতে ক'বলৈ গ'লে, উপভাষা বিজ্ঞান হ'ল কোনো এটা ভাষাৰ উপভাষা আৰু উপ-উপভাষা (sub-dialect) সমূহৰ গঠনৰীতিৰ বিশ্লেষণ।

এককালিক ভাষাবিজ্ঞানৰ আন এটা শাখা হ'ল :

ভৌগোলিক ভাষাবিজ্ঞান (Geo-Linguistics)

ভাষাবিজ্ঞানৰ সূত্ৰ খটুৱাই কোনো এক ভৌগোলিক পৰিবেষ্টনৰ মাজত উপভাষা, উপ-উপভাষা, ব্যক্তিভাষা, মান্যভাষা, সাহিত্যিক ভাষা, মিশ্ৰভাষা আদিৰ ব্যৱহাৰিক দিশৰ বিচাৰ-বিশ্লেষণ কৰাই হ'ল ভৌগোলিক ভাষাবিজ্ঞানৰ উদ্দেশ্য। তদুপৰি এটা ভাষাই আন এটা ভাষাৰ ওপৰত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে, কোনটো ভাষাই সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি ক্ষেত্ৰত গুৰুত্ব লাভ কৰে, সেইবোৰৰ বিষয়েও ভৌগোলিক ভাষাবিজ্ঞানে জনাৰ সুযোগ দিয়ে। কোৱা নিষ্প্ৰয়োজন যে এককালিন ভাষাবিজ্ঞানৰ বিচাৰ-বিশ্লেষণ বৰ্ণনাত্মক ভাষাবিজ্ঞানতকৈ অধিক বিস্তৃত আৰু সূক্ষ্ম।

বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ আন এটা উল্লেখযোগ্য ধাৰা হ'ল গঠন কেন্দ্ৰিক

ভাষাবিজ্ঞান (Structural Linguistics)। মূলতে ই বৰ্ণনাত্মক ভাষাবিজ্ঞান হ'লেও সাম্প্ৰতিক কালত গঠন সৰ্বস্বতাবাদ (Structuralism) এটা বিশিষ্ট মতবাদ হিচাপে ভাষাবিজ্ঞানত প্ৰতিষ্ঠিত হৈছে।

ভাষাৰ উপাদানসমূহ হ'ল ধ্বনি, ৰূপ, বাক্য প্ৰভৃতি। এইবোৰৰ সুসংগঠনত ভাষাৰ সৃষ্টি হয়। গতিকে ভাষাই খণ্ড খণ্ড উপাদানৰ সমন্বয়ত গঢ় লৈ উঠা এটা অখণ্ড তথা পৰিপূৰ্ণ ৰূপ। গঠন সৰ্বস্বতাবাদীসকলে ভাষাৰ এই অখণ্ডৰূপৰ ওপৰত গুৰুত্ব আৰোপ কৰি তাৰ বিশ্লেষণত প্ৰবৃত্ত হয়। গঠনকেন্দ্ৰিক ভাষা বিজ্ঞানত ভাষাৰ উপাদানবোৰক বিচ্ছিন্নকৈ দেখুওৱা নহয়। সামগ্ৰিকতা আৰু অৰ্থ নিৰপেক্ষতাই হ'ল ইয়াৰ প্ৰধান বৈশিষ্ট্য।

(খ) ঐতিহাসিক ভাষাবিজ্ঞান ঃ

ভাষাৰ প্ৰাচীনতম ৰূপ, তাৰ ক্ৰমবিবৰ্তন আৰু বিকাশৰ আলোচনাক ঐতিহাসিক ভাষাবিজ্ঞান বোলে। এই আলোচনাই ভাষা বিকাশৰ বিভিন্ন স্তৰৰ ৰূপ ৰীতিক সামৰি লয়। বৰ্ণনাত্মক ভাষা বিজ্ঞানৰ দৰে ঐতিহাসিক ভাষাবিজ্ঞানেও উপাদান অনুসৰি আলোচনাৰ চাৰিটা স্তৰ ঃ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু পদাৰ্থতত্ত্ব। ঐতিহাসিক ভাষাবিজ্ঞানক কালক্ৰমিক ভাষাবিজ্ঞান (Diachromic Linguistics) বোলা হয়।

এককালিক ভাষাবিজ্ঞানৰ যেনেদৰে নানান শাখা-প্ৰশাখা গঢ়ি উঠিছে, তেনেদৰে কালক্ৰমিক ভাষাবিজ্ঞানবো বিবিধ ধাৰা-উপধাৰৰ সৃষ্টি হৈছে। ইয়াৰ দুটা প্ৰধান ধাৰা হ'ল ঃ (ক) ব্যক্তি ভাষাৰ বিবৰ্তনতত্ত্ব (Linguistics ontogeny) আৰু (খ) সামগ্ৰিক ভাষাৰ বিবৰ্তন তত্ত্ব (Linguistic phylogeny)। যথাৰ্থতে সামগ্ৰিক ভাষাৰ বিবৰ্তনতত্ত্বই হ'ল ঐতিহাসিক ভাষাবিজ্ঞান।

ব্যক্তি ভাষাৰ বিবৰ্তনতত্ত্বত কোনো এজন ব্যক্তিৰ শৈশৱৰ পৰা বাৰ্দ্ধক্যলৈকে, ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত কেনেদৰে বিবৰ্তন ঘটে, তাৰ ব্যাখ্যা দাঙি ধৰা হয়। আনহাতে সামগ্ৰিক ভাষাৰ বিবৰ্তনত-ত্বত কোনো এটা ভাষা সম্প্ৰদায়ৰ মাজত ব্যৱহৃত ভাষাৰ সময়ৰ সোঁতত কেনেদৰে বিবৰ্তন ঘটে, তাৰ বিচাৰ-বিশ্লেষণ কৰা হয়। এই ধাৰাৰ আলোচনাত ভাষা এটাৰ বিভিন্ন কালৰ ৰূপৰ পৰ্যালোচনাৰে তাৰ ক্ৰমবিকাশৰ ধাৰাক স্পষ্ট কৰি তোলা হয়।

এনেদৰে সাম্প্ৰতিক কালত ভাষাবিজ্ঞানৰ বিভিন্ন ধাৰা-উপধাৰাৰ সৃষ্টি হৈছে আৰু সিবোৰে ভাষা বিষয়ক চিন্তা-চৰ্চা আৰু গৱেষণাৰ নতুন নতুন দিশ উন্মোচিত কৰিছে।

এসময়ত বৰ্ণনাত্মক আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ মাজত বিৰোধমূলক ভাব এটি ক্ৰিয়াশীল হৈ আছিল; কিন্তু সাম্প্ৰতিক কালত ভাষা বিষয়ক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত নতুন নতুন দৃষ্টিভংগী গ্ৰহণ কৰাৰ ফলত বৰ্ণনাত্মক আৰু ঐতিহাসিক আৰু ঐতিহাসিত ভাষাবিজ্ঞানৰ মাজত বিৰোধ নাইকিয়া হৈছে আৰু উক্ত দুয়ো শ্ৰেণীৰ ভাষাবিজ্ঞান পৰস্পৰে পৰস্পৰৰ পৰিপূৰক স্বৰূপ হৈ পৰিছে। হকেটৰ ভাষাত "It is a mistake to think of descriptive and Historical linguistics as two separate compratments, each bit of information belonging exclusively in the one or in the other. There are certain matters which are relevant both in understanding how a language works at a given time and also in connection which linguistic change."

ভাষাৰ স্বৰূপ জানিবলৈ হ'লে বৰ্ণনাত্মক আৰু ঐতিহাসিক এই দুয়োটা দৃষ্টি-ভংগীৰেই যে প্ৰয়োজন আছে, তাক আধুনিক ভাষাবিজ্ঞানীসকলে স্বীকাৰ কৰে আৰু সেয়ে, তেখেতসকলৰ আলোচনাত উক্ত দুয়োটা দৃষ্টিভংগীৰেই সমন্বয় ঘটা দেখিবলৈ পাওঁ।

(গ) তুলনাত্মক ভাষাবিজ্ঞান ঃ

যি ভাষাবিজ্ঞানত কোনো এটা নিৰ্দিষ্ট সময়ৰ সমগোত্ৰীয় ভিন ভিন ভাষাৰ গঠন ৰীতিৰ বিশ্লেষণ কৰি সিবোৰৰ পাৰস্পৰিক সম্পৰ্ক দাঙি ধৰা হয়, তাক তুলনাত্মক ভাষাবিজ্ঞান বোলে। কোনো কোনো পণ্ডিতে তুলনাত্মক ভাষাবিজ্ঞানক এটা সুকীয়া শ্ৰেণী হিচাপে নধৰি তাক ঐতিহাসিক ভাষাবিজ্ঞানৰ অংগ হিচাপে গ্ৰহণ কৰে। উনবিংশ শতিকাত তুলনাত্মক বিচাৰ-বিশ্লেষণৰ সহায়ত বিভিন্ন ভাষাৰ মাজত থকা সাদৃশ্য দেখুওৱাত ঐতিহাসিক পদ্ধতি গ্ৰহণ কৰা হৈছিল। সাম্প্ৰতিক কালত, এই ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। সেই কাৰণে, ইয়াক বৰ্ণনাত্মক ভাষাবিজ্ঞানৰো অন্তৰ্ভুক্ত কৰিব পৰা যায়। তুলনাত্মক ভাষাবিজ্ঞানৰ অধ্যয়নে ভাষাৰ লগত ভাষাৰ সম্বন্ধৰ গভীৰতা আৰু অগভীৰতা সম্বন্ধে সম্যক ধাৰণা দিয়ে।

(ঘ) ভেদাত্মক ভাষাবিজ্ঞান ঃ

একে মূলীয় অথবা ভিন্নমূলীয় দুটা বা ততোধিক ভাষাৰ গঠন ৰীতিৰ বিশ্লেষণ কৰি সিবোৰৰ মাজৰ বৈসাদৃশ্যসমূহ দাঙি ধৰাকে ভেদাত্মক ভাষাবিজ্ঞান বোলে। ভেদাত্মক ভাষাবিজ্ঞানৰ আলোচনাত বৰ্ণনাত্মক ৰীতি গ্ৰহণ কৰা হয়। কথিত

ভাষা ইয়াৰ আলোচনাৰ বিষয়। উপাদান অনুসৰি তোলনমূলক ভাষাবিজ্ঞানৰ আলোচনাও ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু শব্দাৰ্থতত্ত্ব এই চাৰিটা ভাগত হ'ব পাৰে।

(ঙ) দাৰ্শনিক বা মনস্তাত্ত্বিক ভাষাবিজ্ঞান ঃ

ভাষা সৃষ্টিৰ অন্তৰালত যি শক্তি ক্ৰিয়াশীল হৈ থাকে, সেইটো শক্তিয়েই হ'ল মানুহৰ চিন্তা শক্তি। যি ভাষাবিজ্ঞানত ভাষাৰ ৰূপ বিশ্লেষণৰ প্ৰসংগত এই শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়, তাকেই দাৰ্শনিক বা মনস্তাত্ত্বিক ভাষা বিজ্ঞান বোলে। বিংশ শতিকাৰ বিশিষ্ট ভাষাবিজ্ঞানী নোৱাম চমস্কিয়ে ভাষাক মানুহৰ এক সৃষ্টিশীল চেতনাৰ ফল হিচাপে প্ৰতিষ্ঠিত কৰিছে। ভাষা সৃষ্টিৰ ক্ষেত্ৰত মানুহৰ এক সৃষ্টিশীল চেতনাত গুৰুত্ব আৰোপ কৰা হেতুকে চমস্কিৰ ভাষাতত্ত্বৰ ব্যাখ্যাক মনস্তাত্ত্বিক তত্ত্ব বুলি অভিহিত কৰিব পাৰি। তেওঁৰ তত্ত্ব অনুসৰি মানুহৰ বোধৰ গভীৰত থাকে বিভিন্ন ভাব প্ৰকাশ কৰিব পৰা শব্দৰ তালিকা আৰু বাক্য গঠনৰ সমস্ত নিয়ম। এই নিয়মসমূহেই বাক্য সৃষ্টিৰ বাবে মানুহক কুশলী কৰি তোলে আৰু ইয়াৰ ফলত ভাব অনুযায়ী উপযুক্ত শব্দ প্ৰয়োগেৰে তেওঁ অৰ্থ প্ৰকাশক ভিন ভিন বাক্য গঠন কৰি ল'ব পাৰে। চমস্কিৰ এই ব্যাখ্যা মনস্তত্ত্বনিৰ্ভৰ।

১০.২ ভাষাবিজ্ঞানৰ অন্যান্য শ্ৰেণী (Other Sections of Linguistics)

ওপৰত উল্লেখ কৰা শ্ৰেণীসমূহৰ উপৰিও ভাষাবিজ্ঞানৰ আন বিশেষ শ্ৰেণী সাম্প্ৰতিক কালত গঢ় লৈ উঠিছে, সেইবোৰৰ ভিতৰত (চ) প্ৰয়োগ ভাষাবিজ্ঞান (Applied Linguistics) (ছ) সমাজভাষা বিজ্ঞান (Socio-Linguistics) (জ) ভাষাগত পুৰা প্ৰাণীবিজ্ঞান (Linguistics Palacontology) আৰু (ঝ) ভাষাকাল ক্ৰমবিজ্ঞান (glotto chonology) বিশেষভাৱে উল্লেখযোগ্য।

(চ) প্ৰয়োগ ভাষাবিজ্ঞান ঃ

ভাষাবিজ্ঞানৰ পৰা লাভ কৰা যি জ্ঞানৰ সহায়ত ভাষা শিকা আৰু শিকোৱা হয়, তাকেই প্ৰয়োগ ভাষাবিজ্ঞান বোলে। বৰ্তমান যুগত এই শ্ৰেণীৰ ভাষাবিজ্ঞানৰ জনপ্ৰিয়তা আৰু প্ৰয়োজনীয়তা বৃদ্ধি পাই আহিছে। এজন সাধাৰণ লোকে যি

পদ্ধতিৰে নিজৰ মাতৃভাষা ক'বলৈ শিকে, সেই একে পদ্ধতিৰে দ্বিতীয় ভাষা এটা আয়ত্ত কৰিব নোৱাৰে। প্ৰয়োগ ভাষাবিজ্ঞানীয়ে মাতৃভাষা আৰু দ্বিতীয় ভাষা আয়ত্ব কৰিব নোৱাৰে। প্ৰয়োগ ভাষাবিজ্ঞানীয়ে মাতৃভাষা আৰু দ্বিতীয় ভাষা আয়ত্ত কৰা পদ্ধতি দুটাৰ মাজৰ পাৰ্থক্য মানি লৈ এই দুয়োটা ভাষা শিকাৰ সুকীয়া ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰে।

(ছ) সমাজ-ভাষাবিজ্ঞান ঃ

মানুহ সামাজিক প্ৰাণী। সমাজবদ্ধ মানুহৰ পাৰস্পৰিক ভাব-চিন্তা বিনিময়ৰ মাধ্যম হ'ল ভাষা। গতিকে ভাষাৰ এটা সামাজিক প্ৰয়োজনীয়তা আছে। ভাষা বিজ্ঞানী হুইটনীৰ মতে, Language is a social institution. "ভাষাৰ জগত একালে যেনেকৈ মানুহৰ মনৰ ভাব চিন্তা জড়িত, আনফালে তেনেকৈ সামাজিক পৰিস্থিতি আৰু পৰিবেশো সংশ্লিষ্ট। ভাষা সামাজিক গঠনেৰে নিয়ন্ত্ৰিত হেতু কোনো এটা ভাষা অধ্যয়নৰ যোগেদি সেই ভাষা কোৱা লোকৰ সমাজখনৰ স্বৰূপ জানিব পাৰি।

এখন সমাজত বিভিন্ন ধৰ্ম, বৰ্ণ, জাতি, উপজাতিৰ লোকে বাস কৰে। এই লোকসকলৰ জীৱন নিৰ্বাহ প্ৰণালী আৰু সামাজিক স্থিতিৰ স্তৰ ভিন ভিন। এনে ভিন্নতাই তেওঁলোকৰ ভাষাৰো ভিন্নতাৰ সৃষ্টি কৰে। সমাজ ভাষাবিজ্ঞানে এই ভিন্নতা সম্বন্ধে জানিবলৈ সুযোগ দিয়ে।

কোনো এটা ভাষা কোনো এখন সমাজৰ ৰীতি নীতি, শিল্প-সংস্কৃতি, সংস্কাৰ আদিৰ বাহন স্বৰূপ। কোনো এটা ভাষাৰ মান্যভাষা সৃষ্টিৰ মূলতেই হৈছে সামাজিক পৰিস্থিতি। উপভাষা, স্থানীয় উপভাষা, কৃত্ৰিম ভাষা আদিৰ সৃষ্টিৰ ক্ষেত্ৰতো এখন সমাজৰ আদৰ্শই বহু পৰিমাণে ইন্ধন যোগায়। ভাষা এটাত ব্যৱহৃত প্ৰবচন, পটন্তৰ, ফকৰা যোজনা আদিৰ সৃষ্টিত সামাজিক পৰিস্থিতিৰ প্ৰভাৱ অপৰিসীম। সম্বন্ধ বাচক শব্দ, সম্বোধনবাচক শব্দ আদিৰ প্ৰয়োগৰ দ্বাৰা এজন সমাজৰ মানুহৰ আচৰণ সম্পৰ্কে জানিব পাৰি। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাত মামা, জেঠা, পেহা, খুৰা আদি ভিন ভিন সম্বন্ধবাচক শব্দৰ ব্যৱহাৰ আছে। ইয়াৰ পৰা বুজিব পাৰি যে অসমীয়া সমাজত এইসকল সম্বন্ধীয় লোকৰ স্বতন্ত্ৰ ভূমিকা আছে। ইংৰাজীত একমাত্ৰ 'uncle' সম্বন্ধবাচক শব্দটোৰহে ব্যৱহাৰ আছে। এই শব্দটোৰে তাত মামা, জেঠা, খুৰা, পেহা আদিক সূচিত কৰা হয়। অসমীয়া সমাজত মান্যজনক সম্বোধন কৰোঁতে 'দেউতা', 'প্ৰভু ঈশ্বৰ', 'গুৰুদেৱ' আদি শব্দৰ ব্যৱহাৰ কৰা হয়। এইবোৰ

সাধাৰণ শ্ৰেণীৰ লোকৰ মান্যজনৰ প্ৰতি দেখুওৱা শ্ৰদ্ধাৰ মনোভাবকেই সূচিত কৰে। সমাজ ভাষাবিজ্ঞানে সমাজৰ লগত ভাষাৰ নিবিড় সম্পৰ্ক দেখুৱাই ভাষা যে এটা সামাজিক অনুষ্ঠান সেই কথা স্পষ্টভাৱে দেখুৱাই দিয়ে।

(ছ) ভাষাগত পুৰা প্ৰাণীবিজ্ঞান ঃ

ইতিহাসে ঢুকি নোপোৱা কালৰ ভাষাৰ বিচাৰ-বিশ্লেষণৰ যোগেদি সেই কালৰ সমাজ সম্পৰ্কে অনুধাৱন কৰাই হ'ল ভাষাগত পুৰা প্ৰাণীবিজ্ঞানৰ উদ্দেশ্য। ভাষাগত পুৰা প্ৰাণীবিজ্ঞানত ভাষাসমূহৰ বংশগত সম্পৰ্কও দেখুওৱা হয়। ইয়াৰ বাবে ভাষাবিজ্ঞানীয়ে ভূগৰ্ভ বিদ্যা, পুৰাতত্ত্ব ভূগোল প্ৰভৃতি শাস্ত্ৰৰ আশ্ৰয় লয়। কোনো এটা ভাষাত প্ৰয়োগ হোৱা প্ৰাচীনতম বিভিন্ন জীব-জন্তু, চৰাই-চিৰিকটি, নৈ-নলা, পৰ্বত-পাহাৰ আদিৰ নাম বুজোৱা শব্দবোৰ অধ্যয়ন কৰি সেইবোৰৰ সহায়ত সেই ভাষা কোৱা লোকৰ বাসস্থান নিৰূপণ কৰাও এই শ্ৰেণী ভাষাবিজ্ঞানৰ লক্ষ্য।

ভাষাগত পুৰা প্ৰাণীবিজ্ঞানত, কোনো এটা জাতিৰ প্ৰাচীনতম ইতিহাস জানিবৰ বাবে ভাষাৰ তুলনামূলক বিশ্লেষণ আৰু অৰ্থ পৰিবৰ্তনৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ভাষাৰ পুনৰনিৰ্মাণ কৌশলৰ নাম তুলনামূলক পদ্ধতি। পুনৰ নিৰ্মাণ দুই ধৰণৰ ঃ (ক) বাহ্য পুনৰনিৰ্মাণ আৰু (খ) আভ্যন্তৰীণ পুনৰনিৰ্মাণ। বিভিন্ন ভাষাৰ তুলনামূলক অধ্যয়নৰ দ্বাৰা কৰা পুনৰনিৰ্মাণক বাহ্য পুনৰ নিৰ্মাণ বোলে। আনহাতে, একেটা ভাষাত তুলনাত্মক পদ্ধতিৰ সহায়ত প্ৰাচীন ধ্বনি বা ৰূপৰ নিৰ্মাণৰ নাম আভ্যন্তৰীণ পুনৰনিৰ্মাণ।[১] এই শাখাটো বৰ্তমানেও ব্যাপক ভাৱে আলোচিত হোৱা নাই যদিও ইয়াৰ গুৰুত্ব কিন্তু কম নহয়।

ভাষা-কাল ক্ৰমবিজ্ঞান ঃ

সময়ৰ বিৱৰ্তনৰ লগে লগে সমাজ জীৱনৰ পৰিবৰ্তন ঘটে। ফলস্বৰূপে কোনো এটা সময়ত সমাজত প্ৰচলিত বিবিধ বস্তু আন এটা সময়ত অপ্ৰচলিত হৈ পৰে। সেইদৰে কোনো এটা সময়ৰ মানুহৰ চিন্তা-চেতনাও আন এটা সময়ত সম্পূৰ্ণ সলনি হয়। সেয়ে, কোনো এটা সময়ৰ কেতবোৰ বস্তুবস্তুৰ নাম বুজোৱা শব্দ তথা চিন্তা-চেতনা জ্ঞাপক শব্দ আন এটা সময়ত লুপ্ত পায়। এনেদৰে একসময়ত

---

১ ড° উপেন্দ্ৰনাথ গোস্বামী ঃ ভাষাবিজ্ঞান ঃ ৪ৰ্থ সংস্কৰণ ১৯৮২ চন, পৃঃ ৫১

প্ৰচলিত শব্দসমূহৰ আন এটা সময়ত কিমান লুপ্ত হ'ল আৰু কিমান প্ৰচলিত হৈ থাকিল, সিবোৰৰ হিচাপ উলিয়াই জগতৰ প্ৰাচীনতম ভাষাসমূহৰ সম্পৰ্ক নিৰ্ণয় কৰি সি সমূহৰ ক্ৰমবিকাশৰ ধাৰা সম্পৰ্কে যি ভাষাবিজ্ঞানত আলোচনা কৰা হয়, তাক ভাষা কালক্ৰম বিজ্ঞান বোলে। এই শ্ৰেণী ভাষাবিজ্ঞানৰ লগত সামাজিক অৱস্থাও গভীৰভাৱে সম্পৃক্ত। দুটা সমগোত্ৰীয় ভাষাৰ পৃথক কাল নিৰ্ণয়ত ভাষা-কাল-ক্ৰম বিজ্ঞানে সহায়তা কৰে।

এঘাৰ

১১.১ ভাষাবিজ্ঞানৰ লগত অন্যান্য শাস্ত্ৰসমূহৰ সম্পৰ্ক

ভাষা মানুহৰ সম্পদ। ইয়াৰ ওপৰতে গঢ়ি উঠিছে ভাষাবিজ্ঞান। পিছে, অন্যান্য বিজ্ঞানৰ দৰে ভাষাবিজ্ঞানো স্বয়ংসম্পূৰ্ণ নহয়। ইয়াৰ লগত আন আন শাস্ত্ৰ বা বিজ্ঞানৰ সম্পৰ্ক অতি গভীৰ। ভাষাবিজ্ঞানে যেনেকৈ অন্যান্য শাস্ত্ৰ বা বিজ্ঞানৰ আলোচনাৰ পৰিপূৰ্ণতাত সহায় কৰে, তেনেদৰে ভাষাবিজ্ঞানকো অন্যান্য শাস্ত্ৰ বা বিজ্ঞানৰ আলোচনাই পৰিপূৰ্ণ কৰে।

ভাষাবিজ্ঞানৰ লগত সম্পৰ্কযুক্ত অন্যান্য বিজ্ঞান বা শাস্ত্ৰসমূহ হ'ল : (১) সাহিত্য (২) ইতিহাস (৩) দৰ্শন (৪) মনস্তত্ত্ব (৫) ভূগোল (৬) শৰীৰ বিজ্ঞান (৭) সমাজ বিজ্ঞান (৮) পদাৰ্থবিজ্ঞান (৯) বাণিবিজ্ঞান আদি।

(১) সাহিত্য আৰু ভাষাবিজ্ঞান :

সাহিত্যৰ লগত ভাষাবিজ্ঞানৰ সম্পৰ্ক অতি নিবিড়। সাহিত্যৰ মাধ্যম হৈছে ভাষা। সাহিত্যই ভাষাৰ লিখিত নিদৰ্শন দাঙি ধৰে। ভাষাৰ ঐতিহাসিক আৰু তুলনামূলক অধ্যয়নৰ বাবে সাহিত্য অপৰিহাৰ্য্য। ভাষাবিজ্ঞানীয়ে সাহিত্যৰ পৰা সমল আহৰণ কৰি ভাষাৰ গঠন প্ৰণালী বিশ্লেষণ কৰে। প্ৰাচীন ভাৰতীয় আৰ্য-ভাষাৰ নিদৰ্শন স্বৰূপে আমি বেদসমূহ পাওঁ। বেদৰ ভাষাই অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ ধাৰা সম্বন্ধে এটা স্পষ্ট ধাৰণা দি এই ভাষাটোৰ জন্মকাল নিৰ্ণয়ত সহায় কৰাৰ লগতে বঙালী আৰু অসমীয়া ভাষাৰ মাজত থকা সম্পৰ্কটোও দেখুৱাই দিয়ে। হেম সৰস্বতী প্ৰথম অসমীয়া কবি। খ্ৰীঃ ত্ৰয়োদশ-চতুৰ্দশ শতিকামানত তেওঁ প্ৰহ্লাদ চৰিত নামৰ এখনি সৰু কাব্য ৰচনা কৰে। এইখন কাব্যই সেই কালৰ অসমীয়া ভাষাৰ লিখিত ৰূপৰ নিদৰ্শন দাঙি ধৰিছে। অসমীয়া ভাষাৰ ঐতিহাসিক অধ্যয়নত এই পুথিখনৰ ভাষাই যে প্ৰভূত সমল যোগাব তাত সন্দেহ নাই। সেয়ে, ভাষাবিজ্ঞান সাহিত্যৰ ওপৰত নিৰ্ভৰশীল। আন কথাত ক'বলৈ গ'লে ভাষা আৰু সাহিত্যৰ সম্বন্ধ অংগাংগী।

(২) ইতিহাস আৰু ভাষাবিজ্ঞান ঃ

ভাষাবিজ্ঞানৰ লগত ইতিহাসৰো এৰাব নোৱাৰা সম্বন্ধ। কোনো এটা জাতিৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয়, ৰাজনৈতিক ইতিহাসে সেই জাতিৰ ভাষাৰ বিশ্লেষণত যেনেদৰে সহায় কৰে, সেইদৰে সেই জাতিৰ ভাষাৰ অধ্যয়নে সেই জাতিটোৰ অতীত ইতিহাস উদ্ধাৰতো অৰিহণা যোগায়। অসমীয়া ভাষাৰ অধ্যয়নে অসমত দহৰ অতীতৰ পৰা বসবাস কৰি অহা ভিন ভিন জাতি-গোষ্ঠীৰ সমন্বয়াত্মক সাংস্কৃতিক আৰু সামাজিক ইতিহাসৰ কথা সোঁৱৰাই দিয়ে। ভাষাবিজ্ঞানৰ অধ্যয়নৰ যোগেদিয়েই ভাৰতলৈ যুগে যুগে প্ৰব্ৰজিত হোৱা ভিন ভিন জাতি গোষ্ঠীৰ উমান আমি পাব পাৰো। শিলালিপি, প্ৰত্নলেখ, তামৰ ফলি আদিৰ ভাষাৰ অধ্যয়নে যেনেকৈ সংশ্লিষ্ট জাতিটোৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক বা ধৰ্মীয় ইতিহাসৰ ধাৰণা দিয়ে তেনেকৈ ইতিহাসৰ ধাৰণাইও কোনো এটা ভাষাত প্ৰয়োগ হোৱা শব্দৰ প্ৰকৃত অৰ্থ নিৰ্ণয়ত সহায়তা কৰে। ভাৰতত দীৰ্ঘকাল ধৰি ইংৰাজে চলোৱা শাসন প্ৰণালীৰ ইতিহাস, ভাষা সমূহত প্ৰয়োগ হোৱা ইংৰাজী শব্দসমূহৰ পৰাই জানিব পাৰি। সেয়ে ইতিহাস আৰু ভাষাবিজ্ঞান উভয়েই যে পৰস্পৰনিৰ্ভৰশীল এই কথা সহজে অনুমান কৰিব পাৰি।

(৩) দৰ্শন আৰু ভাষাবিজ্ঞান ঃ

ভাষাবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ শাখা হ'ল অৰ্থবিজ্ঞান। অৰ্থবিজ্ঞান সম্পূৰ্ণ ভাবে দাৰ্শনিক তত্ত্বৰ ওপৰত নিৰ্ভৰশীল। প্ৰাচীন ভাৰতীয় দাৰ্শনিক পণ্ডিত সকলে শব্দক ব্ৰহ্মৰ লগত তুলনা কৰি ভাষাৰ লগত দৰ্শনশাস্ত্ৰৰ সম্পৰ্কৰ গভীৰতাক প্ৰতিপন্ন কৰিছে। গঠনমূলক ভাষাবিজ্ঞানৰ প্ৰবক্তাসকলে শব্দাৰ্থক দৰ্শনশাস্ত্ৰৰ ভিতৰুৱা বুলি ধৰি লৈ তাৰ আলোচনাৰ পৰা বিৰত হৈ আছে। ভাষাৰ ব্যাখ্যাত্মক দিশটোৰ ওপৰত দৰ্শনশাস্ত্ৰৰ প্ৰভাৱ অপৰিসীম। দাৰ্শনিকসকলে অন্তৰৰ আৰু বহিৰ্জগতৰ ভাবানুভূতিৰ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা শব্দসমূহ ভাষাবিজ্ঞানৰ পৰম সম্পদ। দৰ্শনশাস্ত্ৰৰ লগত ভাষাবিজ্ঞানৰ যে সম্পৰ্ক আছে, এইবোৰ কথাৰ পৰাই অনুমান কৰিব পাৰি।

(৪) মনস্তত্ত্ব আৰু ভাষাবিজ্ঞান ঃ

মানুহৰ ভাষা সৃষ্টিৰ অন্তৰালত যি দুটা শক্তি নিহিত হৈ আছে সেই দুটা হ'ল মনন আৰু চিন্তন। এই দুই শক্তিৰ বলত মানুহে সৃষ্টি কৰে ভাষা। ভাষা যিহেতু ভাব-চিন্তাৰ বাহন সেইহেতু ই মনস্তত্ত্বৰ ওপৰত নির্ভৰশীল। শব্দৰ অৰ্থৰ বিৱৰ্তন প্ৰক্ৰিয়াত মনস্তত্ত্বই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কোনো এজন মানুহে প্ৰয়োগ কৰা ভাষাৰ বিশ্লেষণৰ সহায়ত সেইজন মানুহৰ মনস্তত্ত্ব সম্বন্ধে সম্যক ধাৰণা কৰিব পাৰি। আনহাতে মনস্তত্ত্বৰ ওপৰতো ভাষাই প্ৰভাৱ বিস্তাৰ কৰি মানুহৰ চিন্তন আৰু মননৰ পৰিৱৰ্তন সাধিব পাৰে। বিখ্যাত ভাষাবিজ্ঞানী নোৱম চমস্কিয়ে তেওঁৰ "General Grammar" ত ভাষা সৃষ্টিৰ ক্ষেত্ৰত মনস্তত্ত্বৰ প্ৰভাৱৰ কথাকেই প্ৰধানকৈ দোহাৰিছে। গতিকে ভাষাবিজ্ঞানৰ লগত মনস্তত্ত্বৰ যে এটা অন্তৰংগ সম্বন্ধ আছে, ই ধ্ৰুৱাপ।

(৫) ভূগোল আৰু ভাষাবিজ্ঞান ঃ

মানুহৰ ওপৰত ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ অপৰিসীম। ভাষা মানুহৰেই সৃষ্টি। সেয়ে মানুহৰ ওপৰত পৰা ভৌগোলিক পৰিৱেশৰ প্ৰভাৱ ভাষাৰ ওপৰতো নপৰাকৈ নাথাকে। ভৌগোলিক পৰিৱেশৰ প্ৰভাৱৰ ফলতেই কোনো এটা ভাষাৰ পৰা একাধিক ভাষাৰ সৃষ্টি হয় আৰু সেই একে কাৰণতে একেটা ভাষাৰ পৰা সৃষ্টি হোৱা বিভিন্ন ভাষাৰ ইটোৰ লগত সিটোৰ গঠন ৰীতিবো পাৰ্থক্যই দেখা দিয়ে। আনহাতে কোনো এটা ভাষাৰ অধ্যয়নে সেই ভাষাৰ উৎপত্তি স্থানৰ ভৌগোলিক পৰিচয় দিব পাৰে। কোনো এটা ভাষাৰ উপভাষাৰ আলোচনাৰ ক্ষেত্ৰত ভূগোলে যেনেদৰে সহায় কৰে তেনেদৰে ভৌগোলিক পৰিৱেশৰ পাৰ্থক্যই উপভাষাৰ সৃষ্টিতো অৰিহণা যোগায়। সেয়ে ভূগোল আৰু ভাষাবিজ্ঞানৰ সম্পৰ্কও যে একেটা সূত্ৰৰে দুটা পিঠিৰ দৰে তাক নিশ্চিতভাৱে ক'ব পাৰি।

(৬) শৰীৰবিজ্ঞান আৰু ভাষাবিজ্ঞান ঃ

ভাষাৰ মূল ধ্বনি। মানুহৰ বাক্‌যন্ত্ৰৰ সহায়ত ধ্বনিৰ সৃষ্টি হয়। বাক্‌যন্ত্ৰ মানুহৰ শৰীৰৰে বিভিন্ন অংগৰ সমষ্টি। গতিকে সি শৰীৰবিজ্ঞানৰে সৈতে যুক্ত। সেয়ে শৰীৰবিজ্ঞান আৰু ভাষাবিজ্ঞানৰ সম্বন্ধ অবশ্যম্ভাৱী।

(৭) সমাজবিজ্ঞান আৰু ভাষাবিজ্ঞান ঃ

(এই সম্পৰ্কে সমাজ ভাষা বিজ্ঞানত আলোচনা কৰা হৈছে।)

(৮) পদাৰ্থবিজ্ঞান আৰু ভাষাবিজ্ঞান ঃ

ভাষাৰ মূল যেনেকৈ ধ্বনি (Sound), তেনেকৈ পদাৰ্থবিজ্ঞানৰো এটা প্ৰশাখা হৈছে ধ্বনি (Sound)। সেইদৰে ভাষাবিজ্ঞানৰ অন্তৰ্গত ধ্বনিবিজ্ঞানৰ এটা উপশাখা হৈছে শ্ৰুতিবিজ্ঞান (Acoustics)। পদাৰ্থবিজ্ঞানৰো উপশাখা এটা হৈছে শ্ৰুতি বিজ্ঞান (Acoustics)। উক্ত দুয়ো শ্ৰেণী বিজ্ঞানৰ অধ্যয়ন ৰীতিৰ মাজতো এটা সম্পৰ্ক আছে। সেই কাৰণে, পদাৰ্থবিজ্ঞান আৰু ভাষাবিজ্ঞানৰ মাজত এটা সম্পৰ্ক থকা বুলি পণ্ডিতসকলে মন্তব্য দিছে।

(৯) ৰাশিবিজ্ঞান আৰু ভাষাবিজ্ঞান ঃ

সাম্প্ৰতিক কালত ভাষাৰ পৰিবৰ্তন আৰু ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰূপণ কৰাৰ উদ্দেশ্যে ভাষাবিজ্ঞানত আৰু এটা শাখা সংযোজিত হৈছে। ইয়াৰ নাম শব্দ ৰাশি বিজ্ঞান (Lexico Statistics)। ই সম্পূৰ্ণভাৱে ৰাশিবিজ্ঞানৰ লগত যুক্ত। ৰাশিবিজ্ঞানৰ পদ্ধতি শব্দ ৰাশিবিজ্ঞানৰ ব্যাখ্যা আগবঢ়োৱা হয়। গতিকে ৰাশি বিজ্ঞানৰ লগতো ভাষাবিজ্ঞান জড়িত।

বাৰ

১২.১ ভাষাবিজ্ঞানৰ আলোচ্য বিষয় (Subject matters of Linguistics)

ভাষা কেতবোৰ বাক্যৰ সমষ্টি। বাক্যই হৈছে ভাষাৰ অৰ্থযুক্ত বৃহত্তম একক (Unit)। একোটা বাক্য বিশ্লেষণ কৰিলে আমি পাওঁ এনেকুৱা অৰ্থযুক্ত ক্ষুদ্ৰতম অংশ। ইয়াক ৰূপ বা আকৃতি বোলে। ৰূপক বিশ্লেষণ কৰিলে পাওঁ ধ্বনি। এই ধ্বনিয়েই ভাষাৰ মূল বুলি কোৱা হয়। কিন্তু ধ্বনিৰ নিজৰ সুকীয়া অৰ্থ নাই। গতিকে দেখা গ'ল ভাষাৰ প্ৰধান স্তৰ তিনিটা : ক) ধ্বনি খ) ৰূপ আৰু গ) বাক্য। এই তিনিটাই ভাষাবিজ্ঞানৰো প্ৰধান আলোচ্য বিষয়। এই বিষয় তিনিটাক ভিত্তি কৰি গঢ়ি উঠা ভাষাবিজ্ঞানৰ বিভাগ তিনিটা হ'ল : ধ্বনিতত্ত্ব (Phonology), ৰূপতত্ত্ব (Marphology) আৰু বাক্যতত্ত্ব (Syntax)।

সাধাৰণতে ভাষাবিজ্ঞানত বাক্য পৰ্যন্তকহে আলোচিত হয় যদিও সাম্প্ৰতিক কালত ইয়াৰ চিন্তা-চৰ্চা প্ৰসাৰিত হোৱাত আৰু কেইটামান ভাগ বিভাগ গঢ় লৈ উঠিছে। সেইবোৰ হ'ল : শব্দাৰ্থতত্ত্ব (Semantics), লিপিবিজ্ঞান (Graphics), অভিধানবিজ্ঞান (Lexicography), আৰু শৈলীবিজ্ঞান (Stylistics)।

১২.২ ধ্বনিতত্ত্ব

ভাষাবিজ্ঞানৰ যিটো বিভাগত ধ্বনি বিষয়ক বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণ কৰা হয়, ব্যাপক অৰ্থত তাকেই ধ্বনিতত্ত্ব বোলে। (Phonology is a cover term embracing phonetics and phonemics. Francis Nelson : The structure of American English. Newyork Ronald Press Co 1958 ch. I)

ভাষাবিজ্ঞানত ধ্বনিৰ আলোচনা গুৰুত্বপূৰ্ণ। ধ্বনিতত্ত্বৰ দুটা শাখা ধ্বনিবিজ্ঞান (Phonetics) আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা ধ্বনিমবিজ্ঞান (Phonemics)।

ধ্বনিৰ উচ্চাৰণ, উচ্চাৰণৰ বিভিন্ন ধৰণ, মূল আৰু ধ্বনিৰ

বিভিন্ন গুণ, আদিৰ লগতে বাগিন্দ্ৰিয়ৰ গঠন আৰু প্ৰক্ৰিয়া সম্পৰ্কে বিস্তৃত বিশ্লেষণ কৰা হয়। ইয়াৰ আকৌ তিনিটা শাখা :

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory phonetics)

(খ) ধ্বনি তৰংগবিজ্ঞান বা শ্ৰুতিবিজ্ঞান (Acoustics) আৰু

(গ) শ্ৰৱণমূলক ধ্বনিবিজ্ঞান (Auditory phonetics)

ভাষা বিশ্লেষণৰ ক্ষেত্ৰত উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানৰ প্ৰয়োজনীয়তাই বেছি। ধ্বনি তৰংগবিজ্ঞান আৰু শ্ৰৱণমূলক ধ্বনিবিজ্ঞান যথাক্ৰমে পদাৰ্থবিজ্ঞান আৰু শৰীৰবিজ্ঞানৰ লগত যুক্ত।

কোনো এটা ভাষাত প্ৰয়োগ হোৱা ধ্বনিসমূহৰ প্ৰকৃতি বিচাৰৰ সহায়ত সিবোৰৰ সমন্বয় নিৰ্ণয় আৰু অনুৰূপ ধ্বনিৰ লগত পাৰ্থক্য বিচাৰেই হ'ল বিশিষ্ট ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞানৰ আলোচ্য বিষয়। ধ্বনিবিজ্ঞান সাধাৰণ ভাষা অথবা কোনো বিশেষ ভাষাৰো হ'ব পাৰে, কিন্তু বিশিষ্ট ধ্বনিবিজ্ঞান বা বৰ্ণবিজ্ঞান ভাষা বিশেষক ভিত্তি কৰি গঢ়ি উঠে।

১২.৩ ৰূপতত্ত্ব

ভাষাবিজ্ঞানৰ যিটো বিভাগত ভাষাৰ ৰূপ গ্ৰাম বা প্ৰকৃতিবোৰৰ বিশ্লেষণৰ লগতে সিবোৰৰ সহায়ত শব্দৰ গঠন আৰু সিবোৰৰ ৰূপ বৈচিত্ৰ্য সাধনৰ উপাদান আদিৰ বিষয়ে আলোচনা কৰা হয়, সেই বিভাগটোকেই ৰূপতত্ত্ব বোলে। কোনো কোনো পণ্ডিতে ইয়াক শব্দৰ ব্যাকৰণ বুলিও কয়। বিশিষ্ট ভাষাবিদ ব্লুমফিল্ডৰ মতে, "বদ্ধৰূপ সম্বলিত ভাষাৰ অংগবোৰৰ আলোচনাই হ'ল ৰূপতত্ত্ব।" (Morphology is the study of the constructions in which bound forms appear among the constituents) ৰূপতত্ত্ব বিশেষজ্ঞ E.A. Nida ৰ ভাষাত ৰূপগ্ৰাম বা প্ৰকৃতি আৰু শব্দ বা শব্দাংশ গঠনত সেইবোৰৰ প্ৰয়োগ সম্বন্ধে অধ্যয়নেই হ'ল ৰূপতত্ত্ব। (Morphology is the study of morphemes and their arrangements in forming words or part of words)।

১২.৪ বাক্যতত্ত্ব

বাক্যই মানুহৰ মনৰ এটি সম্পূৰ্ণ ভাব প্ৰকাশ কৰে। সেই কাৰণে ভাষাক বাক্যভিত্তিক বুলি কোৱা হয়। বাক্য এটাত ব্যৱহৃত পদসমূহৰ এটা নিৰ্দিষ্ট প্ৰণালী

আছে। বাক্য তত্ত্বত কোনো এটা ভাষাত ব্যৱহৃত পদসমূহৰ প্ৰণালী ইটো পদৰ লগত সিটো পদৰ সম্পৰ্ক, সেই সম্পৰ্কৰ প্ৰকাৰ ভেদ আদিৰ বিশ্লেষণ কৰা হয়।

কোনো কোনো পণ্ডিতে ৰূপতত্ত্ব আৰু বাক্যতত্ত্বক একেলগে ব্যাকৰণ বোলে। বিশেষ অৰ্থত ৰূপতত্ত্ব আৰু বাক্যতত্ত্বই ব্যাকৰণ বুজায় যদিও বহল অৰ্থত, ভাষা বিজ্ঞান বুজাবলৈও ব্যাকৰণ শব্দ ব্যৱহাৰ কৰা হয়।

১২.৫ শব্দাৰ্থতত্ত্ব

ভাষাৰ ভাব বা অৰ্থ সম্পৰ্কীয় বিচাৰ-বিশ্লেষণক শব্দাৰ্থ তত্ত্ব বোলে। অৰ্থই হ'ল ভাষাৰ আত্মা। ভাষাত আৰোপিত অৰ্থ পৰিবৰ্তনশীল। প্ৰসংগ আৰু কালভেদে একেটা শব্দই ভিন ভিন অৰ্থ প্ৰকাশ কৰে। এই অৰ্থই দৰাচলতে ভাষাৰ সামাজিক দিশটোৰ প্ৰতিনিধিত্ব কৰে। সেয়ে, শব্দাৰ্থতত্ত্ব সমাজ মনস্তত্ত্বৰ লগত ঘনিষ্ঠভাৱে জড়িত।[১] ভাষাৰ আলোচনাক পূৰ্ণাংগ ৰূপ দিয়ে শব্দাৰ্থ তত্ত্বই। সেই কাৰণে, ইয়াক ভাষাবিজ্ঞানৰ এটা আলোচ্য বিষয় হিচাপে গ্ৰহণ কৰা হৈছে।

১২.৬ লিপিবিজ্ঞান

মানুহৰ মনৰ ভাব প্ৰকাশৰ বাহন হৈছে ভাষা। এই ভাষাক স্থান আৰু কালৰ সীমা চেৰাবৰ বাবে যিদিনাই ব্যৱস্থা গ্ৰহণ কৰা হ'ল, সিদিনাই আবিষ্কৃত হ'ল লিপিৰ এই লিপিৰ উদ্ভৱ, বিৱৰ্তন আৰু বিভিন্ন লিপিৰ বৈশিষ্ট্যৰ প্ৰণালীবদ্ধ আলোচনাক লিপিবিজ্ঞান বোলে। লিপিৰ সহায়ত কোনো এক বিশেষ স্থান বা কালৰ ভাষাক আন এটা বিশেষ স্থান বা কালত জানিব পৰা যায়।

১২.৭ অভিধানবিজ্ঞান

---

১ ড° গোলোক চন্দ্ৰ গোস্বামী : ধ্বনিবিজ্ঞানৰ ভূমিকা ৩য় সংস্কৰণ, ১৯৮৫, পৃঃ ২০

১ ড° ৰামেশ্বৰ শ : সাধাৰণ ভাষা বিজ্ঞান ও বাংলাভাষা : প্ৰথমখণ্ড, প্ৰথম প্ৰকাশ, ১৩৯০, পৃঃ ৪৫

অভিধানবিজ্ঞান আধুনিক ভাষাবিজ্ঞানৰ এটা উল্লেখযোগ্য বিভাগ হ'ল অভিধানবিজ্ঞান। পৃথিৱীৰ প্ৰায় সকলো ভাষাতে অভিধান ৰচনাৰ পৰম্পৰা আছে। ভাৰতৰ বৈদিক যুগতেই ই সমৃদ্ধিশালী হৈ উঠিছিল। সাম্প্ৰতিক কালত ইয়াক ফলিত ভাষাবিজ্ঞানৰ এটা বিভাগ হিচাপেও ধৰা হয়। অভিধানবিজ্ঞানত আধুনিক অভিধান ৰচনাৰ ৰীতি-প্ৰকৃতি সম্বন্ধেও আলোচনা কৰা হয়। ভাষাৰ ধ্বনি আৰু অৰ্থৰ মাজত থকা সম্পৰ্কৰ বিশ্লেষণ কৰা হয় অভিধানত। সেই কাৰণে ইয়াক ভাষাবিজ্ঞানৰ সংযোগমূলক বিভাগ (Liaison division) বুলিও ক'ব পাৰি।

১২.৮ শৈলীবিজ্ঞান

শৈলীবিজ্ঞান আধুনিক ভাষাবিজ্ঞানৰ এটা সমৃদ্ধিশালী বিভাগ। ভাষাৰ শৈলী সম্পৰ্কে বিতং আৰু প্ৰণালীবদ্ধ আলোচনা কৰা হয় শৈলীবিজ্ঞানত। বক্তা বা লেখকৰ চিন্তন, মনন আৰু বৈশিষ্ট্যৰ প্ৰকাশেই হ'ল শৈলী। বিশেষ কোনো পৰিস্থিতি অথবা সৃষ্টিশীল প্ৰেৰণাৰ বাবে কোনো বক্তা বা লেখকে প্ৰচলিত ৰীতিৰ পৰা আঁতৰি আহি এক বিশেষ ভংগীৰে যেতিয়া কোনো এক বিষয়বস্তুক প্ৰকাশ কৰে তেতিয়া সিয়েই হৈ পৰে সেই বক্তা বা লেখকজনৰ ভাষাৰ শৈলী। উল্লেখ যোগ্য যে এই বিশেষ প্ৰকাশভংগীয়ে বহু সময়ত ব্যাকৰণৰ প্ৰচলিত নিয়মকো উলংঘা কৰে। শৈলীবিজ্ঞান সম্বন্ধে G.W. Turner য়ে তেখেতৰ Stylistics নামৰ গ্ৰন্থত লিখিছে, "Stylistics is that part of Linguistics which concentrates on variation in the use of language, often, but not exclusively with special attention to the most concious and complex uses of language in literature."

তেৰ

ধ্বনিতত্ত্ব (Phonology)

১৩.১ ধ্বনিবিজ্ঞান (Phonetics)

ওপৰত উল্লেখ কৰি অহা হৈছে যে ভাষাৰ মূল সামগ্ৰী ধ্বনি। এই ধ্বনিৰ বিশ্লেষণাত্মক আলোচনাই হৈছে ধ্বনিবিজ্ঞান (phonetics) আৰু বিশিষ্ট ধ্বনি বিজ্ঞান বা বৰ্ণবিজ্ঞান (phonemics) আৰু বিশেষ অৰ্থত কোনো এটা ভাষাৰ উভয় দিশৰ আলোচনাই হ'ল ধ্বনিতত্ত্ব (phonology)।

এতিয়া, এই ধ্বনিবোৰ কি আৰু সেইবোৰ কেনেকৈ সৃষ্টি হয়, সেই বিষয়ে আলোচনা কৰোঁহক।

সাধাৰণ ভাবে ইংৰাজী Sound শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত ধ্বনি শব্দৰ প্ৰয়োগ কৰা হয়। বহল অৰ্থত চৰাই-চিৰিকটি, জীৱ-জন্তু আদিৰ মাত, নদীৰ সোঁতৰ কুলু কুলু শব্দ, গাড়ী-মটৰৰ ঘৰ্ঘৰনি, পেঁপাৰ মাত আদি সকলোবোৰেই ধ্বনি। কিন্তু ভাষাবিজ্ঞানত একমাত্ৰ মানুহৰ বাগযন্ত্ৰৰ সহায়ত উচ্চাৰিত হোৱা ধ্বনি (phone) ৰ হে আলোচনা কৰা হয়।

সাধাৰণতে প্ৰশ্ন হয়, মানুহেনো এই ধ্বনিবোৰ কেনেদৰে সৃষ্টি কৰে? হাওঁফাওঁৰ পৰা নিৰ্গত বায়ু প্ৰবাহক বাগযন্ত্ৰৰ সহায়ত বিভিন্ন ধৰণে নিয়ন্ত্ৰণ অথবা বাধা প্ৰদান কৰিলে ধ্বনিৰ সৃষ্টি হয়। অৱশ্যে বাহিৰৰ পৰা মুখেৰে বতাহ ভৰাই দিও ধ্বনিৰ সৃষ্টি কৰিব পাৰি। কিন্তু এনে ধ্বনিৰ সংখ্যা সীমিত। ধ্বনিৰ সৃষ্টিত বাগযন্ত্ৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিন্তু, বাগযন্ত্ৰ বুলিলে মানৱদেহৰ কোনো এটা নিৰ্দিষ্ট যন্ত্ৰক নুবুজায়। ই মানৱদেহৰ বিভিন্ন অংগৰ সমন্বয়েৰে গঠিত। তদুপৰি যিবোৰ অংগেৰে বাগযন্ত্ৰ গঠিত, সেইবোৰৰ প্ৰাথমিক কাৰ্য ধ্বনি সৃষ্টি কৰা নহয়; শ্বাস-প্ৰশ্বাস লোৱা আৰু খাদ্য গ্ৰহণত সহায় কৰাহে। ধ্বনি সৃষ্টি এইবোৰৰ গৌণ কাৰ্য। সি যি কি নহওক, ভাষাৰ বিজ্ঞানসন্মত আলোচনাত বাগযন্ত্ৰৰ গঠন আৰু কাৰ্য সম্পৰ্কেও কিছু বিশ্লেষণৰ প্ৰয়োজন আছে।

তলত বাগযন্ত্ৰৰ বিভিন্ন অংগৰ বিৱৰণৰ লগতে সেইবোৰৰ উপযোগিতা সম্বন্ধে আলোচনা কৰা হ'ল।



বাগ্‌যন্ত্ৰ

মানুহৰ দেহৰ যিবোৰ অংগ-প্ৰত্যংগক বাগ্‌যন্ত্ৰৰ ভিতৰত ধৰা হৈছে (ওপৰৰ চিত্ৰ চাওক) সেইবোৰ হ'ল ঃ

১।	ওঁঠ	(Lips)
২।	দাঁত	(Teeth)
৩।	দন্তমূল	(Teeth Ridge)
৪।	তালু	(Palate)
৫।	জিভা	(Tongue)
৬।	আলজিভা	(Uvula)
৭।	উপজিহ্বা	(Epiglottis)
৮।	গলকোষ	(Pharynx)
৯।	স্বৰকন্দ	(Larynx)
১০।	স্বৰতন্ত্ৰী বা কণ্ঠতন্ত্ৰী	(Vocal chords)
১১।	শ্বাস নলী	(Wind pipe)
১২।	নাসিকাবিবৰ	(Nostril)
১৩।	হাঁওফাওঁ	(Lungs)

ধ্বনিৰ উচ্চাৰণত হাওঁফাওঁৰ ভূমিকা গুৰুত্বপূৰ্ণ। হাওঁফাওঁ মানুহৰ বুকুৰ মাজত অৱস্থিত এনে এটি অংগ যাৰ সহায়ত উশাহ-নিশাহ লৈ মানুহে জীৱন ধাৰণ কৰে। বতাহৰ যি প্ৰবাহ ধ্বনি উচ্চাৰণৰ মূল, তাক সৃষ্টি কৰে হাওঁফাওঁৱে। সেয়ে, হাওঁফাওঁক বাগ্‌যন্ত্ৰৰ অন্যতম অংগ হিচাপে ধৰাত একো বাধা থাকিব নোৱাৰে।

হাওঁফাওঁৰ পৰা মুখ আৰু নাসিকাবিবৰেদি বতাহ ওলাই অহা আৰু সোমাই যোৱা যি ডাল নলী আছে সেই ডালেই হ'ল শ্বাস নলী (Wind pipe)। ইয়াৰ তলৰ অংশ হাওঁফাওঁৰে সৈতে যুক্ত আৰু ওপৰৰ অংশ মুখ আৰু নাসিকাবিবৰৰ লগত মিলি গৈছে।

শ্বাসনলীৰ সমান্তৰালভাৱে আন এডাল নলী ওলাই নামি গৈ পাকস্থলী (Stomach)ৰ লগত যুক্ত হৈ পৰিছে। ইয়াৰ নাম খাদ্যনলী (Gullet) এই নলীয়ে খাদ্যবস্তু পাকস্থলীত প্ৰবেশ কৰে। আমি মনত ৰখা ভাল যে ধ্বনি সৃষ্টিত খাদ্যনলীৰ কোনো ভূমিকা নাই।

শ্বাসনলীৰ ওপৰৰ ফালে, গলকোবৰ ঠিক তলত যিটো স্ফীত অংশ আছে তাক কোৱা হয় কণ্ঠমণি বা ঘণ্টিকা (Adam's Apple) শ্বাসনলীৰ এই অংশটোৰ ভিতৰভাগ তুলনামূলকভাৱে কিঞ্চিৎ বেছি ফোঁপোলা। ইয়াক স্বৰযন্ত্ৰ (Larynx) বোলে। কোনো কোনোৱে ইয়াক স্বৰকক্ষও বোলে। হাওঁফাওঁৰ পৰা শ্বাসনলীৰে বতাহ ওলাই আহোঁতে পোনতে বাধা পায় স্বৰযন্ত্ৰত। স্বৰযন্ত্ৰৰ মাজত জিভাৰ দৰে দুটা কোমল আৰু পাতল মাংসপেশী আছে। ইয়াক স্বৰতন্ত্ৰী বা কণ্ঠতন্ত্ৰী (Vocal chords) বোলে। স্বৰতন্ত্ৰী দুটা ডিঙিৰ সন্মুখৰ ফালে পৰস্পৰ লগ লগা আৰু পিছৰফালে বিচ্ছিন্ন। ইহঁত স্থিতিস্থাপক গুণবিশিষ্ট। স্বৰতন্ত্ৰী দুটাক বহলাই দিবও পাৰি আৰু কোঁচাই দিবও পাৰি। বহলাই দিলে শ্বাসনলী বন্ধ হয় আৰু কোঁচাই দিলে খোলা হয়। স্বৰতন্ত্ৰী কোঁচাই দিলে বতাহ অহা-যোৱা কৰিবৰ নিমিত্তে মাজত যিটো পথ ওলায় তাক স্বৰপথ (glottis) বোলে। ইয়াক কণ্ঠ[1] বুলিও কোৱা। স্বৰতন্ত্ৰী দুটা পৰস্পৰৰ পৰা যেতিয়া আঁতৰা আঁতৰিকৈ থাকে তেতিয়া স্বৰপথেৰে হাওঁফাওঁৰ পৰা কোনো বাধা নোপোৱাকৈ বতাহ ওলাই আহে। এনে ক্ষেত্ৰত বতাহে স্বৰতন্ত্ৰীত কঁপনি তুলিব নোৱাৰে। এই অৱস্থাত মানুহে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰক অঘোষ ধ্বনি (Voiceless Sound) বোলে। যেনে, অসমীয়া ভাষাৰ ক্, খ্, ত, থ আদি অঘোষ ধ্বনি। সংস্কৃত ভাষাৰ বৰ্গৰ প্ৰথম আৰু দ্বিতীয় ধ্বনিসমূহো অঘোষ। আকৌ স্বৰতন্ত্ৰী দুটা ওচৰ চপাই আনি যেতিয়া স্বৰপথটোক ঠেক কৰা হয়, তেতিয়া সেই পথেদি ওলাই অহা বতাহে স্বৰতন্ত্ৰী দুটাক ঠেলি

১ ড° গোলোক চন্দ্ৰ গোস্বামী : ধ্বনিবিজ্ঞানৰ ভূমিকা ৩য় সংস্কৰণ, পৃঃ ৩১

দিয়ে। ফলস্বৰূপে স্বৰতন্ত্ৰী দুডালত কম্পনৰ সৃষ্টি আৰু সেই কম্পনে এটা সুৰ উৎপাদন কৰে। এই সুৰকেই নাদ বা ঘোষ (Voice) বোলে। এনে অৱস্থাত যি ধ্বনি উচ্চাৰিত হয় তাকে ঘোষ ধ্বনি (Voiced Sound) বোলে। অসমীয়া ভাষাৰ গ, ঘ, দ, ধ আদি ঘোষ ধ্বনি। সংস্কৃত ভাষাৰ বৰ্গৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম ধ্বনিসমূহ ঘোষ। আনহাতে স্বৰতন্ত্ৰী দুডালক অলপ বেছিকৈ আঁতৰাই (পূৰ্ণ বিচ্ছেদৰ অৱস্থানলৈ নহয়) আনি এক মধ্যবৰ্তী স্থানত স্থাপন কৰিলে বতাহে সেই দুডাল কঁপাই তুলিব নোৱাৰে। স্বৰতন্ত্ৰীৰ এনে অৱস্থাত যি ধ্বনিৰ সৃষ্টি হয় তাক ফুচফুচনি (Whispered Sound) বোলে।

ওপৰত উল্লেখ কৰি অহা হৈছে যে স্বৰতন্ত্ৰী দুডাল বহলাই দি শ্বাসনলী সম্পূৰ্ণৰূপে বন্ধ কৰিব পাৰি। এনেদৰে শ্বাসনলী বন্ধ হ'লে হাওঁফাওঁলৈ বতাহ চলাচল কৰিব নোৱাৰে আৰু তেনে অৱস্থাত কোনো ধ্বনিও সৃষ্টি নহয়। কিন্তু স্বৰতন্ত্ৰী দুডাল সম্পূৰ্ণভাৱে লগ লগাই তলৰ বতাহৰ চাপ বৃদ্ধি কৰি হঠাৎ আঁতৰাই আনিলে এক প্ৰকাৰ ধ্বনি উচ্চাৰিত হয়। এনে ধ্বনিক ৰুদ্ধ স্বৰপথ ধ্বনি (Glottal Stop) বোলে। কোনো কোনোৱে ইয়াক কণ্ঠ্য স্পৰ্শ ধ্বনিও বোলে। স্বৰতন্ত্ৰীৰ পৰা অলপ আঁতৰত, ওপৰৰ ফালে, স্বৰতন্ত্ৰীৰ দুয়োফালে আন দুডাল মাংসপেশী থাকে। এই দুডালক ভুৱা বা কৃত্ৰিম স্বৰতন্ত্ৰী (False Vocal Chords) বোলে। ধ্বনিতত্ত্ববিদ জোন্‌চৰ মতে ফুচফুচনি ধ্বনি (Whispered Sound) উচ্চাৰণত ভুৱা স্বৰতন্ত্ৰী দুডাল পৰস্পৰৰ ওচৰ চপাই আনি সিহঁতৰ মাজেদি বতাহ চলাচলৰ পথ এটা সৃষ্টি কৰি যি ধ্বনি উচ্চাৰণ কৰা হয় সেয়েই ফুচফুচনি। পিছে সাম্প্ৰতিক কালৰ ধ্বনিতত্ত্ববিদ সকলৰ কোনো কোনোৱে পৰীক্ষা চলাই এই তথ্য অসত্য বুলি প্ৰমাণ কৰিছে।[1] শ্বাসনলী আৰু খাদ্যনলী সমান্তৰালভাৱে ওপৰলৈ উঠি আহি ডিঙিৰ ভিতৰত যি ঠাইত মিলিত হৈ এটা নলীত পৰিণত হৈছে, সেই মিলন স্থানকেই গলকোষ (Pharynx) বোলে। গলকোষ হৈছে মুখ আৰু নাসিকাবিবৰৰ শেষ সীমা। অৰ্থাৎ ওপৰৰ ফালে ই মুখ আৰু নাসিকাবিবৰৰ লগত যুক্ত। গলকোষৰ ঘৰ্ষণৰ ফলত যি ধ্বনিৰ সৃষ্টি হয় তাক গাল ধ্বনি বা কণ্ঠনালীয় ধ্বনি (Pharngeal Sound) বোলে। অসমীয়া ভাষাৰ 'হ' ধ্বনি গাল ধ্বনি (Pharngeal Sound)। শ্বাসনলীৰ ওপৰৰ মূৰত জিভাৰ দৰে আন এডাল সৰু মাংসপেশী আছে। ইয়াৰ এটা মূৰ জিহ্বা মূলৰ ভিতৰফালৰ লগত যুক্ত। ইয়াক উপজিহ্বা (Epiglottis) বোলে। কোনো কোনো ধ্বনিতত্ত্ববিদৰ মতে আহাৰ খোৱাৰ সময়ত উপজিহ্বাই শ্বাসনলীৰ পথটো বন্ধ কৰি ৰাখে। কোনো কোনোৱে আকৌ এই ধাৰণা মানি লব নোখোজে। সি যি

১ ড° গোলোক চন্দ্ৰ গোস্বামী : ধ্বনিবিজ্ঞানৰ ভূমিকা : ৩য় সংস্কৰণ, ১৯৮৬, পৃ: ৩১

কি নহওক, উপজিহ্বাৰ আচল কাম কি ক'ব পৰা নাযায় আৰু ইয়াক অকলশৰীয়াকৈ লবচৰ কৰিবও নোৱাৰি।[১]

উপজিহ্বা গলকোষৰ পিছতেই বাগযন্ত্ৰৰ উচ্চাৰণীয় অংগ হ'ল মুখ, জিভা আৰু নাসিকা। হাওঁফাওঁৰ পৰা নিৰ্গত বতাহ শ্বাসনলীৰে আহি গলকোষ একাৰ পিছত মুখবিবৰ আৰু নাসিকা ৰন্ধ্ৰৰে বাহিৰলৈ ওলাই যায়। সাধাৰণতে উশাহ-নিশাহ লওঁতে বতাহ, নাসিকা বিবৰেদি চলাচল কৰে। নাসিকা বিবৰেদি ওলাই অহা বতাহে যেতিয়া তাৰ চাৰিও ফালৰ বেৰত খুন্দিয়ায় তেতিয়া এটা অনুনাসিক নাদ (Nasal Resonance) ৰ সৃষ্টি হয়। এনে নাদৰ ফলত যি ধ্বনি উচ্চাৰিত হয় তাকেই কোৱা হয় নাসিক্য ধ্বনি (Nasal Sound)। অসমীয়া ভাষাৰ ঙ, ন, ম ধ্বনি নাসিক্য ধ্বনি। নাসিকা আৰু মুখবিবৰ খোলা থাকিলে আৰু দুয়ো ফালেদি বতাহ ওলাই আহিলে যি ধ্বনিৰ সৃষ্টি হয় তাক অনুনাসিক ধ্বনি বোলে। মৌখিক স্বৰ ধ্বনিৰ লগত উচ্চাৰিত অনুনাসিক ধ্বনিক সূচিত কৰিবলৈ (ঁ) (চন্দ্ৰবিন্দু) ব্যৱহাৰ কৰা হয়। যেনে, অসমীয়া বাঁহ শব্দৰ 'আঁ' অনুনাসিক।

নাসিকা আৰু মুখবিবৰক যিখন বেৰে পৃথক কৰিছে সেইখনক তালু (Palate) বোলে। তালুখনৰ ওপৰৰ ফালে নাসিকাবিবৰ আৰু তলৰ ফালে মুখবিবৰ। নাসিকাবিবৰত বতাহৰ প্ৰবাহক বাধা দিবলৈ লবচৰ কৰিব পৰা কোনো অংগ নাই। মুখবিবৰৰ লগত যুক্ত বাগযন্ত্ৰৰ বিভিন্ন অংগবোৰ হ'ল— ওঁঠ (Lips), দাঁত (Teeth), তালু (Palate) আৰু জিহ্বা (Tongue)। এইবোৰৰ ভিতৰত ওপৰৰ ওঁঠ, দাঁত আৰু তালুক উৰ্দ্ধস্থ উচ্চাৰক (Upper Articulator) সাধাৰণতে ব্যঞ্জন ধ্বনিৰ সৰহ ভাগৰে উচ্চাৰণ স্থান (Place of Articulation) বোলে।

মুখবিবৰৰ সন্মুখৰ ফালৰ সঞ্চালনক্ষম বাগ অংগ হৈছে ওঁঠ দুটা। ওঁঠ দুটাৰ সহায়ত যি ধ্বনি উচ্চাৰিত হয় সি ওষ্ঠ্য (Bilabial Sound)। যেনে, অসমীয়া প, ব, ফ, ভ ইত্যাদি।

ওঁঠ দুটা এৰি ভিতৰ সোমালেই আমি পাওঁ দুশাৰি দাঁত। ধ্বনি উচ্চাৰণত ওপৰ পাৰি দাঁতৰ সন্মুখৰখিনিটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰে। তলৰ ওঁঠটোৱে ওপৰ পাৰি দাঁত স্পৰ্শ কৰি যি ধ্বনি উচ্চাৰণ কৰা হয় তাক দন্তৌষ্ঠ্য (Labio dental) ধ্বনি বোলে। যেনে, ইংৰাজী F, V.

জিভাৰ আগটোৱে ওপৰ পাৰি দাঁত স্পৰ্শ কৰি উচ্চাৰণ কৰা ধ্বনি হ'ল দন্ত্য (Dental) ধ্বনি। যেনে, সংস্কৃত ত, দ, থ, ধ।

---

১ প্ৰাগুক্ত গ্ৰন্থ : পৃঃ ৩৮

ওপৰ পাৰি দাঁতৰ পিছফালে আছে তালু। তালুখন দাঁতৰ গুৰিৰ পৰা আলজিহ্বা (Uvula) লৈকে বিস্তৃত। এইখনক পাঁচটা ভাগত ভগাব পাৰি : (১) দন্তমূল (Teeth Ridge) (২) আগতালু (Front Palate) বা মূৰ্দ্ধন (Cacumina) (৩) কঠিন তালু (Hard Palate) (৪) কোমল তালু বা পাছ তালু (Soft Palate, Velum) আৰু (৫) আলজিহ্বা (Uvula)।

দন্তমূল হৈছে দাঁতৰ মাৰি। ভিতৰ ফালে ই কিঞ্চিৎ বাহিৰলৈ ওলাই আছে। জিহ্বাৰ আগটোৰে দন্তমূল স্পৰ্শ কৰি যি ধ্বনি উচ্চাৰণ কৰা হয়, তাক দন্তমূলীয় (Alveolar) ধ্বনি বোলে। যেনে, অসমীয়া ভাষাৰ টান, তৰা, টকা, তল আদি শব্দৰ ত, ট আখৰে দন্তমূলীয় ধ্বনিকে সূচিত কৰে।

দন্তমূলৰ পাছৰ যিটো অংশ বেঁকা হৈ ভিতৰফাললৈ সোমাই গৈছে সেই অংশটো কঠিন। ইয়াকে আগতালু বোলে। জিভাৰ আগটোৰে আগতালু স্পৰ্শ কৰি যি ধ্বনি উচ্চাৰণ কৰা হয় সিয়েই মূৰ্দ্ধন্য (Cacuminal, Cerebral, Retroflex) ধ্বনি। সংস্কৃত আৰু বঙালী ভাষাৰ ট, ঠ, ড আদি মূৰ্দ্ধন্য ধ্বনি।

আগতালুৰ পাছৰ অংশটো হৈছে কঠিন তালু। আগজিভাৰে কঠিন তালু স্পৰ্শ কৰি উৎপাদন কৰা ধ্বনিক তালব্য (Palatal) ধ্বনি বোলে। সংস্কৃত ভাষাৰ শ, য় আদি ধ্বনি তালব্য ধ্বনি।

কঠিন তালুৰ পাছৰ ফালে তালুখনৰ যিটো অংশ কোমল আৰু তললৈ নামি আছে সেই অংশটোৰ নাম কোমল তালু বা পশ্চাৎ তালু (Soft Palate or Velum)। জিহ্বাৰ পাছ অংশ ওপৰলৈ দাঙি পশ্চাৎ তালুত যি ধ্বনি সৃষ্টি কৰা হয় সিয়েই পশ্চ তালব্য (Velar) ধ্বনি। ইয়াক কণ্ঠ্য ধ্বনিও বোলা হয়। অসমীয়া ভাষাৰ ক, খ, গ, ঘ আদি পশ্চতালব্য ধ্বনি। কোমল তালুৰ শেষ প্ৰান্তত ওলমি থকা সৰু মাংস চটাক আলজিহ্বা (Uvula) বোলে। আলজিহ্বাত উচ্চাৰিত ধ্বনিয়েই হ'ল আলজিহ্বীয় Uvular ধ্বনি। অসমীয়া, বঙালী আদি ভাষাত আলজিহ্বীয় ধ্বনি নাই। জাৰ্মান ভাষাৰ 'ৰ' (R) ধ্বনি আলজিহ্বীয় ধ্বনি। আলজিহ্বা সহ কোমল তালুখন কিঞ্চিৎ সঞ্চালনক্ষম। ইয়াক ওপৰলৈ দাঙি নাসিকা বিবৰলৈ বতাহ সোমোৱা পথটো বন্ধ কৰি দিলে, হাওঁফাওঁৰ পৰা ওলাই অহা বতাহ পোনে পোনে মুখবিবৰত সোমায়। মৌখিক (Oral) ধ্বনি উচ্চাৰণত কোমল তালু এনেকৈয়ে ওপৰলৈ দাং খায়। আনহাতে নাসিক্য বা অনুনাসিক ধ্বনি উচ্চাৰণত কোমল তালুখন তললৈ নামি আহে আৰু গলকোষৰ পৰা নাসিকা বিবৰলৈ বতাহ সোমোৱা পথটো বিবৃত হয়।

ধ্বনি সৃষ্টিত জিহ্বাখনৰ ভূমিকা অতুলনীয়। ই সৰ্বাধিক সঞ্চালনক্ষম বাগ্ অংগ। ইয়াৰ মূল গলা কোষেৰে সৈতে যুক্ত। ধ্বনিবিজ্ঞানীসকলে জিহ্বাখনক

কেইবাটাও ভাগত বিভক্ত কৰিছে। পণ্ডিতসকলে ইয়াক সমানে দুটা ভাগত ভাগ কৰি সন্মুখৰ ভাগটোক অগ্ৰজিহ্বা (Front of the Tongue) আৰু পিছৰ ভাগটোক পাছ জিহ্বা বা জিহ্বামূল (Back of the Tongue) নাম দিয়া হৈছে। এই দুয়োটা ভাগৰ মাজৰ অংশটোক কোৱা হয় মধ্যজিহ্বা (Centre of the Tongue)।

অগ্ৰজিহ্বাৰ একেবাৰে সন্মুখৰ মূৰটোক জিহ্বাৰ আগ বা জিহ্বাগ্ৰ (Tip of the Tongue) কোৱা হয়। আগ জিহ্বাখনক আকৌ পিছলৈ সমানকৈ দুই ভাগত ভাগ কৰি প্ৰতিটো ভাগকে জিহ্বাফলা Blades of the (Tongue) বোলা হৈছে। ধ্বনি উচ্চাৰণৰ সময়ত জিহ্বাখনৰ এই বিভিন্ন অংশই বিভিন্নভাৱে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

১৩.২ ধ্বনিৰ শ্ৰেণীবিভাগ (Classification of Speech Sound]

১৩.২.১ স্বৰ আৰু ব্যঞ্জন ধ্বনি (Vowel and Consonant)

বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ দুটা প্ৰধান পৰিচিত শ্ৰেণী হ'ল : (ক) স্বৰ আৰু ব্যঞ্জন ধ্বনি। এই দুই শ্ৰেণী ধ্বনিৰ পৰম্পৰাগত সূত্ৰ হ'ল এনে ধৰণৰ : যি ধ্বনি আন কোনো ধ্বনিৰ সহায় নোলোৱাকৈ উচ্চাৰিত হয় তাকেই স্বৰ ধ্বনি বোলে আৰু যি ধ্বনি স্বৰ ধ্বনিৰ সহায় নোলোৱাকৈ উচ্চাৰিত হ'ব নোৱাৰে তাকেই ব্যঞ্জন ধ্বনি বোলে।

উদাহৰণ : স্বৰ ধ্বনি—অ, আ, ই, উ ইত্যাদি

ব্যঞ্জন ধ্বনি—ক, খ, গ, ঘ ইত্যাদি।

ওপৰত উল্লেখ কৰা সূত্ৰ দুটা স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ কাৰ্যগত (functional) সূত্ৰহে; ধ্বনিবৈজ্ঞানিক (Phonetic) সূত্ৰ নহয়। স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ উচ্চাৰণত বাগ্‌যন্ত্ৰৰ প্ৰক্ৰিয়াগত পাৰ্থক্য উক্ত সূত্ৰ দুটাই তুলি ধৰা নাই। সেয়ে আধুনিক ধ্বনি-বিজ্ঞানীসকলে বাগ্‌যন্ত্ৰৰ প্ৰক্ৰিয়াগত পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখি স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ সূত্ৰ এনেদৰে আগবঢ়াইছে :

মুখবিবৰৰ পৰা ওলাই অহা বতাহৰ প্ৰৱাহক বিভিন্ন বিভিন্ন অংগৰ সহায়ত পৰিবৰ্তিত কৰি বিশেষ ধ্বনি সৃষ্টি কৰা হয়, সেইবোৰেই স্বৰধ্বনি; আনহাতে বতাহৰ প্ৰৱাহক আংশিক বা সম্পূৰ্ণৰূপে ৰোধ কৰি বিশেষ ধ্বনি সৃষ্টি কৰা হয়, সেইবোৰ ব্যঞ্জন ধ্বনি।

স্বৰধ্বনি উচ্চাৰণত বতাহৰ প্ৰৱাহ ৰোধ নহয়। ব্যঞ্জন ধ্বনিৰ উচ্চাৰণত হয়

বোধ হয়, নহয় সম্পৃক্ত অৱস্থাপ্ৰাপ্ত হয়। বতাহৰ প্ৰবাহ বোধ নহয় বাবে স্বৰধ্বনি বহু সময়লৈ উচ্চাৰণ কৰি থাকিব পাৰি। আনহাতে অনিয়ত সম্পৃক্ত ব্যঞ্জনত বাহিৰে আন ব্যঞ্জন ধ্বনি বহু সময়লৈ উচ্চাৰণ কৰিব নোৱাৰি। স্বৰধ্বনি নাদ যুক্ত। সেই কাৰণে এই ধ্বনিৰ উচ্চাৰণ দূৰৈৰ পৰা শুনা যায়। ব্যঞ্জন ধ্বনি তুলনামূলকভাৱে কম নাদ যুক্ত। সেই কাৰণে এই ধ্বনিৰ উচ্চাৰণ দূৰৰ পৰা নুশুনি। স্বৰধ্বনিয়ে অকলে অক্ষৰ গঠন কৰিব পাৰে, কিন্তু ব্যঞ্জন ধ্বনিয়ে নোৱাৰে। অক্ষৰৰ মূল হ'ল স্বৰ ধ্বনিহে।

১৬.২.২ স্বৰধ্বনিৰ বিভাগ

স্বৰধ্বনিৰ উচ্চাৰণত জিভাৰ ভূমিকা গুৰুত্বপূৰ্ণ। ভিন ভিন স্বৰধ্বনিৰ উচ্চাৰণত জিভাখনৰ ভিন ভিন অংশই মুখবিবৰত ভিন ভিন অৱস্থান লয়। এই অৱস্থান অনুসৰি স্বৰধ্বনিসমূহক চাৰিটা ভাগত ভগোৱা হৈছে : উচ্চ (High), উচ্চমধ্য (High-mid), নিম্নমধ্য (Low-mid) আৰু নিম্ন (Low)।

জিভাখনৰ বিভিন্ন অংশৰ ভূমিকা অনুসৰি সি সমূহক আকৌ তিনিটা ভাগত ভগোৱা হয় : প্ৰান্তীয় বা অগ্ৰ (Front), কেন্দ্ৰীয় বা মধ্য (Central) আৰু মূলীয় বা পশ্চ (Back)। প্ৰান্তীয় স্বৰধ্বনিৰ উচ্চাৰণত জিভাৰ আগভাগ, কেন্দ্ৰীয়ৰ উচ্চাৰণত জিভাৰ মাজভাগ আৰু মূলীয় স্বৰধ্বনিৰ উচ্চাৰণ জিভাৰ পশ্চাৎ ভাগ ওপৰলৈ উঠে। এইবোৰৰ উচ্চাৰণত মুখবিবৰ বিবৃতিৰো তাৰতম্য ঘটে। এই বিবৃতি অনুসৰি স্বৰধ্বনিসমূহক আকৌ চাৰিটা ভাগত ভাগ কৰা হৈছে, সংবৃত (Close), অৰ্দ্ধ সংবৃত (Half Close), অৰ্দ্ধ বিবৃত (Half Open) আৰু বিবৃত (Open)। মুখবিবৰ সংকুচিত হৈ উচ্চাৰিত হোৱা স্বৰধ্বনিক সংবৃত, প্ৰায় সংকুচিত হৈ উচ্চাৰিত হোৱাক অৰ্দ্ধসংবৃত, প্ৰায় প্ৰসাৰিত হৈ উচ্চাৰিত হোৱাক অৰ্দ্ধ বিবৃত আৰু সম্পূৰ্ণভাৱে প্ৰসাৰিত হৈ উচ্চাৰিত হোৱা স্বৰধ্বনিক বিবৃত স্বৰধ্বনি বোলে।

স্বৰধ্বনিৰ বিভাজনত ওঁঠ দুটাৰ অৱস্থানলৈও লক্ষ্য ৰখা হয়। ওঁঠ দুটাৰ অৱস্থান অনুসৰি স্বৰধ্বনিসমূহক দুটা ভাগত ভগোৱা হৈছে : কুঞ্চিত (Rounded) আৰু প্ৰসৃত (Un-Rounded)। যিবোৰ স্বৰধ্বনি উচ্চাৰণত ওঁঠ দুটা ঘোলাকাৰ হয় সেইবোৰক কুঞ্চিত আৰু যিবোৰৰ উচ্চাৰণত ওঁঠ দুটা বহল আৰু চেপেটা হয়, সেইবোৰক প্ৰসৃত স্বৰধ্বনি বোলে।

ওঁঠ আৰু জিভাৰ অৱস্থান, মুখ বিবৰৰ বিবৃতি আৰু জিভাৰ বিভিন্ন অংশৰ ভূমিকাৰ কাৰণে পৰা-স্বৰধ্বনিসমূহক তলত উল্লেখ কৰা ধৰণে পোৱা যায় :

স্বৰধ্বনি	সন্মুখ	কেন্দ্ৰীয়	পশ্চ
উচ্চ আৰু সংবৃত			
উচ্চমধ্য আৰু অৰ্দ্ধসংবৃত			
নিম্নমধ্য আৰু অৰ্দ্ধবিবৃত			
নিম্ন আৰু বিবৃত			

মাত্ৰা ঃ স্বৰধ্বনিসমূহক মাত্ৰা বা পৰিমাণৰ দিশৰ পৰাও বিভাজন কৰিব পাৰি। জগতৰ বিভিন্ন ভাষাত প্ৰয়োগ হোৱা স্বৰধ্বনিসমূহৰ ক্ষেত্ৰবোৰ হ্ৰস্ব আৰু কেতবোৰ দীৰ্ঘ। সাধাৰণতে হ্ৰস্ব স্বৰবোৰ একমাত্ৰা আৰু দীৰ্ঘ স্বৰবোৰক দুই মাত্ৰা হিচাপে ধৰা হয়। সংস্কৃতত আৰু এবিধ স্বৰধ্বনি আছে। তাক প্লুত-স্বৰ বোলা হয়। প্লুতস্বৰত তিনিমাত্ৰা ধৰা হৈছে। কাৰোবাক আঁতৰৰ পৰা বিণ্ডিয়াই মাতিব লাগিলে অন্ত্য স্বৰধ্বনিৰ উচ্চাৰণ দীৰ্ঘ হয়। গীত আৰু কান্দোনতো স্বৰধ্বনিৰ উচ্চাৰণ দীঘল হয়। এনে ক্ষেত্ৰত উচ্চাৰিত স্বৰধ্বনিয়েই প্লুতস্বৰ "দূৰাহ্বানে তথা গানে ৰোদনে চ প্লুতস্বৰে।" কোনো কোনো ভাষাত স্বৰধ্বনিৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণ ভেদে অৰ্থৰ পাৰ্থক্য ঘটে। অসমীয়া ভাষাত উচ্চাৰণৰ ফালৰ পৰা হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ মাজত পাৰ্থক্য নাই।

জিভাৰ একেটি মাথোন প্ৰযত্নত একাধিক স্বৰধ্বনি উচ্চাৰিত হ'লে যৌগিক স্বৰ হয়। যৌগিক স্বৰ সাধাৰণতে তিনি প্ৰকাৰৰ হ'ব পাৰে ঃ (১) দ্বিস্বৰ (Diphthong) (২) ত্ৰিস্বৰ (Triphthong) আৰু (৩) চতুঃস্বৰ (Tetraphthong)। অসমীয়া ভাষাৰ ঐ, ঔ আদি দ্বিস্বৰ ধ্বনি। নামনি অসমৰ ভাষাত ত্ৰিস্বৰৰ প্ৰয়োগ যথেষ্ট। যেনে, কেউইলা, দেউইলা ইত্যাদি। কামৰূপী উপভাষাত চতুঃস্বৰো প্ৰয়োগ আছে। যেনে, অউআই।

স্বৰধ্বনিৰ উচ্চাৰণ কালত নাসিকা বিবৰেৰে বতাহ ওলাই আহিলে অনুনাসিক স্বৰধ্বনিৰ সৃষ্টি হয়। যেনে, অসমীয়া ভাষাৰ "কাঁহ" শব্দৰ "আঁ" অনুনাসিক।

১৩.২.৩ ব্যঞ্জনধ্বনিৰ বিভাগ

ব্যঞ্জনধ্বনিৰ উচ্চাৰণ আৰু বিভাজনৰ ক্ষেত্ৰত মন কৰিবলগীয়া দিশসমূহ হ'ল ঃ ১) ধ্বনি যন্ত্ৰৰ কি কি অংশই ধ্বনি উচ্চাৰণত সহায় কৰিছে· ২) ধ্বনি উচ্চাৰণৰ প্ৰকৃতি কেনেকুৱা অৰ্থাৎ হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহ ধ্বনি যন্ত্ৰত সম্পূৰ্ণৰূপে বাধা পাইছে নে আংশিকভাৱে বাধা পাইছে নে ঘৰ্ষিত হৈছে। ৩)

পশ্চতালুৰ অৱস্থান কেনে ধৰণৰ, অৰ্থাৎ ই ওপৰলৈ উঠি মুখবিবৰলৈ বতাহ সোমোৱা পথ মুকলি কৰি দিছে নে তললৈ নামি নাসিকাবিবৰলৈ বতাহ সোমোৱা পথ মুকলি কৰি দিছে। ৪) ধ্বনি উচ্চাৰণত বতাহৰ প্ৰবাহ শ্বাসগুণযুক্ত হৈছে নে শ্বাসগুণহীন হৈছে। ৫) ধ্বনি উচ্চাৰণত স্বৰতন্ত্ৰীত কম্পনৰ সৃষ্টি হৈছে নে নাই।

১৩.২.৪ উচ্চাৰণ-স্থান অনুসৰি ব্যঞ্জনধ্বনিৰ বিভাগ

ওপৰৰ ওঁঠ, ওপৰৰ দাঁত, তালু প্ৰভৃতি উৰ্ধ্বস্থ উচ্চাৰকৰ বিভিন্ন স্থানত উৎপাদিত হোৱাৰলৈ চাই ব্যঞ্জনধ্বনিসমূহক তলত উল্লেখ কৰা ধৰণে ভগাব পাৰি।

ওঁষ্ঠ্য (Bi-labial) ঃ

দুয়োটা ওঁঠৰ সহায়ত উচ্চাৰিত হোৱা ব্যঞ্জনধ্বনিক ওঁষ্ঠ্য বোলে। যেনে, অসমীয়া ভাষাৰ প, ব আদি।

দন্তৌষ্ঠ্য (Labio-dental) ঃ

তলৰ ওঁঠ আৰু ওপৰ পাৰি দাঁতৰ সংযোগত উচ্চাৰিত হোৱা ব্যঞ্জনক দন্তৌষ্ঠ্য ব্যঞ্জনধ্বনি বোলে। যেনে, ইংৰাজী ভাষাৰ f, v আদি।

দন্ত্য (Dental) ঃ

জিভাৰ আগ আৰু ওপৰ পাৰি দাঁতৰ সংযোগত সৃষ্টি হোৱা ব্যঞ্জনক দন্ত্য ব্যঞ্জনধ্বনি বোলে। সংস্কৃত ভাষাৰ ত, থ, দ আদি।

দন্তমূলীয় (Alveolar) ঃ

জিভাৰ আগটোৱে দন্তমূল স্পৰ্শ কৰি সৃষ্টি কৰা ব্যঞ্জনধ্বনিক দন্তমূলীয় বোলে। যেনে, অসমীয়া ভাষাৰ ত, থ, দ আদি।

মূৰ্দ্ধন্য (Cerebral) ঃ

জিভাৰ আগটোৱে আগতালু স্পৰ্শ কৰাৰ ফলত যি ব্যঞ্জনধ্বনি সৃষ্টি হয়,

তাক মূৰ্দ্ধন্য ব্যঞ্জন বোলে। যেনে, সংস্কৃত ভাষাৰ ট, ঠ, ড আদি।

তালু-দন্তমূলীয় (Palato-Alveolar) :

জিহ্বা দলেৰে (Blade of the Tongue) আগতালু আৰু দণ্ড মূলক একেলগে অথবা দুয়োটাৰে সংযোগ স্থলক স্পৰ্শ কৰি যি ব্যঞ্জন ধ্বনি সৃষ্টি কৰা হয়, তাক তালু-দন্তমূলীয় বোলে। যেনে, বঙালী ভাষাৰ চ, ছ, জ, শ আদি।

তালব্য (Palatal) :

আগজিভাখনেৰে (Front of the tongue) কঠিন তালু স্পৰ্শ কৰি উচ্চৰণ কৰা ব্যঞ্জনক তালব্য ব্যঞ্জন ধ্বনি বোলে। যেনে, সংস্কৃত ভাষাৰ চ, ছ জ আদি।

পশ্চ তালব্য (Velar) :

জিভাৰ পাছৰ অংশেৰে (Back of the Tongue) কোমল তালুত বতাহৰ প্ৰবাহ বোধ কৰি উচ্চাৰণ কৰা ব্যঞ্জনেই পশ্চ তালব্য ব্যঞ্জন ধ্বনি। যেনে, অসমীয়া ভাষাৰ ক, খ, গ আদি।

আলজিহ্বীয় (Uvular) :

জিহ্বা মূল ওপৰলৈ তুলি আলজিভা স্পৰ্শ কৰি উচ্চাৰণ কৰা ব্যঞ্জনেই হ'ল আলজিহ্বীয় ব্যঞ্জনধ্বনি। যেনে, আৰবী ভাষাৰ 'কোৰাণ' শব্দৰ 'ক' ধ্বনি আলজিহ্বীয়।

গলকোষীয় (Pharyngeal) :

হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহক গলকোষত খঁহনি খুৱাই খুৱাই সৃষ্টি কৰা ধ্বনিক গলকোষীয় ব্যঞ্জনধ্বনি বোলে। যেনে, অসমীয়া ভাষাৰ 'হ' ধ্বনি।

কন্দ্ধ স্বৰপথীয় বা কণ্ঠ নলীয় (Glottal or Laryngeal) : স্বৰতন্ত্ৰী দুখন বহলাই বহিৰ্গামী বতাহৰ প্ৰবাহক সম্পূৰ্ণ কন্দ্ধ কৰি হঠাৎ খুলি দি যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাকেই কন্দ্ধ স্বৰপথীয় বা কণ্ঠনলীয় ব্যঞ্জনধ্বনি বোলে। ভাষাবিজ্ঞানত

এই ধ্বনিৰ প্ৰতীক হ'ল '?'।

১৩.২.৫ উচ্চাৰণৰ প্ৰকৃতি অনুসৰি ব্যঞ্জনধ্বনিৰ বিভাগ

উচ্চাৰণৰ প্ৰকৃতি অনুসৰি ব্যঞ্জনধ্বনিৰ বিভাগৰ প্ৰসংগত পোনতে বায়ু প্ৰবাহৰ প্ৰক্ৰিয়া (Air Stream Mechanism)ৰ কথা ক'ব লগীয়া হয়।

ব্যঞ্জনধ্বনি উচ্চাৰণত প্ৰধানকৈ দুই প্ৰকাৰ বায়ু প্ৰবাহে সহায়তা কৰে : হাওঁফাওঁৰ পৰা পোনে পোনে ওলাই অহা বায়ু প্ৰবাহ আৰু হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ। হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ আকৌ দুই প্ৰকাৰৰ : কন্ঠ স্বৰ পথ চালিত বায়ু প্ৰবাহ আৰু পশ্চ তালু চালিত বায়ু প্ৰবাহ।

হাওঁফাওঁৰ পৰা পোনে পোনে ওলাই অহা বায়ু প্ৰবাহৰ সহায়ত যি ব্যঞ্জন উচ্চাৰিত হয় তাক হাওঁফাওঁ চালিত বায়ু প্ৰবাহ জাত ব্যঞ্জনধ্বনি বোলে। অসমীয়া, বঙালী, ইংৰাজী আদি ভাষাৰ সকলোবোৰ ব্যঞ্জন হাওঁফাওঁ চালিত বায়ু প্ৰবাহ জাত ব্যঞ্জনধ্বনিৰ ভিতৰত পৰে।

হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহৰ সহায়ত উৎপাদিত হোৱা ব্যঞ্জনক হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ জাত ব্যঞ্জন ধ্বনি বোলে।

হাওঁফাওঁৰ বায়ু প্ৰবাহৰ লগত মুখবিবৰ অথবা গলকোষৰ বায়ু প্ৰবাহ দুঠাইত বিচ্ছিন্ন হ'ব পাৰে : স্বৰতন্ত্ৰী আৰু পশ্চতালুত।

স্বৰতন্ত্ৰী দুখন বহলাই মাজৰ স্বৰপথটো সম্পূৰ্ণ বন্ধ কৰিলে তাৰ ওপৰৰ ফালে হাওঁফাওঁ বিচ্ছিন্ন যি বায়ু স্তম্ভ সৃষ্টি হয় তাৰ পৰা ওপজা বায়ু প্ৰবাহৰ সহায়ত উচ্চাৰিত হোৱা ব্যঞ্জনক কন্ঠ স্বৰ পথ চালিত বায়ু প্ৰবাহ জাত ব্যঞ্জনধ্বনি বোলে। আনহাতে জিহ্বাৰ পশ্চাৎ ভাগ কোমল তালুৰে সৈতে লগ লগাই মুখবিবৰৰ বতাহৰ লগত হাওঁফাওঁৰ বতাহৰ প্ৰবাহ বিচ্ছিন্ন কৰি পশ্চতালু চালিত মুখবিবৰস্থ বতাহৰ যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাক পশ্চ আৰু তালু চালিত বায়ু প্ৰবাহ জাত ধ্বনি বোলে।

১৩.২.৬ হাওঁফাওঁ চালিত বায়ু প্ৰবাহ জাত ধ্বনিৰ বিভাগ

হাওঁফাওঁ চালিত বায়ু প্ৰবাহ জাত ব্যঞ্জনধ্বনিক তিনিটা বহল ভাগত ভগোৱা হৈছে : নিৰুদ্ধ (Stop) অনিৰুদ্ধ (Continuant) আৰু নিৰুদ্ধানিৰুদ্ধ (Stop + Continuant)।

নিৰুদ্ধ (Stop) :

হাওঁফাওঁ চালিত বতাহৰ প্ৰবাহক ধ্বনিযন্ত্ৰৰ কোনো স্থানত সম্পূৰ্ণৰূপে বোধ কৰি খন্তেক পিছতেই মুকলি কৰি দিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক নিয়ত ব্যঞ্জনধ্বনি বোলে। যেনে, অসমীয়া ভাষাৰ ক, খ, গ, ঘ আদি। নিয়ত ধ্বনিক স্পৰ্শ বা স্পষ্ট ধ্বনিও বোলা হয়। এই ধ্বনি মৌখিক।

অনিয়ত (Continuant) :

হাওঁফাওঁ চালিত বতাহৰ প্ৰবাহক আংশিকভাবে বাধা দি অথবা বতাহ ওলাই অহা পথটো সংকীৰ্ণ কৰি যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাক বোলা হয় অনিয়ত ব্যঞ্জন ধ্বনি।

অনিয়ত ব্যঞ্জন ধ্বনি দুই প্ৰকাৰৰ : আংশিক বাধা যুক্ত (With Partial Stricture) আৰু প্ৰায় বাধাহীন বা নৈকট্য ব্যঞ্জনধ্বনি (Approximants Without Stricture)।

আংশিক বাধাযুক্ত অনিয়ত ব্যঞ্জনৰ আকৌ তিনিটা বিভাগ : কম্পিত (Rolled) তাড়িত (Flapped) আৰু উষ্ম (Fricative)।

কম্পিত (Rolled) :

জিভাৰ আগটোৱে কঁপি কঁপি একাধিকবাৰ উচ্চাৰণ স্থান স্পৰ্শ কৰি যি ধ্বনি উৎপাদন কৰে, তাক কম্পিত ব্যঞ্জনধ্বনি বোলে। যেনে, অসমীয়া ভাষাৰ 'ৰ' ধ্বনি।

তাড়িত (Flapped) :

জিভাৰ আগটোৱে উচ্চাৰণ স্থান এবাৰ মাথোন স্পৰ্শ কৰি আঁতৰি আহিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক কোৱা হয় তাড়িত ব্যঞ্জন ধ্বনি। যেনে, ইংৰাজী ভাষাৰ 'very' শব্দৰ 'r' ধ্বনি তাড়িত ব্যঞ্জন।

উষ্ম (Fricative) :

ড° ৰামেশ্বৰ শ' ই-' Approximant' ৰ প্ৰতিশব্দ হিচাপে ব্যৱহৃত 'নৈকট্য' শব্দ ব্যৱহাৰ কৰিছে। তেখেতৰ অনুকৰণত আমিও এই শব্দটোকে ব্যৱহাৰ কৰিলোঁ। (দ্ৰষ্টব্য : সাধাৰণ ভাষাবিজ্ঞান ও বাংলা ভাষা)

বতাহ ওলাই অহা পথটো সংকীৰ্ণ কৰি, তাৰ প্ৰবাহক ঘঁহনি খুৱাই যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাক উষ্ম ব্যঞ্জনধ্বনি বোলে। যেনে, অসমীয়া ভাষাৰ 'চ', 'জ' আদি।

বতাহৰ প্ৰবাহ পথলৈ লক্ষ্য কৰি উষ্ম ব্যঞ্জনক আকৌ দুই ভাগত ভগোৱা হয় ঃ মধ্যগামী (Median) আৰু পাৰ্শ্বিক (Lateral)। হাওঁফাওঁৰ পৰা জিভাখনৰ সোঁ মাজেদি পোনে পোনে ওলাই অহা বতাহৰ প্ৰবাহৰ সহায়ত সৃষ্ট উষ্ম ব্যঞ্জনধ্বনি মধ্যগামীক আৰু পোনে পোনে ওলাই অহা বতাহৰ প্ৰবাহক জিভাৰ সন্মুখ ভাগেৰে বাধা দি তাৰ কোনো এফালেদি অথবা দুয়োফালেদি ওলাই আহিবলৈ দিলে আৰু তেনে বতাহৰ প্ৰবাহৰ সহায়ত কোনো উষ্ম ধ্বনি সৃষ্টি হ'লে, তাক কোৱা হয় পাৰ্শ্বিক উষ্ম ব্যঞ্জনধ্বনি। পাৰ্শ্বিক উষ্ম ব্যঞ্জনধ্বনি বৰ কম।

মধ্যগামী উষ্ম ব্যঞ্জনৰ সংখ্যা সৰহ। এই শ্ৰেণীৰ উষ্ম ধ্বনি দুবিধ ঃ সংকীৰ্ণ উষ্ম বা শিস্ ধ্বনি (Groove Fricative/Sibilant) আৰু প্ৰশস্ত উষ্ম (Slit Fricative) ধ্বনি।

যি উষ্ম ধ্বনি উচ্চাৰণৰ সময়ত জিভাৰ দুকাষ দাং খাই মাজ অংশ দীঘল নলী এডালৰ দৰে সংকীৰ্ণ হয় আৰু সেই পিনে ওলাই অহা বতাহৰ প্ৰবাহক জিভাখন ওপৰলৈ উঠি আংশিকভাৱে বাধা দিয়ে, তেনে উষ্ম ধ্বনিকেই সংকীৰ্ণ উষ্ম বা শিস্ ধ্বনি বোলা হয়। সংস্কৃত ভাষাৰ শ্, স, ষ, হিন্দী ভাষাৰ স্, বঙালী ভাষাৰ স, শ আদি সংকীৰ্ণ উষ্ম ধ্বনিৰ ভিতৰত পৰে।

আনহাতে উৰ্ধ্বস্থ আৰু নিম্নস্থ উচ্চাৰক অথবা স্বৰতন্ত্ৰী দুটাক পৰস্পৰৰ ওচৰ চপাই আনি উভয়ৰে মাজত সামান্য ফাঁক ৰাখি বহিৰ্গামী বতাহৰ প্ৰবাহক আংশিকভাৱে বাধা দি বা ঘঁহনি খুৱাই যি উষ্ম ধ্বনি সৃষ্টি কৰা হয়, তাক কোৱা হয়, প্ৰশস্ত উষ্ম ধ্বনি। যেনে, সংস্কৃত ভাষাৰ 'হ্' ধ্বনি।

নৈকট্য (Approximats) ঃ

বতাহ ওলাই অহা পথটো সংকীৰ্ণ নকৰাকৈ অথবা বতাহৰ প্ৰবাহক ঘঁহনি নুখুওৱাকৈ উৰ্ধ্বস্থ আৰু নিম্নস্থ উচ্চাৰকক পৰস্পৰৰ ওচৰ চপাই আনি যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাক নৈকট্য ব্যঞ্জন ধ্বনি বোলে। এনে ধ্বনৰ আন এটা নাম ঘৰ্ষণহীন অনিয়ত ব্যঞ্জনধ্বনি (Frictionless Continuant)। মনত ৰখা ভাল যে নৈকট্য ধ্বনি হ'ল স্বৰ আৰু উষ্ম ব্যঞ্জনৰ মাজৰ এক প্ৰকাৰ ধ্বনি। স্বৰধ্বনি উচ্চাৰণত বতাহৰ প্ৰবাহ বোধ নহয়, উষ্ম ব্যঞ্জনৰ উচ্চাৰণত বতাহৰ প্ৰবাহ ঘৰ্ষিত হয়; কিন্তু নৈকট্য ধ্বনিৰ উচ্চাৰণত বতাহত কিঞ্চিৎ বাধাৰ সৃষ্টি হয়।

নৈকট্য ব্যঞ্জন দুই প্ৰকাৰৰ : পাৰ্শ্বিক (Lateral) আৰু মধ্যগামী (Median)

পাৰ্শ্বিক (Lateral) :

বতাহ ওলাই অহা পথটো সন্মুখৰ ফালে সম্পূৰ্ণৰূপে বন্ধ হৈ উৰ্দ্ধস্থ আৰু নিম্নস্থ উচ্চাৰকৰ নৈকট্য নিম্নস্থ উচ্চাৰক (জিভা)ৰ দুয়োকাষে স্থাপিত হ'লে আৰু সেই পিনে বতাহ ওলাই গৈ কোনো ধ্বনিৰ সৃষ্টি কৰিলে তাক, পাৰ্শ্বিক ব্যঞ্জন বোলে। এনে ধ্বনিৰ উচ্চাৰণত কোমল তালু আৰু আলজিভা ওপৰলৈ উঠে। যেনে, অসমীয়া, বঙালী, হিন্দী আদি ভাষাৰ 'ল' ধ্বনি।

মধ্যগামী (Median) :

উৰ্দ্ধস্থ আৰু নিম্নস্থ উচ্চাৰকৰ নৈকট্য বতাহ ওলাই অহা পোন পথত স্থাপিত কৰি সেইপিনে ওলাই অহা বতাহৰ প্ৰাহৰ সহায়ত কোনো ধ্বনিৰ সৃষ্টি কৰিলে তাক মধ্যগামী নৈকট্য ব্যঞ্জন ধ্বনি বোলে। অৰ্দ্ধস্বৰ ধ্বনিসমূহক মধ্যগামী নৈকট্য ব্যঞ্জন ধ্বনি বোলা হয়। যেনে, অসমীয়া ভাষাৰ 'ৱ' আৰু 'য়'। এনে ধ্বনিৰ আন নাম শ্ৰুতি ধ্বনি বা অন্তঃস্থ ধ্বনি।

নিয়তানিয়ত (Stop Continuant) :

হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহক পোনতে সম্পূৰ্ণভাবে ৰোধ কৰি পিছত বাধাহীনভাৱে অথবা ঘৰ্ষিত হৈ ওলাই আহিবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক নিয়তানিয়ত ব্যঞ্জন ধ্বনি বোলে। এনে ধ্বনি দুই প্ৰকাৰৰ : নাসিক্য (Nasal) আৰু ঘৃষ্ট (Affricate)।

নাসিক্য (Nasal) :

হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহক মুখবিবৰৰ কোনো স্থানত সম্পূৰ্ণৰূপে ৰোধ কৰি পিছত নাসিকাবিবৰেৰে ওলাই আহিবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয়, তাক নাসিক্য ব্যঞ্জন বোলে। যেনে, অসমীয়া ভাষাৰ ঙ, ন, ম আদি।

ঘৃষ্ট (Affricate) ঃ

বহিৰ্গামী বতাহৰ প্ৰবাহক পোনতে সম্পূৰ্ণভাৱে ৰোধ কৰি খন্তেক পিছতে ঘৰ্ষণ খুৱাই যি ধ্বনিৰ সৃষ্টি কৰা হয়, তাকেই ঘৃষ্ট ব্যঞ্জনধ্বনি বোলে। ঘৃষ্ট ধ্বনি স্পৰ্শ আৰু উষ্ম ধ্বনিৰ যুগ্মৰূপ। সংস্কৃত ভাষাৰ চ, ছ, জ আদি ঘৃষ্ট ধ্বনি।

১৩.২.৭ হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ জাত ধ্বনি

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ জাত ব্যঞ্জনধ্বনি দুই প্ৰকাৰৰ ঃ ৰুদ্ধ স্বৰপথ চালিত আৰু পশ্চ তালু চালিত বায়ুপ্ৰবাহ জাত ব্যঞ্জনধ্বনি। উল্লেখযোগ্য যে এই দুয়ো প্ৰকাৰ বায়ু প্ৰবাহ আকৌ দুই প্ৰকাৰৰ হ'ব পাৰে ঃ বহিৰ্গামী (Egressive) আৰু অন্তৰ্গামী (Ingressive)। এনে বায়ু প্ৰবাহৰ সহায়ত উৎপাদিত হোৱালৈ চাই এই শ্ৰেণীৰ ধ্বনিক বহিঃস্ফোটক (Ejective), অন্তঃস্ফোটক (Implosive) ক্লিক (Click) আদি ভাগত ভগোৱা হৈছে।

বহিঃস্ফোটক (Ejective) ঃ

হাওঁফাওঁৰ বায়ুপ্ৰবাহৰ পৰা বিচ্ছিন্ন, ৰুদ্ধ স্বৰপথ চালিত গলকোষৰ বতাহৰ বহিৰ্গামী প্ৰবাহত বাধাৰ সৃষ্টি কৰি যি ধ্বনি উৎপাদন কৰা হয়, সেয়েই বহিঃস্ফোটক ব্যঞ্জনধ্বনি। অসমীয়া, হিন্দী, সংস্কৃত আদি ভাষাত এই ধ্বনি নাই।

অন্তঃস্ফোটক (Ejective) ঃ

স্বৰতন্ত্ৰী দুখনেৰে স্বৰপথ সম্পূৰ্ণ ৰুদ্ধ কৰি তাক তললৈ নমাই আনিলে ওপৰৰ গলকোষৰ শূন্য ঠাই প্ৰসাৰিত হয়। তেনে অৱস্থাত সেই শূন্য ঠাই পূৰাবলৈ বাহিৰৰ পৰা সোমাই যোৱা বতাহৰ প্ৰবাহক বাধা দান কৰি যি ধ্বনি সৃষ্টি কৰা হয় তাক অন্তঃস্ফোটক ব্যঞ্জনধ্বনি বোলে।

ক্লিক্ (Click) :

জিভাৰ পশ্চাৎ ভাগ পশ্চতালুৰে সৈতে যুক্ত কৰি হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্ৰবাহক মুখবিবৰৰ বতাহৰ পৰা বিচ্ছিন্ন কৰি সংলগ্ন অৱস্থাতে জিভাৰ পশ্চাৎ ভাগ তললৈ নমাই আনিলে মুখবিবৰ প্ৰসাৰিত হয়। এনে অৱস্থাত মুখৰ ভিতৰৰ খালী ঠাই পূৰাবৰ বাবে বাহিৰৰ পৰা ওহি নিয়া বতাহৰ প্ৰবাহত বাধাৰ সৃষ্টি কৰি যি ধ্বনি উৎপাদন কৰা হয়, তাক ক্লিক ধ্বনি বোলে। সাধাৰণতে চুমা খাওঁতে এই ধ্বনিৰ সৃষ্টি হয়। ক্লিক ধ্বনি পশ্চ তালু চালিত বায়ু প্ৰবাহ জাত ধ্বনিৰ অন্তৰ্গত।

ক্লিক্ ধ্বনি দুই প্ৰকাৰৰ : পাৰ্শ্বিক (Lateral) আৰু মধ্যগামী (Median)। বতাহৰ প্ৰবাহ জিভাৰ মাজেৰে গ'লে মধ্যগামী আৰু জিভাৰ কাষেৰে গ'লে পাৰ্শ্বিক ক্লিক ধ্বনিৰ সৃষ্টি হয়।

১৩.২.৮ সঘোষ আৰু অঘোষ (Voiced and Voiceless)

ব্যঞ্জনধ্বনিসমূহৰ কিছুমান ঘোষ আৰু কিছুমান অঘোষ। স্বৰতন্ত্ৰীৰ কম্পন হেতু সৃষ্টি হোৱা সুৰযুক্ত বতাহৰ প্ৰবাহেৰে উৎপাদিত ব্যঞ্জনধ্বনিসমূহক ঘোষ আৰু সুৰহীন অৰ্থাৎ স্বৰ তন্ত্ৰীত কম্পন নোহোৱাকৈ সৃষ্টি হোৱা ব্যঞ্জনক অঘোষ ব্যঞ্জনধ্বনি বোলে। অসমীয়া ভাষাৰ গ, ঘ, দ, ধ আদি ঘোষ আৰু ক, খ, ত, থ আদি অঘোষ ব্যঞ্জনধ্বনি।

১৩.২.৯ অল্পপ্ৰাণ আৰু মহাপ্ৰাণ (Unaspirated and Aspirated)

উচ্চাৰণৰ প্ৰকৃতিৰ প্ৰতিলক্ষ্য কৰি ব্যঞ্জনধ্বনিসমূহক অল্পপ্ৰাণ আৰু মহাপ্ৰাণ— এই দুই ভাগতো ভগোৱা হয়।

শ্বাসহীন বায়ু প্ৰবাহৰ সহায়ত যিবোৰ ব্যঞ্জনধ্বনিৰ সৃষ্টি কৰা হয় সেইবোৰক অল্পপ্ৰাণ আৰু গলকোষৰ অকুঞ্চন হেতু বহিৰ্গামী বতাহৰ প্ৰবাহ শ্বাসযুক্ত হৈ হোৱা ধ্বনিক মহাপ্ৰাণ বোলে। মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰণৰ সময়ত বতাহ বেছি পৰিমাণে আৰু জোৰেৰে আৰু অল্পপ্ৰাণ ধ্বনিৰ উচ্চাৰণত বতাহ কম পৰিমাণে আৰু লাহে লাহে নিৰ্গত হয়। সংস্কৃত, অসমীয়া, হিন্দী, বঙালী আদি ভাষাৰ বৰ্গৰ প্ৰথম, তৃতীয় আৰু পঞ্চম বৰ্ণ অল্পপ্ৰাণ আৰু দ্বিতীয় চতুৰ্থবৰ্ণ মহাপ্ৰাণ।

উচ্চারণ অনুসারে ব্যঞ্জনধ্বনির শ্রেণী বিভাগ

ওষ্ঠ্য	(Bi-labial)
দন্তৌষ্ঠ্য	(Labio-dental)
দন্ত্য	(Dental)
দন্তমূলীয়	(Alveolar)
মূর্দ্ধন্য	(Cerebral)
তালু-দন্তমূলীয়	(Palato-Alveolar)
তালব্য	(Palatal)
পশ্চাতালব্য	(Velar)
আলজিহ্বীয়	(Uvular)
গলাকোষীয়	(Pharyngeal)
কন্ঠ স্বরপথীয় বা কন্ঠনালীয়	(Glottal or Larayngeal)

উচ্চাৰণৰ প্ৰকৃতি অনুসৰি ব্যঞ্জনধ্বনিৰ শ্ৰেণী বিভাগ

- হাওঁফাওঁ চালিত বায়ু প্ৰবাহ জাত ধ্বনি
  - নিৰুদ্ধ/স্পৰ্শ
  - অনিৰুদ্ধ
    - আংশিক বাধাযুক্ত
      - উষ্ম
        - মধ্যগামী
          - সংকীৰ্ণ
          - প্ৰশস্ত
        - পাৰ্শ্বিক
      - কম্পিত
      - তাড়িত
    - প্ৰায় বাধাহীন/নৈকট্য
      - মধ্যগামী (অৰ্দ্ধস্বৰ)
      - পাৰ্শ্বিক
  - নিৰুদ্ধানিৰুদ্ধ
    - নাসিক্য
    - ঘৃষ্ট
- হাওঁফাওঁ বিচ্ছিন্ন বায়ু প্ৰবাহ জাত ধ্বনি
  - কণ্ঠ স্বৰপথ চালিত বায়ু প্ৰবাহ জাত
    - বহিঃস্ফোটক
    - অন্তঃস্ফোটক
  - পশ্চ তালু চালিত বায়ু প্ৰবাহ জাত
    - অন্তৰ্গামী/ক্লিক
      - মধ্যগামী
      - পাৰ্শ্বিক



১৩.৩ বিশিষ্ট ধ্বনি বা বৰ্ণবিজ্ঞান (Phonemics)

১৩.৩.১ বিশিষ্ট ধ্বনি বা বৰ্ণ (Phoneme)

জগতৰ প্ৰতিটো ভাষাৰে নিৰ্দিষ্ট উচ্চাৰণ গুণবিশিষ্ট কেতবোৰ ধ্বনি আছে কিন্তু সেইবোৰে সকলো স্থান অথবা পৰিবেশতে সিহঁতৰ নিৰ্দিষ্ট বৈশিষ্ট্য ৰক্ষা নকৰে। কোনো এটা ধ্বনি অন্য এটা ধ্বনিৰ লগত যুক্ত হৈ থাকিলে অথবা পৰিবেশগত কাৰণত একেটা ধ্বনিৰে একাধিক ধ্বনিৰূপ পোৱা যায়। কিন্তু এই একাধিক ধ্বনিৰূপৰ ভিন্নতা অতি সূক্ষ্ম। মাতৃ-ভাষা-ভাষী লোকে সহজে এই ভিন্নতা ধৰিব নোৱাৰে। মাতৃভাষা-ভাষীলোকে সহজে ভিন্নতা ধৰিব নোৱৰা, প্ৰকৃতিৰ ফালৰ পৰা গভীৰ সম্পৰ্কযুক্ত আৰু একে পৰিবেশত এটাৰ সলনি আন এটা উচ্চাৰিত নোহোৱা ধ্বনিবোৰৰ সামূহিক গোট (unit) ক বিশিষ্ট ধ্বনি বা বৰ্ণ (Phoneme) বোলে।[১]

উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ 'পাত' আৰু 'তাপ' শব্দ দুটাত ব্যৱহৃত 'প' ধ্বনিটোকে লোৱা যাওক। অসমীয়া মানুহে দুয়োটা 'প'ৰ উচ্চাৰণ একে যেন শুনে যদিও প্ৰকৃততে ধ্বনি দুটা একে ধৰণে উচ্চাৰিত নহয়। 'পাত' শব্দৰ 'প' উচ্চাৰণৰ সময়ত ওঁঠ দুটা লগ লগাৰ পিছতেই পৃথক হৈ যায়। আনহাতে 'তাপ' শব্দৰ 'প' উচ্চাৰণত ওঁঠ দুটা লগ লাগি বৈ যায়। গতিকে উচ্চাৰণৰ ধৰণৰ ফালৰ পৰা ধ্বনি দুটা ভিন্ন। তদুপৰি প্ৰথমটো 'প' উচ্চাৰিত হয় শব্দৰ আদি আৰু মধ্যত আৰু দ্বিতীয়টো উচ্চাৰিত হয় শবদৰ শেষত। প্ৰথমটো 'প' ধ্বনি উচ্চাৰিত হোৱা আন কেতবোৰ শব্দ হ'ল ঃ পাপ, পাৰ, পাছ, পাভ, পাণ, নিপাত, বিপাক ইত্যাদি। সেইদৰে দ্বিতীয় 'প' উচ্চাৰিত হোৱা শব্দবোৰ হ'ল ঃ জপ, জাপ, খাপ, ৰূপ, অৰূপ, বাপ ইত্যাদি। গতিকে উক্ত 'প' ধ্বনি দুটাৰ উচ্চাৰণৰ স্থান নিৰ্দিষ্ট।

---

১ A phoneme is a family of sounds in a given language which are related in Character and are used in such a way that no one member ever occurs in a word in the same phonetic context as any other member : Daniel Jones : An Outline of English Phonetics.

উল্লেখযোগ্য যে কোনো এটা ভাষাত প্ৰয়োগ হোৱা সকলোবোৰ ধ্বনিৰেই একাধিক ৰূপ নহয়। তেনে ক্ষেত্ৰত সেই একক ধ্বনি বা বৰ্ণৰ মৰ্যাদা দিয়া হয়। ভাষাভেদে বিশিষ্ট ধ্বনি বা বৰ্ণ ভিন ভিন। এইবোৰ বিমূৰ্ত (Abstract)।

যদি কোনো বিশেষ ৰীতি অনুসৰি একেটা ধ্বনিয়েই পৰিবেশ বা স্থান ভেদে ভিন্ন ধৰণে উচ্চাৰিত হয় আৰু যদিহে এটাৰ স্থান বা পৰিবেশত আনটোৰ উচ্চাৰণ নহয় তেতিয়া সেই ধ্বনি দুটাক পৰিপূৰক প্ৰয়োগত বা প্ৰতিযোগী ব্যৱহাৰত (Complementary Distribution) থকা বুলি কোৱা হয়।

উদাহৰণ স্বৰূপে ওপৰত উল্লেখ কৰি অহা 'পাত' শব্দৰ 'প' আৰু 'তাপ' শব্দৰ 'প' ধ্বনিলৈ আঙুলিয়াব পাৰি। দুয়োটা 'প' ধ্বনিৰে উচ্চাৰণৰ স্থান নিৰ্দিষ্ট। প্ৰথম 'প' যি স্থানত যি ধৰণৰে উচ্চাৰিত হৈছে, দ্বিতীয় 'প' তাত উচ্চাৰিত হোৱা নাই আৰু হ'বও নোৱাৰে। এয়েই পৰিপূৰক প্ৰয়োগ বা প্ৰতিযোগী ব্যৱহাৰ।

পৰিপূৰক প্ৰয়োগ বা প্ৰতিযোগী ব্যৱহাৰত থকা ধ্বনিবোৰৰ প্ৰতিটোকেই উপধ্বনি বা পূৰক (Allophone) বোলে।[১] উদাহৰণ স্বৰূপে ওপৰত উল্লেখ কৰি অহা 'পাত' আৰু 'তাপ' শব্দ দুটাৰ 'প' ধ্বনি দুটাকেই ল'ব পাৰি। উক্ত দুয়োটা 'প' ধ্বনিয়েই একো একোটা উপধ্বনি। আৰু দুয়ো ধ্বনিৰ সামূহিক গোটটো হ'ল বিশিষ্ট ধ্বনি বা বৰ্ণ।

সেইদৰে অসমীয়া ভাষাৰ 'দাঁত' আৰু 'দৈত্য' শব্দ দুটাৰ 'ত' ধ্বনি দন্ত মূলীয় যদিও উভয়ৰে উচ্চাৰণৰ মাজত পাৰ্থক্য আছে। প্ৰথম 'ত' উচ্চাৰিত হৈছে দন্তমূলত আৰু দ্বিতীয় 'ত' 'য' ৰ লগত যুক্ত হৈ থকাৰ কাৰণে তাৰ উচ্চাৰণ হৈছে কিঞ্চিৎ তালব্য। গতিকে প্ৰথম আৰু দ্বিতীয় 'ত', উভয়েই একো একোটা উপধ্বনি বা পৰিপূৰক ধ্বনি আৰু দুয়োটি ধ্বনিৰ সামূহিক গোটটো হ'ল বিশিষ্ট ধ্বনি বা বৰ্ণ। ইয়াৰ পৰা বুজা গ'ল যে বিশিষ্ট ধ্বনি বা বৰ্ণ হ'ল উপধ্বনিসমূহৰ এটা শ্ৰেণী। (A phoneme is therefore, a class of allophones. H.A. Gleason : An Introduction to Descriptive Linguistics)।

আমি মনত ৰখা ভাল যে বাকযন্ত্ৰৰ সহায়ত একেটা ধ্বনিকে একাধিকবাৰ উচ্চাৰণ কৰিলে তাৰ উচ্চাৰণ ৰীতিৰ পাৰ্থক্য ঘটে। এই উচ্চাৰণ পাৰ্থক্য যদি স্পষ্ট

Sounds are said to be in complementary Distribution when each occurs in a fixed set of contexts in which none of the other occurs. H.A. Gleason : An Introduction to Descriptive Linguistics.

১ Any Sound or Sub Class of sounds which is in complementary distribution with another so that the two together constitute a single phoneme is called as Allophone of the phoneme. H.A. Gleason : An Introduction to Descriptive Linguistics.

আৰু ৰীতিভিত্তিক হয় আৰু এনে পাৰ্থক্যই যদি কোনো এটা শব্দৰ অৰ্থৰ সলনি নঘটায়, তেতিয়া তাক মুক্ত বিকল্প (Free variation) বোলে। মুক্ত বিকল্প প্ৰয়োগৰ ধ্বনিবোৰ, ধ্বনিতাত্ত্বিক দিশৰপৰা ভিন্ন হ'লেও সেইবোৰৰ মাজত বিৰোধ নাই, অৰ্থাৎ মুক্ত বিকল্প প্ৰয়োগৰ দুটা ভিন্ন ধ্বনি দুটা সুকীয়া বিশিষ্ট ধ্বনি বা বৰ্ণ হ'ব নোৱাৰে, সেই দুটা প্ৰকৃততে একেটা বিশিষ্ট ধ্বনিৰে দুটা উপধ্বনি মাথোন। (Any two sounds which are always in free variation cannot be two phoneme, but only two points with in the range that constitute one phoneme. H.A. Gleason : An Introduction to Descriptive Linguistics)

যেনে :

অসমীয়া : শেষ>শেহ
বিষ>বিহ

বঙালী : দুধ>দুদ্
সাথ্>সাত্

ধ্বনিৰ প্ৰয়োগক সাধাৰণতে দুভাগত ভগোৱা হয় : বিৰোধী আৰু অবিৰোধী।

একে পৰিবেশত কোনো এটা ধ্বনিৰ সলনি আন এটা প্ৰয়োগ কৰিলে যদি অৰ্থৰ পৰিবৰ্তন ঘটে তেনেহ'লে তাক বিৰোধী প্ৰয়োগ বুলি কোৱা হয়। বিৰোধী প্ৰয়োগৰ প্ৰতিটো ধ্বনিয়েই একোটা বিশিষ্ট ধ্বনি। যেনে :

ত-ই-ল—তিল
ত-এ-ল—তেল
ত-আ-ল—তাল
ত-অ-ল—তল

ইয়াৰ ই, এ, আ আৰু অ বিশিষ্ট ধ্বনি। একে পৰিবেশত, এইবোৰ ধ্বনিৰ ইটোৰ সলনি সিটো প্ৰয়োগ কৰাত শব্দবোৰৰ অৰ্থৰ পৰিবৰ্তন ঘটিছে। আনহাতে বিৰোধ ধ্বনিৰ প্ৰয়োগত বিৰোধ নাই সেইবোৰৰ প্ৰতিটোৱেই একোটা বিশিষ্ট ধ্বনিৰ উপধ্বনি।

কোনো এটা ভাষাত প্ৰয়োগ হোৱা ধ্বনিসমূহৰ প্ৰকৃতি বিশ্লেষণ আৰু সেইবোৰৰ সমন্বয় সাধনেৰে বিশিষ্ট ধ্বনি বা বৰ্ণ বিচাৰ কৰাই হৈছে বিশিষ্ট ধ্বনি বা বৰ্ণবিজ্ঞানৰ প্ৰধান উদ্দেশ্য।

১৩.৩.২ বিভাজ্য বৰ্ণ (Phoneme)

কোনো এটা ভাষাত প্ৰয়োগ হোৱা বৰ্ণবোৰৰ বৈশিষ্ট্য নিৰূপণৰ বাবে বৰ্ণাত্মক

ভাষাবিজ্ঞানত সেইবোৰক বিভাজন বা খণ্ডিত কৰা হয়। যিবোৰ বৰ্ণক ক্ৰমাগতভাৱে বিভাজন কৰি ব্যৱহাৰ বৈচিত্ৰ্য দেখুৱাই সেইবোৰৰ স্বৰূপ নিৰ্ণয় কৰিব পাৰি তেনেবোৰ বৰ্ণক বিভাজ্য বৰ্ণ বোলে। এনে বিভাজনৰ সহায়ত স্বৰ, ব্যঞ্জন তথা যুক্ত ব্যঞ্জনৰ যিমানবোৰ উচ্চাৰণ বৈচিত্ৰ্য ঘটিব পাৰে, সেই আটাইবোৰৰে বিশ্লেষণ কৰিব পৰা যায়।

উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ 'পাপ' শব্দটোকে লোৱা যাওক। এই শব্দটোত প্ৰয়োগ হোৱা ধ্বনি বা বৰ্ণৰ বিভাজন হ'ব এনে ধৰণৰ : প/আ/প্। এই বিভাজনত বৰ্ণ তিনিটাৰ ক্ৰম আমি দেখুৱাব পাৰিছোঁ। তদুপৰি এই বিভাজনেৰে প্ৰথম 'প' আৰু শেষৰ 'প'— এই ধ্বনি দুটাৰ উচ্চাৰণ বৈচিত্ৰ্যও স্পষ্ট হৈ উঠিছে। গতিকে ইহঁত বিভাজ্য বৰ্ণ।

১৩.৩.৩ উপহিত বৰ্ণ (Suprasegmental Phoneme) :

যিবোৰ বৰ্ণক ক্ৰম অনুসৰি বিভাজন কৰি দেখুৱাব নোৱাৰি অথচ যিবোৰৰ অস্তিত্ব অনুভৱযোগ্য, সেইবোৰকে উপহিত বৰ্ণ বোলে। যেনে, তুমি যোৱা। এইটো অসমীয়া ভাষাৰ এটা বাক্য। সাধাৰণভাৱে উচ্চাৰণ কৰিলে এই বাক্যটোৱে অনুজ্ঞা অৰ্থ প্ৰকাশ কৰে। ইয়াত যদি অন্য সুৰলহৰ প্ৰয়োগ কৰা হয় তেনেহ'লে সি ভিন্ন অৰ্থ প্ৰকাশ কৰিব। যেনে, তুমি যোৱা? তুমি যোৱা! ইয়াৰ প্ৰথমটোত প্ৰশ্ন আৰু দ্বিতীয়টোত আশ্চৰ্য্যৰ ভাব প্ৰকাশ পাইছে। ইয়াৰ পৰা আমি জানিলোঁ যে সুৰলহৰৰ ভিন্নতাই একেটা বাক্যৰে তাৰতম্য ঘটায়। এই সুৰলহৰ এটা উপহিত বৰ্ণ; অৰ্থাৎ ইয়াক ক্ৰম অনুসৰি বিভাজন কৰি দেখুৱাব নোৱাৰি।

অবিভাজ্য বৰ্ণবোৰ হ'ল : (ক) সুৰলহৰ (Intonation) (খ) স্বৰৰ দীৰ্ঘত্ব (Length) বা মাত্ৰা (Mora) (গ) শ্বাসাঘাত (Stress Accent) (ঘ) সন্ধি (Juncture) আৰু (ঙ) অনুনাসিকতা (Nasalisation)।

(ক) সুৰলহৰ (Intonation) :

মানুহে কথা কওঁতে কোনো এটা বাক্যৰ অক্ষৰ বা শব্দবোৰৰ উচ্চাৰণৰ তাৰতম্য ঘটে। উচ্চাৰণৰ এনে তাৰতম্য অনুসৰি স্বৰতন্ত্ৰীৰ কম্পন দ্ৰুত বা ধীৰ হোৱাৰ ফলত যি সাংগীতিক লহৰৰ সৃষ্টি হয় তাক (Pitch) বোলে। কোনো কোনো ভাষাত শব্দৰ অক্ষৰৰ সুৰে তাৰ অৰ্থ নিয়ন্ত্ৰণ কৰে। অৰ্থাৎ সুৰ অনুযায়ী একেটা শব্দৰে অৰ্থৰ সলনি ঘটে। চীনা, আফ্ৰিকান আৰু অসমৰ জনজাতীয় ভাষ-

সমূহত অক্ষৰৰ সুৰ নিৰ্দিষ্ট। এইবোৰ ভাষাৰ শব্দৰ অক্ষৰৰ সুৰ সলনি কৰি অৰ্থভেদ বুজোৱা হয়। এনে ভাষাক সুৰীয়া ভাষা বোলে। সাধাৰণতে সুৰ তিনি প্ৰকাৰৰ : উদাত্ত (High), অনুদাত্ত (Low) আৰু স্বৰিত (Mid)। এইবোৰ স্বৰতন্ত্ৰীৰ কম্পনৰ ওপৰত নিৰ্ভৰশীল। স্বৰতন্ত্ৰীৰ কম্পন ক্ৰমে বাঢ়ি গ'লে সুৰ ওপৰলৈ উঠে ইয়াকে উদাত্ত সুৰ বোলে। স্বৰতন্ত্ৰীৰ কম্পন ক্ৰমে কমি আহিলে সুৰ অনুদাত্ত হয় আৰু উদাত্ত আৰু অনুদাত্তৰ মাজৰ সুৰ হয় স্বৰিত। এই তিনিটা সুৰৰ পৰাই আকৌ বিভিন্ন সুৰ পাব পাৰি।

অসমীয়া, বঙালী আদি ভাষাত শব্দৰ বা অক্ষৰৰ সুৰ সলনি কৰিলে অৰ্থৰ তাৰতম্য নঘটে। কিন্তু এইবোৰ ভাষাত প্ৰয়োগ হোৱা বাক্যৰ সামগ্ৰিক সুৰৰ তাৰতম্য ঘটিলে অৰ্থৰ ভিন্নতা প্ৰকাশ পায়। সমগ্ৰ বাক্যক অৱলম্বন কৰি যি সুৰৰ সৃষ্টি কৰা হয় তাকেই সুৰলহৰ বোলে। সুৰলহৰ সকলো ভাষাৰে আছে কিন্তু সকলো ভাষাৰ সুৰ নাই।

অসমীয়া ভাষাত সুৰলহৰৰ সলনি কৰি একেটা বাক্যৰে কেনেদৰে অৰ্থৰ তাৰতম্য ঘটোৱা হয় তাক তলৰ বাক্যকেইটালৈ চালেই বুজিব পাৰি :

(১) তুমি ভাত খোৱা।
(২) তুমি ভাত খোৱা?
(৩) তুমি ভাত খোৱা!!

এই বাক্য তিনিটাৰ প্ৰথমটোৱে অনুজ্ঞা, দ্বিতীয়ই প্ৰশ্নসূচক আৰু তৃতীয় বাক্যই আশ্চৰ্য ভাব প্ৰকাশ কৰিছে। সুৰলহৰৰ পাৰ্থক্য হেতু একেটা বাক্যৰে এই তিনিটা অৰ্থ ওলাই পৰিছে।

(খ) স্বৰৰ দীৰ্ঘত্ব (Length) :

মানুহে কথা কওঁতে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰৰ কিছুমানত কম সময় আৰু কিছুমানত সৰহ সময় লাগে। ধ্বনি উচ্চাৰণৰ এই সময়েই হৈছে ধ্বনিৰ দৈৰ্ঘ্য বা দীৰ্ঘত্ব। আৰু ধ্বনি উচ্চাৰণৰ সময়ৰ এককেই হৈছে মাত্ৰা। যিবোৰ ধ্বনিৰ দৈৰ্ঘ্য সাধাৰণ সেইবোৰো বহমাত্ৰাযুক্ত হ'ব পাৰে। ভাষাভেদে ধ্বনিৰ দৈৰ্ঘ্য ভিন্ন হয়। সংস্কৃত ভাষাত স্বৰ ধ্বনিৰ উচ্চাৰণত তিনিটা মাত্ৰা ধৰা হয়। যেনে, হ্ৰস্ব, দীৰ্ঘ আৰু প্লুত। ইয়াৰে হ্ৰস্বত একমাত্ৰা, দীৰ্ঘত দুই মাত্ৰা আৰু প্লুতত তিনি মাত্ৰা স্বীকাৰ কৰি লোৱা হয়। স্বৰধ্বনিৰ দৰে সংস্কৃতত ব্যঞ্জন ধ্বনিৰো মাত্ৰা আছে। ব্যঞ্জন ধ্বনিৰ মাত্ৰা হ্ৰস্ব স্বৰৰ মাত্ৰাতকৈয়ো চুটি। কোনো কোনো ভাষাত ধ্বনিৰ দৈৰ্ঘ্যই শব্দৰ অৰ্থৰ সলনি কৰিব পাৰে আৰু কোনো কোনো ভাষাত ধ্বনিৰ মাত্ৰাৰ বিবোধ

নাই। অসমীয়া ভাষাত স্বৰ ধ্বনিৰ মাত্ৰাৰ সাল-সলনিয়ে শব্দৰ অৰ্থৰ তাৰতম্য নঘটায়।

(গ) শ্বাসাঘাত (Stress Accent) :

কথা-বতৰা পাতোঁতে বাক্যৰ সকলোবোৰ শব্দ, সমানে জোৰ দি উচ্চাৰণ কৰা নহয়। কোনো কোনো শব্দৰ উচ্চাৰণত বেছি জোৰ পৰে আৰু কোনো কোনো শব্দত জোৰ কমকৈ পৰে। জোৰ পৰা শব্দবোৰৰ উচ্চাৰণ স্পষ্ট আৰু জোৰ নপৰা শব্দৰ উচ্চাৰণ আপেক্ষিকভাৱে কম স্পষ্ট হয়। শব্দৰ ক্ষেত্ৰতো কোনো এটা অক্ষৰৰ উচ্চাৰণত অধিক জোৰ পৰে আৰু কোনো এটাত নপৰে। শব্দ বা অক্ষৰৰ উচ্চাৰণৰ ক্ষেত্ৰত প্ৰয়োগ কৰা এই আপেক্ষিক জোৰকেই শ্বাসাঘাত বোলে। কোনো কোনো ভাষাত শ্বাসাঘাতৰ স্থানৰ বিশেষ আছে, অৰ্থাৎ সেইবোৰ ভাষাত শ্বাসাঘাতৰ স্থানৰ পৰিবৰ্তন ঘটিলে অৰ্থবো তাৰতম্য ঘটে। উদাহৰণ স্বৰূপে ইংৰাজী ভাষাৰ Present শব্দটোকে ল'ব পাৰি। 'Present' শব্দটোৰ আদি অক্ষৰত শ্বাসাঘাত পৰিলে তাৰ অৰ্থ হ'ব "উপহাৰ"। সেইদৰে Permit শব্দটোৰ আদি অক্ষৰত শ্বাসাঘাত পৰিলে বিশেষ্য আৰু শেষ অক্ষৰত পৰিলে ক্ৰিয়া পদ বুজায়।

অসমীয়া ভাষাৰ এটা প্ৰধান উপভাষা হৈছে কামৰূপী। কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰা হেতুকে মাজৰ স্বৰধ্বনিবোৰ প্ৰায়েই লোপ পায় আৰু ওচৰা উচৰিকৈ থকা ব্যঞ্জন লগ লাগে। যেনে,

ভোমোৰা > ভম্ৰা। দমৰা > দাম্ৰা।

শ্বাসাঘাতৰ প্ৰভাৱৰ কাৰণেই কামৰূপী উপভাষাত শব্দবোৰৰ ৰূপৰ পৰিবৰ্তন ঘটা দেখা যায়। জগতৰ সকলো ভাষাৰ উচ্চাৰণতে শ্বাসাঘাতৰ প্ৰয়োগ অনিবাৰ্য যদিও কোনো কোনো ভাষাত ই বেছি আৰু কোনো কোনো ভাষাত কম।

(ঘ) সন্ধি (Juncture) :

মানুহে কথা-বতৰা পাতোঁতে ধ্বনিবোৰ একেলগে কৰহে উচ্চাৰণ কৰে। একেলগে উচ্চাৰণ কৰাৰ ফলত ধ্বনিবোৰৰ মাজত সংযোগ ঘটে। ধ্বনিৰ এই সংযোগকেই সন্ধি বোলে। সন্ধিয়ে কণ্ঠোচ্চাৰিত বাক্যসমূহক সংযুক্ত কৰি তোলে আৰু বাক্যত প্ৰয়োগ হোৱা শব্দৰ সাল-সলনিয়ে একে ধ্বনিসমষ্টিযুক্ত বাক্যৰ অৰ্থবো পৰিবৰ্তন ঘটাব পাৰে। ইয়াৰ পৰা বুজা যায় যে সন্ধি প্ৰয়োগৰ ভিন্নতাই বাক্যৰ অৰ্থৰ সলনি কৰে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ দুটা বাক্য লোৱা যাওক ঃ

(ক) আজলি কঁঠাল খাম? (খ) আজলিক টান পাম।

এই বাক্য দুটা একে ধ্বনি সমষ্টিৰে গঠিত যদিও সন্ধিৰ তাৰতম্যই বাক্য দুটাৰ অৰ্থৰ সলনি কৰিছে।

ইংৰাজী ভাষাতো সন্ধিৰ প্ৰয়োগত বিৰোধ ঘটা দেখা যায়। যেনে see the meat আৰু see them eat।

সাধাৰণতে সন্ধি দুই প্ৰকাৰৰ : বদ্ধ সন্ধি (Close Juncture) আৰু যুক্ত সন্ধি (Open Juncture)। কোনো শব্দৰ ভিতৰৰা ধ্বনিবোৰৰ ইটোৰ লগত সিটোৰ সংযোগক কোৱা হয় বদ্ধ সন্ধি আৰু বাক্যত প্ৰয়োগ হোৱা শব্দবোৰৰ পূৰ্ববৰ্তী শব্দৰ অন্ত্য ধ্বনিৰ লগত পৰৱৰ্তী শব্দৰ আদি ধ্বনিৰ সংযোগক কোৱা হয় যুক্ত সন্ধি। আমি মনত ৰখা ভাল যে উভয়বিধ সন্ধিৰ মাজত বিৰোধ আছে।

ভাষাভেদে সন্ধিৰ নিয়ম ভিন ভিন। অসমীয়া আৰু সংস্কৃত, দুয়োটা ভাষাতে সন্ধি আছে, কিন্তু তাৰ নিয়ম দুয়োটা ভাষাত বেলেগ বেলেগ।

(ঙ) অনুনাসিকতা (Nasalisation) :

অনুনাসিকতা বাক ধ্বনিৰ এটি বিশিষ্ট গুণ। সাধাৰণতে শব্দত প্ৰয়োগ হোৱা স্বৰ ধ্বনিবোৰেই অনুনাসিকতা বহন কৰে। অনুনাসিকতাযুক্ত হ'লে কোনো শব্দৰ উচ্চাৰণ আৰু অৰ্থৰো পৰিবৰ্তন হয়। যেনে, বাহ আৰু বাঁহ। অসমীয়া ভাষাৰ এই শব্দ দুটাৰ প্ৰথমটোৰ 'আ' ধ্বনি অনানুনাসিক। আৰু দ্বিতীয় 'আঁ' অনুনাসিক। দুয়োটা শব্দৰ অৰ্থও ভিন্ন। ইয়াৰ পৰা বুজা গ'ল যে অনুনাসিকতাই বিৰোধৰ সৃষ্টি কৰে। ক্ৰম অনুসৰি ইয়াক বিভাজন কৰিব নোৱাৰা হেতুকে অনুনাসিকতাত উপস্থিত বৰ্ণৰ ভিতৰত ধৰা হয়।

১৩.৩.৪ অক্ষৰ (Syllable) আৰু আখৰ (Letter)

বাকযন্ত্ৰৰ ন্যূনতম প্ৰৰুত্ত একেলগে উচ্চাৰিত মুখৰতা (Sonority) যুক্ত এক বা একাধিক ধ্বনিৰ সমষ্টিক অক্ষৰ বোলে। অক্ষৰ হ'বলৈ হ'লে মুখৰ ধ্বনি থাকিবই লাগিব। ইয়াক অক্ষৰাধাৰ (Syllable nucleas) বোলে। এটা মাথোন ধ্বনিৰে হোৱা অক্ষৰত অক্ষৰাধাৰেই অক্ষৰ হয় আৰু একাধিক ধ্বনিযুক্ত অক্ষৰত অক্ষৰাধাৰৰ আদি, অন্ত বা আদ্যন্ত দুয়ো ঠাইত মুখৰতাহীন ধ্বনি থাকে। অসমীয়া ভাষাত এটা মাথোন ধ্বনিৰে হোৱা অক্ষৰ হ'ল ই, অ আদি। অক্ষৰাধাৰৰ আদি আৰু অন্ত মুখৰতাবিহীন ধ্বনি থকা অসমীয়া একাক্ষৰী শব্দ কেইবোৰ হ'ল— তোক (ত ও ক), তাল (ত আ ল), জাল (জ আ ল), কাল ইত্যাদি। মুখৰতাবিহীন ধ্বনিৰে আৰম্ভ হোৱা শব্দ : খা (খ আ), দল (দ অ ল) (ল অ) ইত্যাদি। সেইদৰে মুখৰতাবিহীন

ধ্বনিৰে অন্ত হোৱা শব্দ : যেনে : আহ্, এহ্, ইস্ ইত্যাদি।

সাধাৰণতে অক্ষৰক দুভাগত ভগোৱা হয় : মুক্তাক্ষৰ (Open Syllable) আৰু বদ্ধাক্ষৰ (Close Syllable)। যিবোৰ অক্ষৰ স্বৰ ধ্বনিৰে শেষ হয় সেইবোৰক মুক্তাক্ষৰ আৰু যিবোৰ ব্যঞ্জনেৰে শেষ হয় সেইবোৰক বদ্ধাক্ষৰ বোলে। ই, সি, খা আদি মুক্তাক্ষৰ। ভাল, ভোক আদি বদ্ধাক্ষৰ।

যিবোৰ চিনেৰে ধ্বনি লিখা হয় সেইবোৰক আখৰ বোলে। গতিকে আখৰ হ'ল ধ্বনিৰ দৃশ্যমান প্ৰতিনিধি। আমি মনত ৰখা ভাল যে অক্ষৰ আৰু আখৰ একে নহয়। অক্ষৰ হ'ল এক বা একাধিক ধ্বনিৰ উচ্চাৰণাত্মক একক। অক্ষৰত এটা বা ততোধিক আখৰ থাকিব পাৰে। সংস্কৃত ভাষাৰ স্বৰ আখৰবোৰ একো একোটা অক্ষৰো আৰু ধ্বনিও, কিন্তু ব্যঞ্জনবোৰ একোটা আখৰ আৰু অক্ষৰ হ'লেও সেইবোৰত ধ্বনি দুটাকৈ থাকে। যেনে ক, খ, ত, থ আদি। এইবোৰ একোটা আখৰ আৰু অক্ষৰ, কিন্তু ইহঁতৰ প্ৰতিটোতেই দুটাকৈ ধ্বনি আছে। যেনে ক (ক্+অ), খ (খ্+অ), ত (ত্+অ), থ (থ্+অ)।

অসমীয়া ভাষাত প্ৰয়োগ হোৱা স্বৰ আৰু ব্যঞ্জন আখৰবোৰে ধ্বনিক সম্পূৰ্ণভাৱে প্ৰতিনিধিত্ব নকৰে। অসমীয়া ভাষাত স্বৰ আৰু ব্যঞ্জনসূচক আখৰ সৰ্বমুঠ একাৱনটা, কিন্তু ধ্বনি মাত্ৰ বত্ৰিশটা। উদাহৰণ স্বৰূপে শ, ষ আৰু স আখৰ তিনিটাকৈ ল'ব পাৰি। অসমীয়াত এই তিনিওটা আখৰে এটা মাথোন ধ্বনিকহে সূচিত কৰে।

১৩.৪.১ ধ্বনি পৰিবৰ্তনৰ কাৰণ (Cause of phonetic change)

পৰিবৰ্তনশীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। পিছে এই পৰিবৰ্তনৰ গতি অতি ধীৰ আৰু সূক্ষ্ম। সুদীৰ্ঘকালৰ ব্যৱধানৰ অন্ততহে কোনো কোনো এটা ভাষাৰ বিৱৰ্তিত ৰূপটো স্পষ্ট হৈ উঠে। এনে পৰিবৰ্তনৰ বাবেই বহু সময়ত একেটা ভাষাৰ মাজৰ পৰা জন্ম লাভ কৰা একাধিক ভাষাৰ মাজৰ সম্পৰ্কও শিথিল হোৱাৰ উপক্ৰম ঘটে।

ভাষাৰ পৰিবৰ্তন বুলিলে ধ্বনিৰ ক্ষেত্ৰত ঘটা পৰিবৰ্তনৰ কথাই বিশেষ স্থান লাভ কৰে। ইয়াক ভাষাৰ বিকাশ বুলিব পাৰি।

কোনো এটা ভাষাৰ ধ্বনি পৰিবৰ্তনৰ ধাৰালৈ লক্ষ্য কৰি তাৰ কেতবোৰ নিয়ম বা সূত্ৰ আৱিষ্কাৰ কৰিব পৰা যায়। পিছে সেই নিয়ম বা সূত্ৰ ভাষা নিৰ্বিশেষে প্ৰযোজ্য নহয়। উদাহৰণস্বৰূপে ভাৰতীয় আৰ্য ভাষাৰ ধ্বনি পৰিবৰ্তনৰ নিয়ম ইংৰাজী ভাষাত খটুৱাব নোৱাৰি।

১৩.৪.২

ধ্বনিতত্ত্ববিদ পণ্ডিতসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা চালিজাৰি চাই ধ্বনি পৰিৱৰ্তনৰ প্ৰধানকৈ দুটা কাৰণ দৰ্শাইছে ঃ বহিৰংগকাৰণ (External cause) আৰু অন্তৰংগকাৰণ (Internal cause) অন্তৰংগ কাৰণৰ আকৌ দুটা বিভাগ ঃ শাৰীৰিক কাৰণ (Physiological cause) আৰু মানসিক কাৰণ (Mental cause)।

তলত এই কাৰণসমূহ বিতংভাৱে আলোচনা কৰা হ'ল ঃ

১৩.৪.৩ বহিৰংগ কাৰণ (External change)

ভৌগোলিক প্ৰভাৱ ঃ

কোনো দেশ বা জাতিৰ ভাষাৰ ওপৰত ভৌগোলিক অৱস্থান বা ভৌগোলিক পৰিবেশৰ প্ৰভাৱ অপৰিসীম। এনে প্ৰভাৱৰ ফলত কোনো এটা ভাষাৰ ধ্বনিতাত্ত্বিক দিশত পৰিৱৰ্তন ঘটিব পাৰে। কোনো এক ভৌগোলিক অৱস্থানৰ মৰুভূমি, নদ-নদী, জলবায়ু আদিয়ে ধ্বনিৰ পৰিৱৰ্তনত যথেষ্ট প্ৰভাৱ পেলাব। যি ভৌগোলিক সীমাৰ ভিতৰত নদ-নদী সৰহ, তাৰ ভাষাত তৰল ধ্বনি আৰু য'ত মৰুভূমি সৰহ, তাৰ ভাষাত কণ্ঠ্য ধ্বনিৰ প্ৰাধান্য ঘটে। অসমীয়া, বঙালী আদি ভাষাত তৰল আৰবী ভাষাত কণ্ঠ্য ধ্বনিৰ প্ৰাধান্যৰ মূলতে যথাক্ৰমে নদ-নদী আৰু মৰুভূমিৰ প্ৰভাৱ বুলি পণ্ডিতসকলে অনুমান কৰে।[1] আনহাতে পৰ্বত-পাহাৰে আবৰা কোনো এক ভৌগোলিক সীমাৰ ভিতৰত যদি কোনো এটা ভাষা সম্প্ৰদায়ৰ লোকে দীৰ্ঘকাল ধৰি বাস কৰে আৰু যাতায়াতৰ অসুবিধা হেতু যদিহে সেই ভাষা সম্প্ৰদায়টোৰে সৈতে অন্য কোনো ভাষা সম্প্ৰদায়ৰ লোকৰ যোগাযোগ নঘটে, তেতিয়া সেই ভৌগোলিক সীমাৰ ভিতৰৰ ভাষাটোৰ ধ্বনিৰ পৰিৱৰ্তনৰ গতি অতি মন্থৰ হয়।

ভিন্ন ভাষাৰ প্ৰভাৱ

দুটা ভিন্ন ভাষাগোষ্ঠীৰ লোকৰ মাজত নিবিড় সম্বন্ধ গঢ়ি উঠিলে অথবা কোনো এটা ভাষা কোৱা জনগোষ্ঠীয়ে আন এটা ভাষা কোৱা জনগোষ্ঠীৰ বসতি অঞ্চল আক্ৰমণ কৰিলে, তেওঁলোকে ব্যৱহাৰ কৰা ভাষাসমূহৰ ধ্বনি ৰীতিৰ ওপৰত পাৰস্পৰিক প্ৰভাৱ পৰে। এনে প্ৰভাৱৰ কাৰণে কোনো এটা ভাষাৰ মূলত নথকা ধ্বনিও সেই ভাষাটোত সোমাই পৰে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত প্ৰয়োগ

---

[1] শৰ্মা ১৯৮২ পৃঃ ১২৫।

হোৱা দন্ত মূলীয় ধ্বনিৰ কথাকেই ক'ব পাৰি। সংস্কৃতৰ দন্ত্য আৰু মূৰ্দ্ধন্য ধ্বনি মান্য অসমীয়া আৰু কামৰূপী উপভাষাত দন্তমূলীয় হিচাপে উচ্চাৰিত হোৱাৰ মূলতে তিব্বতবৰ্মী ভাষাৰ প্ৰভাৱ বুলি পণ্ডিতসকলে অনুমান কৰে। সেইদৰে দ্ৰাবিড় ভাষাৰ প্ৰভাৱত ভাৰতীয় আৰ্য ভাষাত মূৰ্দ্ধন্য ধ্বনিৰ প্ৰয়োগ হোৱা বুলিও পণ্ডিতসকলে ঠাৱৰ কৰিছে।

ঐতিহাসিক কাৰণ

জীৱন্ত ভাষা বোৱতী নৈৰ দৰে চিৰ প্ৰবহমান। সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ ধ্বনি উচ্চাৰণৰ ৰীতি প্ৰকৃতিৰো পৰিবৰ্তন ঘটে। এনে পৰিবৰ্তনৰ কাৰণে কোনো এটা ভাষাৰ কোনো এটা সময়ৰ ধ্বনিৰ ৰূপে আন এটা সময়ত অন্য এটা ৰূপ গ্ৰহণ কৰে। এই পৰিবৰ্তনকে ঐতিহাসিক পৰিবৰ্তন বোলে। আনহাতে ইয়াক ধ্বনিৰ বিকাশ বুলিব পাৰি। যেনে, সিন্ধু>হিন্দু, ঘোটক>ঘোড়অ>ঘোঁৰা হস্তী>হথী>হাতী ইত্যাদি।

সামাজিক প্ৰভাৱ

ভাষাৰ ওপৰত সামাজিক অৱস্থাৰ প্ৰভাৱ গভীৰ। এই প্ৰভাৱে কোনো এটা ভাষাৰ ধ্বনি ৰীতিৰ পৰিবৰ্তন সাধন কৰিব পাৰে। সাধাৰণতে সমাজ এখনত যেতিয়া শান্তি-শৃংখলা বিৰাজ কৰে তেতিয়া তাৰ মানুহৰ চিন্তা-ভাৱনা গভীৰ আৰু সুস্থিৰ হয়। এনে অৱস্থাত তেওঁলোকে ভাবি-চিন্তি কথা কয়। ফলস্বৰূপে, তেওঁলোকে উচ্চাৰণ কৰা ধ্বনি ৰীতিৰ বিকৃতি কমকৈ ঘটে। আনহাতে যুদ্ধ-বিগ্ৰহ আদিয়ে যেতিয়া কোনো এখন সমাজ বিশৃংখল আৰু উত্তপ্ত কৰি তোলে তেতিয়া সেইখন সমাজত বসবাস কৰা মানুহৰ মনৰ চিন্তা-ভাৱনাও বিক্ষিপ্ত হয়। তেনে অৱস্থাত তেওঁলোকে কথা-বতৰা পাতোতে উচ্চাৰণৰ গতি দ্ৰুত হয় আৰু কোনো এটা শব্দ উচ্চাৰণ কৰোতে তাৰ কোনো এটা অংশত অধিক জোৰ দিয়াৰ ফলত সংশ্লিষ্ট ভাষাটোত ধ্বনিৰ পৰিবৰ্তনে দেখা দিয়ে। মানুহৰ স্বতঃস্ফূৰ্ত অনুভূতি প্ৰকাশৰ ইচ্ছা আৰু অনিচ্ছায়ো ধ্বনিৰ পৰিবৰ্তন ঘটাব পাৰে। কোনো এখন সমাজৰ লোকে মনৰ অনুভূতিক খোলাখুলিকৈ প্ৰকাশ কৰিব বিচাৰে আনহাতে, আন এখন সমাজৰ মানুহে হয়তো নিজৰ অনুভূতি প্ৰকাশত কুণ্ঠাবোধ কৰে। ফলত প্ৰথমখন সমাজৰ লোকে ব্যৱহাৰ কৰা ভাষাত ধ্বনিৰ স্বাভাৱিক পৰিবৰ্তনৰ গতি ক্ষিপ্ৰ হয় আৰু দ্বিতীয়খন সমাজৰ লোকে ব্যৱহাৰ কৰা ভাষাত ধ্বনিৰ বিলুপ্তি ঘটে।

ব্যক্তিগত প্ৰভাৱ

কোনো এটা ভাষা কোনো কোনো এগৰাকী প্ৰভাৱশালী ব্যক্তিৰ ধ্বনি উচ্চাৰণৰ সুকীয়া বৈশিষ্ট্যই আন লোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে আৰু তেনে প্ৰভাৱৰ বিস্তৃতি ঘটি সেই ভাষা কোৱা জনসমষ্টিৰ সৰহ ভাগ লোকক স্পৰ্শ কৰিলেও সংশ্লিষ্ট ভাষাটোৰ ধ্বনিৰ পৰিৱৰ্তন ঘটে।

১৩.৪.৪ অন্তৰংগ কাৰণ (Internal cause)

শাৰীৰিক কাৰণ

বাগযন্ত্ৰ আৰু শ্ৰৱণ যন্ত্ৰৰ ত্ৰুটি ঃ

বাগ্‌যন্ত্ৰ ত্ৰুটিপূৰ্ণ হ'লে, কোনো এজন লোকে তেওঁ কোৱা ভাষাটোৰ সকলোবোৰ ধ্বনি যথাৰ্থ ৰূপত উচ্চাৰণ কৰিব নোৱাৰে। ফলস্বৰূপে ধ্বনি উচ্চাৰণ ৰীতিৰ পৰিৱৰ্তন ঘটিব পাৰে। সেইদৰে শ্ৰোতাৰ শ্ৰৱণ যন্ত্ৰ ত্ৰুটিপূৰ্ণ হ'লে তেওঁ আনৰ কথা স্পষ্ট ৰূপে নুশুনিবও পাৰে এনে ক্ষেত্ৰত তেওঁ শুনা কথাৰ পুনৰাবৃত্তি কৰিলে তেওঁৰ উচ্চাৰণ ৰীতিৰ পৰিৱৰ্তন ঘটিব পাৰে।

অনুকৰণৰ অক্ষমতা

মানুহ অনুকৰণশীল। এই প্ৰবৃত্তিৰ যোগেদি মানুহে ভাষা ক'বলৈ শিকে। শিশুৱে ডাঙৰৰ মাত-কথা অনুকৰণ কৰি ভাষা ক'ব পৰা হয়। পিছে এটি শিশু বা এজন অশিক্ষিত লোক অনুকৰণ সম্পূৰ্ণভাৱে কৰিবলৈ অক্ষম হয়। এনে অক্ষমতাৰ বাবে তেওঁলোকৰ মুখত, বিশেষকৈ বিদেশী বা জটিল শব্দৰ ধ্বনি উচ্চাৰণত পৰিৱৰ্তন ঘটে। শিশুৰ মুখত 'ৰ' আৰু 'ল' ধ্বনিৰ বিপৰ্যয় ঘটাৰ মূল কাৰণ অনুকৰণৰ অক্ষমতা। বিদেশী 'ৰিক্সা' শব্দ অসমীয়া লোকৰ মুখত ৰিক্সা ৰূপে উচ্চাৰিত হোৱাৰ মূলতে অনুকৰণৰ অক্ষমতা। সেইদৰে সং উষ্ট্ৰ>উষ্ট।

উচ্চাৰণ দ্ৰুতি

খৰকৈ কথা ক'বলৈ গ'লেও পৰিৱৰ্তন ঘটে। সাধাৰণতে খৰকৈ কোনো এটা শব্দ উচ্চাৰণ কৰিলে তাৰ মাজৰ কোনো এটা ধ্বনি বা অক্ষৰৰ উচ্চাৰণ লোপ পায়। ইয়াৰ ফলত শব্দটোৰ ধ্বনিৰ পৰিৱৰ্তন দেখা দিয়ে। যেনে, ফকাইটি>কাইটি, বমেন্দ্ৰদাদা>বমেনদা।

প্ৰযত্ন লাঘৱ

মানুহে সাধাৰণতে সহজ-সৰলকৈ কথা ক'বলৈ বিচাৰে। ইয়াৰ ফলত কেতিয়াবা কোনো এটা শব্দলৈ নতুন ধ্বনিৰ আগমন ঘটে, কেতিয়াবা শব্দৰ কোনো এটা ধ্বনিৰ সলনি আন এটা উচ্চাৰিত হয় আৰু কোনো শব্দত যুক্ত ব্যঞ্জন থাকিলে তাৰ মাজত স্বৰ ধ্বনিৰ আগমন ঘটে।

যেনে জন্ম>জনম, কৰ্ম>কৰম, স্কুল>ইস্কুল, কিতাপ>কিতাব।

১৩.৪.৫ মানসিক কাৰণ

অজ্ঞতা ঃ

মানুহৰ অজ্ঞতাইও ধ্বনিৰ পৰিবৰ্তনত সহায় কৰে। কোনো এজন লোকে কথা কওঁতে অজ্ঞতা হেতু কোনো এটা ধ্বনি যথাৰ্থ ৰূপত উচ্চাৰণ কৰিব নোৱাৰে। ফলস্বৰূপে, কোনো এটা শব্দৰ ধ্বনিৰ পৰিবৰ্তন সাধিত হয়। বিদেশী শব্দৰ উচ্চাৰণৰ ক্ষেত্ৰত ঘাইকৈ এনে পৰিবৰ্তন দেখা যায়। যেনে, ফৰ্ম>ফৰম, প্ৰফেচৰ>পৰফেচাৰ, পুলিচ>কুলিচ ইত্যাদি।

আবেগবিহ্বলতা ঃ

মানুহ আবেগ-অনুভূতিৰ দাস। মানুহ যেতিয়া আবেগবিহ্বল বা ভাবপ্ৰৱণ হয় তেতিয়া কথা কওঁতে তেওঁ তাক অধিকতৰ হৃদয়স্পৰ্শী কৰিবলৈ প্ৰযত্নবান হয়। ফলস্বৰূপে ধ্বনি পৰিবৰ্তনে দেখা দিয়ে। যেনে, বোপা>বাপি, বাপে>বাপু, মামা>মামু, দাদা>দাদু ইত্যাদি।

শ্বাসাঘাত ঃ

কোনো শব্দ উচ্চাৰণৰ বেলিকা যথাস্থানত শ্বাসাঘাত নপৰিলে মূল শব্দৰ ধ্বনি পৰিবৰ্তনে দেখা দিয়ে। মূল সংস্কৃতৰ পৰা বিৱৰ্তনৰ মাজেদি অসমীয়ালৈ বাগৰি অহা অনেক শব্দৰ ধ্বনি পৰিবৰ্তনৰ অন্যতম কাৰণ হৈছে শ্বাসাঘাতৰ তাৰতম্য। যেনে, সং অলাবু>লাউ, সংভ্ৰমৰক>ভোমোৰা, তম্ৰা (কামৰূপী) ইত্যাদি।

অন্যমনস্কতা ঃ

অন্যমনস্কতাৰ বাবেও কোনো কোনো ক্ষেত্ৰত ধ্বনিৰ পৰিবৰ্তনে দেখা দিয়ে। যেনে চোলাবজেপত>মোনাবজেপত।

কুসংস্কাৰ ঃ

কুসংস্কাৰ বা অন্ধবিশ্বাসৰ বশবৰ্তী হৈ মানুহে কেতিয়াবা কোনো শব্দৰ ধ্বনি উচ্চাৰণৰ বিকৃতি ঘটায়। হিন্দী ভাষাত গোন্ড শব্দ কোন্ডীলৈ পৰিবৰ্তিত হোৱাৰ মূল কাৰণ হ'ল কুসংস্কাৰ।

বিশুদ্ধি প্ৰৱণতা ঃ

বিশুদ্ধি প্ৰৱণতা হেতু সহজ শব্দক কঠিন উচ্চাৰণ কৰিলেও ধ্বনিৰ পৰিবৰ্তন ঘটে। ইয়াৰ ফলত কেতিয়াবা শুদ্ধ শব্দও অশুদ্ধ হয়। যেনে, উৎকৃষ্ট>উৎকৃষ্ণ, বনগাঁও>বনগ্ৰাম (নলবাৰী জিলাৰ এটা ডাকঘৰৰ নাম)।

লোকনিৰুক্তি ঃ

কোনো বিদেশী শব্দক দেশী শব্দৰ সাদৃশ্যত উচ্চাৰণ কৰিলেও মূল শব্দটোৰ ধ্বনি পৰিবৰ্তন ঘটে। ইয়াকে লোক নিৰুক্তি বোলে। যেনে, Hospital>হাস্‌পাতাল।

শব্দদৈৰ্ঘ্য ঃ

অধিক ধ্বনিযুক্ত দীঘলীয়া শব্দক চুটিকৈ উচ্চাৰণ কৰাটো মানুহৰ এটা সাধাৰণ স্বভাৱ। ইয়াৰ ফলতো ধ্বনিৰ পৰিবৰ্তন ঘটে। যেনে, লঘিষ্ঠ সাধাৰণ গুণনিয়ক>ল সা গু, All Assam College Teachers Association>ACTA

সাদৃশ্য ঃ

ধ্বনিৰ পৰিবৰ্তনৰ ক্ষেত্ৰত সাদৃশ্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। উদাহৰণ স্বৰূপে সংস্কৃত দ্বাদশ শব্দৰ সাদৃশ্যত একদশ শব্দটো একাদশ হোৱালৈ আঙুলিয়াব পাৰি। অসমীয়া ভাষাত >খা ধাতুৰ পৰা খালে ৰূপ হয়। তাৰ সাদৃশ্যত শিশুৱে √যা ধাতুৰ পৰা হোৱা ৰূপ 'গ'লে'ৰ সলনি 'যালে' উচ্চাৰণ কৰে।

১৩.৫.১ ধ্বনি পৰিবৰ্তনৰ ধাৰা (Course of Phonetic Changes)

ধ্বনি পৰিবৰ্তনৰ প্ৰধান ধাৰা দুটা ঃ বিবৰ্তনমূলক আৰু সংযোগমূলক ঃ (Evolutionary and Combinatory) আৰু সাদৃশ্যমূলক আৰু বিভ্ৰান্তিমূলক

(Analogical and Confusional)।

১৩.৫.২ বিবৰ্ত্তনমূলক আৰু সংযোগমূলক ধাৰা

ধ্বনি বিলোপ ঃ

শ্বাসাঘাতৰ অভাৱ অথবা উচ্চাৰণৰ শিথিলতাৰ বাবে কোনো শব্দৰ কোনো ধ্বনি লোপ হোৱাকে ধ্বনি বিলোপ বোলে। শব্দৰ আদি, মধ্য আৰু অন্ত, তিনিও ঠাইতে, স্বৰ আৰু ব্যঞ্জন উভয় শ্ৰেণীৰ ধ্বনিৰেই বিলোপ ঘটিব পাৰে।

আদি স্বৰ লোপ ঃ যেনে, অলাবু>লাউ, অভ্যন্তৰ>ভিতৰ
মধ্যস্বৰ লোপ ঃ যেনে, সুবৰ্ণ>স্বৰ্ণ, গামোচা>গাম্চা (কামৰূপী)
কুকুৰা>কুক্ৰা (কামৰূপী)
অন্ত্যস্বৰ লোপ ঃ যেনে, সন্ধ্যা>সন্ধ্যে>সাঁজ, শিলা>শিল।
আদি ব্যঞ্জন লোপ ঃ যেনে, শ্মশান>মশান, স্থিত>থিত, স্থান>থান,
মধ্য ব্যঞ্জন লোপ ঃ যেনে, শৃগাল>শিয়াল।
নগৰ>নয়ৰ,
সকল>সয়ল,
অন্ত্য ব্যঞ্জন লোপ ঃ যেনে, আম্ৰ>আম
ৰাজ্য>ৰাজ

সমাক্ষৰ লোপ (Haplology) ঃ

কোনো শব্দত ওচৰা উচৰিকৈ থকা দুটা সমউচ্চাৰিত অক্ষৰ বা ধ্বনিৰ কোনো এটা লোপ হোৱাকে সমাক্ষৰ লোপ বোলে। যেনে, ভাতশালা>ভাতশা, লৌহ+ভাণ্ড>লহৰা (কামৰূপী) Everready>Eveready।

ধ্বনি আগম ঃ

ধ্বনি লোপৰ বিপৰীত ৰীতিটো হৈছে ধ্বনি আগম। কোনো শব্দৰ উচ্চাৰণ সহজ কৰিবলৈ যাওঁতে ধ্বনিৰ আগমন ঘটে। শব্দৰ আদি, মধ্য আৰু অন্ত-তিনিও ঠাইতে স্বৰ আৰু ব্যঞ্জন দুয়ো শ্ৰেণীৰ ধ্বনিৰ আগমন ঘটিব পাৰে।

আদিস্বৰাগম (Prothes is of vowel) ঃ

উচ্চাৰণ সহজ কৰিবলৈ যাওঁতে কোনো শব্দৰ আদিত থকা যুক্ত বা একক ব্যঞ্জনৰ আগতে এটা স্বৰ আহি লগ লাগে। ইয়াকে স্বৰাগম বোলে।

যেনে, স্কুল>ইস্কুল।
কুমাৰী>অকুমাৰী।
ঋগবেদ>ইৰুবেদ।

মধ্য স্বৰাগম/স্বৰভক্তি (Anaptyxis) :

উচ্চাৰণ সহজ কৰিবলৈ অথবা কোনো অনভ্যস্ত ধ্বনিৰ উচ্চাৰণ সৰল কৰিবলৈ যাওঁতে শব্দৰ মধ্যস্থিত যুক্ত ব্যঞ্জনৰ মাজলৈ এটা স্বৰধ্বনি আগমন ঘটে। ইয়াকে মধ্যস্বৰাগম বা স্বৰভক্তি বোলে। ইয়াৰ আন এটা নাম বিপ্ৰকৰ্ষ। যেনে, শব্দ>শবদ, বৰ্ষ>বৰিষ, ভক্ত>ভকত।

অন্ত্যস্বৰাগম (Catathesis) :

কোনো শব্দ উচ্চাৰণ কৰোতে যদি তাৰ অন্তত স্বৰধ্বনিৰ আগমন ঘটে তেতিয়া তাক কোৱা হয় অন্ত্যস্বৰাগম।

যেনে, দুষ্ট>দুষ্টু, বেশ>বেশি, কায়>কায়া।

আদি ব্যঞ্জন আগম : যেনে, ওষ্ঠ>ঠোঁট, উপকথা>ৰূপকথা।

মধ্যব্যঞ্জন আগম : যেনে, বানৰ>বান্দৰ, মোকদ্দমা>মোকৰ্দ্দমা, সুনৰ>সুন্দৰ।

অন্ত্য ব্যঞ্জন আগম : যেনে, ৰাধাকৃষ্ণ>ৰাধাকৃষ্ণন্, লঘু>হালকা।

অপনিহিতি (Epenthesis) :

কোনো শব্দৰ পৰৱৰ্তী অক্ষৰত থকা ই বা উ স্বৰধ্বনি তাৰ পূৰ্বস্থিত ব্যঞ্জন ধ্বনিৰ আগলৈ আহি উচ্চাৰিত হ'লে মূল শব্দটোৰ অৱয়ৱ লৰে, ধ্বনি পৰিবৰ্তনৰ এই ৰীতিক অপনিহিতি বোলে। মধ্যভাৰতীয় আৰ্য ভাষাত অপনিহিতিৰ উদাহৰণ বৰ বেছি নাই। মান্য অসমীয়া ভাষাতো ই প্ৰচুৰ নহয়। মান্য অসমীয়া 'য়'-যুক্ত ব্যঞ্জনৰ 'য়' ই লৈ পূৰ্ববৰ্তী অক্ষৰৰ স্বৰ ধ্বনিৰে সৈতে লগ লাগে।

যেনে, বাক্য>বাইক, ৰাজ্য>ৰাইজ।

কামৰূপী উপভাষাত অপনিহিতিৰ বিশেষ স্থান আছে। কামৰূপীত শব্দৰ অক্ষৰ হ্ৰাসৰ এটা প্ৰধান কাৰণ অপিনিহিতি।

যেনে, ৰাতিয়া>ৰাইতা, নাৰিকল>নাইৰকল, কন্যা>কোইনা।

অভিশ্ৰুতি (Umlaut) ঃ

কোনো শব্দৰ পৰৱৰ্তী অক্ষৰত থকা স্বৰ বা ব্যঞ্জন ধ্বনিয়ে পূৰ্ববৰ্তী অক্ষৰৰ স্বৰধ্বনিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি তাৰ পৰিবৰ্তন সাধিলে অথবা দুটা স্বৰধ্বনি মিলিত হৈ এটা ভিন্ন স্বৰধ্বনিত পৰিণত হ'লে তাক অভিশ্ৰুতি বোলা হয়।

যেনে, ময়ূৰ>মৈৰা>ম'ৰা
তৰৱাৰি>তৰোৱাল
লজ্জ>নেজ

স্বৰ সংগতি (Vowel Harmony) ঃ

সংগতি লাভৰ উদ্দেশ্যে, কোনো শব্দৰ পৰৱৰ্তী অক্ষৰত থকা স্বৰধ্বনিয়ে পূৰ্ববৰ্তী অক্ষৰৰ স্বৰধ্বনিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি তাৰ পৰিবৰ্তন সাধিলে, তাক কোৱা হয় স্বৰ সংগতি। সাধাৰণতে পৰৱৰ্তী অক্ষৰত উচ্চ স্বৰধ্বনি থাকিলে পূৰ্ববৰ্তী অক্ষৰৰ নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিত আৰু পৰৱৰ্তী অক্ষৰত নিম্ন স্বৰধ্বনি থাকিলে পূৰ্ববৰ্তী অক্ষৰৰ উচ্চ স্বৰ নিম্ন স্বৰধ্বনিত পৰিণত হ'ব পাৰে।

উদাহৰণ ঃ গোধিকা>গুই
চোৰ + ই>চুৰি
তুমি + ৰ>তোমাৰ।
বাৰেন্দা>বাৰান্দা।

সমীভৱন (Assimilation) ঃ

কোনো শব্দত ওচৰা উচৰিকৈ দুটা ভিন্ন ধ্বনি থাকিলে, সিহঁত দুটাৰ পাৰস্পৰিক প্ৰভাৱৰ ফলত নাইবা সিহঁত দুটাৰ কোনো এটাই আনটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ গুণত ধ্বনি দুটাই সমজাতীয়তা বা সমৰূপতা লাভ কৰে। ধ্বনি পৰিবৰ্তনৰ এই ৰীতিক সমীভৱন বোলে।

স্বৰ আৰু ব্যঞ্জন-উভয় শ্ৰেণীৰ ধ্বনিৰ ক্ষেত্ৰত সমীভৱন হ'ব পাৰে। স্বৰ আৰু ব্যঞ্জন-উভয়ৰে সমীভৱনক তিনিটা ভাগত ভগোৱা হয়। সেই ভাগ তিনিটা হৈছে প্ৰগত পৰাগত আৰু পাৰস্পৰিক।

পূৰ্ববৰ্তী ধ্বনিৰ প্ৰভাৱত পৰৱৰ্তী ধ্বনিপৰিবৰ্তন ঘটিলে তাক প্ৰগত সমীভৱন (Progressive Assimilation) বোলে। যেনে, লগ্ন>লগ্গ, চক্ৰ>চক্ক। মেখলা>মেখেলা, কৃপণ>কিপুনি (কা)।

পৰৱৰ্তী ধ্বনিৰ প্ৰভাৱত পূৰ্ববৰ্তী ধ্বনিৰ পৰিবৰ্তন ঘটিলে তাক কোৱা হয়

পৰাগত সমীভৱন (Regressive Assimilation)। যেনে, উৎ+মুখ>উন্মুখ, কৰ্ম>কম্ম, ন-মিল-এ>নিমিলে।

দুয়োটা ধ্বনিৰ পাৰস্পৰিক প্ৰভাৱত নতুন ধ্বনিৰ উদ্ভৱ হ'লে তাক বোলা হয় পাৰস্পৰিক সমীভৱন। যেনে, অদ্য>অজ্জ, উৎ+শ্বাস>উচ্ছ্বাস।

বিষমীভৱন (Dissimilation) ঃ

কোনো শব্দৰ দুটা সমধ্বনিৰ কোনো এটাৰ পৰিবৰ্তন ঘটিলে তাক বিষমীভৱন বোলে। ই সমীভৱনৰ বিপৰীত প্ৰক্ৰিয়া। যেনে, নূপুৰ>নেউৰ, ললাট>নলাট, মৰ্মৰ>মাৰ্বল, মুকুল>মউল।

বৰ্ণ বিপৰ্যয় (Metathesis) ঃ

শব্দত থকা দুটা ধ্বনিৰ স্থান পৰিবৰ্তনক বৰ্ণ বিপৰ্যয় বোলে। যেনে, কমল>উবমল, বিস্রা>বিক্সা, বাৰানসী>বেনাৰস।

ঘোষীভৱন (Voicing) ঃ

অঘোষ ধ্বনি ঘোষ ধ্বনিলৈ পৰিবৰ্তিত হোৱাকে ঘোষীভৱন বোলে। যেনে, বক>বগলী, কাক>কাগ, পাক>পাগ।

অঘোষীভৱন (Unvoicing) ঃ

ঘোষ ধ্বনি অঘোষ ধ্বনিলৈ পৰিবৰ্তিত হ'লে তাক অঘোষী ভৱন বোলে। যেনে, গুলাব>গোলাপ, ব্যঞ্জন>বিচনী।

মহাপ্ৰাণীভৱন (Aspiration) ঃ

মূলৰ অল্পপ্ৰাণ ধ্বনি মহাপ্ৰাণ ধ্বনিলৈ পৰিবৰ্তিত হ'লে তাক মহাপ্ৰাণীভৱন বোলে। যেনে, মস্তক>মাথা, পেচক>ফেঁচা, তোক>তথ।

অল্পপ্ৰাণীভৱন (De-aspiration) ঃ

ধ্বনি অল্পপ্ৰাণলৈ পৰিবৰ্তিত হোৱাকে অল্পপ্ৰাণীভৱন বোলে। যেনে, শৃংখল> শিকলি।

শিৱ + স্থান > শিতান
দুধ > দুদ।

উষ্মীভৱন (Spirantisation) ঃ

কোনো স্পৃষ্ট ব্যঞ্জনধ্বনিৰ উচ্চাৰণৰ সময়ত যদি বায়ু প্ৰবাহ ঘঁহনি খাই ওলাই যায় তেতিয়া সেই স্পৃষ্ট ব্যঞ্জন উষ্ম ধ্বনিৰ দৰে উচ্চাৰিত হয়। ইয়াকে উষ্মীভৱন বোলে। বঙালী ভাষাত ক-বৰ্গ, প-বৰ্গ আৰু চ-বৰ্গৰ কোনো কোনো ধ্বনি উষ্মীভূত হৈ উচ্চাৰিত হ'ব পাৰে।[১] যেনে, ফুল (Phul) ফুল (fool)।

ৰকাৰীভৱন (Rhotacism) ঃ

চ (s) ধ্বনি যদি ঘোষ জ (z) হৈ শেষত ৰ (r) ত পৰিণত হয়, তেতিয়া তাক ৰকাৰীভৱন বোলা হয়। যেনে, দ্বাদশ>দুবাজস>বাৰস>বাৰ। লেটিন-অউসোসা (Ausosa)> অউজোজা (Auzoza)> অৰোৰা (Arora)।

নাসিক্যীভৱন (Nasalisation) ঃ

কোনো শব্দৰ অনুনাসিক বা নাসিক্য ধ্বনি লুপ্ত হোৱাৰ ফলত যদি পূৰ্ববৰ্তী স্বৰধ্বনি অনুনাসিক হয় তেতিয়া তাক নাসিক্যীভৱন বোলা হয়। যেনে, দন্ত>দাঁত, কণ্টক>কাঁইট।

স্বতঃ নাসিক্যীভৱন (Sponteneous Nasalisation) ঃ

মূল শব্দত নাসিক্য বা অনুনাসিক ধ্বনি নথকা সত্ত্বেও যদি কোনো শব্দত অনুনাসিক ধ্বনিৰ আগমন ঘটে তেতিয়া তাক স্বতঃ অনুনাসিক্যীভৱন বোলে। যেনে, ঘোটক>ঘোঁৰা, গৰ্ত>গাঁত।

বিনাসীক্যীভৱন (Denasalisation) ঃ

ধ্বনিৰ বিৱৰ্তন হেতু কোনো শব্দৰ মূলৰ নাসিক ধ্বনি লুপ্ত হ'লে তাক বিনাসিক্যীভৱন বোলে। যেনে, বাংলা > বাঙলা, শৃংখলা >শিকলি।

---

১ পৰেশ চন্দ্ৰ ভট্টাচাৰ্য্য ঃ ভাষাবিদ্যা পৰিচয়, ২য় প্ৰকাশ ১৯৮৯. পৃঃ ১৩৩।

মূৰ্দ্ধন্যীভৱন (Cerelralisation) ঃ

মূল শব্দৰ কোনো অমূৰ্দ্ধন্য ধ্বনি মূৰ্দ্ধন্য ধ্বনিত পৰিণত হ'লে তাক মূৰ্দ্ধন্যীভৱন বোলে। যেনে, মৃত্তিকা>মাটি, নগৰ>ণঅৰ (প্ৰাকৃত), বিকৃত>বিকট।

তালব্যীভৱন (Palatalisation) ঃ

তালব্য ধ্বনিবিহীন কোনো শব্দৰ কোনো ধ্বনি তালব্য ধ্বনিত পৰিণত হ'লে তাক তালব্যীভৱন বোলে। যেনে, কুন্দ>চুন্দ (পালি), সত্য>সচ্চ, অদ্য>অজ্জ, দ্যুত>জুৱা।

সংকোচন (Contraction) ঃ

কোনো শব্দ উচ্চাৰণ কৰোঁতে ওচৰা উচৰিকৈ থকা ধ্বনিবোৰৰ কোনো এটা ধ্বনি আনটোত বিলীন হৈ যোৱাকে সংকোচন বোলে। যেনে, অন্ধকাৰ>আন্ধাৰ, সুবৰ্ণ>স্বৰ্ণ।

বিস্ফাৰণ (Expansion) ঃ

কোনো শব্দৰ কোনো এটা অক্ষৰ একাধিক অক্ষৰত পৰিণত হোৱাক বিস্ফাৰণ বোলে। যেনে, প্ৰত্যাশা>প্ৰতিআশা।

ব্যঞ্জন দ্বিত্ব (Gemination) ঃ

শ্বাসাঘাতৰ প্ৰভাৱত বা বক্তাৰ গুৰুত্ব আৰোপ হেতু কোনো শব্দ উচ্চাৰণ কৰোঁতে একক ব্যঞ্জনৰ ঠাইত কেতিয়াবা দ্বিত্ব ব্যঞ্জন উচ্চাৰিত হয়। ইয়াকে ব্যঞ্জন দ্বিত্ব বোলে। যেনে, একেবাৰে>এক্কেবাৰে, বাবা>বাব্বা, কুকুৰ>কুক্কুৰ।

পূৰক দীৰ্ঘতা (Compensatory Lengthening) ঃ

কোনো শব্দৰ যুক্ত ব্যঞ্জন একক ব্যঞ্জনত পৰিণত হোৱা হেতু তাৰ মাত্ৰাৰ ক্ষতিপূৰণৰ উদ্দেশ্যে পূৰ্ববৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ স্বৰলৈ পৰিবৰ্তিত হোৱাকে পূৰক দীৰ্ঘতা বোলে। যেনে, কৰ্ম>কম্ম>কাম, হস্ত>হত্থ>হাত, হস্তী>হত্থী>হাতী।

অপশ্ৰুতি (Ablaut) ঃ

কোনো শব্দৰ ব্যঞ্জন ধ্বনিসমূহক অক্ষত ৰূপত ৰাখি যদি তাৰ স্বৰধ্বনিৰ অনুক্ৰমিক পৰিবৰ্তন ঘটোৱা হয় আৰু তাৰ ফলত যদি মূল শব্দটোৰ অৰ্থৰো কিঞ্চিৎ সাল-সলনি ঘটে, তেতিয়া তাক অপশ্ৰুতি বোলা হয়।

অপশ্ৰুতিৰ ফলত স্বৰধ্বনিৰ যি পৰিবৰ্তন ঘটে তাৰ ক্ৰম তিনিটা ঃ প্ৰথম ক্ৰমত ধাতু, প্ৰতিপাদিক প্ৰত্যয়, বিভক্তি আদিৰ স্বৰধ্বনিৰ কোনো বিকৃতি নঘটে, দ্বিতীয় ক্ৰমত স্বৰধ্বনি দীৰ্ঘ হ্ৰস্ব আৰু তৃতীয় ক্ৰমত লুপ্ত অথবা ক্ষীণ হয়। সংস্কৃত বৈয়াকৰণসকলে এইবোৰৰ নাম দিছে যথাক্ৰমে গুণ বৃদ্ধি আৰু সম্প্ৰসাৰণ। সংস্কৃত ভাষাৰ অপশ্ৰুতিৰ উদাহৰণ ঃ

√ >যজ্ যজ্ঞ (গুণ), যাগ (বৃদ্ধি), ইষ্ট (সম্প্ৰসাৰণ)

√ স্বপ্ >স্বপ্ন (গুণ), স্বাপ (বৃদ্ধি), সুপ্তি (সম্প্ৰসাৰণ)।

ইংৰাজী ভাষাৰ Give>Gave, Given, Gift আদিতো স্বৰধ্বনিৰ এনে পৰিবৰ্তন ঘটে।

১৩.৫.৩ সাদৃশ্যমূলক আৰু বিভ্ৰান্তিমূলক ধাৰা

সাদৃশ্য (Analogy) ঃ সাদৃশ্যৰ বিষয়ে ওপৰত কিছু আলোচনা কৰি অহা হৈছে। ভাষাবিজ্ঞানৰ প্ৰায় সকলো দিশতে সাদৃশ্যৰ ভূমিকা তুলনাতীত।

বিষমচ্ছেদ (Metunalysis) ঃ

সাদৃশ্য আদি কাৰণত, কোনো শব্দৰ বিশ্লেষণ যি ভাৱে হোৱা উচিত, সেই ভাৱে নহৈ বিকৃতভাৱে হ'লে আৰু তাৰ ফলত কোনো নতুন শব্দ, প্ৰত্যয় আদিৰ উদ্ভৱ হ'লে, সেই বিকৃত বিশ্লেষণক বিষমচ্ছেদ বোলে। উদাহৰণ স্বৰূপে অসুৰ শব্দটোৰ উল্লেখ কৰিব পাৰি। ইয়াৰ বিশ্লেষণ আছিল এনে ধৰণৰ ঃ অস্+উৰ>অসুৰ। মূলতে ই এটা প্ৰশংসাসূচক শব্দ। পৰৱৰ্তীকালত ইয়াৰ বিশ্লেষণ হ'লহি এনে ধৰণৰ ঃ ন সুৰঅসুৰ (অৰ্থাৎ যিজন সুৰ নহয়)। বিষমচ্ছেদ অনুসৰি ইয়াৰ পৰা 'সুৰ' শব্দৰ সৃষ্টি হ'ল। সং নৱৰঙ্গ>পাৰহী নাৰাং>আৰবী নাৰঞ্জ>ইং A Norange>ইং An Orange. বিষমচ্ছেদ অনুসৰি Norange ৰ পৰা নতুন শব্দ Orange সৃষ্টি হ'ল।

পশ্চ গঠন (Back Formation) :

কোনো শব্দৰ সংস্কাৰ সাধন কৰি তাক এটা নতুন ৰূপ দিয়াকে অথবা অনুমানৰ ওপৰত নিৰ্ভৰ কৰি কোনো শব্দৰ মূলৰূপ গঠন কৰাকে পশ্চ গঠন বোলে। উদাহৰণ হিচাপে ইংৰাজী ভাষাৰ Peas আৰু Cherries শব্দ দুটাকে ল'ব পাৰি। প্ৰত্যয় যোগ হোৱা বুলি অনুমান কৰি উক্ত শব্দ দুটাৰ মূলৰূপ হিচাপে যথাক্ৰমে Pea আৰু Cherry ৰ সৃষ্টি কৰা হৈছে। Pea আৰু Cherry পশ্চ গঠনৰ ফলত সৃষ্টি হোৱা নতুন শব্দ। গ্ৰীক ভাষাৰ Kamelos ৰ পৰা সংস্কৃত ক্ৰমেলক শব্দ সৃষ্টিৰ মূল কাৰণ হৈছে পশ্চ গঠন।

শব্দ বিভ্ৰম (Malapropism) :

বাক্যত কোনো শব্দৰ সলনি সমধ্বনি বিশিষ্ট, অন্যাৰ্থবাচক শব্দ ব্যৱহাৰকে শব্দ বিভ্ৰম বোলে। Sharidonৰ The Rivals বোলা নাটকৰ এটা নাৰী চৰিত্ৰ Mrs. Malaprop. এই চৰিত্ৰটোৰ সংলাপত এনে শব্দ বিভ্ৰম যথেষ্ট পৰিমাণে প্ৰয়োগ কৰা হৈছে। সেয়ে ধ্বনি পৰিবৰ্তনৰ এই প্ৰক্ৰিয়াটোক Malapropism বোলা হয়।

অন্যোন্য ধ্বনি বিপৰ্যয় (Spoonerism) :

কোনো বাক্যৰ ওচৰা-উচৰিকৈ থকা শব্দৰ কোনো এটাৰ ধ্বনিয়ে যদি আনটো শব্দৰ ধ্বনিৰ স্থান অধিকাৰ কৰে, তেতিয়া তাক কোৱা হয় অন্যোন্য ধ্বনি বিপৰ্যাস। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° স্পুনাৰ চাহাবে প্ৰায়েই এনে ধৰণেৰে ধ্বনিৰ পৰিবৰ্তন ঘটাই শব্দ উচ্চাৰণ কৰিছিল। তেখেতৰ নাম অনুসৰি, সেয়ে, এই প্ৰক্ৰিয়াটোক স্পুনাৰিজিম বোলা হয়। স্পুনাৰ চাহাবে এজন ছাত্ৰক ক'ব খুজিছিল : You have wasted a whole term, কিন্তু কৈছিল : "you have tastes a whole warm."

জোড়কলম শব্দ (Portmanteau Word) :

দুটা শব্দৰ প্ৰথমটোৰ প্ৰথমাৰ্দ্ধ লগ লগাই যি এটা নতুন শব্দ গঠন কৰা হয়,

তাক জোড়কলম শব্দ বোলে। যেনে, Europe+Asia>Eurasia, Smoke+Fog>Smog, অবি+বৈবিতা>ঐবিতা।

মিশ্ৰণ শব্দ (Hybrid Word) :

দুটা ভিন্ন ভাষাৰ কোনো এটাৰ শব্দমূলৰ লগত আনটোৰ শব্দমূল অথবা কোনো এটাৰ শব্দমূলৰ লগত আনটোৰ প্ৰত্যয় বিভক্তি আদি লগ লগাই যি এটা নতুন শব্দ গঠন কৰা হয় তাক মিশ্ৰণ শব্দ বোলে। যেনে, ইং. হেড+সং, পণ্ডিত>হেডপণ্ডিত। ইং, মাষ্টাৰ+অ, ই>মাষ্টৰি, ফাৰচী, বে+ইং, টাইম>বেটাইম।

লোক নিৰুক্তি (Folk Etimology) :

ওপৰত আলোচনা কৰা হৈছে।

মিশ্ৰণ (Contamination) :

ধ্বনিৰ সমৰূপতাৰ বাবে কোনো এটা শব্দ উচ্চাৰণ কৰোতে আন এটা শব্দৰ ৰূপ লাভ কৰিলে তাক মিশ্ৰণ বোলে। উদাহৰণ স্বৰূপে ৰস শব্দৰ সাদৃশ্যত পৰ্তুগীজ 'আনানস' শব্দ 'আনাৰস' হোৱাটো আঙুলিয়াব পাৰি। 'আনাৰস' এটা মিশ্ৰণ শব্দ।

সমাৰ্থক অনুগামী শব্দ (Tautologous Compound) :

একে অৰ্থবাচক দুটা শব্দৰ সংযোগ ঘটিলে পৰৱৰ্তী শব্দটোক সমাৰ্থক অনুগামী শব্দ বোলে। এনে শব্দৰ নিজস্ব অৰ্থ আৰু ব্যৱহাৰো আছে। যেনে, লেখা পঢ়া, মামলা মোকৰ্দ্দমা।

অনুকাৰ শব্দ (Echoword) :

কোনো এটা শব্দৰ ধ্বনিৰ সাদৃশ্যত আন এটা শব্দ গঠন কৰি মূল শব্দটোৰে

সৈতে যুক্ত কৰি বিশেষ অৰ্থব্যঞ্জক কৰি তুলিলে তাক অনুকাৰ শব্দ বোলে। অনুকাৰ শব্দৰ নিজা অৰ্থ নাই, মূল শব্দটোৰে সৈতে যুক্ত হ'লেহে সি অৰ্থপূৰ্ণ হয়। যেনে, কিতাপ চিতাপ, মাছ তাছ, ভাত চাত।

ধ্বন্যাত্মক শব্দ (Onomatopoetic Word) :

ধ্বনিৰ অনুকৰণত যিবোৰ শব্দ সৃষ্টি কৰা হয়, সেইবোৰকে ধ্বন্যাত্মক শব্দ বোলে। ধ্বন্যাত্মক শব্দৰ কিছুমান ভাব বা ক্ৰিয়া বাচক। এনে ধ্বন্যাত্মক শব্দ দ্বিত্ব হয়। যেনে, কট্ কট্, টুপ্ টুপ। কিছুমান ধ্বন্যাত্মক শব্দই দৰ্শনীয় বস্তুৰ বোধ জন্মায়। এইবোৰক দৃশ্যাত্মক শব্দ বুলিও কোৱা হয়। যেনে, ফুট্ ফুট্. চন্ চন্।

সমধ্বনি শব্দ (Homonym) :

বানানৰ পাৰ্থক্য থকা আৰু ভিন্ন অৰ্থ বিশিষ্ট বিভিন্ন শব্দই ধ্বনি পৰিবৰ্তনৰ ফলত যদি একে ধ্বনি ৰূপ লাভ কৰে, তেতিয়া সেইবোৰ শব্দক সমধ্বনি শব্দ বোলা হয়। যেনে, যায়, জাই।

বাক্য শব্দ (Sentence Word) :

একোটা বাক্য বা বাক্যাংশ শব্দ হিচাপে ব্যৱহৃত হ'লে, তাক বাক্য শব্দ বোলে। যেনে, যৎ প ৰঃ ন অস্তি>যৎপৰোনাস্তি।

মুণ্ডমাল শব্দ (Acrostic Word) : বাক্যাংশৰ আদি অক্ষৰৰ সংযোগত সৃষ্টি হোৱা শব্দই হৈছে মুণ্ডমাল শব্দ। যেনে, All Assam College Teachers Association>ACTA (একটা), All Assam Students Union>AASU (আছু)।

চৈধ্য

১৪.১ ভাষা বাহ্যিক পৰিবৰ্তন : ভাষাঋণ (Borrowing)

কোনো এটা ভাষা কোৱা জনগোষ্ঠীয়ে ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি কাৰণত আন এটা ভাষা কোৱা জনগোষ্ঠীৰে সৈতে সম্পৰ্ক স্থাপন কৰিলে উভয় জনগোষ্ঠীৰ ভাষাৰ মাজতো পাৰস্পৰিক সম্বন্ধ স্থাপিত হয়। এনে সম্বন্ধৰ ফলত ভাষা একোটাৰ পৰিবৰ্তন ঘটে। এনে ধৰণে ঘটা পৰিবৰ্তনক ভাষাৰ বাহ্যিক পৰিবৰ্তন বোলে। ভাষাৰ বাহ্যিক পৰিবৰ্তনৰ প্ৰধান কাৰণ ভাষাৰ ঋণ লোৱা ৰীতি। দুটা ভিন্ন ভাষা কোৱা জনগোষ্ঠীৰ মাজত সম্বন্ধ স্থাপিত হ'লে এটাই আনটোৰ পৰা ঋণ লয়। জগতৰ সকলো ভাষাই ঋণ লয়। যিটো ভাষাই ঋণ লয় সেইটোক গ্ৰহণকাৰী আৰু যিটোৰ পৰা ঋণ লয় সেইটোক দানকাৰী বোলে। এনেদৰে ঋণ লোৱাৰ ফলত গ্ৰহণকাৰী ভাষাটোৰ বাহ্যিক পৰিবৰ্তন ঘটাটো নিতান্তই স্বাভাৱিক।

১৪.২ ভাষা ঋণৰ চৰ্ত :

ভাষা ঋণৰ 'প্ৰথম চৰ্ত হ'ল এই যে দুটা ভিন্ন ভাষা কোৱা জনগোষ্ঠীৰ মাজত সংযোগ স্থাপিত হ'লেহে এটাই আনটোৰ পৰা ঋণ লয়।

দ্বিতীয়তে ঋণ ল'বৰ বাবে কোনো এটা জনগোষ্ঠীৰ মনত আগ্ৰহ উপজিব লাগিব। ঋণ লোৱাৰ বাবে আগ্ৰহ ওপজাৰ প্ৰধান কাৰণ দুটা : (ক) সামাজিক সন্মান লাভৰ ইচ্ছা (Prestige Motive) আৰু (খ) অভাৱ পূৰণৰ ইচ্ছা (Needfilling Motive)।

(ক) কোনো দুটা ভিন্ন ভাষা গোষ্ঠীৰ লোকৰ মাজত পাৰস্পৰিক সম্বন্ধ স্থাপিত হ'লে আৰু সিহঁত দুটাৰ এটাই আনটোৰ প্ৰতি উচ্চ মনোভাৱ পোষণ কৰিলে সেই ভাষাগোষ্ঠীটোৰ পৰা সিটোৱে ঋণ লয়। এনেদৰে লোৱা ঋণৰ লগত সামাজিক সন্মান লাভৰ ইচ্ছা জড়িত হৈ থাকে। উদাহৰণ স্বৰূপে ভাৰতীয় ভাষা-সমূহে ইংৰাজী ভাষাৰ পৰা শব্দ আদি ঋণ লোৱা কথাটোলৈ আঙুলিয়াব পাৰি। ভাৰতত ইংৰাজ শাসন প্ৰৱৰ্তিত হোৱাৰ পিছত সেই ভাষাটোৰ প্ৰতি ভাৰতীয় ভাষা

কোৱা লোকসকলে উচ্চমনোভাব পোষণ কৰাৰ ফল স্বৰূপে অসংখ্য ইংৰাজী শব্দ ভাৰতীয় ভাষাত সোমাই পৰিল। ইংৰাজী শব্দ ব্যৱহাৰ নকৰাকৈ ভাষা ক'বলৈ গ'লে যেন সম্মান হানি হ'ব এনে এক ধাৰণাৰ বশবৰ্তী হৈয়েই অসমীয়া শিক্ষিত লোকে "মোৰ ওৱাইফ্ বন্ধাবঢ়াত এক্সপাৰ্ট, মোৰ ফাদাৰ চিৰিয়াছলি ইল্ অথবা মোৰ ব্ৰাদাৰজন ফাদাৰ ইন্-লৰ ঘৰলৈ গ'ল" আদিৰ দৰে বাক্য ক'বলৈ ল'লে। মাকক মাদাৰ, দেউতাকক ফাদাৰ, শহুৰেকক ফাদাৰ ইন্-ল, ভনীয়েকক চিষ্টাৰ, জোঁৱাকক চান-ইন্-ল আদি বুলিবলৈ লোৱাৰো মূল কাৰণ সেইটোৱেই।

(খ) কোনো এটা জাতিৰ লোকে আন এটা জাতিৰ পৰা কোনো এটা নতুন বস্তু বা সাহিত্য, সংস্কৃতি, বিজ্ঞান আদি বিষয় যদি গ্ৰহণ কৰে আৰু তেনেবোৰ বস্তু বা বিষয় বুজাবৰ নিমিত্তে যদিহে সেই ভাষাটোত উপযুক্ত শব্দ নাথাকে তেতিয়া হ'লে সেই ভাষা কোৱা জাতিটোৰ লোকে আনটোৰ পৰা সিবোৰৰ নামবোৰো গ্ৰহণ কৰে। ইংৰাজে ভাৰতত শাসন কাৰ্য চলাবলৈ লোৱাৰ পিছত ভাৰতীয় ভাষাসমূহত 'স্কুল', 'কলেজ', 'ফুটবল', 'মাৰ্ক-ছিট', 'নাম্বাৰ', 'ডেস্ক', 'বেঞ্চ', 'ক্লাছ', 'কৰ্ণাৰ', 'ফাউল', 'ৰেকৰ্ড', 'পেপাৰ', 'নিউজ', 'প্ৰিন্ট', 'প্ৰেছ', 'বেংক', 'বেলেঞ্চ' আদি শব্দ সোমাই পৰাৰ মূলতেই যে অভাৱ পূৰণৰ ইচ্ছা সেই কথা নক'লেও চলে।

১৪.৩ ভাষা ঋণৰ প্ৰকাৰ

প্ৰকৃতি অনুসৰি ভাষা ঋণক পোনতে দুভাগত ভগাব পাৰি : (ক) অবিমিশ্ৰ ঋণ (Unmixed Borrowing) আৰু (খ) মিশ্ৰঋণ (Mixed Borrowing)।

যেতিয়া কোনো এটা ভাষাই আন এটা ভাষাৰ পৰা কোনো উপাদান যথাযথ-ভাবে গ্ৰহণ কৰে তেতিয়া তাক অবিমিশ্ৰ ঋণ বোলে। যেনে, ইংৰাজীৰ পৰা অসমীয়া ভাষাই গ্ৰহণ কৰা 'স্কুল', 'কলেজ', 'টেবলেট', 'পেপাৰ', 'নিউজ', 'ফুটবল', 'বিজাল্ট' আদি শব্দ অবিমিশ্ৰ ঋণ। আনহাতে যেতিয়া কোনো এটা ভাষাই আনটোৰ পৰা কোনো উপাদানৰ অংশ বিশেষ গ্ৰহণ কৰি তাৰ লগত নিজৰ ভাষাৰ উপাদানৰ মিশ্ৰণ ঘটায়, তেতিয়া তাক কোৱা হয় মিশ্ৰ ঋণ। যেনে, অসমীয়া ভাষাত ব্যৱহৃত 'মাষ্টৰণী, 'হাকিমনী', 'প্ৰফেচাৰি' আদি শব্দ মিশ্ৰ ঋণৰ ভিত্তিত গঢ়ি উঠিছে।

ঋণ লোৱা উপাদানৰ প্ৰকৃতিৰ ভিত্তিক ভাষা ঋণক আকৌ চাৰিভাগত ভগোৱা হৈছে :

(ক) শব্দ ঋণ (Loan word)

(খ) অনূদিত ঋণ (Loan Translation)

(গ) অৰ্থ পৰিবৃত্তি (Loan Shift) আৰু
(ঘ) উচ্চাৰণ ঋণ (Pronounciation Borrowing)

(ক) শব্দ ঋণ ঃ

কোনো এটা ভাষাই আন এটা ভাষাৰ পৰা কোনো শব্দ গোটে গোটে ঋণ ল'লে তাক শব্দ ঋণ বোলে। এনে ঋণত শব্দৰ বিকৃতি নঘটে। অসমীয়াত ব্যৱহৃত ইংৰাজী ভাষাৰ 'চেয়াৰ', 'ডেস্ক', 'বেঞ্চ', 'চাট', 'পেন', 'টেবুলেট', 'অফিছ', 'কলেজ', 'স্কুল', 'ফুটবল', 'ৰেইল', 'ট্ৰেন', আদি শব্দ, শব্দ ঋণৰ সুন্দৰ উদাহৰণ।

(খ) অনূদিত ঋণ ঃ

কোনো এটা ভাষাই নিজৰ ভাষাৰ গঠন-ৰীতিৰ ভিত্তিত আন এটা ভাষাৰ শব্দ, খণ্ড বাক্য আদিক অনুবাদ কৰি ল'লে তাক অনূদিত ঋণ বোলে। ইংৰাজী ভাষাৰ পৰা অসমীয়া ভাষাই লোৱা এনে ঋণৰ উদাহৰণ কেতবোৰ তলত উল্লেখ কৰা হ'ল। যেনে ঃ

ইংৰাজী		অসমীয়া
University	>	বিশ্ববিদ্যালয়
Wrist watch	>	হাত ঘড়ী
Cottage Industry	>	কুটীৰ শিল্প

(গ) অৰ্থ পৰিবৃত্তি ঃ

কোনো এটা ভাষাই আন এটা ভাষাত ব্যৱহৃত কোনো নতুন বস্তু বা ভাব গ্ৰহণ কৰিলে আৰু সিবোৰ প্ৰকাশ কৰিবৰ কাৰণে নিজৰ ভাষাতেই কোনো পুৰণা বা অপ্ৰচলিত শব্দক নতুন ব্যঞ্জনাৰে ব্যৱহাৰ কৰিবলৈ ল'লে তাক অৰ্থ পৰিবৃত্তি বোলে। অসমীয়া ভাষাত ৰেডিঅ'ৰ সলনি আকাশবাণী. শব্দ ব্যৱহাৰ কৰা হয়। 'আকাশবাণী' শব্দটো আদিতে 'দৈববাণী' অৰ্থত অসমীয়া বঙালী আদি ভাষাত ব্যৱহৃত হৈছিল। সম্প্ৰতি ই 'ৰেডিঅ' বুজাবলৈ ব্যৱহৃত হ'ল। এয়েই অৰ্থ পৰিবৃত্তি।

(ঘ) উচ্চাৰণ ঋণ :

কোনো এটা ভাষা কোৱা লোকে নিজৰ ভাষাত ব্যৱহৃত কোনো শব্দক আন এটা ভাষাৰ প্ৰভাৱত নতুনকৈ উচ্চাৰণ কৰিবলৈ লোৱাকে উচ্চাৰণ ঋণ বোলে। যেনে, 'সংস্কৃত' আৰু 'বৈদিক' এই শব্দ দুটাক ইংৰাজীৰ প্ৰভাৱত অসমীয়াত যথাক্ৰমে 'চান্‌চ্‌স্কৃত' আৰু 'বেদিক' ৰূপে উচ্চাৰণ কৰা হয়। এয়েই উচ্চাৰণ ঋণ।

পোন্ধৰ

১৫.১ ৰূপতত্ত্ব (Morphology) ঃ

ভাষাৰ ৰূপতাত্ত্বিক গঠন (Morphological Structure) ৰ আলোচনাৰ মৌলিক একক ৰূপগ্ৰাম বা প্ৰাকৃতি (Morpheme)। প্ৰাকৃতি সম্বন্ধে আলোচনা কৰিবলৈ লোৱাৰ পূৰ্বে প্ৰাকৃতিনো কি, প্ৰাকৃতি, শব্দ আৰু অক্ষৰৰ মাজত কেনে ধৰণৰ সম্বন্ধ, সেই বিষয়ে জনাটো প্ৰয়োজনীয়।

১৫.২ প্ৰাকৃতি ঃ শব্দ ঃ অক্ষৰ (Morpheme : Word : Syllable) ঃ

বিশিষ্ট ধ্বনি বা বৰ্ণৰ দ্বাৰে প্ৰাকৃতিও এটা গোট বা একক (Unit) বিশেষ। ভাষাৰ এক বা একাধিক বৰ্ণেৰে গঠিত, পৌনঃ পুনিক ভাৱে ব্যৱহৃত আৰু আন কোনো আকৃতিৰ লগত আংশিকভাৱে হ'লেও ধ্বনিগত আৰু অৰ্থগত (phonetic and semantic) সাদৃশ্য নথকা ক্ষুদ্ৰতম অৰ্থবহ গোটক ৰূপগ্ৰাম বা প্ৰাকৃতি বোলা হয়। ক্ষুদ্ৰতম অৰ্থবহ গোট বোলাৰ কাৰণ এই যে অৰ্থ অব্যাহতভাৱে ৰাখি ইয়াক আৰু ভাগ কৰিব নোৱাৰি।[১] যেনে, অসমীয়া ভাষাৰ 'মানুহ' আকৃতিটো এটা প্ৰাকৃতি। যদি ইয়াক আকৌ খণ্ডিত কৰা হয়, তেতিয়া আমি, মান-উহ্ বা মা-নুহ-এনেবোৰ গোট পাম। কিন্তু সেইবোৰৰ কোনো অৰ্থ নোলায়। এতেকে অৰ্থ অব্যাহতভাৱে ৰাখি 'মানুহ' আকৃতিটোক খণ্ডিত কৰিব পৰা নাযায়। এই ক্ষেত্ৰত 'মানুহ' ক্ষুদ্ৰতম অৰ্থবহ গোট। সেয়ে ই এটা প্ৰাকৃতি। আনহাতে 'মানুহজন'ৰ 'মানুহ' অংশটোৰ লগত প্ৰথম 'মানুহ' আকৃতিটোৰ ধ্বনিগত আৰু অৰ্থগত মিল আছে। গতিকে 'মানুহজন' এটা আকৃতি নহয়। অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক খণ্ডিত কৰিলে আমি দুটা আকৃতি পাওঁ ঃ 'মানুহ' আৰু 'জন'। এই দুয়োটাই একোটাইত প্ৰাকৃতি।

কোনো অৰ্থবহ এক বা একাধিক ধ্বনি সমষ্টিক শব্দ (Word) বোলে।

---

১. "By smallest meaningful unit we mean a unit which cannot be divided without destroying or drastically altering the meaning" –An Introduction to Descriptive Linguistics. H.A. Gleason. Jr. Indian Edition 1989 P.53.

পিছে শব্দ আৰু প্ৰাকৃতি এক নহয়। ওপৰত উল্লেখ কৰি অহা হৈছে যে প্ৰাকৃতি ক্ষুদ্ৰতম, অৰ্থবহ গোট; কিন্তু শব্দ ক্ষুদ্ৰতম গোট হ'বও পাৰে, নহ'বও পাৰে। যেনে, 'ধনী' অসমীয়া ভাষাৰ এটা শব্দ। অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক খণ্ডিত কৰিলে আমি 'ধন' আৰু 'ঈ'-এই দুটা আকৃতি পাওঁ। গতিকে 'ধনী' এটা শব্দ হ'লেও তাত ক্ষুদ্ৰতম অৰ্থবহ গোট আছে দুটা ঃ 'ধন' আৰু 'ঈ'। এই দুয়োটাই একোটাইত প্ৰাকৃতি। ইয়াৰ পৰা আমি আমি জানিলোঁ যে শব্দ মাত্ৰেই ক্ষুদ্ৰতম, অৰ্থবহ গোট নহয়। কোনো কোনো প্ৰাকৃতি বাক্যত অকলশৰে প্ৰয়োগ নহয়, আৰু সেইবোৰ অৰ্থবিশিষ্ট হৈ পৰে। উদাহৰণ স্বৰূপে ওপৰত উল্লেখ কৰি অহা 'ধনী' শব্দটোৰ লগত যুক্ত-'ঈ' প্ৰাকৃতিটোকে ল'ব পাৰোঁ। এই-'ঈ' কেতিয়াও, কোনো ঠাইতে অকলে প্ৰয়োগ হ'ব নোৱাৰে। ই সদায় অন্য প্ৰাকৃতিৰে সৈতে যুক্ত হৈহে প্ৰয়োগ হয়।

আনহাতে কিছুমান প্ৰাকৃতি অকলে প্ৰয়োগ হ'ব পাৰে আৰু সেইবোৰৰ স্পষ্ট অৰ্থও ওলায়। যেনে, ধনী শব্দটোৰ 'ধন' প্ৰাকৃতিটো স্পষ্ট অৰ্থবিশিষ্ট আৰু সি অকলে প্ৰয়োগ হ'বও পাৰে।

এতিয়া শব্দৰ কথালৈ আহোঁ। সকলো শব্দই বাক্যত অকলে প্ৰয়োগ হয় আৰু সেইবোৰৰ অৰ্থ সদায় স্পষ্ট। অৰ্থ স্পষ্ট হৈ নোলালে কোনো ধ্বনি সমষ্টিয়েই শব্দৰ মৰ্যাদা পাব নোৱাৰে। যেনে, অসমীয়া ভাষাৰ ঘৰ, মানুহ, গৰু, পথাৰ ইত্যাদি। ইয়াৰ পৰা এটা কথা স্পষ্ট হ'ল যে যিবোৰ প্ৰাকৃতি বাক্যত অকলে প্ৰয়োগ হ'ব পাৰে, সেইবোৰে 'শব্দ'ৰ মৰ্যাদা পায়। যেনে, 'ধনী' শব্দৰ 'ধন' প্ৰাকৃতিটো বাক্যত অকলে প্ৰয়োগ হ'ব পাৰে আৰু তাৰ স্পষ্ট অৰ্থও আছে। গতিকে 'ধন' এটা প্ৰাকৃতিও আৰু শব্দও। প্ৰাকৃতি যিহেতু 'ক্ষুদ্ৰতম অৰ্থবহ গোট', সেইহেতু এটা প্ৰাকৃতিৰে গঠিত শব্দও 'ক্ষুদ্ৰতম অৰ্থবহ' গোট হ'ব। আনহাতে 'ধনী' শব্দটোৰে সৈতে যুক্ত-'ঈ' এটা প্ৰাকৃতিহে, শব্দ নহয়।

এতিয়া প্ৰাকৃতি আৰু অক্ষৰৰ কথালৈ আহোঁ। কোনো এটা ধ্বনি বা ধ্বনি সমষ্টি অক্ষৰ আৰু প্ৰাকৃতি-উভয়েই হ'ব পাৰে যদিও অক্ষৰ আৰু প্ৰাকৃতিক একে বুলি ভাবিলে ভুল হ'ব। কোনো ধ্বনি বা ধ্বনি সমষ্টি প্ৰাকৃতি হ'বলৈ হ'লে তাৰ এটা অৰ্থ থাকিব লাগিব, কিন্তু অক্ষৰৰ অৰ্থ নাথাকিবও পাৰে। অৱশ্যে যিবোৰ অক্ষৰৰ অৰ্থ ওলায় সেইবোৰ অক্ষৰো, প্ৰাকৃতিও। যেনে, অসমীয়া ভাষাৰ 'কৰ্', 'খা', 'ঘৰ' আদি আকৃতি একোটাইত অক্ষৰো আৰু প্ৰাকৃতিও। এইবোৰ হৃদ্‌পিণ্ডৰ এক স্পন্দনত উচ্চাৰিত হোৱা ক্ষুদ্ৰতম অৰ্থবহ গোট। আনহাতে 'মানুহ' এটা প্ৰাকৃতি, কিন্তু অক্ষৰ দুটা ঃ 'মা' আৰু 'নুহ্'। সেইদৰে ইংৰাজী 'Connecticut'ৰ প্ৰাকৃতি এটা, কিন্তু অক্ষৰ চাৰিটা। আকৌ 'খায়' অসমীয়া ভাষাৰ এটা ক্ৰিয়াপদ।

এই পদটোৰ অক্ষৰ এটা, কিন্তু প্ৰাকৃতি দুটা : 'খা' আৰু 'য়' (এ)। সেইদৰে ইংৰাজী ভাষাৰ 'goes' পদৰ অক্ষৰ এটা, কিন্তু প্ৰাকৃতি দুটা : 'go' আৰু es (Z)।

আকৌ চাওক, 'কৰা' অসমীয়া ভাষাৰ এটা ক্ৰিয়াপদ। ইয়াৰ প্ৰাকৃতি দুটাঃ 'কৰ্' আৰু 'আ'। অক্ষৰো দুটা : 'ক' আৰু 'ৰা'। ধ্বনিতাত্ত্বিক দিশৰ পৰা দুয়োটা একে হ'লেও, বিশ্লেষণ কৰোঁতে প্ৰাকৃতি আৰু অক্ষৰৰ মাজৰ পাৰ্থক্য স্পষ্ট হৈ ওলাই পৰিছে।

১৫.৩ প্ৰাকৃতি চিনাক্তকৰণ (Identification of Morpheme)

ওপৰত উল্লেখ কৰি অহা হৈছে যে ৰূপগ্ৰাম বা প্ৰাকৃতি হৈছে ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোট। ইয়াক চিনাক্ত কৰিবৰ বাবে বাক্যত ব্যৱহৃত পদসমূহক অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি খণ্ডিত কৰিবলগীয়া হয়। এনেদৰে খণ্ডিত কৰি উলিওৱা অৰ্থবহ গোট একোটাক ৰূপ বা আকৃতি বোলে।[১] এইদৰে ভাষাৰ পৰা সংগৃহীত কোনো দুটা আকৃতিৰ যদি ধ্বনিগত অৰ্থগত মিল থাকে, তেতিয়া সেই দুয়োটা আকৃতিক একোটা প্ৰাকৃতি হিচাপে গণ্য কৰিব পাৰি। (Forms which have a common semantic distinctiveness and an identical phonemic form in all their occurances constitute a single morpheme, Nida, Eugene A : Morphology Ann Arbor : The University of Michigan, 1965, P.7)। যেনে, 'নেজাল' আৰু 'তেজাল' অসমীয়া ভাষাৰ দুটা শব্দ। অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি শব্দ দুটা খণ্ডিত কৰিলে যথাক্ৰমে 'নেজ' আৰু 'আল' আৰু 'তেজ' আৰু 'আল'-এই চাৰিটা আকৃতি পাওঁ। শব্দ দুটাৰ 'নেজ' আৰু 'তেজ'-এই আকৃতি দুটাৰ মাজত ধ্বনিগত আৰু অৰ্থগত কোনো সম্পৰ্ক নাই; কিন্তু 'আল' আকৃতিৰ সংযোগত দুয়োটা শব্দৰে যি অৰ্থ প্ৰকাশিত হৈছে তাৰ মাজত সাদৃশ্য আছে। তদুপৰি আছে দুয়োটা 'আল'ৰ ধ্বনিগত সাদৃশ্য। গতিকে 'আল' এটা প্ৰাকৃতি। সেইদৰে ইংৰাজী doing, working, going আৰু coming-এই পদ চাৰিটাত থকা 'ing' আকৃতি চাৰিটাৰ মাজতো ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য আছে। এতেকে 'ing' ইংৰাজী ভাষাৰ এটা প্ৰাকৃতি।

মনত ৰখা ভাল যে দুটা বা ততোধিক আকৃতিৰ মাজত অৰ্থগত সাদৃশ্য নাথাকি অকল ধ্বনিগত সাদৃশ্য থাকিলেই সেইবোৰ এটা প্ৰাকৃতি হ'ব নোৱাৰে। যেনে, 'ধায়' আৰু 'ভয়' অসমীয়া ভাষাৰ দুটা শব্দ। অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি 'ধায়'ক

১. "When the word can be segmented in to parts, these segments are referred to as morphs" –John lyous.

খণ্ডিত কৰিলে 'যা' আৰু 'য়' (এ)-এই দুটা আকৃতি পাওঁ। ইয়াৰ 'য়' (এ) আকৃতিটো তৃতীয় পুৰুষৰ বৰ্তমান কালৰ বিভক্তি। আনহাতে 'ভয়' শব্দটোক অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি খণ্ডিত কৰিব নোৱাৰি। খণ্ডিত কৰিবলৈ গ'লে তাৰ কোনো অৰ্থই নোলাব। সেয়ে 'যায়' আৰু 'ভয়'ৰ 'য়'ৰ মাজত ধ্বনিগত সাদৃশ্য থাকিলেও অৰ্থগত সাদৃশ্য নাই। এতেকে 'যায়'ৰ য় (এ) এটা প্ৰাকৃতি, কিন্তু 'ভয়'ৰ 'য়' প্ৰাকৃতি নহয়। সেইদৰে ইংৰাজী ভাষাৰ 'Spring' আৰু 'sing' শব্দ দুটাৰ '-ing' অংশ দুটাৰ মাজত ধ্বনিগত সাদৃশ্য থাকিলেও অৰ্থগত সাদৃশ্য নাই। এতেকে '-ing' ইয়াত একেটা প্ৰাকৃতি নহয়।

দুই বা ততোধিক আকৃতিৰ মাজত যদি অৰ্থগত সাদৃশ্য থাকে আৰু সেইবোৰৰ মাজত ধ্বনিগত সাদৃশ্য নাথাকিলেও যদি সেই কথা ধ্বনি পৰিবৰ্তনৰ সূত্ৰেৰে ব্যাখ্যা কৰি সেইবোৰক মূলতঃ একেটা ধ্বনি সমষ্টিৰে পৰিবৰ্তিত ৰূপ বুলি দেখুৱাব পাৰি, তেনেবোৰ আকৃতিটোকে এটা গোট কৰি তাক প্ৰাকৃতি হিচাপে গণ্য কৰা হয়। অসমীয়া ভাষাৰ 'সন্তাপ', 'সম্ভৱ' আৰু 'সংবাদ'-এই শব্দ তিনিটাক খণ্ডিত কৰিলে যথাক্ৰমে সন্ (সন্-তাপ), সম্ (সম্-ভৱ) আৰু সং (সং-বাদ) এই তিনিটা আকৃতি পাওঁ। ধ্বনিগত ভিন্নতা থাকিলেও এই আকৃতি তিনিটাৰ মাজত অৰ্থগত কোনো পাৰ্থক্য নাই। তদুপৰি কাষত বহা ধ্বনিৰ প্ৰভাৱতেই যে আকৃতি তিনিটাই ধ্বনিগত ভিন্নতা লাভ কৰিছে, সেই কথাও ধ্বনিতাত্ত্বিক সূত্ৰৰ সহায়ত ব্যাখ্যা কৰি দেখুৱাব পাৰি। এতেকে সন্, সম্ আৰু সং-এই তিনিটা আকৃতিক একেটা প্ৰাকৃতিৰ অন্তৰ্ভুক্ত কৰিব পাৰি। কোনো এটা প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱা প্ৰতিটো আকৃতিক সেই প্ৰাকৃতিটোৰ উপাকৃতি (allomorph) বোলে। গতিকে সন্, সম্, সং—প্ৰতিটো আকৃতি একোটাইত উপাকৃতি। সেইদৰে ইংৰাজী 'intolerable' আৰু 'impractical' শব্দ দুটাৰ 'in' আৰু 'im' আকৃতি দুটাও একেটা প্ৰাকৃতিৰে দুটা উপাকৃতি।* ধ্বনিগত ভিন্নতা থকা অথচ সেই ভিন্নতাক ধ্বনিতাত্ত্বিক সূত্ৰৰ সহায়ত ব্যাখ্যা কৰি দেখুৱাব নোৱৰা একাধিক আকৃতিৰ মাজত যদি অৰ্থগত সাদৃশ্য থাকে আৰু সেইবোৰৰ কোনো এটাৰ স্থানত যদি আনটো প্ৰয়োগ নহয়, তেনেবোৰ আকৃতিকো একেটা প্ৰাকৃতি হিচাপে গণ্য কৰা হয়। যেনে, অসমীয়া ভাষাৰ 'বঙ্গালনী', 'পাগলী', 'ভকতনী', 'বাঘিনী', 'ধুবুনী', 'কালৰী' আদি স্ত্ৰীলিংগাত্মক শব্দবোৰক খণ্ডিত কৰিলে যথাক্ৰমে 'নী', -'ঈ', -'অনী', -'ইনী', -'উনী' আৰু -'ৰী' আকৃতি পাওঁ। এইবোৰৰ মাজত ধ্বনিগত সাদৃশ্য নাই; কিন্তু অৰ্থগত সাদৃশ্য আছে। এই

---

*A morpheme is a group of one or more allomorphs.– H.A. Gleason (Jr): An Introduction to Descriptive Linguistics, 1968 P.61.

আটাইকেইটা আকৃতিয়েই স্ত্ৰীলিংগাত্মক অৰ্থ প্ৰকাশ কৰিছে। তদুপৰি এইবোৰৰ কোনো এটা আন এটাৰ ঠাইত নবহে, অৰ্থাৎ 'কন্দৰা'ৰ পিছত -'ৰী' যেনেদৰে নবহে, তেনেদৰে 'পাগল'ৰ পিছত - 'নী' নবহে। সেই একে কথা বাকীকেইটাৰ ক্ষেত্ৰতো খাটে। সেয়ে, - 'নী', -'ই', - 'অনী', - 'ইনী', 'উনী' আৰু 'ৰী'ক একেটা প্ৰাকৃতি হিচাপে চিহ্নিত কৰিব পাৰি। প্ৰকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে উক্ত আকৃতিবোৰ সেই প্ৰাকৃতিটোৰ উপাকৃতি হিচাপে পৰিগণিত হ'ব।

সেইদৰে ইংৰাজী ভাষাৰ বহুবচনাত্মক শব্দ 'Cups' 'Toys' আৰু Glasses'ক খণ্ডিত কৰিলে যথাক্ৰমে s/s/,-s (z) আৰু es/iz আকৃতি তিনিটা পাওঁ। এই তিনিটা ইংৰাজী ভাষাৰ বহুবচনাত্মক বন্ধৰূপ, অৰ্থাৎ ইহঁত একে অৰ্থবোধক আকৃতি। ইহঁতৰ মাজত ধ্বনিগত সাদৃশ্য নাই আৰু একে পৰিৱেশত ইহঁতৰ কোনো এটাৰ সলনি আনটো নবহে। অৰ্থৰ ফালৰ পৰা থকাৰ লগতে ইহঁত পৰিপূৰক অৱস্থানত থকা হেতুকে ইহঁতকো এটা গোট কৰি প্ৰাকৃতি' হিচাপে গণ্য কৰা হয়। প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ পিছত /s/, /z/ আৰু /iz/ প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ পিছত /s/z/ আৰু /iz/ একোটা উপাকৃতি হৈ পৰিব।

কোনো এটা প্ৰাকৃতিৰ নিৰ্দিষ্ট পৰিৱেশগত বিচিত্ৰতাক উপাকৃতি বোলে। (An allomorph is a variant of a morpheme which occurs in certain definable enviornments. Gleason, H. A(Jr) : An Introduction to Descriptive Linguistics)

দুটা উপাদান একেটা প্ৰাকৃতিৰ উপাকৃতি হ'বলৈ হ'লে সিহঁত দুটা (১) একে অৰ্থবিশিষ্ট হ'ব লাগিব (২) পৰিপূৰক অৱস্থানত থাকিব লাগিব আৰু (৩) দুয়োটা সমান্তৰাল গঠনত প্ৰয়োগ হ'ব লাগিব।[১] কোনো কোনো প্ৰাকৃতিৰ একাধিক উপাকৃতি থাকে আৰু সেই আটাইবোৰ উপাকৃতিক লৈ এটা প্ৰাকৃতি গঠিত হয়। যেনে, ইংৰাজী ভাষাৰ বহু বচনাত্মক আকৃতিৰ /s/,-s/z/ আৰু -es/iz/ একোটা উপাকৃতি আৰু সিহঁতৰ সামূহিক গোটটো {s} এটা প্ৰাকৃতি। কোনো কোনো প্ৰাকৃতিৰ উপাকৃতি নাথাকে। অৰ্থাৎ পৰিৱেশভেদে সেইবোৰৰ ধ্বনিগত পৰিবৰ্তন নঘটে। ইংৰাজী ভাষাৰ 'going', 'coming', 'eating' আদি শব্দত যুক্ত হৈ থকা -'ing'ৰ কোনো উপাকৃতি নাই। সকলো ঠাইতে ইয়াৰ আকৃতি একেই থাকে।

মন কৰিবলগীয়া কথা এই যে প্ৰাকৃতি চিনাক্ত কৰিবৰ বাবে বিটো ভাষাৰ

---

১. Two elements can be considered as allomorphs of the same phoneme if (1) they have a common meaning (2) they are in complementory distribution and (3) they occur in parallel formations. Note that there are three requirements. All three must be meet. —Ibid. P.88.

পৰা খণ্ডিতকৰণ প্ৰক্ৰিয়াৰে আকৃতি সংগ্ৰহ কৰা হয়, প্ৰাকৃতিবোৰ সেই ভাষাৰেই সম্পদ। ভাষা নিৰপেক্ষ প্ৰাকৃতি নাই আৰু থাকিবও নোৱাৰে। কোনো এটা ভাষাৰ প্ৰাকৃতি অথবা তাৰ উপাকৃতিবোৰৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট।

কোনো এটা ভাষাৰ গঠনত কোনো এটা প্ৰাকৃতি বা তাৰ উপাকৃতিৰ প্ৰয়োগৰ নিৰ্দিষ্ট স্থানকে তাৰ অৱস্থান (distribution) বোলে। যেনে, 'মানুহজন', আৰু 'কিতাপখন'-এই শব্দ দুটাৰ -'জন' আৰু -'খন' আকৃতি দুটাৰ অৰ্থ একে, কিন্তু মানুহৰ পিছত -'খন' আৰু 'কিতাপ'ৰ পিছত -'জন' নবহে। এতেকে -'জন' আৰু -'খন'ৰ প্ৰয়োগৰ স্থান নিৰ্দিষ্ট। সেয়েই ইহঁত দুটাৰ অৱস্থান।

প্ৰাকৃতি চিনাক্ত কৰিবৰ বাবে ভাষাৰ খণ্ডিতকৰণৰ ক্ষেত্ৰত বিভিন্ন সমস্যাই দেখা দিব পাৰে। উদাহৰণ স্বৰূপে ভাষাবিজ্ঞানী হকেটে (Hockett) উল্লেখ কৰা ইংৰাজী 'cranberry' শব্দটোকে ল'ব পাৰি। 'cranberry' শব্দটো খণ্ডিত কৰিলে আমি দুটা খণ্ড পাওঁ— 'cran' আৰু 'berry'। ইয়াৰ 'berry'ক 'cran'ৰ বাহিৰেও অন্য বিভিন্ন আকৃতিৰ লগত যুক্ত হৈ ব্যৱহাৰ হোৱা দেখা পাওঁ। যেনে, Black-berry, Straw-berry' ইত্যাদি। ইয়াৰ 'black' 'berry' আৰু 'straw' আকৃতি তিনিটাক একোটা প্ৰাকৃতি হিচাপে চিহ্নিত কৰিব পাৰি, কিন্তু 'cranberry'ৰ 'cran' খণ্ডটো 'berry'ত বাহিৰে আন কোনো আকৃতিৰ লগত ব্যৱহাৰ হোৱা পোৱা নাযায়। এতেকে 'cran'ৰ নিচিনা যিবোৰ আকৃতি মাথোন এটা আকৃতিৰ সৈতে যুক্ত হৈ ব্যৱহাৰ হয়, সেইবোৰক অনন্য প্ৰাকৃতি (Unique Morpheme) বোলে।

প্ৰাকৃতিৰ নামকৰণৰ ক্ষেত্ৰত সাধাৰণতে আকৃতিবোৰৰ দুটা দিশলৈ চোৱা হয় : (১) আকৃতিবোৰৰ কাৰ্য আৰু (২) প্ৰয়োগৰ ব্যাপকতা।

কাৰ্যৰ প্ৰতি লক্ষ্য ৰাখি থোৱা প্ৰাকৃতিৰ নামবোৰ হ'ল : (বহুবচনাত্মক প্ৰাকৃতি), (স্ত্ৰীলিংগাত্মক প্ৰাকৃতি), (বিভক্তিমূলক প্ৰাকৃতি) ইত্যাদি। আনহাতে যিবোৰ আকৃতিক লৈ গোট কৰা হয়, সেইবোৰৰ ভিতৰত যিটোৰ প্ৰয়োগ বেছি, সেইটোৰ নামেৰে প্ৰাকৃতিৰ নামকৰণ কৰিলে, তাক কোৱা হয় প্ৰয়োগৰ ব্যাপকতালৈ চাই কৰা নামকৰণ।

ইতিমধ্যে আমি ইংৰাজী ভাষাৰ বহুবচনাত্মক আকৃতি তিনিটা (-s,-z আৰু -iz) ৰ উল্লেখ কৰি আহিছোঁ। উক্ত তিনিটাৰ ভিতৰত-'s'ৰ প্ৰয়োগ বেছি। সেয়ে, -'s' আকৃতিটোক প্ৰাকৃতিৰ মৰ্যাদা দি তাক (s) প্ৰাকৃতি হিচাপে গণ্য কৰিব পাৰি। (s) প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে [s], [z] আৰু [iz] তাৰ উপাকৃতিত পৰিণত হ'ব। আনহাতে কাৰ্যৰ কাৰণ পৰা এই প্ৰাকৃতিটোক (বহুবচনাত্মক) প্ৰাকৃতি বুলিবও পাৰি।

সেইদৰে অসমীয়া ভাষাৰ বহুবচনৰ আকৃতি—'বোৰ' (গৰু-বোৰ), -'বিলাক'

(মানুহ-বিলাক), -'হঁত' (চাকৰ-হঁত), -'জাক' (ল'ৰা-জাক), -'মখা' (ছোৱালী-মখা) আদিক এটা গোট কৰি তাক (বহুবচনাত্মক) প্ৰাকৃতি বুলিবও পাৰি অথবা এই আটাইকেইটাৰ ভিতৰত বিহেতু -'বোৰ'ৰ প্ৰয়োগ বেছি, সেই হেতু উক্ত গোটটোক (বোৰ) প্ৰাকৃতিত নাম দিব পাৰি। (বোৰ) প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে [বিলাক], [হঁত]. [জাক], [মখা] আদি (বোৰ) প্ৰাকৃতিৰ উপাকৃতিত পৰিণত হ'ব।

সেইদৰে অসমীয়া নিৰ্দিষ্টবাচক আকৃতি -'টা', -'টো', -'টি'-এই তিনিটাক এটা গোট কৰি প্ৰয়োগৰ ব্যাপকতালৈ চাই তাক (টো) প্ৰাকৃতি নাম দিব পাৰি। (টো) প্ৰাকৃতিৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে [টা], [টো], [টি] একোটা উপাকৃতিত পৰিণত হ'ব।

অসমীয়া ভাষাৰ 'য' ধাতু প্ৰাকৃতিটোক বিভিন্ন পুৰুষ আৰু কালত ৰূপ কৰিলে আমি যাওঁ (যা-ওঁ) 'গৈছোঁ, (যা-ইছ্-ওঁ), 'গলোঁ' (যা-ইল-ও), 'গৈছিলোঁ' (যা-ইছ্-ইল্-ওঁ), 'যাম' (যা-ম), 'যোৱা' (যা-আ), 'গৈছা' (যা-ইছ্-আ), গ'লা (যা-ইল্-আ), 'গৈছিলা' (যা-ইছ্-ইল্-আ), যাবা (যা-ইব্-আ), যাব (যা-অ), 'গৈছ' (যা-ইছ্-অ), 'গ'লি' (যা-ইল্-ই), 'গৈছিলি' (যা-ইছ্-ইল্-ই), 'যাবি' (যা-ইব্-ই), 'যায়' (যা-এ), 'গৈছে' (যা-ইছ্-এ), 'গ'ল' (যা-ইল্), 'গৈছিল' (যা-ইছ্-ইল্), 'যাব' (যা-ইব্-অ) আদি আকৃতিবোৰ পাওঁ। এইবোৰ বিশ্লেষণ কৰিলে 'যা' ধাতু প্ৰাকৃতিটোৰ চাৰিটা ভিন ভিন আকৃতি পোৱা যায়। সেইকেইটা হ'ল : -'যা', 'যো', 'গ' আৰু 'গৈ'। ধ্বনিগত পাৰ্থক্য থাকিলেও অৰ্থৰ ফালৰ পৰা এইবোৰ অভিন্ন আৰু পৰিপুৰক অবস্থান জাত। গতিকে এই চাৰিটা আকৃতিক এটা গোট কৰি তাক (যা-ধাতু) প্ৰাকৃতি নাম দিব পাৰি। এই প্ৰাকৃতিটোৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে [যা], [যো], [গ'] আৰু [গৈ] আকৃতি চাৰিটা সেই প্ৰাকৃতিটোৰ উপাকৃতিত পৰিণত হ'ল।

প্ৰাকৃতি নিৰূপণৰ বাবে কোনো এটা উপাকৃতিক আধাৰ হিচাপে লৈ আন উপাকৃতিবোৰক তাৰ ৰূপ ধ্বনিগত পৰিবৰ্তন (morpho-phonomic change বুলি দেখুৱাব পাৰি। (One way to make simple statements of variations within a series of morphemes is to select one allomorph of each morpheme as a base form. Then the other allomorphs can be considered as a resulting from describable changes from the base from under certain suitable conditions. Gleason, H.A. Jr : An Introduction to Descriptive Linguistics)

ৰূপ ধ্বনিগত পৰিবৰ্তনৰ এটা সাধাৰণ প্ৰকাৰ হ'ল সমীভৱন। (One of the commonest types of morph-phonemic change is assimilation. Gleason, H.A. Jr : An Introduction to Descriptive Linguistics)

কাষত বহা ধ্বনিৰ প্ৰভাৱত যেতিয়া আধাৰৰূপ (base form) ৰ পৰিবৰ্তন ঘটি সি সমজাতীয়তা বা সাৰূপ্য লাভ কৰে তেতিয়া তাকেই সমীভৱন বোলা হয়। যেনে, ইংৰাজী ভাষাৰ 'possible' শব্দটোৰ আগত নিষেধাৰ্থক/in/যুক্ত হ'লে 'impossible' হয়। সমীভৱনৰ ফলত ইয়াৰো আধাৰ ৰূপ (in), [im] লৈ পৰিবৰ্তিত হৈছে। সেইদৰে অসমীয়া 'লাস' শব্দটোৰ আগত/উৎ/যুক্ত হ'লে 'উল্লাস' হয়। সমীভৱনৰ ফলত ইয়াৰো আধাৰ ৰূপ/উৎ/পৰিবৰ্তিত হৈ/উল/হৈছে। সমীভৱন নিকটবৰ্তী (contiguous) আৰু অনিকটবৰ্তী (non-contiguous)-এই দুই শ্ৰেণীৰ হ'ব পাৰে। গাত গা লগাই বহা ধ্বনিৰ প্ৰভাৱত যেতিয়া আধাৰ ৰূপৰ পৰিবৰ্তন ঘটে, তেতিয়া তাক কোৱা হয় নিকটবৰ্ত্তী সমীভৱন। যেনে, In-Possible>Impossible, In-perfect>Imperfect, উৎ-লাস>উল্লাস। আনহাতে এক বা ততোধিক ধ্বনিৰ ব্যৱধানত বহা ধ্বনিৰ প্ৰভাৱত যেতিয়া আধাৰ ৰূপৰ পৰিবৰ্তন ঘটে, তেতিয়া তাক অনিকটবৰ্তী সমীভৱন বোলা হয়। যেনে, খোল-ঈয়া>খুলীয়া, কোকিল-ইক>কুলি। অনিকবৰ্তী সমীভৱনকে স্বৰ সংগতি (Vowel Harmony) বোলা হয়। পৰবৰ্তী স্থানত থকা উচ্চস্বৰৰ প্ৰভাৱত পূৰ্ববৰ্তী নিম্নস্বৰ উচ্চস্বৰলৈ পৰিবৰ্তিত হোৱা ৰীতিক স্বৰ সংগতি বোলে। ওপৰত উল্লেখ কৰা 'খুলীয়া' আৰু 'কুলি' শব্দ দুটাত তেনে পৰিবৰ্তন ঘটা দেখা যায়। ৰূপ ধ্বনিগত পৰিবৰ্তনৰ আন এটা কাৰণ বিষমীভৱন (dissimilation)। ইয়াত ওচৰা-উচৰিকৈ থকা দুটা সমধ্বনিৰ এটাই পৃথক ৰূপ লাভ কৰে। যেনে, পৰ্তুগীজ আৰ্মাৰিও>অসমীয়া আলমাৰি।[1] গ্ৰীক ভাষাত বিষমীভৱনৰ সহায়ত হোৱা ৰূপ ধ্বনিগত পৰিবৰ্তন সৰহ।

১৫.৪ উপাকৃতি : ধ্বনি সাপেক্ষ আৰু ৰূপসাপেক্ষ (Allomorph : Phonologically & Morphologically conditioned)

কোনো ভাষাত ব্যৱহাৰ হোৱা উপাকৃতি (Allomorph)বোৰৰ কিছুমান ধ্বনি সাপেক্ষ আৰু কিছুমান ৰূপ সাপেক্ষ।

ধ্বনি সাপেক্ষ উপাকৃতিবোৰ কাষত বহা ধ্বনিৰ প্ৰভাৱৰ ওপৰত নিৰ্ভৰশীল। আন কথাত ক'বলৈ গ'লে ধ্বনিগত পৰিবেশৰ প্ৰভাৱত কোনো এটা প্ৰাকৃতিৰ পৰাই

১. সমীভৱন আৰু বিষমীভৱন সম্বন্ধে আন ঠাইতো আলোচনা কৰা হৈছে।

ভিন ভিন উপাকৃতিৰ সৃষ্টি হয়। ইংৰাজী ভাষাৰ (বহুবচনাত্মক) বা (s) প্ৰাকৃতিক উপাকৃতি /s/,/z/আৰু/iz/-এই তিনিটা ধ্বনি সাপেক্ষ উপাকৃতিৰ উৎকৃষ্ট উদাহৰণ। যথা—

(ক) স্পৃষ্ট (Africate) আৰু উষ্ম (Sibilant) ব্যঞ্জনৰ বাহিৰে আন অঘোষ ব্যঞ্জনৰ কাষত বহিলে /-S/ উপাকৃতিৰ সৃষ্টি হয়। যেনে Cups/-S/

(খ) স্পৃষ্ট আৰু উষ্মব্যঞ্জনত বাহিৰে আন ঘোষ ব্যঞ্জনৰ কাষত বহিলে/-z/ উপাকৃতিৰ সৃষ্টি হয়। যেনে, dogs/z/

(গ) স্পৃষ্ট আৰু উষ্ম ব্যঞ্জনৰ কাষত বহিলে /-iz/উপাকৃতিৰ সৃষ্টি হয়। যেনে, glasses/-iz/।

সেইদৰে অসমীয়া ভাষাৰ বাক্যৰ কৰ্তাকাৰকত প্ৰথমা বিভক্তিৰ চিন -'এ' যোগ হয়। সকৰ্মক ক্ৰিয়াৰ কৰ্তাৰ ব্যঞ্জনান্ত ৰূপৰ কাষত বহিলে এই -'এ', 'এ' হিচাপেই উচ্চাৰিত হয়। যেনে, ৰামে (ৰাম-এ) খায়, কিন্তু -'অ' বা -'আ' স্বৰেৰে অন্ত হোৱা ৰূপৰ কাষত বহিলে -'এ', -'ই'লৈ পৰিবৰ্তিত হয়। যেনে, ল'ৰাই (ল'ৰা-এ) পঢ়ে। গাধই (গাধ-এ) গাড়ী টানে ইত্যাদি।

এতেকে দেখা গ'ল, অসমীয়া ভাষাৰ (কৰ্তাকাৰকৰ প্ৰথমা বিভক্তি)-ৰ উপাকৃতি দুটা-/-এ/ আৰু/-ই/। এয়েই ধ্বনি সাপেক্ষতা।

যিবোৰ উপাকৃতি ধ্বনিগত পৰিবেশৰ ওপৰত নিৰ্ভৰশীল নহয়, অৰ্থাৎ যিবোৰ উপাকৃতি বিশেষ ৰূপৰ লগতহে সম্পৰ্কিত, সেইবোৰক ৰূপসাপেক্ষ উপাকৃতি বোলে। যেনে, ইংৰাজী ভাষাৰ 'Ox' ৰূপৰ বহুবচনত 'Oxen' (ox-en), 'child'ৰ 'children' (child-ren) আৰু 'man'ৰ 'men' ৰূপ হয়। উক্ত বহুবচনৰ ৰূপ তিনিটাৰ উপাকৃতিবোৰ ধ্বনিগত পৰিবেশৰ ওপৰত নিৰ্ভৰশীল বুলিব নোৱাৰি। অৰ্থাৎ 'ox'ৰ বহুবচনত কিয়-'en' লগ লাগিল, childত কিয়-'ren' লগ লাগিল বা 'man'ৰ বহুবচনত কিয় 'men' ৰূপ হ'ল, তাৰ কোনো কাৰণ বিচাৰি পোৱা নাযায়। ইয়াৰ পৰা জনা গ'ল যে ইংৰাজী ভাষাৰ কিছুমান বিশেষ ৰূপৰ বহুবচনত কিছুমান বিশেষ উপাকৃতিহে লগ লাগে। এয়েই ৰূপ সাপেক্ষতা।

অসমীয়াত কেতবোৰ নিৰ্দিষ্টবাচক প্ৰত্যয়, নিৰ্দিষ্ট কেতবোৰ মুক্তৰূপৰ পিছতহে লগ লাগে। যেনে, মানুহজন (মানুহ-জন), গৰুটো (গৰু-টো), গছডাল (গছ-ডাল), নদীখন (নদী-খন) ইত্যাদি। এইবোৰৰ মানুহৰ লগত -'জন', গৰুৰ লগত -'টো', গছৰ লগত-'ডাল' আৰু নদীৰ লগত -'খন' কিয় লগ লাগিল, তাৰ কাৰণ বিচাৰি পোৱা নাযায়। /-জন/,/-টো/, /-ডাল/আৰু/খন/ৰূপ সাপেক্ষ উপাকৃতি। যিটো মুক্ত ৰূপৰ লগত লগ লাগে তাৰ ওপৰতহে এনে উপাকৃতি নিৰ্ভৰশীল।

কোনো কোনো পণ্ডিতে ৰূপ সাপেক্ষ উপাকৃতিক অনিয়মীয়া (irregular) উপাকৃতিও বোলে। এখেতসকলৰ মতে ৰূপসাপেক্ষ উপাকৃতিবোৰ নিয়মীয়া (regular)।

মনত ৰখা উচিত যে ভাষা এটাত প্ৰয়োগ হোৱা সকলোবোৰ আকৃতি (morph)য়ে কোনো এটা প্ৰাকৃতি (morpheme)ৰ প্ৰতিনিধিত্ব কৰে; কিন্তু সকলোবোৰ প্ৰাকৃতিৰ আকৃতি নাথাকিবও পাৰে। উদাহৰণ স্বৰূপে ইংৰাজী ভাষাৰ বহুবচনত প্ৰয়োগ হোৱা 'deer' আকৃতিটোলৈ আঙুলিয়াব পাৰি। 'Deer'ত আকৃতি এটা, কিন্তু প্ৰাকৃতি দুটা : (deer) আৰু (ϕ)।

১৫.৫ শূন্য প্ৰাকৃতি (Zero morpheme)

যি আকৃতি শ্ৰৱণ আৰু দৰ্শন ইন্দ্ৰিয়েৰে ঢুকি পোৱা নাযায়, অথচ যাৰ স্থিতি আমি অনুভৱ কৰিব পাৰোঁ, তেনে বিমূৰ্ত প্ৰাকৃতিক শূন্য প্ৰাকৃতি বোলে। উদাহৰণ স্বৰূপে, ওপৰত উল্লেখ কৰি অহা ইংৰাজী ভাষাৰ বহুবচনৰ আকৃতি 'deer'কে ল'ব পাৰোঁ। এই 'deer'ৰ লগত বহুবচনাত্মক প্ৰাকৃতি এটা যুক্ত হৈ থকা বুলি ধৰা হয় যদিও তাৰ ধ্বনিগত প্ৰতিনিধি অনুপস্থিত। সেইদৰে ইংৰাজী 'sheep', 'cattle' আদি আকৃতিতো বহুবচনাত্মক ধ্বনিগত প্ৰতিনিধি নাই।

অসমীয়া ভাষাৰ বিভক্তিবাচক প্ৰাকৃতিৰ বিশ্লেষণৰ ক্ষেত্ৰত শূন্য প্ৰাকৃতিৰ ধাৰণাই বিশেষভাৱে সহায়তা কৰে। যেনে, ৰাম ঢুকাল। দেখাত 'ৰাম'ৰ লগত কোনো বিভক্তিবাচক প্ৰাকৃতি যুক্ত হোৱা নাই যদিও বিভক্তিযুক্ত শব্দেৰে গঠিত অন্যান্য বাক্যৰ দৰে এই বাক্যটোৱেও অৰ্থ প্ৰকাশ কৰিছে। গতিকে ইয়াতো 'ৰাম'ৰ লগত এটা বিভক্তিমূলক প্ৰাকৃতি যুক্ত হৈ থকা বুলি ধৰা হয়। এয়েই শূন্য প্ৰাকৃতি।

শূন্য প্ৰাকৃতিৰ ভিত্তিত, ওপৰত উল্লেখ কৰা 'deer', 'sheep' আৰু 'cattle',ৰ বহুবচনাত্মক আকৃতিৰ বিশ্লেষণ হ'ব এনে ধৰণৰ :

deer+ϕ>deer (বহুবচনাত্মক আকৃতি)
sheep+ϕ>sheep (বহুবচনাত্মক আকৃতি)
cattle+ϕ>cattle (বহুবচনাত্মক আকৃতি)

১৫.৬ সম ধ্বনিজাত প্ৰাকৃতি (Homophonous morpheme)

ধ্বনিগত দিশৰ পৰা অভিন্ন অথচ অৰ্থৰ ফালৰ পৰা পাৰ্থক্য থকা দুটা প্ৰাকৃতিক সম ধ্বনিজাত প্ৰাকৃতি বোলে। যেনে, ইংৰাজী ভাষাৰ deer, sheep, cattle—এই তিনিটাৰ একবচন আৰু বহুবচনৰ আকৃতিৰ মাজত ধ্বনিগত পাৰ্থক্য নাই, কিন্তু অৰ্থগত পাৰ্থক্য আছে। এতেকে সিহঁত সমধ্বনিজাত প্ৰাকৃতি। সেইদৰে ইংৰাজী ভাষাৰ 'rats' ৰ '-s' আৰু 'runs'ৰ -'s' ৰ মাজত ধ্বনিগত পাৰ্থক্য নাই, কিন্তু অৰ্থৰ ফালৰ পৰা পাৰ্থক্য যুক্ত। Rats ৰ '-s' বহুবচনাত্মক প্ৰাকৃতি; আনহাতে 'runs'ৰ -'s' তৃতীয় পুৰুষৰ একবচনৰ ক্ৰিয়াবিভক্তিবাচক প্ৰাকৃতি। এতেকে উক্ত দুয়োটা -'s' সমধ্বনিজাত প্ৰাকৃতি।

অসমীয়া ভাষাৰ "তুমি কৰা কাম ভাল হ'বই" আৰু "তুমি কামটো কৰা"— এই বাক্য দুটাৰ 'কৰা' পদ দুটাৰ -'আ' (কৰ্+আ) প্ৰাকৃতি দুটাৰ ধ্বনিগত পাৰ্থক্য নাই, কিন্তু অৰ্থৰ দিনৰ পৰা পাৰ্থক্য আছে। গতিকে উক্ত দুয়োটা -'আ' সমধ্বনি জাত প্ৰাকৃতি।

১৫.৭ সলনিকৰণ (Replacive)

কোনো কোনো আকৃতিৰ প্ৰাকৃতি চিনাক্তকৰণৰ ক্ষেত্ৰত কোনো স্পষ্ট সূত্ৰ বা নীতি নাই। উদাহৰণ স্বৰূপে ইংৰাজী ভাষাৰ বহুবচনাত্মক আকৃতি 'geese' আৰু 'mice'লৈ আঙুলিয়াব পাৰি। উক্ত আকৃতি দুটাৰ একবচনত হয় যথাক্ৰমে 'goose' আৰু 'mouse'। 'Goose' আৰু mouse আকৃতি দুটা বহুবচনত যথাক্ৰমে 'geese' আৰু 'mice'লৈ পৰিবৰ্তিত হোৱা প্ৰক্ৰিয়াটোক কোনো কোনো ভাষাবিজ্ঞানীয়ে সলনিকৰণ আখ্যা দিছে। সলনিকৰণ প্ৰক্ৰিয়া অনুসৰি 'geese' আৰু 'mice'ৰ বিশ্লেষণ হ'ব এনে ধৰণৰ :

geese = goose+ee ← oo

mice = mouse+i ← ou

উক্ত বহুবচনৰ প্ৰাকৃতি দুটা স্বৰধ্বনিৰ সলনিকৰণেৰে ৰচিত হোৱা হেতুকে ইয়াৰ নাম দিয়া হৈছে সলনিকৰণ।

কোনো কেনোৱে আকৌ এনেবোৰ প্ৰাকৃতিৰ বিশ্লেষণৰ ক্ষেত্ৰত সলনিকৰণ ৰীতিৰ আশ্ৰয় নলৈ তলত উল্লেখ কৰা ধৰণে সেইবোৰৰ দুটা প্ৰাকৃতি দেখুৱাইছে :

goose+ plural morpheme = geese

mouse + plural morpheme = mice

সেইদৰে অতীত কালবাচক 'went', 'took' আদি ৰূপৰ বিশ্লেষণ হ'ব

এনে ধৰণৰ ঃ

go + past tense = went
take + past tense = took

১৫.৮ প্ৰাকৃতিৰ শ্ৰেণীবিভাগ (Classifications of Morpheme)

ৰূপগ্ৰাম বা প্ৰাকৃতিক দুভাগত বিভাগ কৰা হয় ঃ (১) মুক্ত প্ৰাকৃতি (Free Morpheme) আৰু (২) বদ্ধ প্ৰাকৃতি (Bound Morpheme)।

যিবোৰ প্ৰাকৃতি স্বাধীনভাৱে ব্যৱহাৰযোগ্য আৰু স্পষ্ট অৰ্থবিশিষ্ট, সেইবোৰক মুক্ত প্ৰাকৃতি বোলে। উদাহৰণ ঃ অসমীয়া ভাষাৰ গৰু, কুকুৰ, ঘৰ, মাছ, ধন, খা, ই আদি মুক্ত প্ৰাকৃতি। এইবোৰৰ নিজস্ব অৰ্থ সুস্পষ্ট আৰু প্ৰতিটোৱেই স্বাধীনভাৱে ব্যৱহাৰো যোগ্য।

যিবোৰ প্ৰাকৃতি স্বাধীনভাৱে ব্যৱহাৰৰ অযোগ্য আৰু যিবোৰৰ স্বতন্ত্ৰ অৰ্থও অস্পষ্ট সেইবোৰক বদ্ধ প্ৰাকৃতি বোলে। বদ্ধ প্ৰাকৃতিবোৰ আন প্ৰাকৃতিৰে সৈতে যুক্ত হ'লেহে ব্যৱহাৰৰ যোগ্য হয় আৰু তেতিয়াহে সেইবোৰ স্পষ্ট অৰ্থবিশিষ্টও হৈ পৰে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ 'ধনী' শব্দটোকে লোৱা যাওক। অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি এই শব্দটোক বিভাগ কৰিলে আমি দুটা প্ৰাকৃতি পাওঁ ঃ ধন আৰু ঈ। ইয়াৰ 'ধন' প্ৰাকৃতিটোৰ অৰ্থ স্পষ্ট আৰু অকলে ই ব্যৱহাৰো যোগ্য। গতিকে 'ধন' মুক্ত প্ৰাকৃতি; কিন্তু 'ঈ' প্ৰাকৃতিটোৰ অৰ্থ আছে যদিও সি স্পষ্ট নহয় আৰু অকলশৰে তাৰ ব্যৱহাৰো নাই। 'ধন' প্ৰাকৃতিটোৰ লগত যুক্ত হোৱাৰ পিছতহে সি ব্যৱহাৰৰ যোগ্য হৈছে আৰু তাৰ অৰ্থও স্পষ্টভাৱে প্ৰকাশ পাইছে। গতিকে 'ঈ' বদ্ধ প্ৰাকৃতি। সেইদৰে অনি (ধাননি), অক (খেতিয়ক), বোৰ (গৰুবোৰ), টো (গৰুটো), অনী (নাপিতনী), আও (আও মৰল) আদিও বদ্ধ প্ৰাকৃতি।

১৫.৯ প্ৰাকৃতি (Root Morpheme) আৰু সৰ্গ (Affixes)

কোনো এটা ভাষাৰ যিবোৰ প্ৰাকৃতিৰ লগত আন আন প্ৰাকৃতি যুক্ত কৰি বিবিধ অৰ্থ প্ৰকাশক ৰূপ গঠন কৰা হয় সেইবোৰ প্ৰাকৃতিক মূল প্ৰাকৃতি বা প্ৰকৃতি বোলে। অৰ্থাৎ কোনো এটা ৰূপৰ পৰা সৰ্গ আদি আঁতৰালে যি বাকী থাকে সিয়েই প্ৰকৃতি। "প্ৰাকৃতিবোৰেই ভাষাৰ শব্দৰ শব্দ বা পদৰ আধাৰ স্বৰূপ।" [ড° গোলোক চন্দ্ৰ গোস্বামী ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ] উদাহৰণস্বৰূপে অসমীয়া

ভাষাৰ 'খেতিয়ক' শব্দ বা ৰূপটোকে ল'ব পাৰি। এই ৰূপটোত খেত-ই-অক-এই তিনিটা প্ৰাকৃতি যুক্ত হৈ আছে। এই তিনিটাৰ ভিতৰত 'খেত' প্ৰাকৃতিটো মূল প্ৰাকৃতি বা প্ৰকৃতি। ইয়াৰ অবিহনে কেৱল 'ই' আৰু 'অক' (ইঅক) লগা লাগিলে কোনো অৰ্থ নোলায়। এতেকে 'খেত' প্ৰকৃতিটো 'খেতিয়ক' ৰূপ বা শব্দটোৰ আধাৰ স্বৰূপ। সেইদৰে ইংৰাজী ভাষাৰ Unfaithful ৰূপটোৰ (un-faith-ful) 'faith'টো প্ৰকৃতি। ইয়াক আধাৰ স্বৰূপে লৈ Unfaithful ৰূপটো গঠিত হৈছে। ইয়াক বাদ দি বাকী 'un' আৰু 'ful' প্ৰাকৃতি দুটাৰে কোনো অৰ্থ প্ৰকাশক ৰূপ গঠিত হ'ব নোৱাৰে। মুক্ত অথবা যুক্ত, যিকোনো প্ৰাকৃতিয়েই প্ৰকৃতি হ'ব পাৰে। কোনো এটা ভাষাত প্ৰকৃতিৰ সংখ্যাই সৰহ।

যিবোৰ প্ৰাকৃতিয়ে প্ৰকৃতিৰে সৈতে যুক্ত হৈ বিবিধ অৰ্থপ্ৰকাশক ৰূপৰ সৃষ্টি কৰে সেইবোৰ প্ৰাকৃতিক সৰ্গ (Affix) বোলে। উদাহৰণস্বৰূপে ওপৰত উল্লেখ কৰা 'খেতিয়ক' ৰূপটোৰ 'ই' আৰু 'অক' প্ৰাকৃতি দুটালৈ আঙুলিয়াব পাৰি। এই দুয়োটা প্ৰাকৃতিয়েই সৰ্গ। এই দুটাৰ সংযোগতহে অৰ্থ প্ৰকাশক 'খেতি' (খেত+ই) আৰু 'খেতিয়ক' (খেতি+অক) ৰূপৰ সৃষ্টি হৈছে। সেইদৰে ইংৰাজী unfaithful ৰূপটোৰ 'un' আৰু 'ful' দুয়োটা প্ৰাকৃতিয়েই সৰ্গ। অসমীয়া ভাষাৰ প্ৰত্যয় আৰু বিভক্তিবোৰ সৰ্গ। এইবোৰ বদ্ধ প্ৰাকৃতি। এইবোৰ অকলে ব্যৱহাৰৰ আযোগ্য।

অসমীয়া ভাষাৰ প্ৰাতিপদিক আৰু ধাতুবোৰকে প্ৰকৃতি বোলে। এইবোৰ ক'তো ক'তো মুক্ত আৰু ক'তো ক'তো বদ্ধ ৰূপত প্ৰয়োগ হোৱা দেখা যায়। সংস্কৃত ভাষাৰ ধাতু প্ৰাতিপদিকবোৰ সদায় বদ্ধৰূপতহে প্ৰয়োগ হয়।

১৫.১০ সৰ্গৰ বিভাগ (Classification of Affixes)

ভাষাবিজ্ঞানৰ সূত্ৰৰ সহায়ত, কোনো এটা ভাষাত প্ৰয়োগ হোৱা সৰ্গসমূহক দুটা বহল ভাগত ভগোৱা হয় : (ক) অৱস্থানগত বিভাগ আৰু (খ) গুণগত বিভাগ।

(ক) ব্যৱহাৰৰ স্থান অনুসৰি কৰা সৰ্গৰ বিভাগকে অৱস্থানগত বিভাগ বোলে। ই-তিনিশ্ৰেণীৰ : উপসৰ্গ (Prefix), মধ্যসৰ্গ (Infix) আৰু অনুসৰ্গ (Suffix)।

যিবোৰ সৰ্গই, প্ৰকৃতিৰ আগত বহি কোনো এটা ৰূপ বা শব্দ সাধন কৰে, সেইবোৰক পূৰ্ব সৰ্গ বা উপসৰ্গ বোলে। সংস্কৃত ভাষাত এনে উপসৰ্গ কুৰিটা। যেনে, প্ৰ (প্ৰহাৰ), পৰা (পৰাজয়), অপ (অপকাৰ), অৱ (অৱৰোধ) ইত্যাদি। অসমীয়া ভাষাৰ অকামিলা, আওমৰণ, উগাৰ আদি শব্দৰ যথাক্ৰমে 'অ' (অ-কাম-ইল-আ), আও (আও-মৰ্-অন), উ (উ-গাৰ) আদি উপসৰ্গ। ইংৰাজী ভাষাৰ un (un-faith-ful), in (in-hu-man) আদি উপসৰ্গ।

যিবোৰ সৰ্গই, প্ৰকৃতিটোৰ মাজত সোমাই কোনো এটা ৰূপ বা শব্দ সাধন কৰে সেইবোৰক মধ্যসৰ্গ বোলে। অসমীয়া ভাষাত মধ্যসৰ্গ নাই। আমেৰিকাৰ আদিবাসীসকলৰ য়ুৰোক ভাষাত Sepolah বোলা শব্দ এটা আছে। ইয়াৰ অৰ্থ হৈছে পথাৰ। ইয়াৰ বহুবচনৰ ৰূপ হৈছে Segepolah। অৰ্থ পথাৰবোৰ। ইয়াৰ প্ৰয়োগ হোৱা 'ge' ৰূপটো মধ্য সৰ্গ। Sepolah শব্দটোক দুফাল কৰি ই তাৰ মাজত বহি Segepolah ৰূপটো সাধন কৰিছে। সংস্কৃত ভাষাতো মধ্য সৰ্গৰ প্ৰয়োগ আছে।

সিবোৰ সৰ্গক প্ৰকৃতিৰ পিছত ব্যৱহাৰ কৰি কোনো ৰূপ সাধন কৰা হয় সেইবোৰক অনুসৰ্গ বোলে।

যেনে, ঈ (ধন—ঈ > ধনী)
অনি (ধান—অনি > ধাননি)
এ (হৰি—এ > হৰিয়ে)
অন (খা—অন > খাৱন) ইত্যাদি।

মনত ৰখা ভাল যে কোনো এটা প্ৰকৃতিৰ পিছত একেলেঠাৰিয়ে একাধিক অনুসৰ্গ সংযোজিত হ'ব পাৰে। যেনে, বোধ—ই—অক > বুধিয়ক
খা—ইছ—ইল—আ > খাইছিলা
মানুহ—বোৰ—এ > মানুহবোৰে ইত্যাদি।

এইবোৰত প্ৰয়োগ হোৱা ই, অক, ইছ, ইল, আ। বোৰ, এ আদি প্ৰতিটোৱেই একোটা অনুসৰ্গ।

(খ) ভাষাৰ গঠনত সৰ্গসমূহে একোটা নিৰ্দিষ্ট ভূমিকা গ্ৰহণ কৰে। এনে ভূমিকাই কোনো এটা সৰ্গৰ কাৰ্য বা গুণ নিৰূপণ কৰি দেখুৱায়। এনে কাৰ্য বা গুণৰ প্ৰতি লক্ষ্য ৰাখি সৰ্গবোৰক কৰা বিভাগক গুণগত বিভাগ বোলে। ইয়াৰ আকৌ দুটা বিভাগ : প্ৰত্যয় (Derivatice) আৰু বিভক্তি (Inflective)।

প্ৰত্যয় :

যিবোৰ সৰ্গক প্ৰকৃতিৰ লগত লগাই কোনো নতুন অৰ্থবিশিষ্ট শব্দ বা ৰূপৰ সৃষ্টি কৰা হয়, সেইবোৰক ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয় বোলে। উদাহৰণ স্বৰূপে, 'ফুল' অসমীয়া ভাষাৰ এটা প্ৰকৃতি। ইয়াৰ লগত-'অনি' সৰ্গটো লগ লগালে আমি 'ফুলনি' (ফুল-অনি) শব্দ বা ৰূপটো পাওঁ। 'ফুলনি' শব্দটোৰ অৰ্থ 'ফুল'ৰ পৰা ভিন্ন। গতিকে-ই সৰ্গটো লগ লগোৱাৰ পিছত নতুন অৰ্থবাচক 'ফুলনি' শব্দটো পালোঁ। সেয়ে-'ই' এটা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয়। সেইদৰে ভাড়নি (ভাল-অনি), ধনী

(ধন-ঈ), নিৰ্লাজী (নিলাজ-ঈ), ঘৰুৱা (ঘৰ-উৱা) আদি শব্দৰ ৰূপত প্ৰয়োগ হোৱা যথাক্ৰমে অৰি, ঈ, আৰু-'উৱা' সৰ্গও ব্যুৎপত্তি মূলক সৰ্গ বা প্ৰত্যয়। এনে কিছুমান প্ৰত্যয় সংযোগৰ ফলত কোনো একশ্ৰেণী শব্দ আন এক শ্ৰেণীলৈ পৰিবৰ্তিত হয় আৰু আন কিছুমান সংযোগৰ ফলত একেটা শ্ৰেণীৰে ভিন্নৰূপ গঠিত হয়।

যিবোৰ প্ৰত্যয়ৰ সংযোগে কোনো শব্দৰ শ্ৰেণী পৰিবৰ্তন কৰিব পাৰে, সেইবোৰক শ্ৰেণী পৰিবৰ্তনকাৰী প্ৰত্যয় (Class changing suffix) বোলে। যেনে, অসমীয়া 'সোন' এটা বিশেষ্য শব্দ। ইয়াৰ লগত-'আলী' প্ৰত্যয় (সোণ-আলী) সংযোগ কৰিলে 'সোণালী' শব্দ পোৱা যায়। 'সোণালী' কিন্তু বিশেষণ। গতিকে-'আলী' শ্ৰেণী পৰিবৰ্তনকাৰী প্ৰত্যয়। সেইদৰে 'খা'-এটা ধাতু শব্দ। ইয়াৰ লগত-'অন' (খা-অন) প্ৰত্যয় সংযোগ কৰিলে 'খাৱন' শব্দটো পোৱা যায়। 'খাৱন' বিশেষ্য শব্দ। গতিকে-'অন' প্ৰত্যয়টোও শ্ৰেণী পৰিবৰ্তনকাৰী প্ৰত্যয়।

আনহাতে, যিবোৰ প্ৰত্যয় সংযোগৰ ফলত একেটা শ্ৰেণীৰে ভিন্ন ৰূপ গঠিত হয়, কিন্তু শ্ৰেণী পৰিবৰ্তন নহয় সেইবোৰক শ্ৰেণী ৰক্ষাকাৰী (Class main taining suffix) প্ৰত্যয় বোলে। যেনে, অসমীয়া ভাষাৰ 'ফুল' এটা বিশেষ্য শব্দ। ইয়াৰ লগত-'অনি' প্ৰত্যয় সংযোগ কৰিলে ফুলনি (ফুল-অনি) শব্দ পোৱা যায়। 'ফুলনি'ও এটা বিশেষ্য শব্দ। ইয়াৰ 'অনি' প্ৰত্যয়টোৱে শ্ৰেণীৰ পৰিবৰ্তন নকৰি একেটা শ্ৰেণী (বিশেষ্য)ৰে ভিন্ন ৰূপ সাধন কৰিছে। গতিকে 'অনি' শ্ৰেণী ৰক্ষাকাৰী প্ৰত্যয়। সেইদৰে ইংৰাজী ভাষাৰ 'boy hood', 'principalship' আদি শব্দৰ যথাক্ৰমে-hood আৰু-ship প্ৰত্যয়ো শ্ৰেণী ৰক্ষাকাৰী প্ৰত্যয়।

মনত ৰখা ভাল যে ওপৰত উল্লেখ কৰি অহা অৱস্থানগত বিভাগৰ অন্তৰ্গত উপসৰ্গ বা মধ্যসৰ্গসমূহো শব্দ সাধনৰ সৰ্গ অৰ্থাৎ প্ৰত্যয়। সেয়ে, উপসৰ্গক পূৰ্ব প্ৰত্যয় আৰু মধ্যসৰ্গক মধ্য প্ৰত্যয়ো বোলা হয়। অসমীয়া ভাষাৰ লিংগ, বচন, কাল আৰু ভাব বুজোৱা সৰ্গবোৰো শব্দ সাধনৰ সৰ্গ অৰ্থাৎ প্ৰত্যয়।[১]

কিছুমান ভাষাত প্ৰত্যয়ৰ আকৌ বিভাগ আছে। সংস্কৃত ভাষাত এই প্ৰত্যয়বোৰ দুটা বহল ভাগত বিভক্ত : (১) কৃৎ প্ৰত্যয় (Primary Suffix)। যিবোৰ প্ৰত্যয়ে ধাতু প্ৰকৃতিৰে সৈতে যুক্ত হৈ বিবিধ শব্দ বা ৰূপ সাধন কৰে সেইবোৰক কৃৎ প্ৰত্যয় বোলে।

যেনে, সংস্কৃত ভাষাৰ কৃৎ প্ৰত্যয় :

—তব্য—দা+তব্য>দাতব্য

—য—কৃ+য>কাৰ্য

---

১. ড° গোলোক চন্দ্ৰ গোস্বামী : অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, ১৯৮৭

—ক্ত—জ্ঞা+ক্ত > জ্ঞাত

—অন—গম্‌+অন> গমন

যিবোৰ প্ৰত্যয়ে কৃৎ প্ৰত্যয়ৰ সংযোগত সৃষ্টি হোৱা ৰূপৰ পিছত যুক্ত হৈ নানান শব্দ বা ৰূপ গঠন কৰে সেইবোৰক তদ্ধিত প্ৰত্যয় বোলে।

যেনে, সংস্কৃত ভাষাৰ তদ্ধিত প্ৰত্যয় ঃ

—ষ্ণ—কুৰু + ষ্ণ > কৌৰৱ

—ইন্‌—ধন + ইন > ধনী

—মৎ—বুদ্ধি+মৎ > বুদ্ধিমান

—য—গ্ৰাম + য > গ্ৰাম্য।

সংস্কৃত ভাষাৰ অনুকৰণত অসমীয়া প্ৰত্যয়বোৰকো কৃৎ আৰু তদ্ধিত এই দুটা বিভাগত ভগোৱা হৈছে।

যেনে, অসমীয়া কৃৎ প্ৰত্যয় ঃ

—আ—পঢ় + আ > পঢ়া

—ওঁতে—যা + ওঁতে > যাওঁতে

—ঈয়া—কোট্‌+ঈয়া > কটীয়া

—উৰা—কান্দ্‌+ উৰা > কান্দুৰা

অসমীয়া তদ্ধিত প্ৰত্যয় ঃ

—অক—বুধি + অক > বুধিয়ক

—অনি—ফুল + অনি > ফুলনি

—আক—জোন+আক> জোনাক

—আলি—বেজ+ আলি> বেজালি

বিভক্তি ঃ যিবোৰ সৰ্গৰ সংযোগে শব্দ আৰু ধাতু (অব্যয়শব্দ বাদ দি) ক পদত পৰিণত কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰে সেইবোৰকে বিভক্তি বোলে। বাক্যৰ গঠন ৰীতি অনুসৰি কিছুমান পদৰ ৰূপান্তৰ ঘটে। এনে পদক সব্যয় পদ বোলে। বিভক্তিৰ সংযোগে সব্যয় পদ গঠন কৰে, অৰ্থাৎ পদৰ ৰূপাত্মক পৰিবৰ্তন সাধিত হয় বিভক্তিৰ সংযোগত। যেনে, অসমীয়া ভাষাৰ 'ঘৰ' এটা নাম শব্দ। বিভিন্ন বাক্যত এই 'ঘৰ' নামশব্দটোৰ ৰূপ এনে ধৰণেৰে পাওঁ ঃ

(১) মই ঘৰলৈ যাওঁ।

(২) ঘৰৰ কাষতে আহল-বহল পথাৰখন।

(৩) আমাৰ ঘৰত মানুহ নাই।

এই বাক্য তিনিটাৰ 'ঘৰ' নাম শব্দটোৰ লগত যথাক্ৰমে লৈ,-ৰ আৰু-ত-সৰ্গ তিনিটা যুক্ত হৈ মূল নাম শব্দ 'ঘৰ'ৰ ৰূপাত্মক পৰিবৰ্তন ঘটাই তাক বাক্যত

ব্যবহাৰৰ উপযোগী কৰি তুলিছে। গতিকে লৈ, ৰ আৰু-ত এই সৰ্গ তিনিটা প্ৰত্যেকেই একোটা বিভক্তি অৰ্থাৎ পদ গঠনৰ সৰ্গ। সেইদৰে,

(১) মই খাওঁ (খা-ওঁ)।

(২) তুমি খোৱা (খা-আ)

(৩) সি খায় (খা-এ)।

এই বাক্য তিনিটাত 'খা' ধাতুশব্দত-ওঁ,-আ আৰু-এ সৰ্গ যুক্ত হোৱাত যথাক্ৰমে খাওঁ, খোৱা আৰু খায় পদ তিনিটা গঠিত হৈছে। গতিকে, -ওঁ,-আ আৰু -এ-এই তিনিটা সৰ্গত বিভক্তি।

১৫.১১ প্ৰত্যয় আৰু বিভক্তিৰ প্ৰভেদ বিচাৰ (Difference between Derivative Inflective)

ওপৰত প্ৰত্যয় আৰু বিভক্তি সম্পৰ্কে সাধাৰণভাবে আলোচনা কৰা হ'ল। এতিয়া আমি প্ৰত্যয় আৰু বিভক্তিৰ প্ৰভেদ কেনেদৰে বিচাৰ কৰিব পাৰি সেই বিষয়ে সাধাৰণ আভাস দিম।

ওপৰৰ আলোচনাৰ পৰা ইতিমধ্যে আমি জানিব পাৰিছোঁ যে যিবোৰ সৰ্গই প্ৰকৃতিৰে সৈতে যুক্ত হৈ নতুন অৰ্থবিশিষ্ট শব্দ গঠন কৰে, সেইবোৰেই প্ৰত্যয়। আনহাতে যিবোৰ সৰ্গই বাক্যস্থ শব্দবোৰৰ ৰূপৰ পৰিৱৰ্তন সাধন কৰি সেইবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ স্পষ্ট আৰু অৰ্থবহ কৰি তোলে, তেনেবোৰ সৰ্গই বিভক্তি। গতিকে বিভক্তিৰ কাৰ্য বাক্য বিন্যাসগত (Syntactic) আৰু প্ৰত্যয়ৰ কাৰ্য নতুন শব্দ সাধন (derivational)।

বিভক্তিৰ সংযোগত শব্দৰ অৰ্থৰ সলনি নঘটে। কিন্তু প্ৰত্যয়ৰ সংযোগত মূল শব্দৰ অৰ্থৰ সলনি ঘটে। বিভক্তিবোৰ শব্দমূলৰ কাষত অথবা প্ৰত্যয়ৰ কাষত বহে, কিন্তু প্ৰত্যয়বোৰ শব্দমূলৰ কাষত একাদিক্ৰমে বহে।

প্ৰত্যয়ৰ সংযোগত কোনো এটা ৰূপৰ শ্ৰেণী পৰিৱৰ্তন ঘটিবও পাৰে, নঘটিবও পাৰে। কিন্তু বিভক্তিৰ সংযোগত কোনো ৰূপৰেই শ্ৰেণী পৰিৱৰ্তন নঘটে। [ওপৰৰ প্ৰত্যয় আৰু বিভক্তিৰ আলোচনা প্ৰসংগত উদাহৰণ দিয়া হৈছে]

১৫.১২ শব্দৰ গঠন আৰু গঠনগত শ্ৰেণী বিভাগ (Structure of words and their structural classifications)

ৰূপতত্ত্বৰ আলোচনাই ভাষাৰ শব্দ গঠন আৰু সেইবোৰৰ শ্ৰেণীবিভাগ সম্পৰ্কীয় আলোচনাকো সামৰি লয়। এই প্ৰসংগত আমি অসমীয়া ভাষাৰ শব্দগঠন

আৰু সিবোৰৰ বিভিন্ন শ্ৰেণীৰ বিষয়ে আলোচনা কৰিম।

আমি জানো, শব্দগঠনৰ মূল উপাদান প্ৰাকৃতি। অসমীয়া ভাষাত প্ৰধানকৈ তলত উল্লেখ কৰা চাৰি ধৰণেৰে শব্দ গঠিত হয়।

(১) এটা মাথোন মুক্ত প্ৰাকৃতিৰ সহায়ত যেনে, ভাই, মা, বন, ঘৰ ইত্যাদি।

(২) এক বা একাধিক বদ্ধ প্ৰাকৃতিৰ লগত এক বা একাধিক বদ্ধ প্ৰাকৃতিৰ সংযোগত। যেনে, গম+অন>গমন, পেহ্+ঈ>পেহী, মাহ্+ঈ>মাহী।

(৩) এক বা একাধিক মুক্ত প্ৰাকৃতিৰ লগত এক বা একাধিক বদ্ধ প্ৰাকৃতিৰ সংযোগত। যেনে, ধান+অনি>ধাননি, ধন+ঈ>ধনী, খেত+ই+অক>খেতিয়ক ইত্যাদি।

(৪) কোনো এটা শব্দ বা মুক্ত ৰূপৰ লগত আন এটা মুক্ত ৰূপৰ সংযোগত। যেনে, ভাই-ভনী, দাদা-নবৌ, ককাই-ভাই ইত্যাদি।

অসমীয়া শব্দ গঠনৰ উক্ত চাৰিটা সূত্ৰৰ ভিত্তিত শব্দসমূহক তলত দিয়া ধৰণে বিভাগ কৰা হয়ঃ

(১) মৌলিক বা স্বয়ংসিদ্ধ শব্দ (Root words)।

(২) সাধিত শব্দ (Derived words)।

সাধিত শব্দৰ আকৌ দুটা ভাগঃ

(ক) প্ৰত্যয় নিষ্পন্ন শব্দ আৰু (খ) সংযুক্ত শব্দ।

(১) মৌলিক বা স্বয়ংসিদ্ধ শব্দঃ

যিবোৰ শব্দ এটা মাথোন মুক্ত প্ৰাকৃতিৰ দ্বাৰা গঠিত, সেইবোৰকেই মৌলিক বা স্বয়ংসিদ্ধ শব্দ বোলে। যেনে, মা, বন, গছ, ধন ইত্যাদি।

(২) ক. সাধিত প্ৰত্যয় নিষ্পন্ন শব্দঃ

যিবোৰ শব্দ এক বা একাধিক মুক্ত প্ৰাকৃতিৰ লগত এক বা একাধিক বদ্ধ প্ৰাকৃতিৰ সংযোগত অথবা এক বা একাধিক বদ্ধ প্ৰাকৃতিৰ লগত এক বা একাধিক বদ্ধ প্ৰাকৃতিৰ সংযোগত গঠিত, সেইবোৰক সাধিত প্ৰত্যয় নিষ্পন্ন শব্দ বোলে। যেনে, ধান+অনি>ধাননি, নেজ+আল>নেজাল, গম্+অন>গমন ইত্যাদি।

(২) খ. সাধিত সংযুক্ত শব্দঃ

যিবোৰ শব্দ কোনো এটা মুক্ত ৰূপ বা শব্দৰ লগত আন এটা মুক্ত ৰূপ বা শব্দৰ সংযোগত গঠিত, সেইবোৰক সাধিত সংযুক্ত শব্দ বোলে। যেনে, দেজাল-তৰা, তল-সৰা, টিকেট-ঘৰ, ভাই-ভনী ইত্যাদি।

১৫.১৩ ৰূপবিচিত্ৰতা আৰু ব্যাকৰণগত সংবৰ্গ (Morphological variations and Grammatical categories)

ওপৰত অসমীয়া ভাষাৰ শব্দ গঠন আৰু সিবোৰৰ শ্ৰেণী বিভাগ সম্পৰ্কে সাধাৰণ আভাস দিয়া হ'ল। এতিয়া সেই শব্দসমূহ বাক্যত প্ৰয়োগ হ'লে সেইবোৰে কেনে ধৰণৰ আৰু সেই ভূমিকা কিদৰে চিনাক্ত কৰা হয়, সেই সম্পৰ্কে আলোচনা কৰা যাওক।

কোনো এটা শব্দ বাক্যত ব্যৱহাৰ হোৱাৰ লগে লগে সি তাৰ নিৰ্দিষ্ট ভূমিকাত অৱতীৰ্ণ হয়। বাক্যত কোনো ভূমিকাত অৱতীৰ্ণ হোৱা শব্দক পদ বোলে।

অসমীয়াত পদ পাঁচ প্ৰকাৰৰ : নাম বা বিশেষ্য, সৰ্বনাম, বিশেষণ, ক্ৰিয়া আৰু অব্যয় পদ।

বাক্যত ব্যৱহৃত শব্দসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক গঢ়ি তুলিবৰ বাবে যিবোৰ বদ্ধৰূপ যুক্ত কৰা হয়, সেইবোৰক বিভক্তি বোলে। এই বিভক্তিৰ প্ৰয়োগেই, বাক্য ব্যৱহৃত কোনো শব্দৰ পদ হিচাপে তাৰ ভূমিকা চিহ্নিত কৰি দেখুৱায়।

ওপৰত উল্লেখ কৰা পদসমূহৰ ভিতৰত প্ৰধানকৈ নাম বা বিশেষ্য, সৰ্বনাম আৰু ক্ৰিয়া পদত বিভক্তি যুক্ত হয়। বিশেষ্য আৰু সৰ্বনামত যুক্ত হোৱা বিভক্তিক শব্দ বিভক্তি বোলে। ক্ৰিয়াপদত যুক্ত হোৱা বিভক্তি ক্ৰিয়া বিভক্তি। সংস্কৃতত শব্দ বিভক্তিক সুপ্ আৰু ক্ৰিয়া বিভক্তিক তিঙ্ বিভক্তি বোলে। বিশেষ্যৰে সৈতে বহিলে বিশেষণৰ লগত কোনো শব্দ বিভক্তি যুক্ত নহয়। অব্যয়ৰ লগতো বিভক্তি নলাগে। এতেকে দেখা গ'ল, অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ আলোচনাত বিশেষ্য, সৰ্বনাম আৰু ক্ৰিয়াৰ ৰূপ বিচিত্ৰতাৰ বিশ্লেষণেই আগস্থান লাভ কৰিছে। শব্দ বিভক্তিৰ সংযোগত ঘটা বিশেষ্য আৰু সৰ্বনামৰ ৰূপ বিচিত্ৰতাক শব্দৰূপ আৰু ক্ৰিয়াবিভক্তিৰ সংযোগত ঘটা ক্ৰিয়াৰ ৰূপ বিচিত্ৰতাক ক্ৰিয়াৰূপ বোলে। বচন (Number), লিংগ (Gender), পুৰুষ (Person), কাৰক (Case), কাল (Tense) আৰু ভাবে (Mood) শব্দ আৰু ক্ৰিয়া ৰূপৰ বিচিত্ৰতা নিৰ্ণয় কৰে। এইবোৰক

ব্যাকৰণগত সংবৰ্গ (Grammatical categories) বোলে। ভাষা ভেষে এইবোৰৰ নিয়ন্ত্ৰণ ক্ষমতা ভিন ভিন।

বচন ঃ

অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় নহয়। অসমীয়াত বচন দুটা ঃ একবচন আৰু বহুবচন। হিন্দী, ইংৰাজী, ফৰাচী আৰু জাৰ্মান ভাষাতো দুটাই বচন ঃ একবচন আৰু বহুবচন। সংস্কৃত আৰু গ্ৰীক ভাষাত বচন তিনিটা ঃ একবচন; দ্বিবচন আৰু বহুবচন। সংস্কৃত, হিন্দী, ইংৰাজী, জাৰ্মান আৰু ফৰাচী ভাষাত একবচন আৰু বহুবচনৰ ৰূপ বেলেগ বেলেগ। সংস্কৃত, হিন্দী আদি ভাষাত বচন অনুসৰি বাক্যৰ ক্ৰিয়াপদৰ পৰিবৰ্তন ঘটে। যেনে,

সংস্কৃত ঃ বালকঃ গচ্ছতি—ল'ৰাজন যায়।
বালকৌ গচ্ছতঃ— ল'ৰা দুজন যায়।
বালকাঃ গচ্ছন্তি — ল'ৰাবোৰ যায়।
হিন্দী ঃ মৈই ভাত খাতা হু—মই ভাত খাওঁ।
হুম ভাত খাতে হেই—আমি ভাত খাওঁ।

অসমীয়াত বচন অনুসৰি বাক্যৰ ক্ৰিয়াপদ সাল-সলনি নঘটে।

অসমীয়াত একবচন আৰু বহুবচন বুজাবলৈ মূল ৰূপৰ লগত বিবিধ প্ৰত্যয় যোগ দিয়া হয়। এই প্ৰত্যয়বোৰ যোগ দিয়াৰ পিছত মূলৰূপৰ কোনো পৰিবৰ্তন নঘটে। হিন্দী, সংস্কৃত, জাৰ্মান, ফৰাচী আদি ভাষাৰ বিশেষ্য পদৰ আগত বহুবচনাত্মক কোনো বিশেষণ যুক্ত হ'লে মূলৰূপৰ পৰিবৰ্তন ঘটে। যেনে,

	একবচন	বহুবচন
সংস্কৃত ঃ	একম্ পুস্তকম্	বহুনি পুস্তকানি
জাৰ্মান ঃ	Ein Buch	Viele Bucher
ফৰাচী ঃ	Unlive	Beaucoup de livres.
হিন্দী ঃ	এক কিতাপ	বহুত কিতাপ।

কিন্তু অসমীয়াত এখন কিতাপ বহুত কিতাপ।

সাধাৰণতে অসমীয়া ভাষাৰ বিশেষ্য পদত-'টো, -'জন', -'জনী', -'ডাল', 'গৰাকী', -'খন', আদি নিৰ্দিষ্টবাচক প্ৰত্যয় যোগ দি একবচন বুজোৱা হয়। যেনে, ঘৰটো, মানুহজন, তিৰোতাজনী, বাঁহ ডাল, মন্ত্ৰীগৰাকী, নদীখন ইত্যাদি। এইবোৰে নিৰ্দিষ্ট ভাব একোটিও প্ৰকাশ কৰে। অনিৰ্দিষ্ট ভাবে একবচন বুজাবলৈ উক্ত

প্ৰত্যয়বোৰৰ আগত সংখ্যাবাচক 'এক' শব্দ যোগ কৰা হয়। যেনে, মানুহ এজন, নদী এখন ইত্যাদি।

অসমীয়াৰ বহুবচন বুজোৱা প্ৰত্যয়বোৰ হ'ল :-'বোৰ, -'বিলাক', -'হঁত', -'সকল', -'মখা', -'জাক', -'লোক', -'বৰ্গ', -'বাজি', -'সমূহ' -'ৰাশি', -'মণ্ডলী', ইত্যাদি। যেনে, ল'ৰাবোৰ, মানুহবিলাক, খুৰাহঁত, শিক্ষকসকল, গৰুমখা, শিশুজাক, চাহাবলোক, পাঠকবৰ্গ, গ্ৰন্থৰাজি, ৰাজ্যসমূহ, গুণৰাশি, সম্পাদকমণ্ডলী ইত্যাদি।

একবচন আৰু বহুবচনৰ প্ৰত্যয়বোৰ বাদ দিলে যি বাকী ৰয়, তাক বচন নিৰপেক্ষৰূপ বোলে। যেনে, আমাৰ ঘৰলৈ মানুহ আহিছে। এই বাক্যটোৰ মানুহ পদটো বচন নিৰপেক্ষ। ই এজন মানুহকো বুজাব পাৰে বা একাধিক মানুহকো বুজাব পাৰে। আনহাতে, দেউতা ঘৰত নাই, বাইদেউ কলেজলৈ গ'ল, খুৰা আজি আহিব আদি বাক্যৰ যথাক্ৰমে 'দেউতা', 'বাইদেউ', 'খুৰা' আদি বচন নিৰপেক্ষৰূপ বোৰে একবচনৰ অৰ্থ প্ৰকাশ কৰাৰ লগতে নিৰ্দিষ্ট ভাব একোটিও বহন কৰিছে।

কোনো কোনো ক্ষেত্ৰত আকৌ বচন নিৰপেক্ষ ৰূপে বহুবচনৰ অৰ্থকেই প্ৰকাশ কৰে। যেনে, মানুহে সমাজ পাতি বাস কৰে; বাঘে মানুহ খায়—এই বাক্য দুটাৰ যথাক্ৰমে 'মানুহ' আৰু 'বাঘ' পদে বহুবচন বুজাইছে।

অসমীয়া ভাষাৰ সৰ্বনামৰ ৰূপতো বচনৰ প্ৰভাৱ স্পষ্ট। ফৰাচী ভাষাতো সৰ্বনামৰ ৰূপত বহুবচনৰ প্ৰতুল প্ৰভাৱ দেখা যায়। অসমীয়াত প্ৰথম পুৰুষৰ সৰ্বনামৰ একবচন আৰু বহুবচনৰ ৰূপ ভিন ভিন। যেনে : একবচন : মই বহুবচন : আমি। দ্বিতীয় পুৰুষৰ অধিক মান্যাৰ্থ, মান্যাৰ্থ আৰু তুচ্ছাৰ্থৰ একবচনত প্ৰয়োগ হোৱা সৰ্বনামৰ ৰূপবোৰ হ'ল যথাক্ৰমে 'আপুনি', 'তুমি' আৰু 'তই'। বহুবচনত এইবোৰৰ তীৰ্যক ৰূপৰ পিছত বহুবচনাত্মক প্ৰত্যয় যোগ হয়। যেনে, (যথাক্ৰমে) আপোনালোক বা আপোনাসকল; তোমালোক আৰু তহঁত। তৃতীয় পুৰুষৰ একবচনত মান্যাৰ্থে আৰু তুচ্ছাৰ্থে প্ৰয়োগ হোৱা সৰ্বনামৰ ৰূপ হ'ল যথাক্ৰমে 'তেওঁ' আৰু 'সি', এই দুটাৰ বহুবচনত ৰূপ হ'ল যথাক্ৰমে 'তেওঁলোক' আৰু 'সিহঁত। বহুবচনাত্মক প্ৰত্যয়ে এই দুটাৰ মূলৰূপৰ কোনো পৰিবৰ্তন ঘটোৱা নাই।

ইংৰাজী, জাৰ্মান আদি ভাষাত, কোনো কোনো ক্ষেত্ৰত বচনভেদে সৰ্বনামৰ ৰূপৰ কোনো পৰিবৰ্তন নঘটে। যেনে, ইংৰাজী ভাষাৰ দ্বিতীয় পুৰুষৰ সৰ্বনামৰ ৰূপ 'you' আৰু জাৰ্মান ভাষাৰ 'sie' উভয় বচনতে একে।

অসমীয়া ভাষাৰ বিশেষণ পদৰ ওপৰত বচনাত্মক প্ৰত্যয়ৰ কোনো প্ৰভাৱ নাই। অৰ্থাৎ অসমীয়াত একবচন আৰু বহুবচনত বিশেষণ পদ একে ধৰণেই ব্যৱহৃত হয়।

যেনে, একবচন — ভাল মানুহ
বহুবচন — ভাল মানুহবিলাক।
একবচন — সৰু ঘৰ
বহুবচন — সৰু ঘৰবোৰ।

কোনো কোনো ক্ষেত্ৰত অৱশ্যে বিশেষণ পদৰ দ্বিত্ব সাধনেৰে বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে,

একবচন — সৰু মাছ
বহুবচন — সৰু সৰু মাছ
একবচন — ডাঙৰ ঘৰ
বহুবচন — ডাঙৰ ডাঙৰ ঘৰ।

অসমীয়াৰ দৰে ইংৰাজী ভাষাতো বিশেষণ পদৰ ৰূপৰ ওপৰত বচনাত্মক প্ৰত্যয়ে কোনো প্ৰভাৱ বিস্তাৰ নকৰে। যেনে, একবচন — good man, বহুবচন - good men। সংস্কৃত, জাৰ্মান আদি ভাষাত কিন্তু বচনভেদে বিশেষণৰ ৰূপ ভিন ভিন।

যেনে, সংস্কৃত — একবচন — সুন্দৰঃ বালকঃ
বহুবচন — সুন্দৰঃ বালকাঃ
জাৰ্মান — একবচন — Guter Mann
বহুবচন — Gute Manner।

লিংগ ঃ

যিবোৰ ৰূপে পুৰুষ, স্ত্ৰী অথবা প্ৰাণী-অপ্ৰাণীৰ সম্যক ধাৰণা দিয়ে, সেই-বোৰকে লিংগ বোলে। লিংগ চাৰি প্ৰকাৰৰ ঃ পুংলিংগ, স্ত্ৰীলিংগ, ক্লীবলিংগ আৰু উভয় লিংগ। ভাষাভেদে লিংগৰ বিভাজনো ভিন ভিন। সাধাৰণতে পুৰুষক বুজালে পুংলিংগ, স্ত্ৰীক বুজালে স্ত্ৰীলিংগ, অপ্ৰাণীক বুজালে ক্লীবলিংগ আৰু পুৰুষ-স্ত্ৰীৰ ধাৰণা স্পষ্ট কৰিব নোৱাৰিলে কোনো এটা ৰূপক উভয়লিংগ বোলা হয়। কোনো কোনো ভাষাত লিংগ 'ব্যাকৰণগত।' প্ৰাণী-অপ্ৰাণীৰ ভেদ নাৰাখি কৰা লিংগ বিভাজনক ব্যাকৰণগত লিংগ বোলে। ব্যাকৰণগত লিংগই বাক্যৰ গঠনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। সংস্কৃত আৰু জাৰ্মান ভাষাৰ লিংগ ব্যাকৰণগত। যেনে, সংস্কৃতত 'সূৰ্য' শব্দ পুংলিংগ, 'নদী' স্ত্ৰীলিংগ, 'লজ্জা' স্ত্ৰীলিংগ, 'কলত্ৰ' ক্লীবলিংগ, 'দাৰ' ক্লীবলিংগ। জাৰ্মান ভৱাৰ 'Garten' শব্দ পুংলিংগ (জাৰ্মান ভাষাত Garten শব্দৰ

অৰ্থ উদ্যান), 'Fluss' (নদী) পুংলিংগ, 'Sonne' (সূৰ্য), 'Pferd' (ঘোঁৰা) ক্লীবলিংগ। সেইদৰে ফৰাচী আৰু হিন্দী ভাষাৰ লিংগও ব্যাকৰণগত। ফৰাচী ভাষাত 'Livre' (কিতাপ) পুংলিংগ, Soleil (সূৰ্য) পুংলিংগ। হিন্দী ভাষাত 'কপড়া' পুংলিংগ, 'কিতাব', 'নাক' স্ত্ৰীলিংগ।

সংস্কৃত আৰু জাৰ্মান ভাষাত লিংগ তিনি প্ৰকাৰৰ : পুংলিংগ, স্ত্ৰীলিংগ আৰু ক্লীবলিংগ। হিন্দী আৰু ফৰাচীত আকৌ লিংগ দুই প্ৰকাৰৰ : পুংলিংগ আৰু স্ত্ৰীলিংগ। গতিকে অন্য ভাষাত ক্লীবলিংগ হিচাপে ধৰা শব্দ উক্ত দুই ভাষাত হয় পুংলিংগ, নহয় স্ত্ৰীলিংগৰ অন্তৰ্ভুক্ত হ'ব।

অসমীয়া ভাষাতো প্ৰকৃততে লিংগ দুই প্ৰকাৰৰহে : পুংলিংগ আৰু স্ত্ৰীলিংগ। অসমীয়াত ক্লীবলিংগৰ ৰূপো পুংলিংগৰ দৰেই।

অসমীয়াত প্ৰাণীবাচক পুংলিংগবাচক শব্দক স্ত্ৰীলিংগ কৰিবলৈ কেতবোৰ প্ৰত্যয় যোগ দিয়া হয়। এইবোৰক স্ত্ৰীপ্ৰত্যয় বোলে। অসমীয়াত স্ত্ৰীপ্ৰত্যয় চাৰিটা : ঈ, অনী, নী আৰু ৰী। এইবোৰ ৰূপসাপেক্ষ।

যেনে, পুংলিংগ	স্ত্ৰীলিংগ
বগা	বগী
কমাৰ	কমাৰণী
কলিতা	কলিতানী
কলা	কালনী, ইত্যাদি।

এই স্ত্ৰীপ্ৰত্যয়সমূহৰ প্ৰয়োগত বিৰোধ নাই। মূল শব্দৰ আগত 'মতা' আৰু 'মাইকী' শব্দ লগ লগাই অথবা ভিন্ন শব্দ ব্যৱহাৰ কৰি বা 'টো', 'জন', জনী আদি নিৰ্দিষ্টবাচক প্ৰত্যয় সংযোগেৰেও অসমীয়াত লিংগভেদ বুজোৱা হয়।

যেনে, পুংলিংগ	স্ত্ৰীলিংগ
মতা কুকুৰা	মাইকী কুকুৰা
মেকুৰীটো	মেকুৰীজনী
দমৰা	কাচনী
ককাইদেউ	নবৌ, ইত্যাদি।

অসমীয়াত ব্যাকৰণসিদ্ধ লিংগ নাই। এই ভাষাত লিংগভেদে প্ৰথম আৰু দ্বিতীয় পুৰুষৰ সৰ্বনাম পদৰ ৰূপ ভেদ নহয়। যেনে, 'মই', 'আমি', 'তুমি', 'তোমালোক', 'আপুনি', 'আপোনালোক' আদি। অৱশ্যে তৃতীয় পুৰুষৰ সৰ্বনামৰ লিংগভেদে ৰূপভেদ হয়। যেনে, পুংলিংগ : সি—সিহঁত; স্ত্ৰীলিংগ : তাই—তাইহঁত ইংৰাজী ভাষাতো তৃতীয় পুৰুষৰ সৰ্বনামৰ একবচনত এনে ৰূপভেদ দেখা যায়। যেনে, পুংলিংগ— 'He', স্ত্ৰীলিংগ : 'She'।

অসমীয়াত বিশেষ পদৰ ৰূপ নিয়ন্ত্ৰণত লিংগৰ বিশেষ প্ৰভাৱ নাই। পুংলিংগ আৰু স্ত্ৰীলিংগ, উভয়তে বিশেষণ পদৰ ৰূপ একে।

যেনে, পুংলিংগ	স্ত্ৰীলিংগ
ধুনীয়া ল'ৰা	ধুনীয়া ছোৱালী
ভাল ল'ৰা	ভাল ছোৱালী, ইত্যাদি।

অৱশ্যে কোনো কোনো ক্ষেত্ৰত লিংগভেদে বিশেষণ পদৰ ৰূপ সলনি হোৱাও দেখা যায়।

যেনে, পুংলিংগ	স্ত্ৰীলিংগ
ৰূপহ কোঁৱৰ	ৰূপহী কুঁৱৰী
পগলা ল'ৰা	পাগলী ছোৱালী
আঁজলা ককাই	আঁজলী নবৌ, আদি।

ইংৰাজী ভাষাত লিংগভেদে বিশেষণ পদৰ ৰূপ ভেদ সমূলি নহয়।

যেনে, পুংলিংগ	স্ত্ৰীলিংগ
Good boy	good girl
Good man	Good woman আদি।

সংস্কৃত, জাৰ্মান, ফৰাচী আৰু হিন্দী ভাষাত বিশেষ্য পদৰ লিংগ অনুসৰি বিশেষণ পদবো ৰূপ ভেদ হয়।

যেনে,	পুংলিংগ	স্ত্ৰীলিংগ
সংস্কৃত :	সুন্দৰঃ বালকঃ	সুন্দৰী বালিকা
জাৰ্মান :	der guter Mann(ভাল মানুহজন)	de gute Frau (ভাল মহিলাজনী)
ফৰাচী :	bon homme (ভাল মানুহ)	bonne femme (ভাল তিৰোতা)
হিন্দী :	আচ্ছা লৰকা (ভাল ল'ৰা)	আচ্ছী লেৰকী (ভাল ছোৱালী)

অসমীয়া ভাষাৰ কেতবোৰ প্ৰাণীবাচক বিশেষ্য পদৰ ৰূপ লিংগ নিৰপেক্ষ। যেনে, মানুহ, গৰু, হাতী, ছাগলী, চৰাই, শিশু ইত্যাদি। এনেবোৰ ৰূপক অসমীয়া ব্যাকৰণত উভয়লিংগ বুলি কোৱা হৈছে।

কাৰক :

ইংৰাজী case শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত 'কাৰক' শব্দ ব্যৱহাৰ কৰা

হয়। 'কাৰক' শব্দটো সংস্কৃতৰ পৰা লোৱা। অৱশ্যে সংস্কৃত ব্যাকৰণৰ 'কাৰক' আৰু ইংৰাজী ব্যাকৰণৰ 'case'ৰ মাজত সম্পূৰ্ণ মিল নাই। মহামুনি পাণিনিয়ে কাৰকৰ সংজ্ঞা এনেদৰে দিছে : "ক্ৰিয়ান্বয়ি কাৰকম্"। অৰ্থাৎ ক্ৰিয়াৰ লগত বাক্যত ব্যৱহৃত আন যি পদৰ সম্পৰ্ক স্পষ্ট হয় বা ক্ৰিয়াৰ লগত যাৰ অন্বয় হয়, তাকেই কাৰক বোলে। এই সম্পৰ্ক বা অন্বয়ৰ প্ৰকাৰ অনুসৰি সংস্কৃতৰ কাৰক ছয়বিধ : কৰ্তাকাৰক, কৰ্মকাৰক, কৰণকাৰক, সম্প্ৰদান কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক। অসমীয়াতো কাৰক ছয়বিধ : কৰ্তাকাৰক, কৰ্মকাৰক, কৰণ কাৰক, নিমিত্ত কাৰক' অপাদান কাৰক আৰু অধিকৰণ কাৰক।

ইংৰাজীত case আঠবিধ : Nominative (কৰ্তাকাৰক), Accusative (কৰ্মকাৰক), Instrumental (কৰণ কাৰক), Dative (সম্প্ৰদান কাৰক), Ablative (অপাদান কাৰক), Genetive (সম্বন্ধ পদ), Locative (অধিকৰণ কাৰক) আৰু Vocative (সম্বোধন পদ)।

সংস্কৃত আৰু অসমীয়াত সম্বন্ধ পদ আৰু সম্বোধন পদক কাৰকৰ মৰ্যাদা দিয়া নহয়। কাৰণ এই দুই পদৰ লগত ক্ৰিয়াৰ অন্বয় নহয়। ইংৰাজীত হ'লে সম্বন্ধ আৰু সম্বোধন পদেও কাৰকৰ মৰ্যাদা পায়।

অসমীয়াত কাৰকৰ বিভিন্ন ৰূপ প্ৰকাশ কৰিবলৈ শব্দৰ লগত বিভিন্ন বদ্ধৰূপ অথবা কোনো ক্ষেত্ৰতে পৰিবৰ্তন নোহোৱা কেতবোৰ স্বতন্ত্ৰ শব্দ যোগ দিয়া হয়। এই বদ্ধৰূপবোৰক শব্দ বিভক্তি (Inflexion/case ending) আৰু স্বতন্ত্ৰ শব্দবোৰক অনুসৰ্গ (Post Position) বোলে। স্বতন্ত্ৰ শব্দবোৰ সম্বন্ধ পদৰ পিছতহে যোগ হয়।

অসমীয়াত শব্দ বিভক্তি ছয় প্ৰকাৰৰ :

প্ৰথমা — এ, ই, ϕ
দ্বিতীয়া — ক, অক, ϕ
তৃতীয়া — ৰে, এৰে
চতুৰ্থী — লৈ,
ষষ্ঠী — ৰ, অৰ
সপ্তমী — ত, অত

এতিয়া কোনবিধ কাৰকত কি বিভক্তি লগ লাগে, সেই বিষয়ে আলোচনা কৰা যাওক।

---

১. ড° উপেন্দ্ৰনাথ গোস্বামী : অসমীয়া ভাষাৰ ৰূপতত্ত্ব, ১৯৮৪, পৃঃ

যিয়ে ক্ৰিয়া সম্পন্ন কৰে, তাক কৰ্তাকাৰক বোলে। কৰ্তাকাৰকত প্ৰথমা বিভক্তি যোগ হয়। যেনে, গৰুয়ে ঘাঁহ খায়।

যি কৰা হয়, তাৰ নাম কৰ্মকাৰক। কৰ্মকাৰকত দ্বিতীয়া বিভক্তি হয়। যেনে, ৰামে হৰিক মাৰিলে।

যাৰ বা যিহৰ দ্বাৰা ক্ৰিয়া সম্পন্ন কৰা হয়, তাক কৰণ কাৰক বোলে। কৰণ কাৰকত তৃতীয়া বিভক্তি যোগ হয়। যেনে, সি কুঠাৰেৰে গছজোপা কাটিলে। ষষ্ঠী বিভক্তি'ৰ' পিছত 'দ্বাৰা', 'দ্বাৰাই', 'হতুৱাই' আদি অনুসৰ্গ যোগ দিও কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে, ৰামৰদ্বাৰা কামটো কৰালোঁ, হৰিৰ হতুৱাই কিতাপখন অনাম, ইত্যাদি।

প্ৰতি, নিমিত্ত আদি অৰ্থ প্ৰকাশ কৰিবলৈ চতুৰ্থী বিভক্তিৰ যোগত যি কাৰক হয়, তাক নিমিত্ত কাৰক বোলে। যেনে, দেউতালৈ চিঠি লিখিলোঁ, সি বজাৰলৈ গ'ল, ইত্যাদি। সংস্কৃতত চতুৰ্থী বিভক্তিৰে হোৱা কাৰকক সম্প্ৰদান কাৰক বোলে। যাক, স্বত্ব ত্যাগ কৰি কোনো এটা বস্তু দিয়া হয়, সিয়েই সম্প্ৰদান কাৰক। যেনে, ব্ৰাহ্মণায় বস্ত্ৰং দদাতি। অসমীয়াত কোনো বস্তু দান কৰা অৰ্থত কৰ্মকাৰকৰ দ্বিতীয়া বিভক্তিহে যোগ হয়। যেনে, ব্ৰাহ্মণক দক্ষিণা দিয়া। এতেকে সংস্কৃতৰ দৰে অসমীয়াত সম্প্ৰদান কাৰক নাই।

যাৰ পৰা আঁতৰি অহা বা বিশ্লেষ হোৱা বুজায়, তাক অপাদান কাৰক বোলে। সংস্কৃতত পঞ্চমী বিভক্তিৰে অপদান কাৰক কৰা হয়। অসমীয়াত পঞ্চমী বিভক্তি নাই। ষষ্ঠী বিভক্তি 'ৰ'ৰ পিছত 'পৰা' অনুসৰ্গ যোগ দি অসমীয়াত অপাদান কাৰক কৰা হয়। যেনে, ৰামৰ পৰা পালোঁ।

যাৰ আধাৰত ক্ৰিয়া সম্পন্ন হয়, তাৰ নাম অধিকৰণ কাৰক। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। যেনে, তেওঁ ঘৰত আছে, ৰামত আস্থা নাই, ইত্যাদি।

সম্বন্ধ পদত ষষ্ঠী বিভক্তি যোগ হয়। যেনে, ৰামৰ ভায়েক যদু মোৰ বন্ধু।

সম্বোধন পদত কৰ্তাকাৰকৰ দৰে প্ৰথমা বিভক্তি যোগ হয় যদিও সি শূন্য বিভক্তি হিচাপেহে যুক্ত হয়। যেনে, হেৰ মাণিক, এই ফালে আহ!

ভাব ঃ

ক্ৰিয়াপদৰ ৰূপ নিয়ন্ত্ৰণত ভাব বা ভাব প্ৰকাৰ (mood)ৰ ভূমিকা গুৰুত্বপূৰ্ণ। কোনো কাৰ্য, কৰ্তাই কি ভাবে সম্পাদন কৰে, তাক জনাব উপায়েই হ'ল ভাব।

অসমীয়াত ক্ৰিয়াৰ ভাব দুটা : বিবৃতিমূলক বা নিৰ্দেশক ভাব (Indicative mood) আৰু অনুজ্ঞা বা নিয়োজক (Imperative mood)।

যি ভাবে কোনো ঘটনাৰ সাধাৰণ বৰ্ণনা বুজায়, বা কোনো ঘটনা নিৰ্দেশিত কৰে, সিয়েই নিৰ্দেশক ভাব। আনহাতে যি ভাবে আদেশ, অনুৰোধ, অনুমতি, আশীৰ্বাদ আদি অৰ্থ প্ৰকাশ কৰে, তাক অনুজ্ঞাভাব বোলে।

অসমীয়াত ভাবভেদে ক্ৰিয়াপদৰ কেনেদৰে ৰূপ বৈচিত্ৰ্য সাধন হয়, তাকেই এতিয়া চোৱা যাওক।

খা ধাতু

বিবৃতিমূলক বা নিৰ্দেশক ভাব : বৰ্ত্তমান কাল

২য় পুৰুষ : অধিক মান্য : আপুনি খায়
মান্য : তুমি খোৱা
তুচ্ছ : তই খা
৩য় পুৰুষ : সি খায়।

অনুজ্ঞা বা নিয়োজক ভাব : বৰ্ত্তমান কাল

২য় পুৰুষ : অধিক মান্য : আপুনি খাওক
মান্য : তুমি খোৱা
তুচ্ছ : তই খাব
৩য় পুৰুষ : সি খাওক।

বিবৃতিমূলক বা নিৰ্দেশক ভাব : ভবিষ্যৎ কাল

২য় পুৰুষ : অধিক মান্য : আপুনি খাব
মান্য : তুমি খাবা
তুচ্ছ : তই খাবি
৩য় পুৰুষ : সি খাব।

অনুজ্ঞা বা নিয়োজক ভাব : ভবিষ্যৎ কাল

২য় পুৰুষ : অধিক মান্য : আপুনি খাব
মান্য : তুমি খাবা
তুচ্ছ : তই খাবি
৩য় পুৰুষ : সি খাব।

ওপৰৰ তালিকাৰ পৰা দেখা পোৱা গ'ল যে নিৰ্দেশক ভাবৰ ২য় পুৰুষৰ অধিক মান্য আৰু তুচ্ছাৰ্থক আৰু ৩য় পুৰুষৰ ক্ৰিয়া ৰূপবোৰৰ লগত অনুজ্ঞা ভাবৰ ২য় পুৰুষৰ অধিক মান্য আৰু তুচ্ছাৰ্থক আৰু ৩য় পুৰুষৰ ক্ৰিয়া ৰূপবোৰৰ পাৰ্থক্য আছে। কিন্তু মান্যাৰ্থত ব্যৱহাৰ হোৱা ক্ৰিয়াৰূপবোৰ দুয়োটা ভাবতে একে। সেইদৰে ভবিষ্যৎ কালৰ ২য় আৰু ৩য় পুৰুষৰ ক্ৰিয়াৰূপবোৰো দুয়োটা ভাবতে একে।

বৈদিক ভাষাত ভাব পাঁচটা ঃ

(১) নিৰ্দেশক (Indicative)
(২) অনুজ্ঞা (Imperative)
(৩) নিৰ্বন্ধ (Injunctive)
(৪) সম্ভাবক (Subjunctive)
(৫) বিধিলিঙ্ (Obtative)

জাৰ্মান, ফৰাচী আদি ভাষাত ভাব তিনিটা ঃ

(১) নিৰ্দেশক (Indicative)
(২) অনুজ্ঞা (Imperative)
(৩) সম্ভাবক (Subjunctive)

জাৰ্মান, ফৰাচী আদি ভাষাত নিৰ্দেশক ভাবৰ ক্ৰিয়াৰূপ আৰু সম্ভাবক ভাবৰ ক্ৰিয়াৰূপ ভিন্ন যদিও কোনো কোনো ক্ষেত্ৰত একে। ইংৰাজী ভাষাত, কোনো কোনো ক্ষেত্ৰত নিৰ্দেশক আৰু সম্ভাবক ভাবৰ ক্ৰিয়াৰূপৰ পাৰ্থক্য আছে। যেনে,

নিৰ্দেশক ঃ I was............

সম্ভাবক ঃ If I were............

ইংৰাজীত নিৰ্দেশক আৰু অনুজ্ঞা ভাবৰ ক্ৰিয়াৰূপৰ পাৰ্থক্য নাই।

পুৰুষ ঃ

অসমীয়া ভাষাত পুৰুষেও ক্ৰিয়াপদৰ ৰূপ নিয়ন্ত্ৰণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। অসমীয়াত পুৰুষ তিনিটা ঃ প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ।

যিয়ে কয় তেওঁ প্ৰথম, যাক কোৱা হয় তেওঁ দ্বিতীয় আৰু যাৰ বিষয়ে কোৱা হয় তেওঁ তৃতীয় পুৰুষ। তিনিওটা পুৰুষৰ ক্ৰিয়াৰূপৰ সম্পূৰ্ণ ভিন্ন। অসমীয়া নিত্যবৰ্ত্তমান কালৰ ক্ৰিয়াৰূপসমূহ বিশ্লেষণ কৰিলেই এই ভিন্নতা ধৰিব পাৰি।

যেনে,

ধাতু খা

১ম পুৰুষ ঃ মই খাওঁ

২য় পুৰুষ ঃ অধিক মান্য ঃ আপুনি খায়, মান্য ঃ তুমি খোৱা

৩য় পুৰুষ ঃ সি খায়।

সংস্কৃততো তিনিওটা পুৰুষৰ ক্ৰিয়াৰূপ ভিন ভিন। হিন্দী, বঙালী, মৰাঠী আৰু জাৰ্মান ভাষাতো পুৰুষভেদে ক্ৰিয়াৰূপ ভিন্ন।

পুৰুষ অনুসৰি সংস্কৃতৰ ক্ৰিয়াৰূপ

ধাতু খা (বৰ্তমান কাল)

উত্তম পুৰুষ ঃ অহং খাদামি

মধ্যম পুৰুষ ঃ ত্বং খাদাসি

প্ৰথম পুৰুষ ঃ সঃ খাদতি।

হিন্দী ক্ৰিয়াৰূপ

উত্তম পুৰুষ ঃ মে খাতা হুঁ

মধ্যম পুৰুষ ঃ তুম খাতে হো

প্ৰথম পুৰুষ ঃ বহ খাতা হ্যায়।

বঙালী ক্ৰিয়াৰূপ

উত্তম পুৰুষ ঃ আমি খায়

মধ্যম পুৰুষ ঃ তুমি খাও

প্ৰথম পুৰুষ ঃ সে খায়।

ইংৰাজীত কিন্তু দুই-এঠাইত বাহিৰে পুৰুষভেদে ক্ৰিয়াৰূপৰ ইমানখিনি ভেদ নাই। যেনে, I eat, you eat কিন্তু he eats।

কাল ঃ

ক্ৰিয়াপদৰ ৰূপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত, অসমীয়াত, কালৰ ভূমিকাও তাৎপৰ্যপূৰ্ণ। ক্ৰিয়াই কাৰ্য সম্পন্ন কৰা সময়ক কাল বোলে। কাল প্ৰধানকৈ তিনিপ্ৰকাৰ ঃ বৰ্তমান,

অতীত বা ভূত আৰু ভৱিষ্যৎ কাল। বৰ্তমান কাল আকৌ দুবিধ ঃ বৰ্তমান আৰু ঘটমান বৰ্তমান। নিৰ্দেশক ভাবত বৰ্তমান কালৰ আকৌ দুটা ৰূপ ঃ নিত্য বৰ্তমান আৰু তাৎকালিক বৰ্তমান।[১] নিত্য বৰ্তমান কালৰ ক্ৰিয়াই কোনো এটা কাৰ্য সদায় চলি থকা বুজায়। যেনে, মই ভাত খাওঁ। আনহাতে উক্ত বাক্যৰ ক্ৰিয়াপদটোৱে পৰিস্থিতি সাপেক্ষে কোনো এটা কাৰ্য সেই মুহূৰ্তত কৰাও বুজাব পাৰে। যেনে ধৰক, কোনোবা এজন মানুহে মোক বিচাৰি আহিছে। ইতিমধ্যে মোৰ ভাত খাবৰ সময় হৈছে। মই যদি মানুহজনক কওঁ—'তুমি বহা, মই ভাত খাওঁ', তেতিয়া সেই 'খাওঁ' ক্ৰিয়াটোৱে হ'ব তাৎকালিক বৰ্তমান।

ঘটমান বৰ্তমান কালৰ ক্ৰিয়াই কোনো এটা কাৰ্য চলি থকা বুজায়। যেনে, মই ভাত খাইছোঁ।

ভূত বা অতীতকাল দুবিধ ঃ পূৰ্ণভূত বা অতীত কাল আৰু ঘটমান ভূত বা অতীত কাল।

ক্ৰিয়াৰ কাৰ্য শেষ হোৱা বুজালে পূৰ্ণ ভূতকাল হয়। যেনে, মই ভাত খালোঁ।

দূৰ অতীতত কোনো কাৰ্য কৰা বুজালে বা কোনো এটা কাৰ্য দূৰ অতীতত চলি থকা বুজালে ঘটমান ভূতকাল হয়। যেনে, তুমি পঢ়ি থাকোতে মই ভাত খাইছিলোঁ। অৰ্থাৎ ভাত খোৱা কাম কৰি আছিলোঁ। মই গুৱাহাটীলৈ গৈছিলোঁ। অৰ্থাৎ যোৱা কাম দূৰ অতীতত কৰিছিলোঁ।

আগলৈ ক্ৰিয়াই কোনো কাৰ্য কৰা বুজালে ভৱিষ্যৎকাল হয়। যেনে, মই ভাত খাম।

ক্ৰিয়াৰ বিভিন্ন কাল বুজাবলৈ অসমীয়াত ধাতু প্ৰকৃতিৰ লগত যিবোৰ বিভক্তি যুক্ত কৰা হয় সেইবোৰক ক্ৰিয়া বিভক্তি বোলে। এনে বিভক্তি চাৰিটা ঃ 'ওঁ', 'অ', 'আ' আৰু 'এ', পুৰুষ অনুযায়ী এইবোৰৰ প্ৰয়োগ হয়। প্ৰকৃতাৰ্থত এইবোৰ পুৰুষবাচক প্ৰাকৃতি।

অসমীয়াত বৰ্তমানকালৰ নিৰ্দেশক ভাবত পুৰুষ অনুযায়ী বিভক্তিসমূহ ধাতু প্ৰকৃতিৰ লগত পোনে পোনে যুক্ত হয় আৰু বৰ্ণতাত্ত্বিক নিয়ম অনুসৰি ক্ৰিয়াপদৰ ৰূপবোৰ গঠিত হয়।

ধাতু প্ৰকৃতিৰ লগত ক্ৰিয়াবিভক্তিবোৰ যুক্ত হ'লে ক্ৰিয়াবোৰে কেনে ৰূপ গ্ৰহণ কৰে, সেইবোৰ তলত দেখুওৱা হ'ল ঃ

১. ড° উপেন্দ্ৰ নাথ গোস্বামী ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব।

আকাৰান্ত খা ধাতু

বৰ্তমান কাল ঃ		একবচন	বহুবচন
(১)	নিৰ্দেশক ঃ ১ম পুৰুষ ঃ	মই খাওঁ	আমি খাওঁ
	২য় পুৰুষ ঃ		
	অধিক মান্য ঃ	আপুনি খায়	আপোনালোকে খায়
	মান্য ঃ	তুমি খোৱা	তোমালোকে খোৱা
	তুচ্ছ ঃ	তই খাব	তহঁতে খাব
	৩য় পুৰুষ ঃ	সি খায়	সিহঁতে খায়
(২)	অনুজ্ঞা ঃ ২য় পুৰুষ ঃ		
	অধিক মান্য ঃ	আপুনি খাওক	আপোনালোকে খাওক
	মান্য ঃ	তুমি খোৱা	তোমালোকে খোৱা
	তুচ্ছ ঃ	তই খা	তহঁতে খা
	৩য় পুৰুষ ঃ	সি খাওক	সিহঁতে খাওক।

ব্যৱহাৰ হয়। সেই দুটা হ'ল ঃ 'ইল' (অতীত কালবাচক) আৰু 'ইব' (ভৱিষ্যৎ কালবাচক)। ধাতু প্ৰকৃতিৰ লগত এই দুটা যুক্ত হৈ যি ধাতু শব্দ গঠন কৰে তাৰ পিছতহে পুৰুষ অনুযায়ী ক্ৰিয়াবিভক্তিসমূহ লগ লাগি বিভিন্ন ক্ৰিয়াপদ সাধন কৰে। তদুপৰি অসমীয়াত ঘটমান দশা বুজোৱা 'ইছ' প্ৰাকৃতি এটাও আছে। ঘটমান বৰ্তমান আৰু ঘটমান অতীতকাল বুজাবলৈ ধাতু প্ৰাকৃতিৰ লগত ই যুক্ত হয় আৰু পিছতহে ক্ৰিয়াবিভক্তিসমূহ লগ লাগে।[1] তলত ঘটমান বৰ্তমান পূৰ্ণভূত, ঘটমান ভূত আৰু ভৱিষ্যৎকালৰ ক্ৰিয়াৰূপবোৰ বিতংভাৱে দেখুওৱা হ'ল ঃ

১. ড° গোলোক চন্দ্ৰ গোস্বামীৰ 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' গ্ৰন্থ চাওক। ড° গোস্বামীৰ বিশ্লেষণ গ্ৰহণযোগ্য বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰোঁ।

আকারান্ত খা ধাতু

(৩) ঘটমান বর্তমান কাল :

	একবচন	বহুবচন
১ম পুরুষ :	মই খাইছোঁ	আমি খাইছোঁ
২য় পুরুষ :		
অধিক মান্য :	আপুনি খাইছে	আপোনালোকে খাইছে
মান্য :	তুমি খাইছা	তোমালোকে খাইছা
তুচ্ছ :	তই খাইছ	তহঁতে খাইছ
৩য় পুরুষ :	সি খাইছে	সিহঁতে খাইছে

(৪) পূর্ণ ভূতকাল :

১ম পুরুষ :	মই খালোঁ	আমি খালোঁ
২য় পুরুষ :		
অধিক মান্য :	আপুনি খালে	আপোনালোকে খালে
মান্য :	তুমি খালা	তোমালোকে খালা
তুচ্ছ :	তই খালি	তহঁতে খালি
৩য় পুরুষ :	সি খালে	সিহঁতে খালে

(৫) ঘটমান ভূত :

১ম পুরুষ :	মই খাইছিলোঁ	আমি খাইছিলোঁ
২য় পুরুষ :		
অধিক মান্য :	আপুনি খাইছিলা	আপোনালোকে খাইছিলা
মান্য :	তুমি খাইছিলা	তোমালোকে খাইছিলা
৩য় পুরুষ :	সি খাইছিলি	তহঁতে খাইছিলি।

৩য় পুৰুষ ঃ	সি খাইছিলি	তহঁতে খাইছিলি।
(৬) ভৱিষ্যৎ কাল ঃ		
১ম পুৰুষ ঃ	মই খাম	আমি খাম
২য় পুৰুষ ঃ		
অধিক মান্য ঃ	আপুনি খাব	আপোনালোকে খাব
মান্যার্থ ঃ	তুমি খাবা	তোমালোকে খাবা
৩য় পুৰুষ ঃ	সি খাব	সিহঁতে খাব।

পৃথিৱীৰ ভিন ভিন ভাষাত ভিন ভিন প্ৰক্ৰিয়াৰে কালবাচক ক্ৰিয়া গঠন কৰা হয়। সংস্কৃতত কাল আৰু দশা বুজোৱা দহটা বিভক্তি আছে। ইহঁতক ল-কাৰ বোলে। প্ৰাকৃতত, সংস্কৃতৰ এই দহটা বিভাগ মাথোন লট (বৰ্ত্তমান), লোট (অনুজ্ঞা), লৃট (ভৱিষ্যৎ) আৰু বিধিলিঙ্— এই চাৰিটাত পৰিণত হ'ল। তদুপৰি সমস্ত ধাতুক ভূ-ধাতুৰ দৰে ৰূপ দিয়াৰ চেষ্টা চলিল।

ষোল

১৬.১ বাক্যতত্ত্ব

(Syntax) :

গ্ৰীক ভাষাৰ Syntaxis শব্দটোৰ পৰা ইংৰাজী Syntax শব্দটোৰ সৃষ্টি হৈছে। ইয়াৰ আভিধানিক অৰ্থ rules for Sentence making। Syntax'ৰ অসমীয়া প্ৰতিশব্দ হৈছে বাক্যতত্ত্ব। বাক্যতত্ত্বত বাক্য গঠনৰ ৰীতি প্ৰকৃতি সম্বন্ধে আলোচনা কৰা হয়। বাক্য গঠনৰ আলোচনাত প্ৰবেশ কৰাৰ পূৰ্বে বাক্য কি, সেই বিষয়ে জনাটো প্ৰয়োজনীয়।

বাক্য হৈছে ভাষাৰ বৃহত্তম একক (unit)। ই স্বয়ংসম্পূৰ্ণ; অৰ্থাৎ বাক্যই একোটা মনোভাব সম্পূৰ্ণকৈ প্ৰকাশ কৰিব পাৰে। যিবোৰ উপাদানেৰে বাক্য গঠিত হয় সেইবোৰক শব্দ বোলে। কোনো এটা ভাষাৰ কোনো এটা বাক্য গঠন কৰিবৰ নিমিত্তে সেই ভাষাৰ নিৰ্বাচিত কেইটামান শব্দৰহে প্ৰয়োজন হয়। সেই শব্দসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক গঢ়ি তুলি সেইবোৰক একক হিচাপে ৰূপ দিবৰ বাবে প্ৰতিটো ভাষাৰে নিজা নিজা নিয়ম আছে। এই নিয়মক বাক্য বিধি বোলে।

বাক্যবিধিয়ে প্ৰধানকৈ বাক্যত ব্যৱহৃত শব্দসমূহৰ বিন্যাসৰ নিয়ম আৰু সিসমূহৰ ৰূপ পৰিবৰ্তনৰ নিয়মকে সামৰি লয়।

ভাষাভেদে বাক্য গঠনৰ নিয়ম ভিন ভিন। কোনো কোনো ভাষাত, বাক্যত ব্যৱহৃত হ'লে শব্দৰ ৰূপগত পৰিবৰ্তন ঘটে আৰু কোনো কোনো ভাষাত নঘটে। চীনা ভাষাত বাক্যত ব্যৱহৃত হোৱা শব্দৰ কোনো ৰূপান্তৰ নঘটে। এনে ভাষাত বাক্যত ব্যৱহৃত শব্দৰ পাৰস্পৰিক সম্পৰ্ক সিবোৰৰ অৱস্থানৰ দ্বাৰাই চিহ্নিত হয়। আনহাতে সংস্কৃত, গ্ৰীক আদি ভাষাত শব্দৰূপৰ বিচিত্ৰতাৰ ওপৰত সিবোৰৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ভৰশীল। অসমীয়া ভাষাৰ বাক্য গঠন, শব্দৰ ৰূপ বিচিত্ৰতা আৰু বিন্যাসক্ৰম-উভয়ৰ ওপৰতে নিৰ্ভৰ কৰে। সেয়ে, অসমীয়া ভাষাত ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব—ভাষাবিজ্ঞানৰ এই দুয়োটা শাখাই গভীৰভাৱে সম্পৃক্ত।

১৬.২ বাক্যৰ গঠন আৰু গঠনগত শ্ৰেণীবিভাগ

পৰম্পৰাগত ব্যাকৰণত বাক্যক দুটা প্ৰধান ভাগত বিভাগ কৰা হৈছে ঃ উদ্দেশ্য (Subject) আৰু বিধেয় (Predicate)।

যাক অৱলম্বন কৰি বক্তাৰ মনোভাব প্ৰকাশিত হয় তাক উদ্দেশ্য বোলে আৰু উদ্দেশ্য সম্বন্ধে যি কোৱা হয় তাক বোলে বিধেয়। যেনে, ৰাম ঘৰলৈ গ'ল। এই বাক্যটোৰ 'ৰাম' হ'ল উদ্দেশ্য আৰু 'ঘৰলৈ গ'ল' হ'ল বিধেয়।

উদ্দেশ্য আৰু বিধেয়-এই দুটা মৌলিক উপাদানৰ ওপৰত ভিত্তি কৰি, গঠনৰ ফালৰ পৰা বাক্যক তিনি শ্ৰেণীত ভগোৱা হয় ঃ ক) সৰল বাক্য (Simple sentence) খ) মিশ্ৰ বা জটিল বাক্য (complex sentence) আৰু গ) যৌগিক বা সংযুক্ত বাক্য (Compound sentence)।

ক) সৰল বাক্য ঃ যি বাক্যত এটা উদ্দেশ্য আৰু এটা বিধেয় থাকে, তাক সৰল বাক্য বোলে। যেনে, মই ভাত খাওঁ। সি ঘৰলৈ গ'ল। গৰুৱে ঘাঁহ খায় ইত্যাদি। এনে বাক্যত উদ্দেশ্য আৰু বিধেয়ক বিশেষভাবে বুজাবলৈ উভয়ৰে প্ৰসাৰক থাকিব পাৰে। যিবোৰ প্ৰসাৰক উদ্দেশ্যৰ লগত যুক্ত হৈ তাৰ অৰ্থক বিশেষ ভাৱে পৰিপুষ্ট কৰে সেইবোৰক উদ্দেশ্যৰ প্ৰসাৰক (Adjuncts to Subject) আৰু যিবোৰ প্ৰসাৰক বিধেয়ৰ লগত যুক্ত হৈ তাৰ অৰ্থ বিশেষিত কৰে সেইবোৰক বিধেয়ৰ প্ৰসাৰক (Adjuncts to Predicate) বোলে। যেনে, অনুসন্ধিৎসু ছাত্ৰই গভীৰ মনোযোগেৰে পাঠ্যপুথি পঢ়ে। ইয়াৰ 'অনুসন্ধিৎসু' হ'ল উদ্দেশ্য 'ছাত্ৰ'ৰ প্ৰসাৰক আৰু 'গভীৰ মনোযোগেৰে হ'ল বিধেয় 'পাঠ্যপুথি পঢ়ে'ৰ প্ৰসাৰক। মনত ৰখা ভাল যে প্ৰসাৰকক বাদ দিলেও বাক্যৰ অৰ্থ অসম্পূৰ্ণ হৈ নাথাকে। ওপৰত উল্লিখিত বাক্যটোৰ পৰা প্ৰসাৰক বাদ দিলে সি হ'ব এনেকুৱা ঃ ছাত্ৰই পাঠ্য পুথি পঢ়ে। এই বাক্যটোও সম্পূৰ্ণ অৰ্থবিশিষ্ট। আনহাতে কিছুমান বাক্যত বিধেয় ক্ৰিয়াৰ অৰ্থ সম্পূৰ্ণ কৰিবলৈ কেতবোৰ শব্দ নিতান্তই আৱশ্যক। এনেবোৰ শব্দক বিধেয় ক্ৰিয়াৰ পৰিপূৰক (complement to the Prdicate verb) বোলে। যেনে, কৃষ্ণকান্ত সন্দিকৈ আদৰ্শ ব্যক্তি আছিল। এই বাক্যটোৰ 'আদৰ্শ ব্যক্তি' শব্দ দুটা বাদ দিলে 'আছিল' ক্ৰিয়াৰ কোনো অৰ্থই নোলায়। এতেকে আদৰ্শ ব্যক্তি হ'ল বিধেয় ক্ৰিয়াৰ পৰিপূৰক।

যি বাক্যত এটা প্ৰধান উপবাক্য (Principal clause) আৰু তাৰ ওপৰত নিৰ্ভৰশীল এক বা একাধিক গৌণ উপবাক্য (Dependent clause) থাকে, তাক মিশ্ৰ বা জটিল বাক্য বোলে। যেনে, তুমি মোক যিখন কিতাপ দিছিলা, সেইখন পঢ়িলোঁ। এই বাক্যটোৰ 'সেইখন পঢ়িলোঁ' এই অংশটো প্ৰধান উপবাক্য আৰু তুমি মোক যিখন কিতাপ দিছিলা অংশটো গৌণ উপবাক্য। গৌণ উপবাক্য বিশেষ্য, বিশেষণ বা ক্ৰিয়া বিশেষণধৰ্মী হ'ব পাৰে।

এই প্ৰসংগত উপবাক্য (clause) আৰু খণ্ডবাক্য (Phrase)ৰ মাজৰ পাৰ্থক্য জানি থোৱা ভাল। উপবাক্য বাক্যৰ এটা অংশ যদিও তাত উদ্দেশ্য আৰু বিধেয় উপস্থিত থাকে। আনহাতে খণ্ডবাক্য হৈছে বাক্যত ব্যৱহৃত দুই বা ততোধিক শব্দ লগ লাগি সৃষ্টি হোৱা এটা শব্দৰ দৰে ব্যৱহাৰ হয়। ইয়াত উদ্দেশ্য, বিধেয় আদি নাথাকে। যেনে, যিখন শাৰীত বোল সনা হৈছে, সেইখন নিপিন্ধিবা। এইটো এটা জটিল বাক্য। ইয়াৰ 'সেইখন নিপিন্ধিবা'—এই অংশটো প্ৰধান উপবাক্য আৰু 'যিখন শাৰীত বোলসনা হৈছে' অংশটো গৌণ উপবাক্য। আনহাতে 'বোলসনা শাৰীখন নিপিন্ধিবা'—এই বাক্যটোৰ 'বোলসনা এটা খণ্ডবাক্য। যিবোৰ শব্দেৰে খণ্ডবাক্য এটা গঠিত হয়, সেইবোৰ শব্দই খণ্ডবাক্য হোৱাৰ পিছত নিজৰ অৰ্থ প্ৰকাশ নকৰি আন এটা অৰ্থ প্ৰকাশ কৰিলে তাক জতুৱা খণ্ডবাক্য বোলে। যেনে, মানুহজন হাত দীঘল। ইয়াৰ 'হাত দীঘল' এটা জতুৱা খণ্ডবাক্য আৰু তাৰ অৰ্থ হৈছে ক্ষমতাশালী।

একাধিক সৰল অথবা মিশ্ৰবাক্য সংযোজক অথবা বিযোজক অব্যয়ৰ দ্বাৰা যুক্ত হৈ যি বাক্য গঠিত হয়, তাক যৌগিক বা সংযুক্ত বাক্য বোলে। যেনে, সি মোৰ আপোন মানুহ যদিও তাৰ প্ৰতি মোৰ দয়া নাই। ইয়াত দুটা সৰল বাক্য ক্ৰমে 'সি মোৰ আপোন মানুহ' আৰু 'তাৰ প্ৰতি মোৰ দয়া নাই' ক 'যদি' অব্যয়ৰ দ্বাৰা যুক্ত কৰা হৈছে। এতেকে উক্ত বাক্যটো এটা যৌগিক বা সংযুক্ত বাক্য।

১৬.৩ বাক্যৰ অৰ্থগত শ্ৰেণীবিভাগ

অৰ্থ বা ভাবৰ প্ৰতি লক্ষ্য ৰাখি বাক্যক কেইবাটাও শ্ৰেণীত ভগোৱা হয়। তলত সেইবোৰ উল্লেখ কৰা হ'ল :

(১) নিৰ্দেশাত্মক বাক্য (Indicative) : নিৰ্দেশাত্মক বাক্য দুবিধ (ক) অস্ত্যৰ্থক

(Affirmative) আৰু নাস্ত্যৰ্থক (Negative)।

(ক) অস্ত্যৰ্থক : মই পঢ়িছোঁ।

(খ) নাস্ত্যৰ্থক : মই নপঢ়োঁ।

(২) প্ৰশ্নসূচক বাক্য (Interrogative) : তুমি খালানে?

(৩) ইচ্ছাসূচক বাক্য (Optative sentence) : তোমাৰ কুশল হওক।

(৪) আদেশাত্মক বাক্য (Imperative Sentence) : তুমি ওলাই যোৱা।

(৫) কাৰ্যকাৰণাত্মক বাক্য (Conditional Sentence) : যদি তুমি আহিলাহেঁতেন, মই তোমাৰ লগত গলোঁহেঁতেন।

(৬) সন্দেহাত্মক বাক্য (Dubitative Sentence) : হয়তো সি নাহিবই।

(৭) বিস্ময়াত্মক বাক্য (Interjective Sentence) : আঃ কি অপূৰ্ব দৃশ্য।

১৬.৪ বাক্যৰ বৈশিষ্ট্য

আলংকাৰিক বিশ্বনাথে কৈছে : "বাক্যং স্যাৎ যোগ্যতা, আকাঙ্ক্ষা আসত্তি যুক্তঃ পদোচ্চয়ঃ।" বিশ্বনাথৰ উক্ত সূত্ৰৰ আধাৰত ঐতিহ্যগত ব্যাকৰণত বাক্যগঠনৰ বাবে তিনিটা চৰ্ত নিৰ্ণীত হৈছে : (Expectancy Compatibility) আৰু আসত্তি (Proximity)।

বাক্যৰ সহায়ত বক্তাৰ বক্তব্য পূৰ্ণৰূপে প্ৰকাশ পায়। বক্তাৰ মনোভাৱ জানিবৰ নিমিত্তে শ্ৰোতাৰ মনত যি কৌতূহল বা আকাঙ্ক্ষা ওপজে, বাক্যৰ দ্বাৰা তাৰ নিবৃত্তি ঘটে। এতেকে শ্ৰোতাৰ আকাঙ্ক্ষা নিবৃত্ত নোহোৱালৈকে কোনো পদ সমষ্টি বাক্য হ'ব নোৱাৰে। যেনে, 'তুমি যদি আহিলাহেঁতেন........ ইমানলৈকে কৈ কোনো বক্তা যদি নীৰৱ হয়, তেনেহ'লে তাৰ দ্বাৰা শ্ৰোতাৰ মনৰ কৌতূহল বা আকাঙ্ক্ষাৰ নিবৃত্তি নঘটে। এতেকে সি বাক্য নহয়। শ্ৰোতাৰ আকাঙ্ক্ষা নিবৃত্ত কৰিবৰ বাবে ইয়াৰ পিছত আৰু কিছু প্ৰাসংগিক কথাৰ অৱতাৰণা কৰিবলগীয়া হয়। যেনে, তুমি যদি আহিলাহেঁতেন, মই তোমাৰ লগতেই গলোঁহেঁতেন। এইটো এটা বাক্য। ই শ্ৰোতাৰ আকাঙ্ক্ষা সম্পূৰ্ণভাৱে নিবৃত্ত কৰিব পাৰে।

বাক্য হ'ল পদৰ সমষ্টি। কিন্তু, বাক্যত পদসমূহৰ মাজত আকাৰগত বা অৰ্থগত সংগতি থকাটো প্ৰয়োজনীয়। সংগতিবিহীন পদৰ সমষ্টিয়ে অৰ্থপূৰ্ণ বাক্য হিচাপে যোগ্যতা লাভ কৰিব নোৱাৰে। যেনে মানুহজনে পিঠাটো খাইছে। ব্যাকৰণৰ দিশেৰে

সন্নিবিষ্ট হ'লেও অৰ্থৰ সংগতি নথকা হেতুকে উক্ত বাক্যটোক বাক্য হিচাপে গ্ৰহণ কৰিব নোৱাৰি। এতেকে বাক্যস্থ পদৰ অৰ্থৰ লগত থকা সংগতিয়েই হ'ল যোগ্যতা। সংগতিবিহীন পদৰ, বাক্যত ব্যৱহাৰৰ যোগ্যতা নাথাকে।

বাক্যত ব্যৱহৃত পদৰ বিন্যাসক্ৰমকেই আসত্তি বোলে। প্ৰতিটো ভাষাৰে বাক্যত অন্তৰ্ভুক্ত হোৱা পদৰ মাজত সংগতি ৰক্ষা কৰিবৰ বাবে সিবোৰৰ প্ৰয়োগৰ নিৰ্দিষ্ট ক্ৰম অৰ্থাৎ কোনটো পদৰ পাছত কোনটো পদ বহিব, তাৰ নিজস্ব নিয়ম আছে। এই নিয়ম ৰক্ষা নকৰিলে বাক্য হৈ পৰে অৰ্থহীন। বিশ্লেষণাত্মক ভাষাত বাক্যৰ অৰ্থ প্ৰধানকৈ পদৰ ক্ৰমৰ ওপৰতে নিৰ্ভৰ কৰে। যেনে, Cow eats grass. এইটো ইংৰাজী ভাষাৰ এটা বাক্য। ইয়াৰ পদসমূহৰ স্থান সলনি কৰি যদি Grass eats cow বোলা হয়, তেতিয়া তাৰ অৰ্থৰ বিপত্তি ঘটিব।

সংস্কৃত ভাষাত অৱশ্যে পদৰ ক্ৰমৰ ওপৰত বাক্যৰ অৰ্থ নিৰ্ভৰশীল নহয়। যেনে, অহং বিদ্যালয়ং গচ্ছামি বা বিদ্যালয়মহং গচ্ছামি বা গচ্ছামি অহং বিদ্যালয়ম্— যি ধৰণেই নকওঁ কিয়, তাৰ অৰ্থৰ পৰিবৰ্তন নঘটে। অসমীয়া ভাষাতো বাক্যস্থ পদ সমূহৰ মাজত সম্পৰ্ক অনুসৰি নৈকট্য স্থাপনৰ নিৰ্দিষ্ট নিয়ম আছে। যেনে. মই আজি ভাত নাখাওঁ। সি পঢ়াশুনা কৰিবলৈ এৰি পেলালে। অসম আমাৰ মাতৃভূমি। অৱশ্যে বাক্যই ভাবাবেগ বহন কৰিলে নাইবা কোনো এটা কথাৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হ'লে প্ৰচলিত ক্ৰমৰ পৰিবৰ্তন ঘটে। যেনে, আজি ভাত নাখাওঁ মই। এৰি পেলালে পঢ়াশুনা কৰিবলৈ সি। মাতৃভূমি অসম আমাৰ।

১৬.৫ বাক্যত পদৰ ক্ৰম
(Order of words in the sentence)

প্ৰতিটো ভাষাৰে বাক্যত পদৰ অৱস্থানৰ স্ব-স্ব নিয়ম আছে। অসমীয়া ভাষাৰ ক্ৰিয়াযুক্ত বাক্যত প্ৰথমতে কৰ্তা তাৰ পিছত কৰ্ম আৰু শেষত ক্ৰিয়াপদ বহে। যেনে, মই ভাত খাওঁ। ইংৰাজী ভাষাত প্ৰথমতে কৰ্তা তাৰ পিছত ক্ৰিয়া আৰু শেষত কৰ্ম পদ বহে। যেনে, I eat rice অসমীয়াত ক্ৰিয়া বিশেষণ শব্দ, তুমুনন্ত শব্দ প্ৰভৃতি ক্ৰিয়াৰ আগত বহে। সিবোৰ ক্ৰিয়াবিহীন বাক্য, সেইবোৰত সৰ্বনাম শব্দ বিশেষ্যৰ আগত বহে। বিশেষণ শব্দ, সম্বন্ধ বুজোৱা শব্দ আদিও বিশেষ্যৰ আগত বহে। অৱশ্যে এনে নিয়মৰ ব্যতিক্ৰমো ঘটে।

১৬.৬ উক্তি ভেদ
(Narration)

উক্তি দুবিধ : (ক) প্ৰত্যক্ষ উক্তি (Direct Narration) আৰু (খ) পৰোক্ষ উক্তি (Indirect Narration)। বক্তাই কোৱা কথা যথাযথ ৰূপে প্ৰকাশ কৰিলে প্ৰত্যক্ষ উক্তি হয়। যেনে, ৰামে কৈছিল, "মই ভাত নাখাওঁ।" প্ৰত্যক্ষ উক্তি সাধাৰণতে [" "]-এই চিনৰ ভিতৰত ৰখা হয়।

বক্তাৰ কথা যেতিয়া আনৰ ভাষাত ব্যক্ত হয় তেতিয়া যি হয় পৰোক্ষ উক্তি। যেনে, ৰামে কৈছিল যে তেওঁ ভাত নাখায়।

অসমীয়া ভাষাত সচৰাচৰ যে, বোলে, বুলি, হেনো আদি অব্যয় ব্যৱহাৰ কৰি প্ৰত্যক্ষ উক্তিক পৰোক্ষলৈ নিয়া হয়। যেনে,

প্ৰত্যক্ষ উক্তি : মই ক'লোঁ, "মই গুৱাহাটীলৈ যাম।"

পৰোক্ষ উক্তি : মই ক'লোঁ যে মই গুৱাহাটীলৈ যাম।

প্ৰত্যক্ষ উক্তি : সি কৈছিল, "মই ভাত খাম।"

পৰোক্ষ উক্তি : সি ভাত খাব বুলি কৈছিল। বা সি কৈছিল যে সি ভাত খাব।

প্ৰত্যক্ষ উক্তি : শিক্ষকে কৈছিল, "পঢ়া শুনা কৰিবা।" শিক্ষকে পঢ়া শুনা কৰিবলৈ বুলি কৈছিল।

প্ৰত্যক্ষ উক্তিৰ ক্ৰিয়া অতীত কালৰ হ'লে পৰোক্ষ উক্তিতো ক্ৰিয়াটো অতীত কালৰ হয়। প্ৰত্যক্ষ উক্তিৰ 'আজি', 'অহা', 'ইয়াত', 'এই', 'কালি', আদি শব্দ পৰোক্ষ উক্তিত যথাক্ৰমে 'সিদিনা', 'যোৱা', 'তাত', 'সেই', 'আগদিনা', আদিলৈ পৰিবৰ্তিত হয়।

সোতৰ

বৰ্ণনামূলক ভাষাবিজ্ঞানৰ আলোকত বাক্যতত্ত্ব বিচাৰ
(Descriptive Syntax)

১৭.১ বাক্য বিশ্লেষণ (Syntactic Analysis)

ওপৰত উল্লেখ কৰি অহা হৈছে যে বাক্যই হৈছে ভাষাৰ বৃহত্তম একক। ই অকল বৃহত্তমেই নহয়, স্বয়ংসম্পূৰ্ণও। ভাষাৰ যিটো অবয়বক বাক্য বোলা হয়, সি কোনো বৃহত্তৰ অবয়বৰ ভিতৰৰা নহয়।' অৱশ্যে কোনো কোনো ক্ষেত্ৰত, কোনো এটা অবয়বে স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিবও পাৰে আৰু সি অন্য এটা অবয়বৰ অংশও হ'ব পাৰে। যেতিয়া কোনো এটা অবয়বে স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰে তেতিয়া তাক বাক্য বোলে। আনহাতে যেতিয়া সেই একেটা অবয়বে আন এটা অবয়বৰ লগত যুক্ত হৈ কোনো এটা স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰে তেতিয়া তাক বাক্যৰ এটা অংশ বোলে। যেনে :

প্ৰশ্ন : 'মোক কোনে মাতিছে?"

উত্তৰ : 'মই।'

ইয়াৰ 'মই' শব্দটোৱে এটা স্বয়ংসম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিছে। এতেকে 'মই' এটা বাক্য। কিন্তু 'মই আজি ভাত নাখাওঁ'— এই বাক্যটোত প্ৰয়োগ হোৱা 'মই' এটা বাক্য নহয় এটা ডাঙৰ অবয়বৰ অংশহে মাথোন। এই দুটা দিশলৈ চাই প্ৰখ্যাত-ভাষাবিজ্ঞানী Leonardo Bloomfield ৰে অবয়ব (form) ৰ অৱস্থানক দুই ভাগত বিভাগ কৰিছে : অন্তৰ্গত অৱস্থান (Included position) আৰু স্বয়ং সম্পূৰ্ণ অৱস্থান (Absolute Position)।

কোনো এটা অবয়ব যদি বৃহৎ অবয়ব এটাৰ অংশ বিশেষ হয়, তেতিয়া তাক অন্তৰ্গত অৱস্থানত থকা বুলি কোৱা হয়।

'A sentence is an independent form, not included in any larger complex linguistic form.' Bloomfield, Leonard : Language. Delhi : Motilal Banarasidass, 1963 p 170.

যেনে, 'মই আজি ভাত নাখাওঁ' বাক্যৰ 'মই' অন্তৰ্গত অৱস্থানত থকা এটা অৱয়ব। আনহাতে যেতিয়া কোনো এটা অৱয়ব বৃহৎ অৱয়বৰ অংশ নহৈ স্বয়ং সম্পূৰ্ণ অৰ্থজ্ঞাপক হয়, তেতিয়া তাক স্বয়ংসম্পূৰ্ণ অৱস্থানত থকা বুলি কোৱা হয়। যেনে, প্ৰশ্ন : মোক কোনে মাতিছে?

উত্তৰ : মই।

ইয়াত 'মই'ৰ অৱস্থান স্বয়ংসম্পূৰ্ণ।

বাক্যক ভাষাৰ বৃহত্তম একক হিচাপে লৈ তাক ক্ৰমে ক্ষুদ্ৰতম উপাদানত বিভক্ত কৰি সেই উপাদানসমূহৰ বিশ্লেষণ কৰাই হৈছে বৰ্ণনামূলক ভাষাবিজ্ঞানৰ লক্ষ্য। এনে বিশ্লেষণৰ বাবে যি এক মৌলিক ধাৰণাৰ প্ৰয়োজন তাক গঠন Construction বোলে।

এতিয়া প্ৰশ্ন হ'ল এই গঠনটো কি?

পূৰ্ণ বা আংশিক অৰ্থজ্ঞাপক যিকোনো পদ বা প্ৰাকৃতিৰ সমষ্টিক গঠন বোলে। যেনে আমি ভাত খোৱাৰ পিছত সি আহিছিল। ইয়াত প্ৰয়োগ হোৱা পদসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে আৰু আছে এটা সম্পূৰ্ণ অৰ্থ। গতিকে এইটো এটা বাক্য। এইটো এটা গঠন। আনহাতে আমি ভাত খোৱাৰ পিছত এই পদ সমষ্টিটোৰো এটা খণ্ডিত অৰ্থ আছে। তদুপৰি আছে পদসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক। এইটো এটা উপবাক্য (Clause)। ইয়াকো এটা গঠন বোলে। ইয়াক আকৌ খণ্ডিত কৰিলে 'খোৱাৰ পিছত'-এই খণ্ডটো পাওঁ। ইয়াত প্ৰয়োগ হোৱা পদ দুটাৰো পাৰস্পৰিক সম্পৰ্ক আছে আৰু আছে এটা অৰ্থ। অৱশ্যে এই খণ্ডিত অৰ্থটো আৰু বেছি ঠেক। এইটোও এটা গঠন।

মনত ৰখা ভাল যে গঠন হ'বলৈ হ'লে একাধিক প্ৰাকৃতি বা পদৰ প্ৰয়োজন। তদুপৰি সেইবোৰৰ মাজত সংহতি থকাটোও আৱশ্যকীয়। মাথোন এটা পদ বা প্ৰাকৃতি গঠন হ'ব নোৱাৰে। তদুপৰি একাধিক পদ বা প্ৰাকৃতি একত্ৰিত হ'লেও যদি সিহঁতৰ মাজত পাৰস্পৰিক অৰ্থগত সংহতি নাথাকে তেতিয়াও গঠন নহয়। ওপৰত উল্লিখিত বাক্যটোৰ 'আমি ভাত'-এই পদ দুটাৰ সমষ্টিটোক গঠন বোলা নাযায়, কাৰণ এই পদ দুটাৰ মাজত অৰ্থগত সংহতি নাই। কিন্তু 'খোৱাৰ পিছত' আৰু 'ভাত খোৱাৰ পিছত'-একোটাইত গঠন। এইবোৰৰ অৰ্থগত সংহতি আছে। যিবোৰ উপাদানেৰে একোটাইত গঠন হয়, সেইবোৰক গঠনগত উপাদান বা অংশ (Constituent) বোলে। ওপৰত উল্লিখিত বাক্যটোক খণ্ডিত কৰিলে বিভিন্ন ক্ষুদ্ৰ [illegible] গঠনগত উপাদান পাওঁ, সেইবোৰ হ'ল-'আমি', 'ভাত', 'খোৱাৰ', 'পিছত', 'সি'

আৰু 'আহিছিল'। এই আটাইবোৰ অৰ্থবহ গোট। এইবোৰক আকৌ খণ্ডিত কৰিলে যিবোৰ ক্ষুদ্ৰতম গোটা পোৱা যাব, সেইবোৰ বাক্যৰ ভৰত গঠনগত উপাদান হৈছে শব্দ বা পদ, খণ্ডবাক্য আৰু উপবাক্য। মনত ৰখা ভাল যে খণ্ডবাক্য আৰু উপবাক্য একাধাৰে গঠন (Construction) আৰু গঠনগত উপাদান (Constituent)। পিছে, বাক্য অকল গঠনহে, কাৰণ বাক্য এটা, বাক্যৰ উপাদান হ'ব নোৱাৰে।

কোনো এটা বাক্যক পোন প্ৰথমতে যি কেইটা বৃহত্তম অৰ্থবহ ভাগত ভগাব পাৰি সেই কেইটাক বাক্যটোৰ নিকটস্থ উপাদান (Immediate Constituent) বোলে। যেনে, সি দেউতাকৰ লগত গুৱাহাটীলৈ গৈছিল এই বাক্যটোক পোনতে খণ্ডিত কৰিলে আমি দুটা বৃহত্তম অৰ্থবহ খণ্ড পাওঁ। এই খণ্ড দুটা হৈছে-(১) সি দেউতাকৰ লগত আৰু (২) গুৱাহাটীলৈ গৈছিল। এই খণ্ড দুটা সমগ্ৰ বাক্যটোৰ নিকটস্থ উপাদান। আকৌ 'সি দেউতাকৰ লগত'-এই খণ্ডটোক পুনৰ দুটা ভাগত ভগাব পাৰি-(১) সি আৰু (২) দেউতাকৰ লগত। এই দুটা 'সি দেউতাকৰ লগত এই খণ্ডটোৰ নিকটস্থ উপাদান। আকৌ 'দেউতাকৰ লগত'-এই খণ্ডটোৰ নিকটস্থ উপাদান। আকৌ 'দেউতাকৰ লগত'-এই খণ্ডটো বিভাগ কৰিলে পুনৰ দুটা খণ্ড পাওঁ-(১) দেউতাকৰ আৰু (২) লগত। এই দুটা হ'ল 'দেউতাকৰ লগত' খণ্ডটোৰ নিকটস্থ উপাদান।

ওপৰৰ বিশ্লেষণৰ পৰা আমি জানিলোঁ যে 'নিকটস্থ উপাদান' বোলা কথাটোৰ অৰ্থ আপেক্ষিক। যিটো গঠন বিশ্লেষণ কৰি উপাদান উলিওৱা হয়, সেই উপাদানবোৰ মাথোন সেই গঠনটোৰহে 'নিকটস্থ উপাদান।'

তলৰ চিত্ৰত, ওপৰত উল্লিখিত বাক্যটোৰ নিকটস্থ উপাদানবোৰ দেখুওৱা হ'ল ঃ

<table>
<tr><td colspan="5">সি দেউতাকৰ লগত গুৱাহাটীলৈ গৈছিল।</td></tr>
<tr><td colspan="3">সি দেউতাকৰ লগত</td><td colspan="2">গুৱাহাটীলৈ গৈছিল।</td></tr>
<tr><td>সি</td><td colspan="2">দেউতাকৰ লগত</td><td>গুৱাহাটীলৈ</td><td>গৈছিল।</td></tr>
<tr><td></td><td>দেউতাকৰ</td><td>লগত</td><td colspan="2"></td></tr>
</table>

কোনো এটা বাক্যক বৃহত্তমৰ পৰা ক্ৰমাগতভাৱে ক্ষুদ্ৰতমলৈ বিশ্লেষণ কৰি শেষ স্তৰত যি উপাদান পোৱা যায় তাকেই বাক্যটোৰ চৰম গঠনগত উপাদান (Ultimate Constituent) বোলে।

কোনো এটা গঠনৰ নিকটস্থ উপাদান নিৰ্ণয়ৰ বাবে নিৰ্দিষ্ট পদ্ধতি আছে। Prof. R.H. Robins য়ে লিখিছে, "The Principal criterion for the grouping of words into Constituents is the possibility of syntatic substitution of a single word for the whole group while preserving the rest of the sentence structure intact." (General Linguistics, London : Longman, 1980)।

কোনো এটা বাক্যৰ একাধিক শব্দেৰে গঠিত কোনো এটা গঠনগত উপাদানৰ সলনি মাথোন এটা শব্দ বহুৱাই, বাক্যটোৰ বাকী অংশ যথাযথভাৱে ৰাখিলেও যদি সি ব্যাকৰণগতভাৱে শুদ্ধ হয়, তেতিয়া জানিব লাগিব যে বাক্যটোক গঠনগত উপাদানত বিভাগ কৰাত কোনো বিচ্যুতি ঘটা নাই। যেনে, বুঢ়া মানুহজনে নীৰৱতা ভাল পায়। প্ৰথম স্তৰত এই বাক্যটোক খণ্ডিত কৰিলে আমি (১) বুঢ়া মানুহজনে আৰু (২) নীৰৱতা ভাল পায়— এই দুটা নিকটস্থ উপাদান পাওঁ। ইয়াৰ 'বুঢ়া মানুহজনে-এই উপাদানটোৰ সলনি যদি কেৱল 'বুঢ়া' শব্দটো বহুৱা হয়, তথাপি বাক্যটো অশুদ্ধ নহয়। যেনে, বুঢ়াই/নীৰৱতা ভাল পায়। সেইদৰে "নীৰৱতা ভাল পায়"ৰ ঠাইত যদি কেৱল 'ভাল পায়' বহুৱাওঁ, তেতিয়াও বাক্যটো শুদ্ধ হৈয়েই থাকিব। যেনে, বুঢ়াই/ভাল পায়। ইয়াৰ পৰা আমি জানিলোঁ—এনেদৰে বাক্যটোত নিকটস্থ উপাদান নিৰ্ণয় নীতি ৰক্ষা কৰা হৈছে।

কোনো এটা বাক্য যি কেইটা উপাদানেৰে গঠিত, সেইকেইটাই নিজৰ উপাদানৰ লগত আন বিন্যাসৰ অৰ্থ আৰু গঠনগত সম্পৰ্ক ধৰি ৰাখে। এই ঘনিষ্ঠতা অনুসৰি কোনো এটা বাক্যৰ ক্ষুদ্ৰতম উপাদানবোৰক ক্ষুদ্ৰতৰৰ পৰা ক্ৰমে বৃহত্তৰ উপাদানলৈ সংবদ্ধ কৰি নিকটস্থ উপাদান নিৰ্ণয় কৰা হয়। যেনে, বুঢ়া মানুহজনে নীৰৱতা খুব ভাল পায়। তাত, এই বাক্যটোৰ নিকটস্থ উপাদানবোৰ

অৰ্থ আৰু গঠনগত সম্পৰ্কৰ ঘনিষ্ঠতালৈ চাই; ক্ষুদ্ৰতৰৰ পৰা বৃহত্তৰলৈ ক্ৰমাগতভাৱে দেখুওৱা হ'ল :

বুঢ়া মানুহজনে নীৰৱতা খুব ভাল পায়।

বৰ্ণনামূলক ভাষাবিজ্ঞানৰ বাক্যতত্ত্বত ব্যৱহৃত পদবোৰৰ পাৰস্পৰিক সম্পৰ্কৰ ঘনিষ্ঠতা আৰু দূৰত্ব দেখুওৱা হয়।

১৭.২ বাক্য গঠনৰ প্ৰযুক্তি (Syntactic Devices)

ইতিমধ্যে আমি গঠন (construction) সম্পৰ্কে আলোচনা কৰি আহিছোঁ। এতিয়া বাক্যগঠনৰ প্ৰযুক্তি সম্পৰ্কে আলোচনা কৰিম। বাক্যগঠনৰ প্ৰযুক্তিৰ আলোচনা বুলিলে প্ৰধানকৈ গঠনৰ প্ৰকৃতিৰ আলোচনাকেই বুজায়।

গঠনৰ প্ৰকৃতি দুই প্ৰকাৰৰ : (১) অন্তঃকেন্দ্ৰিক গঠন (Endo-centric Construction) আৰু (২) বহিঃকেন্দ্ৰিক গঠন (Exocentric Construction)।

কোনো এটা বাক্যৰ কোনো এটা গঠনৰ এক বা ততোধিক শব্দ সেই সম্পূৰ্ণ গঠনটোৰ সলনি বহিলেও যদিহে বাক্যটো ব্যাকৰণগতভাৱে অশুদ্ধ নহয়, তেনে গঠনক অন্তঃকেন্দ্ৰিক গঠন বোলে। যেনে, দুখীয়া মানুহজনে ভাত খোৱা নাই। এই বাক্যটোৰ দুখীয়া মানুহজনে'-এটা গঠন। ইয়াৰ 'মানুহজনে' এটা পদ। এই পদটোক যদি 'দুখীয়া মানুহজনে'-এই গঠনটোৰ সলনি বহুওৱা হয়, তথাপি বাক্যটো অশুদ্ধ নহয়। এতেকে 'দুখীয়া মানুহজন'-এটা অন্তঃ কেন্দ্ৰিক গঠন।

আনহাতে কোনো এটা বাক্যৰ কোনো এটা গঠনৰ অন্তৰ্গত পদসমূহৰ কোনো এটা বা একাধিক পদ, সেই সম্পূৰ্ণ গঠনটোৰ সলনি যদি বহুৱাব নোৱাৰি আৰু বহুৱালে যদি বাক্যটো ব্যাকৰণগতভাৱে অশুদ্ধ হয়, তেনে গঠনক বহিঃকেন্দ্ৰিক গঠন বোলে। যেনে, তোমাৰ পৰা মই উপকৃত হৈছোঁ। এই বাক্যটোৰ

'তোমাৰ পৰা' এটা গঠন। ইয়াৰ কেৱল 'তোমাৰ' বা 'পৰা'ক "তোমাৰ পৰা"ৰ সলনি ব্যৱহাৰ নোৱাৰি; তেনেদৰে ব্যৱহাৰ কৰিলে বাক্যটোৰ কোনো অৰ্থই নোলাব। এতেকে 'তোমাৰ পৰা'-এটা বহিঃকেন্দ্ৰিক গঠন।

অন্তঃকেন্দ্ৰিক দুই প্ৰকাৰৰ : সমান অধিকাৰ জ্ঞাপক (Co-ordinate) আৰু অধীনতাজ্ঞাপক (Sub-ordinate)।

যি অন্তঃকেন্দ্ৰিক গঠনৰ অন্তৰ্গত উপাদান সমূহৰ গুৰুত্ব সমান, অৰ্থাৎ এটা আনটোৰ অধীন নহয়, তেনে অন্তঃকেন্দ্ৰিক গঠনক সমান অধিকাৰ জ্ঞাপক অন্তঃ কেন্দ্ৰিক গঠন বোলে। যেনে, নল আৰু দময়ন্তী আদৰ্শ প্ৰেমিক-প্ৰেমিকা। এই বাক্যটোৰ 'নল আৰু দময়ন্তী' এটা গঠন। ইয়াৰ 'নল' আৰু 'দময়ন্তী'-দুয়োটাৰে গুৰুত্ব সমান। এই দুটাৰ কোনোটোকে পৰিহাৰ কৰিব নোৱাৰি। যদি ইয়াৰ কোনো এটাক পৰিহাৰ কৰা হয়, তেনেহ'লে বাক্যটো অশুদ্ধ হ'ব। এতেকে 'নল আৰু দময়ন্তী' গঠনটো সমান অধিকাৰ জ্ঞাপক অন্তঃকেন্দ্ৰিক গঠন। আনহাতে, কোনো এটা অন্তঃকেন্দ্ৰিক গঠনৰ অন্তৰ্গত উপাদানসমূহৰ মাজত কোনো এটাৰ গুৰুত্ব অধিক আৰু কোনো এটাৰ কম হ'লে অৰ্থাৎ কোনো এটা, আনটোৰ অধীন হ'লে তেনে গঠনক অধীনতাজ্ঞাপক অন্তঃকেন্দ্ৰিক গঠন বোলে। যেনে, বঙা ফুলটো বৰ ধুনীয়া। এই বাক্যটোৰ 'বঙা ফুলটো' এটা গঠন। ইয়াৰ উপাদান দুটা-'বঙা' আৰু 'ফুলটো'। এই দুটা উপাদানৰ 'ফুলটো'ৰ গুৰুত্ব বেছি। 'বঙা'ৰ কম। 'বঙা' উপাদানটো 'ফুলটো'ৰ বিশেষণ। সেয়ে 'বঙা', 'ফুলটো'ৰ অধীন। 'বঙা ফুলটো'ৰ সলনি কেৱল 'ফুলটো' ব্যৱহাৰ কৰিলেও বাক্যটো অশুদ্ধ নহয়। এতেকে 'বঙা ফুলটো' অধীনতাজ্ঞাপক অন্তঃকেন্দ্ৰিক গঠন।

অধীনতাজ্ঞাপক অন্তঃকেন্দ্ৰিক গঠনৰ যিটো উপাদান বেছি গুৰুত্বপূৰ্ণ তাক প্ৰধান বা মুখ্য (Head) আৰু যিটো কম গুৰুত্বপূৰ্ণ তাক অপ্ৰধান বা অধীন (Subordinate) উপাদান বোলে। ওপৰৰ বাক্যটোৰ 'বঙা ফুলটো'ৰ 'ফুলটো' হ'ল প্ৰধান বা মুখ্য উপাদান আৰু 'বঙা' অপ্ৰধান।

১৭.৩ সমান অধিকাৰ সংযোগ আৰু অন্তৰ্বিন্যাস বা অধীনস্থ সংযোগ (Co-ordinatation and Embedding or Sub-ordination)

সমান গুৰুত্বসম্পন্ন দুটা বা ততোধিক বাক্য, বাক্যাংশ বা পদৰ সংযোজনক

সমান অধিকাৰ সংযোগ বোলে। যেনে, 'সীতা আৰু সাবিত্ৰী আদৰ্শ সতী আছিল।' এই বাক্যটোত দুটা সমান গুৰুত্বসম্পন্ন বাক্যৰ সংযোগ ঘটিছে। সেই দুটা বাক্য হ'ল (১) সীতা আদৰ্শ সতী আছিল আৰু (২) সাবিত্ৰী আদৰ্শ সতী আছিল। এই বাক্য দুটা সংযোগ কৰি যেতিয়া 'সীতা আৰু সাবিত্ৰী আদৰ্শ সতী আছিল' কৰা হ'ল, তেতিয়া দুয়োটা বাক্যৰে গুৰুত্ব একে ধৰণেই ৰ'ল। এয়েই সমান অধিকাৰ সংযোগ। মনত ৰখা ভাল যে সমান অধিকাৰ সংযোগত, দুটা বাক্যৰ যি দুটা অংশ একে সেই দুটাক মাথোন এবাৰ ব্যৱহাৰ কৰি বাকী পৃথক অংশ দুটাক সংযোজিত কৰা হয়। ওপৰৰ বাক্য দুটাৰ 'আদৰ্শ সতী আছিল'-এই অংশটোৰ দুয়োটা বাক্যৰে একে। পৃথক অংশ দুটা যোগ কৰি দুয়োটা বাক্যকে এটা বাক্যত পৰিণত কৰা হ'ল। বাক্যৰ যি কোনো অংশত; যেনে কৰ্তা, কৰ্ম, ক্ৰিয়াত সমান অধিকাৰ সংযোগ হ'ব পাৰে। সমান অধিকাৰ সংযোগৰ ৰীতি ভাষা ভেদে ভিন ভিন।

দুই বা ততোধিক পদ, বাক্যাংশ বা বাক্যেৰে গঠিত কোনো এটা বাক্যৰ এটা পদ, বাক্যাংশ বা বাক্যৰ গুৰুত্ব যদি বাকীকেইটাতকৈ বেছি হয় অৰ্থাৎ সি প্ৰধান আৰু বাকীবোৰ অপ্ৰধান হয়, তেতিয়া তেনে প্ৰযুক্তিক অধীনস্থ সংযোগ (Subordination) বা অন্তৰ্বিন্যাস (Embedding) বোলে। যেনে, যিসকল লোকে সমাজ সেৱা কৰিব খোজে, সেইসকল পোনতে প্ৰকৃত মানুহ হোৱা উচিত। এই বাক্যটোৰ 'যিসকল লোকে সমাজ সেৱা কৰিব খোজে' অংশটো 'সেইসকল'ৰ বিশেষণ হিচাপে ব্যৱহৃত হৈছে। এই অংশয়ো, 'সেইসকল পোনতে প্ৰকৃত মানুহ হোৱা উচিত'ৰ সমান গুৰুত্বপূৰ্ণ নহয়। এতেকে বাক্যটোৰ 'যিসকল লোকে সমাজ সেৱা কৰিব খোজে' অংশটো গৌণ। এই অংশটো দ্বিতীয় অংশটোৰ অধীন। ইয়াকেই অধীনস্থ সংযোগ বোলে। অধীনস্থ সংযোগৰ অংশটোক বোলা হয় গুণবাচক (Attribute) অংশ আৰু যি অংশৰ গুণ বুজাবলৈ এই অংশটো ব্যৱহৃত হয় তাক প্ৰধান (Head) অংশ বোলে। গুণবাচক অংশটো যিটো গুৰুত্বপূৰ্ণ অংশৰ লগত যুক্ত হয়, তাক আধাতৃ বাক্যাংশ (Matrix Clause) বোলে। ওপৰত উল্লিখিত বাক্যটোৰ 'যি সকল লোকে সমাজ সেৱা কৰিব খোজে' হ'ল গুণবাচক (Attribute) অংশ, 'সেইসকল' হ'ল প্ৰধান (Head) আৰু 'সেইসকল পোনতে মানুহ হোৱা উচিত' আধাতৃ বাক্যাংশ (Matrix Clause)।

সমান অধিকাৰ সংযোগ আৰু অধীনস্থ সংযোগক [illegible] কৰা হয়।

১৭.৪ প্ৰতিষ্ঠাপন আৰু প্ৰতিৰূপ (Substitution and Pro-form)

প্ৰতিষ্ঠাপন, বাক্য গঠনৰ এক উল্লেখযোগ্য প্ৰক্ৰিয়া। পৰস্পৰ সম্বন্ধ থকা একাধিক বাক্যৰ কোনো এটা অংশ বা কোনো এটা পদ বাৰে বাৰে ব্যৱহাৰ নকৰি তাৰ সলনি আন এটা ব্যৱহাৰ কৰা ৰীতিকেই প্ৰতিষ্ঠাপন বোলে। যেনে, হৰি বৰ ভাল ল'ৰা। হৰিয়ে সদায় কিতাপ পঢ়ে। এই বাক্য দুটাত 'হৰি' পদটো দুবাৰ ব্যৱহৃত হৈছে। এই বাক্য দুটা আমি এইদৰেও লিখিব পাৰোঁ : হৰি বৰ ভাল ল'ৰা। সি সদায় কিতাপ পঢ়ে। দ্বিতীয় বাক্যটোত আমি 'হৰি'ৰ সলনি 'সি' লিখিলোঁ। এয়েই প্ৰতিষ্ঠাপন। প্ৰতিষ্ঠাপনত ব্যৱহৃত পদ বাক্যাংশক প্ৰতিৰূপ বোলে। ওপৰৰ বাক্যটোত ব্যৱহৃত 'সি' 'হৰি'ৰ প্ৰতিৰূপ। সেইদৰে :

প্ৰশ্ন : মোৰ কথাত তোমাৰ সমৰ্থন আছেনে?

উত্তৰ : আছে।

ইয়াৰ উত্তৰ বাক্যত ব্যৱহৃত 'আছে', 'সমৰ্থন আছে'ৰ প্ৰতিৰূপ হিচাপে ব্যৱহৃত হৈছে।

প্ৰতিষ্ঠাপন প্ৰক্ৰিয়াত ব্যৱহৃত গঠনটোক স্থলাভিষিক্ত ৰূপ (Substitute) বোলে। ওপৰৰ বাক্যত 'হৰি'ৰ সলনি ব্যৱহৃত 'সি' আৰু সমৰ্থন 'আছে'ৰ সলনি ব্যৱহৃত 'আছে' স্থলাভিষিক্ত ৰূপ। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে কোনো এটা ভাষাৰ কোনো এটা বাক্য গঠন কৰিবলৈ হ'লে, সেই ভাষাটোৰ কেইটামান শব্দৰহে প্ৰয়োজন। কোনো এটা বাক্যত ব্যৱহৃত এনে শব্দ দুই প্ৰকাৰৰ : পূৰ্ণাৰ্থশব্দ আৰু প্ৰকাৰ্য শব্দ (Content word and Function word)।

কোনো এটা বাক্যত ব্যৱহৃত যিবোৰ শব্দ পূৰ্ণ অৰ্থবিশিষ্ট সেইবোৰেই পূৰ্ণাৰ্থ শব্দ। আনহাতে যিবোৰ শব্দই পূৰ্ণ অৰ্থবিশিষ্ট শব্দৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰি এটা পূৰ্ণ বাক্য গঠনত সহায় কৰে সেইবোৰ প্ৰকাৰ্য শব্দ। যেনে, ৰাম আৰু হৰি স্কুললৈ গ'ল। তুমি কিন্তু আহিবা। মানুহজন দুখীয়া। এই বাক্য তিনিটাৰ যথাক্ৰমে আৰু 'কিন্তু' আৰু 'জন' প্ৰকাৰ্য আৰু বাকীবোৰ পূৰ্ণাৰ্থ শব্দ।

১৭.৫ বাক্য তত্ত্বাত্মক সংযোজনা (Syntactical Linkage)

১৭.৫.১ সংগতি আৰু নিয়ন্ত্ৰণ (Concord and Government)

আমি জানিছোঁ যে কোনো এটা গঠন ৰচনা কৰিবলৈ একাধিক শব্দৰ প্ৰয়োজন। পিছে একাধিক শব্দৰ সংযোগেৰে কোনো এটা গঠন শুদ্ধকৈ ৰচনা কৰিবৰ বাবে নিৰ্দিষ্ট নিয়ম আছে। এই নিয়ম দুটা ঃ সংগতি (concord) আৰু নিয়ন্ত্ৰণ (Government)।

কোনো এটা গঠনৰ অন্তৰ্গত শব্দ (উপাদান) সমূহৰ মাজত বচন, লিংগ, বিভক্তি, পুৰুষ, কাৰক আৰু ভাব—এই ব্যাকৰণগত সংবৰ্গসমূহৰ এটা সামঞ্জস্য থাকিব লাগে। তেতিয়াহে গঠনটো শুদ্ধ হ'ব। এই ব্যাকৰণগত সংবৰ্গৰ সামঞ্জস্যকে সংগতি বোলে। যেনে, মই পঢ়োঁ। তুমি পঢ়া। সি পঢ়ে। এই বাক্য তিনিটাৰ প্ৰথম পুৰুষৰ সৰ্বনাম আৰু 'পঢ়োঁ' প্ৰথম পুৰুষৰ ক্ৰিয়া। ইয়াত 'মই' আৰু পঢ়োঁ—এই দুটা উপাদানৰ মাজত সামঞ্জস্য আছে। এয়ে সংগতি। সেইদৰে দ্বিতীয় আৰু তৃতীয় বাক্যত ব্যৱহৃত 'তুমি' আৰু 'সি' যথাক্ৰমে দ্বিতীয় আৰু তৃতীয় পুৰুষৰ ক্ৰিয়া। এতেকে এই দুটা বাক্যতো পুৰুষৰ ফালৰ পৰা কৰ্তা আৰু ক্ৰিয়াৰ মাজত সামঞ্জস্য আছে। অসমীয়াত 'মই'ৰ লগত 'পঢ়া' ক্ৰিয়াৰ সামঞ্জস্য নাই। সেয়ে 'মই পঢ়া' গঠনটো অসমীয়াত অশুদ্ধ। অসমীয়া ভাষাত 'বচন' আৰু 'লিংগ' ব্যাকৰণগত বিষয় নহয়। সেয়ে, এই দুটাই অসমীয়াত গঠনৰ শুদ্ধতা বা অশুদ্ধতাৰ ক্ষেত্ৰত কোনো প্ৰভাৱ নেপেলায়।

কোনো এটা গঠনৰ অন্তৰ্গত কোনো এটা শব্দ (উপাদান)ৰ ৰূপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সেই গঠনটোৰে অন্য এটা শব্দ (উপাদান)ৰ নিয়ন্ত্ৰণ (Government) বোলে। যেনে, গছৰ পৰা ফল সৰিছে। মানুহজন গছত উঠিছে। এই বাক্য দুটাৰ 'গছৰ পৰা' আৰু 'গছত উঠিছে'—দুটা গঠনৰ প্ৰথমটোত 'পৰা' পৰসৰ্গ থকা হেতুকে 'গছ' শব্দটোৰ ৰূপ হৈছে 'গছৰ' আৰু দ্বিতীয়টোত 'উঠিছে' ক্ৰিয়াটো যুক্ত হৈ থকা বাবে 'গছ' শব্দৰ ৰূপ হৈছে 'গছত'। এয়েই নিয়ন্ত্ৰণ।

ওঠৰ

১৮.১ শব্দাৰ্থতত্ত্ব
(Semantics)

কোনো এটা শব্দই কোনো এটা বস্তু বা ভাব সম্পৰ্কে ধাৰণা গঢ়োৱাৰ এই ধাৰণাটোৰেই হ'ল কোনো এটা শব্দৰ অৰ্থ। সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ জ্ঞান-বুদ্ধিয়ে বিস্তাৰ লাভ কৰি আহিছে। ফলস্বৰূপে, মানুহৰ চিনাকি ভাব বা বস্তু জগতখনৰ দিগন্তও প্ৰসাৰিত হৈছে। ইয়াৰ লগে লগে কোনো এটা বস্তু বা ভাব বুজোৱা কোনো এটা শব্দ একাধিক বস্তু বা ভাব বুজোৱাত ব্যৱহৃত হৈছে, কোনোটো শব্দই আকৌ প্ৰাচীন অৰ্থটো সম্পূৰ্ণৰূপে হেৰুৱাই নতুন অৰ্থ গ্ৰহণ কৰিছে। শব্দৰ অৰ্থৰ এই পৰিবৰ্তনৰ বিচাৰ-বিশ্লেষণকে শব্দাৰ্থতত্ত্ব (Semantics) বোলে।

নিৰুক্তকাৰ যাস্কে পোনতে শব্দাৰ্থৰ পৰিবৰ্তন সম্পৰ্কে আলোচনাৰ দুৱাৰ মুকলি কৰিছিল। ইয়াৰ পিছত বিশিষ্ট পণ্ডিত Michael Breal যে ইয়াৰ বিজ্ঞান-সম্মত বিশ্লেষণৰ সূচনা কৰে।

১৮.২ শব্দাৰ্থ পৰিবৰ্তনৰ কাৰণ
(Cause of Semantic changes)

আমি ইতিমধ্যে একাধিকবাৰ উল্লেখ কৰি আহিছোঁ যে ভাষা নিৰত পৰিবৰ্তনশীল। এই পৰিবৰ্তন শব্দাৰ্থৰ ক্ষেত্ৰতো সুস্পষ্ট। নানান কাৰণত শব্দাৰ্থৰ পৰিবৰ্তন ঘটিব পাৰে। ভাষাতত্ত্ববিদ পণ্ডিতসকলে ইয়াৰ বিভিন্ন কাৰণ দৰ্শাইছে। সাধাৰণতে শব্দাৰ্থৰ পৰিবৰ্তনৰ মূল কাৰণ তিনিটা : (ক) আলংকাৰিক কাৰণ (খ) পৰিবেশগত কাৰণ আৰু (গ) মানসিক কাৰণ।

(ক) আলংকাৰিক কাৰণ ঃ

জগতৰ সকলো ভাষাতেই অলংকাৰৰ প্ৰয়োগ আছে। ই ভাষাক স্পষ্ট, ৰমণীয় আৰু প্ৰভাৱশালী কৰি তোলে। অলংকাৰ দুই প্ৰকাৰৰ ঃ শব্দালংকাৰ আৰু অৰ্থালংকাৰ। এই দুই প্ৰকাৰৰ আকৌ বিভিন্ন বিভাগ আছে। যেনে, শব্দালংকাৰ ঃ অনুপ্ৰাস, যমক, শ্লেষ ইত্যাদি। অৰ্থালংকাৰ ঃ উপমা ৰূপক, উৎপ্ৰেক্ষা, সমাসোক্তি ইত্যাদি। এনেবোৰ অলংকাৰৰ প্ৰয়োগৰ বাবে শব্দাৰ্থৰ পৰিবৰ্তন ঘটে। উদাহৰণ ঃ প্ৰাচীন ভাৰতত বীণাবাদনত দক্ষজনক কোৱা হৈছিল প্ৰবীণ। সাম্প্ৰতিক কালত বয়সত জ্যেষ্ঠজনক বুজোৱাত 'প্ৰবীণ' শব্দ ব্যৱহৃত হয়। 'প্ৰবীণ'ৰ লগত এতিয়া আৰু বীণা বজোৱাৰ কোনো সম্পৰ্ক নাই।

গুজৰাটী 'হৰতাল' শব্দটোৰ অৰ্থ হাতেৰে তালি দিয়া। এতিয়া এই শব্দটো 'ধৰ্মঘট' অৰ্থত ব্যৱহৃত হয়। সেইদৰে 'শ্বাপদ'ৰ মূল অৰ্থ হ'ল—কুকুৰৰ নিচিনা ঠেং যাৰ। এতিয়া 'শ্বাপদ' বুলিলে হিংস্ৰ জন্তুকহে বুজোঁ। 'শাখা', 'কাণ্ড' আদি শব্দ গছৰ অংগৰ লগতহে যুক্ত। কিন্তু 'কাব্যৰ শাখা' বা 'অযোধ্যাকাণ্ড' বুলিলে আমি গছৰ অংগক নুবুজোঁ, বুজোঁ সাহিত্যৰ অংগকহে। এইবোৰেই শব্দৰ আলংকাৰিক প্ৰয়োগ আৰু এই শব্দবোৰৰ অৰ্থৰ পৰিবৰ্তন ঘটিছে আলংকাৰিক কাৰণত।

(খ) পৰিবেশগত কাৰণ ঃ

স্থান, কাল আৰু পাত্ৰৰ পৰিবৰ্তন হেতু অলেখ শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটা দেখিবলৈ পাওঁ। উদাহৰণ স্বৰূপে, ইংৰাজী ভাষাত glass শব্দই কাঁচেৰে নিৰ্মিত পানী খোৱা পাত্ৰক বুজায়। অসমত glass ৰ পৰা সৃষ্টি হোৱা 'গিলাচ' শব্দই অকল কাঁচেৰে নিৰ্মিতকে নহয়, পিতল, ৰূপ, কাঁহ আদি যিকোনো ধাতুৰে নিৰ্মিত পানী খোৱা পাত্ৰক বুজায়। অসমীয়াত 'শাক' বুলিলে সেউজীয়া পাতৰ পাচলি বুজা যায়, হিন্দীত ই নিৰামিষ তৰকাৰী বুজায়।

কালৰ পৰিবৰ্তন হেতু শব্দাৰ্থৰ পৰিবৰ্তনৰ এটা উদাহৰণ হ'ল 'মৃগ' শব্দ। সংস্কৃতত মৃগ মানে জন্তু। ইয়াৰ পৰা সৃষ্টি হোৱা 'মৃগয়া' শব্দই প্ৰাচীন অসমীয়াত 'চিকাৰ'ক বুজায়। আধুনিক অসমীয়াত কিন্তু 'মৃগ' মানে হৰিণা। 'দুহিতা' শব্দৰ মূল অৰ্থ আছিল 'দোহন কাৰিণী।' আজিকালি 'দুহিতা' শব্দই 'কন্যা' বুজায়। সংস্কৃতত

'শকুন' শব্দৰ অৰ্থ হ'ল চৰাই। ইয়াৰ পৰা উৎপত্তি হোৱা 'শগুণ' শব্দই অসমীয়াত এবিধ বিশেষ চৰাইকহে বুজায়।

পাত্ৰ বা বস্তু আৰু আচাৰ-ব্যৱহাৰৰ পৰিবৰ্তনৰ বাবেও অনেক শব্দৰ অৰ্থৰ পৰিবৰ্তন ঘটে। উদাহৰণ স্বৰূপে 'তুলী' শব্দটোকে ল'ব পাৰি। তুলাৰে তৈয়াৰ কৰা হেতুকে শব্দটো হ'ল 'তুলী'। আজিকালি নাইলন, জন্তুৰ নোম আদিৰেও 'তুলি' তৈয়াৰ কৰা হয়। পুৰোহিতে যাৰ উদ্দেশ্যে যজ্ঞ সম্পাদন কৰিছিল, তেওঁক কোৱা হৈছিল যজমান। আজিকালি নাপিত বা ধোবাৰো 'যজমান' আছে।

(গ) মানসিক কাৰণ ঃ

শব্দাৰ্থ পৰিবৰ্তনৰ ক্ষেত্ৰত মনস্তত্বৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। শব্দাৰ্থ পৰিবৰ্তনৰ যি দুটা কাৰণ ওপৰত উল্লেখ কৰি অহা হৈছে, সেই দুটাই, প্ৰকৃততে, মানুহৰ মনস্তত্বৰ দ্বাৰা বহু পৰিমাণে নিয়ন্ত্ৰিত। সংস্কাৰ, অন্ধবিশ্বাস, অজ্ঞতা, ৰুচি-অভিৰুচি আদি মানুহৰ মানসিকতাৰ লগতে জড়িত। এইবোৰে শব্দাৰ্থ পৰিবৰ্তনত মুখ্য ভূমিকা গ্ৰহণ কৰে।

সংস্কাৰ হেতু মানুহে কিছুমান শব্দ কোনো কোনো সময়ত উচ্চাৰণ নকৰে। অসমীয়া ভাষাৰ তেনে দুটা শব্দ হ'ল 'চূণ' আৰু 'হালধি'। নিশাৰ ভাগত দোকানলৈ 'চূণ' আৰু 'হালধি' কিনিবলৈ গ'লে দোকানীয়ে বিক্ৰী নকৰে। সেয়ে, গ্ৰাহকে চূণৰ সলনি 'বগা' আৰু 'হালধি'ৰ সলনি 'ৰংগুৱা' শব্দ ব্যৱহাৰ কৰে, অৰ্থাৎ 'চূণ'ৰ অৰ্থ হ'ল 'বগা' আৰু 'হালধি'ৰ হ'ল 'ৰংগুৱা।'

অন্ধবিশ্বাসৰ বাবেও শব্দাৰ্থৰ পৰিবৰ্তন ঘটে। 'বসন্ত ৰোগ' এবিধ মাৰাত্মক ৰোগ। এই ৰোগৰ ভয়াবহতা ঢাকিবৰ বাবে মানুহে ইয়াক 'বসন্ত' বুলুনি 'আই শীতলা'হে বোলে। আমাৰ সমাজত পূজনীয়জনৰ নাম উচ্চাৰণ কৰাটো দোষণীয় বুলি ধাৰণা কৰা হয়। সেয়ে 'তুলসীৰাম'ৰ ভাই-বোৱাৰীয়েকে 'তুলসী পাতৰ কল'ক ডাইশৰৰ পাতৰ কল বোলে। চেনিৰামৰ ঘৈণীয়েকে আকৌ চেনিক মিঠাহে বোলে।

অজ্ঞতা হেতু অৰ্থৰ পৰিবৰ্তন ঘটা শব্দ এটা হ'ল 'পাষণ্ড'। 'পাষণ্ড' শব্দৰ মূল অৰ্থ আছিল বৌদ্ধ সন্ন্যাসী। এতিয়া 'পাষণ্ড'ৰ অৰ্থ হ'ল 'নিষ্ঠুৰ'। সেইদৰে 'অৱদান' শব্দৰ মূল অৰ্থ আছিল মহৎকীৰ্তি। আজিকালি সকলো প্ৰকাৰ দানক বুজাবলৈ 'অৱদান' শব্দ ব্যৱহাৰ কৰা হয়।

শব্দাৰ্থৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত 'সাদৃশ্য'ৰ ভূমিকাও উল্লেখযোগ্য। মানৱদেহৰ সৰ্বোচ্চ অংশ হ'ল 'মূৰ'টো। ইয়াৰ সাদৃশ্যত উচ্চতা বুজাবলৈ আন আন শব্দৰ লগতো 'মূৰ' ব্যৱহাৰ কৰা হয়। অশোভনীয় কাৰ্যক শোভনীয় কৰাৰ উদ্দেশ্যে অশোভনীয় স্থানত শোভনীয় শব্দ ব্যৱহাৰ কৰা হয়। ফলস্বৰূপে শোভনীয় শব্দৰ অৰ্থ পৰিৱৰ্তন ঘটে। ঘৰত চুৰা-বাচন ধোৱা তিৰোতাজনীক 'বাই', মুচীক 'মিস্ত্ৰী' আৰু ৰান্ধনিক 'ঠাকুৰ' বোলাৰ কাৰণ হ'ল অশোভনীয়তাক শোভনীয় কৰাৰ চেষ্টা। এইবোৰত ব্যৱহৃত যথাক্ৰমে 'বাই', 'মিস্ত্ৰী' আৰু 'ঠাকুৰ' শব্দৰ অৰ্থ পৰিৱৰ্তন ঘটিছে।

১৮.৩ শব্দাৰ্থ পৰিৱৰ্তনৰ ধাৰা (Course of Semantic Change)

শব্দাৰ্থ পৰিৱৰ্তনৰ বিভিন্ন দিশলৈ চাই পণ্ডিতসকলে, প্ৰধানকৈ ইয়াৰ পাঁচটা ধাৰাৰ উল্লেখ কৰিছে। এই ধাৰা পাঁচটা হ'ল—

(ক) অৰ্থৰ উন্নতি (Elevation of meaning)

(খ) অৰ্থৰ অৱনতি (Deterioration of meaning)

(গ) অৰ্থৰ সংকোচ (Narrowing of meaning)

(ঘ) অৰ্থৰ প্ৰসাৰ (Expansion of meaning)

(ঙ) অৰ্থৰ সংক্ৰম (Tranfer of meaning)

(ক) অৰ্থৰ উন্নতি :

কোনো এটাৰ শব্দৰ মূল অৰ্থতকৈ প্ৰচলিত অৰ্থটো যদি উচ্চতৰ ভাব প্ৰকাশক হয়, তেতিয়াই তাক অৰ্থৰ উন্নতি কোৱা হয়। যেনে, মন্দিৰ শব্দৰ মূল অৰ্থ আছিল 'ঘৰ'। এতিয়া 'মন্দিৰ' বুলিলে দেৱ গৃহকে বুজায়। সেইদৰে 'সম্ভ্ৰম' শব্দৰ মূল অৰ্থ 'ভয়'। আজিকালি শব্দটো মান্যতা বুজোৱাত ব্যৱহৃত হয়। এয়েই অৰ্থৰ উন্নতি।

(খ) অৰ্থৰ অৱনতি :

কোনো শব্দৰ মূল অৰ্থতকৈ প্ৰচলিত অৰ্থ যদি তুলনামূলকভাৱে নিম্নতৰ হয়, তেতিয়া তাক কোৱা হয় অৰ্থৰ অৱনতি। যেনে, ইতৰ শব্দৰ মূল অৰ্থ আছিল

ভিন্ন। আজিকালি 'ইতৰ' শব্দই নীচ লোকক বুজায়। সেইদৰে 'ৰাগ' শব্দৰ মূল অৰ্থ 'আকৰ্ষণ'। আজিকালি 'খং' অৰ্থত 'ৰাগ' শব্দৰ ব্যৱহাৰ হয়। 'দেৱীৰ' মূল অৰ্থ 'দেৱকন্যা'। আজিকালি তিৰোতাইও 'দেৱী' উপাধি লিখে। যেনে, শ্ৰীমতী সৰলা দেৱী।

(গ) অৰ্থৰ সংকোচ ঃ

কোনো এটা শব্দৰ একাধিক অৰ্থ থাকিলে আৰু সেইবোৰৰ মাজত কোনো এটাই প্ৰাধান্য লাভ কৰিলে, অথবা কোনো এটা জাতিবাচক শব্দই ব্যক্তিবাচক শব্দৰ স্থান অধিকাৰ কৰিলে অৰ্থৰ সংকোচ ঘটে। যেনে, 'কৃপণ' শব্দৰ মূল অৰ্থ কৃপাৰ পাত্ৰ। আজিকালি ই ব্যয় কৰিবলৈ কুণ্ঠাবোধ কৰা লোকক বুজায়। 'মৃগ' শব্দৰ মূল অৰ্থ 'পশু'। সম্প্ৰতি 'মৃগ'ই হৰিণাকে বুজায়। সংস্কৃত পৰ্ণ শব্দৰ পৰা উৎপত্তি হোৱা পাণ শব্দই আজিকালি সকলো ধৰণৰ গছৰ পাতকে নুবুজাই এক বিশেষ ধৰণৰ 'পাত'কহে বুজায়। কামৰূপীত 'কুৰ্মা' মানে হ'ল মিতিৰ। পিছে শব্দটো 'ভনী-জোঁৱায়েক'-অথবা 'পত্নীৰ ককায়েক'ক বুজোৱাতো প্ৰয়োগ হয়। 'বিলাত' শব্দৰ অৰ্থ বিদেশ। আজিকালি 'বিলাত' বুলিলে আমি লণ্ডনকেই বুজোঁ। এয়েই অৰ্থ সংকোচ।

(ঘ) অৰ্থৰ প্ৰসাৰ ঃ

যেতিয়া কোনো শব্দৰ অৰ্থই নিৰ্দিষ্ট সীমা অতিক্ৰম কৰি বিস্তাৰ লাভ কৰে তেতিয়া তাক কোৱা হয় অৰ্থৰ প্ৰসাৰ। যেনে, এসময়ত বৰ্ষা কালত বছৰ আৰম্ভ হৈছিল। সেই কাৰণে বছৰক বৰ্ষ বোলা হয়। 'গংগা' ভাৰতৰ এটা প্ৰখ্যাত নদী। ইয়াৰ পৰা উৎপত্তি হোৱা 'গাঙ' শব্দই আজিকালি যি কোনো নদীকেই বুজায়। যাৰ ধন আছে তেৱেঁই আছিল ধন্য। আজি কালি ধন্য শব্দই সৌভাগ্যবান অৰ্থ প্ৰকাশ কৰে। 'বিভীষণ' 'বদন' আদি নামবাচক শব্দবোৰ আজিকালি 'বিশ্বাসঘাতক'ৰ প্ৰতিশব্দ ৰূপে সঘনাই ব্যৱহৃত হয়। সেইদৰে 'ধাৰ্মিক' অৰ্থত 'যুধিষ্ঠিৰ' 'শান্ত' অৰ্থত 'লক্ষ্মী' শব্দৰ প্ৰয়োগো সুলভ। এয়েই অৰ্থ বিস্তাৰ।

(ক) অৰ্থ সংক্ৰম ঃ

শব্দাৰ্থৰ সংকোচ আৰু প্ৰসাৰৰ ফলত কোনো শব্দৰ মূল অৰ্থৰ লগত প্ৰচলিত অৰ্থৰ সম্পৰ্ক সম্পূৰ্ণভাৱে বিলুপ্ত হৈ যায়। ইয়াকেই অৰ্থ সংক্ৰম বোলে। যেনে, প্ৰসাদ শব্দৰ মূল অৰ্থ হ'ল 'অনুগ্ৰহ'। সম্প্ৰতি 'প্ৰসাদ'ৰ অৰ্থ হ'ল নিবেদিত বস্তু। 'অনুগ্ৰহ'ৰ লগত 'নিবেদিত বস্তু'ৰ কোনো সম্পৰ্ক বিচাৰি পোৱা নাযায়। সেইদৰে 'শুশ্ৰাষা'ৰ মূল অৰ্থ 'শুনাৰ আগ্ৰহ'। সাম্প্ৰতিক কালত 'শুশ্ৰাষা'ৰ অৰ্থৰ হ'ল 'সেৱা'। 'প্ৰবন্ধ'ৰ মূল অৰ্থ প্ৰকৃষ্ট বন্ধন যাৰ। আজিকালি 'ৰচনা'কো প্ৰবন্ধ শব্দেৰে বুজোৱা হয়। যাৰ গৰু একে ঠাইতে থাকে তাক বোলা হৈছিল 'গোষ্ঠী'। এতিয়া 'গোষ্ঠী' শব্দই একে বংশৰ লোকক বুজায়। 'গৱেষণা' শব্দৰ মূল অৰ্থ 'গৰু বিচৰা।' আজিকালি তাৰ অৰ্থ হ'ল 'অনুসন্ধান।' 'বৰ' শব্দৰ মূল অৰ্থ নিৰ্বাচন কাৰী। এতিয়া 'বৰ' শব্দই কন্যাৰ স্বামীক বুজায়। লৌহ শব্দৰ মূল অৰ্থ ৰঙা ৰঙৰ ধাতু। এতিয়া লৌহ শব্দই লোহাক বুজায়। এয়েই অৰ্থ সংক্ৰম।

গ্রন্থপঞ্জী

সংস্কৃত

পাণিনি : অষ্টাধ্যায়ী

পতঞ্জলি : মহাভাষ্য

ইংরাজী

Abercrombie, David : Elements of General Phonetics.
Block and Trager : Outline of Linguistic Analysis.
Bloomfield, L : Language.
Beames, John : A Comparative Grammar of the Modern Aryan Language of India.
Bierwisch, Manfred : Modern Linguistics.
Bright, William (ed) : Sociolinguistics.
Chatterji, (Dr.). Suniti Kumar : Languages and Literatures of Modern India.
Chomskey, Noam : Aspects of the Theory of Syntax.
Crystal, David : Linguistics.
Gleason, H.A. (Jr) : An Introduction to Descriptive Linguistics.
Grierson, George Abraham : Linguistic Survey of India, Vol. V.
Hall, Robert A (Jr) : Introductory Linguistics.
Hockett, Charles Francis : A Course in Modern Linguistics.
Jesperson, Otto : Language, Its Nature, Development and Origin.
Jones, Daniel : An Outline of English Phonetics.
Kakati, (Dr) Banikanta : Assamese ; its Formation and Development.
Leifer Walter : India and the Germans.
Lyons, John : Introduction to Theoritical Linguistics.
Marshall, J : Psychological Linguistics.
Monier Williams : A Sanskrit English Dictionary.
Palmer, F.R. : Grammatical Categories and their Phonetic Exponents.

Plato	:	Dialogues.
Robins Prof. R.H.	:	General Linguistics.
Sapir, E.	:	Language, An Introduction to the Study of Speech.
Sturtevant, Edger H.	:	An Introduction to Linguistics Science.
Sweet, Henry	:	The History of Language.
Taraporewala, I.J.S.	:	Elements of Science of Language.
Woolner, A.C.	:	Introduction to Prakrit.

অসমীয়া

গোস্বামী, (ড°) উপেন্দ্রনাথ	ঃ	ভাষাবিজ্ঞান, অসমীয়া ভাষাৰ ৰূপকথা, অসমীয়া ভাষা আৰু উপভাষা
গোস্বামী, (ড°) গোলোক চন্দ্ৰ	ঃ	ধ্বনিবিজ্ঞানৰ ভূমিকা অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ
গোস্বামী, (ড°) সত্যেন্দ্ৰ নাৰায়ণ	ঃ	প্ৰাকৃত সাহিত্য
ঠাকুৰ, (ড°) নগেন	ঃ	পালি প্ৰাকৃত, অপভ্ৰংশ ভাষা আৰু সাহিত্য
দত্তবৰুৱা, (ড°) ফণীন্দ্ৰ নাৰায়ণ	ঃ	আধুনিক ভাষাবিজ্ঞান পৰিচয়
পাঠক, (ড°) ৰমেশ	ঃ	ভাষাবিজ্ঞানৰ ভূমিকা
বৰুৱা, (ড°) বিৰিঞ্চি কুমাৰ	ঃ	ভাষা আৰু সংস্কৃতি
মৰল, (ড°) ভগবান	ঃ	ভাষাৰ্থবিজ্ঞান

বঙালী

ঘোষ মনোমোহন	ঃ	প্ৰাকৃত সাহিত্য
চেটাৰ্জী, (ড°) সুনীতি কুমাৰ	ঃ	ভাষা প্ৰকাশ বাঙ্গলা ব্যাকৰণ
চট্টোপাধ্যায়, নৃপেন্দ্ৰ নাৰায়ণ	ঃ	ভাষাতত্ত্বৰ ইতিহাস ও অন্যান্য প্ৰবন্ধ
ভট্টাচাৰ্য, পুলেন চন্দ্ৰ	ঃ	ভাষা বিদ্যা পৰিচয়
শ, (ড°) ৰামেশ্বৰ	ঃ	সাধাৰণ ভাষা বিজ্ঞান ও বাংলা ভাষা
সেন, (ড°) সুকুমাৰ	ঃ	ভাষাৰ ইতিবৃত্ত
সেন, [illegible]	ঃ	ভাষাৰ ইতিহাস (প্ৰথম ও দ্বিতীয় পৰ্ব)

# # # # #